ITKS 05

ভাৰতীয় পাৰম্পৰিক জ্ঞান পদ্ধতি

ছয়মহীয়া চার্টিফিকেট পাঠ্যক্রম

ভাৰতীয় জ্ঞান পৰম্পৰাৰ গুৰুত্বপূৰ্ণ দিশ



পদ্মনাথ গোহাঞি বৰুৱা মানবিকী বিদ্যা অধ্যয়ন সত্র

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপক দীপক কুমাৰ শর্মা, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপিকা সুদেষ্ণা ভট্টাচার্য, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপক জগদীশ শর্মা, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° ইন্দ্রানী ডেকা, সহকাৰী অধ্যাপিকা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়, পিঙ্কু কলিতা, সহকাৰী অধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়, লীনা ওজাঁ, সহকাৰী অধ্যাপিকা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	অৰিহণা যোগাইছে
১	অধ্যাপক থানেশ্বৰ শর্মা, প্রাক্তন মুৰব্বী অধ্যাপক, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
২	ড° সুধেন্দু মোহন ভদ্র, প্রাক্তন মুৰব্বী অধ্যাপক, সংস্কৃত বিভাগ, কটন মহাবিদ্যালয়, গুৱাহাটী
৩	ড° প্রণৱজ্যোতি ডেকা, সহকাৰী অধ্যাপক, সংস্কৃত বৈদিক অধ্যয়ন বিভাগ, কুমাৰ ভাস্কৰ বর্মা সংস্কৃত আৰু পু�ৰাতন অধ্যয়ন বিশ্ববিদ্যালয়, নলবাৰী
৪, ৫, ৬	ড° ভাৰতী গোস্বামী, সহকাৰী অধ্যাপিক, সংস্কৃত বিভাগ, বি বৰুৱা মহাবিদ্যালয়, গুৱাহাটী
৭, ১৩	ড° ইন্দ্রানী ডেকা, সহকাৰী অধ্যাপিকা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
৮	ড° হীৰামণি গোস্বামী, সহকাৰী অধ্যাপিক, সংস্কৃত বিভাগ, বি বৰুৱা মহাবিদ্যালয়, গুৱাহাটী
৯, ১২	ড° ৰাতুল বুজৰবৰুৱা, অধ্যাপক, সংস্কৃত সাহিত্য বিভাগ, কুমাৰ ভাস্কৰ বর্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়, নলবাৰী
১০	ড° দীক্ষা শর্মা, সহকাৰী অধ্যাপিকা, পাণ্ডু মহাবিদ্যালয়
১১	ড° দীলিপ শর্মা, সহযোগী অধ্যাপক (প্রাক্তন) কটন মহাবিদ্যালয়
১৪	ড° গৌতম চৌধুৰী, সহকাৰী অধ্যাপক, সংস্কৃত বিভাগ, নলবাৰী মহাবিদ্যালয়

সম্পাদনা ঃ

বিষয়বস্তু সম্পাদনা ঃ অধ্যাপিকা মঞ্জুলা দেৰী (অৱসৰপ্রাপ্ত), সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়, অধ্যায় ১, ২, ১১
অধ্যাপক ৰাতুল বুজৰবৰুৱা, সংস্কৃত সাহিত্য বিভাগ, কুমাৰ ভাস্কৰ বর্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়, নলবাৰী, অধ্যায় ৩
অধ্যাপক জগদীশ শর্মা, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়, অধ্যায় ৪, ৫, ৬, ৮, ৯, ১৪
অধ্যাপক মুক্তা বিশ্বাস, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়, অধ্যায় ৭, ১০
ড° উদিতা গোস্বামী, সহকাৰী অধ্যাপিকা, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়, অধ্যায় ১২
অধ্যাপিকা সুদেষ্ণা ভট্টাচার্য, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়, অধ্যায় ১৩

গাঁথনিক সম্পাদনা ঃ পিঙ্কু কলিতা, সহকাৰী অধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রকাশ ঃ জানুৱাৰী, ২০২৬ ISBN: 978-93-7839-023-4

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ এই স্ব-শিক্ষণ সামগ্রী ক্রিয়েটিভ কমন্স এটিবিউচন-নন-কমার্চিয়েল-শ্বেয়াৰএলাইক ৪.০ লাইচেন্স (আন্তঃৰাষ্ট্রীয়) ঃ http//creativecommons.org/licences/by-nc-sa/4.0 ৰ অধীনত উপলব্ধ কৰা হৈছে। http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণীগেট, গুৱাহাটী-৭৮১০১৭
নগৰ কার্যালয় ঃ ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী-৭৮১০২২
Web : www.kkhsou.in

পাঠ্যবিষয়ৰ পৰিচয়

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে আগবঢ়োৱা ভাৰতীয় পাৰম্পৰিক জ্ঞান পদ্ধতি চার্টিফিকেট পাঠ্যক্রমৰ পঞ্চম পাঠ্যবিষয়ৰ বাবে এই পাঠখিনি প্রস্তুত কৰা হৈছে। এই পাঠ্যবিষয়টিত ভাৰতীয় জ্ঞান পদ্ধতিৰ বহুতো উল্লেখযোগ্য বিষয় অন্তর্ভুক্ত কৰা হৈছে। পাঠ্যবিষয়টিৰ নাম হ'ল- ভাৰতীয় জ্ঞান পৰম্পৰাৰ গুৰুত্বপূর্ণ দিশ। ইয়াত সর্বমুঠ চৈধ্যটা (১৪) অধ্যায় আছে । অধ্যায়সমূহ হ'ল —

অধ্যায় ১ঃ শতপথ ব্রাহ্মণ
অধ্যায় ২ঃ ঈশোপনিষদ্
অধ্যায় ৩ঃ নিৰুক্ত
অধ্যায় ৪ ঃ শ্রীবিষ্ণুপুৰাণ - সাধাৰণ আলোচনা
অধ্যায় ৫ঃ ভাৰতবর্ষৰ বর্ণনা (বিষ্ণুপুৰাণৰ মতে)
অধ্যায় ৬ ঃ শ্রীমদ্ভাগৱত পুৰাণ - সাধাৰণ পৰিচয়
অধ্যায় ৭ঃ কালিকাপুৰাণ
অধ্যায় ৮ ঃ 'গীতগোৱিন্দম্' (সাধাৰণ আলোচনা)
অধ্যায় ৯ঃ অসমত বিৰচিত সংস্কৃত কাব্য
অধ্যায় ১০ঃ অসমত সংস্কৃত-চর্চা (শংকৰোত্তৰ কালৰ পৰা বর্তমানলৈ)
অধ্যায় ১১ঃ লীলাৱতী (সাধাৰণ অধ্যয়ন)
অধ্যায় ১২ঃ অবিনাশি
অধ্যায় ১৩ঃ সতী জয়মতী, প্রথম প্রবাহ (১-১৪)
অধ্যায় ১৪ ঃ বৃত্তমঞ্জৰী — এটি অৱলোকন

এই খণ্ডটি অধ্যয়ন কৰোঁতে মূল পাঠৰ লগে লগে সোঁ তথা বাঁওফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব পাৰিব। এইবোৰে আপোনাক মূল পাঠত উল্লেখ কৰা দৰকাৰী ধাৰণাসমূহ সৰল অর্থত বুজি পোৱাত সহায় কৰিব। 'জানি থোৱা ভাল' বাকচবোৰৰ যোগেদি আপুনি মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ বিষয়ে জ্ঞান লাভ কৰিব। আকৌ 'অগ্রগতি নিৰীক্ষণ' যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে স্বপৰীক্ষণৰ সুবিধা প্রদান কৰিব। অধ্যয়নৰ লগে লগে উক্ত প্রশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্রগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়বোৰৰ শেষত 'আর্হি প্রশ্ন' হিচাপে কেইটিমান আর্হি প্রশ্ন তুলি দিয়া হৈছে। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্রন্থসমূহ সাৰথি স্বৰূপ। আপুনি বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেইকেইখন অধ্যয়ন কৰিব পাৰিব।

বিষয় সূচী

পৃষ্ঠা নং

অধ্যায় ১ঃ **শতপথ ব্রাহ্মণ** ৭-১৬

ব্রাহ্মণ সাহিত্য; শুক্ল যজুর্বেদ আৰু শতপথ ব্রাহ্মণ; শতপথ ব্রাহ্মণৰ দুই শাখা; শতপথ ব্রাহ্মণ আৰু বৃহদাৰণ্যক উপনিষদ; শতপথ ব্রাহ্মণ আৰু যাজ্ঞবল্ক্য; শতপথ ব্রাহ্মণৰ বিষয়বস্তু; শতপথ ব্রাহ্মণত বর্ণিত আখ্যান ঃ পুৰূৰৱা আৰু উর্বশীৰ আখ্যান, মনুমৎস্য কথা; শতপথ ব্রাহ্মণত বর্ণিত যজ্ঞ ঃ অশ্বমেধ যজ্ঞ, পুৰুষমেধ যজ্ঞ, বৃহদাৰণ্যক উপনিষদ।

অধ্যায় ২ঃ **ঈশোপনিষদ্** ১৭- ২৮

ঈশোপনিষদৰ পৰিচয়; শান্তি মন্ত্র, ইয়াৰ অর্থ আৰু তাৎপর্য ঃ ঈশোপনিষদৰ প্রথম মন্ত্রৰ শব্দার্থ, অসমীয়া অনুবাদ আৰু তাৎপর্য, ঈশোপনিষদৰ দ্বিতীয় মন্ত্র, শব্দার্থ, অসমীয়া অনুবাদ আৰু তাৎপর্য, ঈশোপনিষদৰ তৃতীয় মন্ত্র, শব্দার্থ, অসমীয়া অনুবাদ আৰু তাৎপর্য; আত্মাৰ স্বৰূপ (চতুর্থ, পঞ্চম আৰু অষ্টম মন্ত্র) ঃ আত্মজ্ঞানীৰ মনৰ অৱস্থা (ষষ্ঠ আৰু সপ্তম মন্ত্র)।

অধ্যায় ৩ঃ **নিৰুক্ত** ২৯-৩৭

নিৰুক্ত শব্দৰ অর্থ; নির্ঘণ্ট; নিৰুক্তৰ বিভাজন; নিৰুক্তৰ বিষয়বস্তু; নৈঘণ্টক কাণ্ড; নৈগম কাণ্ড; নিৰুক্তৰ মহত্ব।

অধ্যায় ৪ ঃ **শ্রীবিষ্ণুপুৰাণ - সাধাৰণ আলোচনা** ৩৮-৪৫

নামৰ তাৎপর্য; বিষ্ণু পুৰাণৰ আলোচ্য বিষয়; ৰচয়িতা আৰু ৰচনা কাল; বিষ্ণুপুৰাণৰ অংশসমূহৰ সাৰাংশ।

অধ্যায় ৫ঃ **ভাৰতবর্ষৰ বর্ণনা (বিষ্ণুপুৰাণৰ মতে)** ৪৬-৫৫

জম্বুদ্বীপৰ পৰিচয়; ভাৰতবর্ষৰ বর্ণনা; সংস্কৃত পাঠ্যাংশ; সংস্কৃত পাঠ্যাংশৰ অসমীয়া অনুবাদ; শব্দার্থ; বিসন্ধি।

অধ্যায় ৬ ঃ **শ্রীমদ্ভাগৱত পুৰাণ - সাধাৰণ পৰিচয়** ৫৬-৬৫

নামৰ তাৎপর্য; শাস্ত্রখনিৰ আলোচ্য বিষয়; ৰচয়িতা আৰু ৰচনাকাল ঃ ভাষ্যকাৰসকল; স্কন্ধসমূহৰ সাৰাংশ।

অধ্যায় ৭ঃ **কালিকাপুৰাণ** ৬৬-৭২

কালিকাপুৰাণৰ পৰিচয়; লেখক আৰু ৰচনাকাল; ৰচনাৰ স্থান; কালিকাপুৰাণৰ গঠন আৰু অধ্যায় বিভাজন; মূল বিষয়বস্তু; কালিকা পুৰাণৰ গুৰুত্ব; কালিকাপুৰাণৰ অন্যান্য সাহিত্যলৈ প্রভাৱ।

অধ্যায় ৮ ঃ **'গীতগোৱিন্দম্' (সাধাৰণ আলোচনা)** ৭২-৮৩

'গীতগোৱিন্দম্' গীতিকাব্যখনৰ চমু পৰিচয়; গীতিকাব্যৰ লক্ষণ, 'গীতগোৱিন্দম্' ৰ টীকা; ৰচকৰ পৰিচয়; শিৰোনামৰ তাৎপর্য; সর্গসমূহৰ সাৰাংশ; 'গীতগোৱিন্দম্'ৰ কাব্যিক সৌন্দর্য; 'গীতগোৱিন্দম্'ৰ কেইটামান শ্লোকৰ ব্যাখ্যা।

অধ্যায় ৯ঃ **অসমত বিৰচিত সংস্কৃত কাব্য** ৮৪-৯৬

ধর্মশাস্ত্র অথবা স্মৃতিশাস্ত্র ঃ তন্ত্র সাহিত্য; পুৰাণ সাহিত্য; নাটক; ব্যাকৰণ; কাব্য ঃ শ্রীকৃষ্ণলীলামৃতম্, সতী জয়মতী, শ্লোকমালা, পতাকান্যায়, প্রকামকামৱ্যপম্, অবিনাশি, কবিকৌতূহলম্, প্রশস্তিমূলক কাব্য, ব্যঞ্জনাপ্রপঞ্চসমীক্ষা, অনূদিত কাব্য।

অধ্যায় ১০ঃ অসমত সংস্কৃত-চর্চা (শংকৰোত্তৰ কালৰ পৰা বর্তমানলৈ) **৯৭-১০৮**

অসমত সংস্কৃত চর্চা; ধীৰেশ্বৰাচার্য ঃ বৃত্তমঞ্জুৰী; ভৰদেৱ ভাগৱতী ঃ সতী জয়মতী, শ্লোকমালা; আচার্য মনোৰঞ্জন শাস্ত্রী; বিপিন চন্দ্র গোস্বামী; আনন্দৰাম বৰুৱা; কৃষ্ণকান্ত সন্দিকৈ; যোগীৰাজ বসু; ড° বিশ্বনাৰায়ণ শাস্ত্রী; ড° মুকুন্দ মাধৱ শর্মা; আন আন পণ্ডিতসকল- জীৱেশ্বৰ দেৱ গোস্বামী, বৈকুণ্ঠনাথ চক্রৱর্তী, ড° ৰাজেন্দ্র নাথ শর্মা ইত্যাদি।

অধ্যায় ১১ঃ লীলাৱতী (সাধাৰণ অধ্যয়ন) **১০৯-১১৮**

প্রোচীন ভাৰতৰ গণিত-চর্চাৰ নিদর্শন ঃ শুল্বসূত্র, বাক্শালী পাণ্ডুলিপি, সিদ্ধান্ত জ্যোতিষ; প্রাচীন ভাৰতত সংখ্যা-লিখন পদ্ধতি;প্রাচীন ভাৰতৰ কেইজনমান প্রতিভাধৰ গণিতজ্ঞ ঃ আর্য্যভট, বৰাহমিহিৰ, ব্রহ্মগুপ্ত, শ্রীধৰাচার্য্য, মহাবীৰাচার্য্য, ভাস্কৰাচার্য্য; ভাস্কৰাচার্য্যৰ লীলাৱতী।

অধ্যায় ১২ঃ অবিনাশি **১১৯-১২৭**

ৰচকৰ পৰিচয়; 'অবিনাশি'ৰ সাৰাংশ ঃ ৰস প্রয়োগ, ছন্দ প্রয়োগ, পূর্বৱর্তী কাব্যৰ প্রভাৱ, 'অবিনাশি'ত প্রতিফলিত সামাজিক-সাংস্কৃতিক দিশ।

অধ্যায় ১৩ঃ সতী জয়মতী, প্রথম প্রবাহ (১-১৪) **১২৮-১৩৭**

লিখকৰ পৰিচয়; সতী জয়মতী কাব্যৰ সাৰাংশ; শ্লোকসমূহৰ সংস্কৃত পাঠ (১-১৪) ঃ শ্লোকসমূহৰ শব্দার্থ, শ্লোকসমূহৰ অসমীয়া অনুবাদ।

অধ্যায় ১৪ ঃ বৃত্তমঞ্জৰী — এটি অৱলোকন **১৩৮-১৪২**

বৃত্তমঞ্জৰীৰ চমু পৰিচয়; বৃত্তমঞ্জৰী ঃ শিৰোনামৰ তাৎপর্য্য; বৃত্তমঞ্জৰীৰ অধ্যায়সমূহৰ আভাস; বৃত্তমঞ্জৰীৰ বৈশিষ্ট্য; বৃত্তমঞ্জৰীকাৰ ধীৰেশ্বৰাচার্য্যৰ জীৱন আৰু কৃতি।

প্রসংগ পুথি **১৪৩-১৪৪**

অধ্যায় ১ঃ শতপথ ব্রাহ্মণ

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ ব্রাহ্মণ সাহিত্য

১.৪ শুক্ল যজুর্বেদ আৰু শতপথ ব্রাহ্মণ

১.৫ শতপথ ব্রাহ্মণৰ দুই শাখা

১.৬ শতপথ ব্রাহ্মণ আৰু বৃহদাৰণ্যক উপনিষদ

১.৭ শতপথ ব্রাহ্মণ আৰু যাজ্ঞবল্ক্য

১.৮ শতপথ ব্রাহ্মণৰ বিষয়বস্তু

১.৯ শতপথ ব্রাহ্মণত বর্ণিত আখ্যান

১.৯.১ পুৰূৰৱা আৰু উর্বশীৰ আখ্যান

১.৯.২ মনুমৎস্য কথা

১.১০ শতপথ ব্রাহ্মণত বর্ণিত যজ্ঞ

১.১০.১ অশ্বমেধ যজ্ঞ

১.১০.২ পুৰুষমেধ যজ্ঞ

১.১১ বৃহদাৰণ্যক উপনিষদ

১.১২ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.১৩ অধিক জানিবলৈ

১.১৪ অগ্রগতিৰ খতিয়ান

১.১৫ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- প্রাচীন ভাৰতীয় সাহিত্য বেদৰাশিৰ মাজত উপলব্ধ ব্রাহ্মণ গ্রন্থৰ গুৰুত্ব আৰু মহত্বৰ আভাস পাব পাৰিব
- ব্রাহ্মণ গ্রন্থবোৰত বর্ণনা কৰা দেৱতাসকলৰ চৰিত্রৰ আভাস পাব
- শতপথ ব্রাহ্মণত বর্ণিত আখ্যানবোৰৰ আভাস লাভ কৰিব পাৰিব
- শতপথ ব্রাহ্মণত বর্ণিত অশ্বমেধাদি যজ্ঞৰ আভাস লাভ কৰিব।

১.২ পৰিচয়

ইতিমধ্যে আপুনি বৈদিক সাহিত্যৰ আয়তনিক বিশালতা, বৈষয়িক গুৰুত্ব, সাংস্কৃতিক মহত্ব সম্বন্ধে নিশ্চয় অৱগত হৈছে। আপুনি ইতিমধ্যে জানিছে যে মন্ত্র আৰু ব্রাহ্মণ দুয়োটাকে বেদ বুলি কোৱা হয়। মন্ত্রভাগৰ সংকলনেই সংহিতা। তাৰ বিপৰীতে মন্ত্রভাগৰ যজ্ঞত প্রায়োগিক বিধি আৰু দেৱ-দেৱতা আৰু যাগ-যজ্ঞৰ

ব্যাখ্যাবোৰকে অথর্ববেদ বোলা হয়। মন্ত্রৰ দৰে ব্রাহ্মণভাগৰ মহত্ত্বও কম নহয়। মন্ত্রবোৰত বর্ণনা কৰিব নোৱাৰা দেৱতা আৰু যজ্ঞ সম্বন্ধীয় কথাবোৰ ব্রাহ্মণৰ পাতত বহলাই কোৱা হৈছে।

আগতে পাই আহিছো যে প্রাচীন ভাৰততে আর্যসকলৰ মাজত অনেক ব্রাহ্মণ গ্রন্থ আছিল। তাৰে অধিকাংশ প্রাকৃতিক দুর্যোগতে হওক বা অন্য কোনো কাৰণতে হওঁক কালৰ বুকুত হেৰাই গ'ল। এতিয়া চাৰিওখন বেদৰে সম্বন্ধ মাত্র যোল্লখনমান ব্রাহ্মণ গ্রন্থহে পোৱা যায়। এই যোল্লখন গ্রন্থৰ মাজত ঋগ্বেদৰ লগত সংলগ্ন ঐতৰেয়, যজুর্বদৰে সংলগ্ন শতপথ ব্রাহ্মণ আৰু সামবেদৰে সম্বন্ধ পঞ্চবিংশ ব্রাহ্মণৰ মহত্ত্ব সর্বাধিক। অধুনাপ্রাপ্ত ব্রাহ্মণ গ্রন্থবোৰৰ ভিতৰত শতপথ ব্রাহ্মণৰ আয়তন সবাতোকৈ বেচি। যাগ-যজ্ঞ, সামাজিক আচাৰ-ব্যৱহাৰ, সাংস্কৃতিক নানা বিষয় এই ব্রাহ্মণৰ পাতত বৰ বিস্তৃত ৰূপত পোৱা যায়। সেয়ে ইয়াৰ অধ্যয়ন আৰু আলোচনা বৰ গুৰুত্বপূর্ণ বিষয়। তলত শতপথ ব্রাহ্মণৰ বিষয়ে আলোচনা কৰা হৈছে।

কোৱা বাহুল্য যে এই ব্রাহ্মণগ্রন্থবিলাকৰ মাজত ঋগ্বেদীয় ব্রাহ্মণকেইখনত বিশাল যজ্ঞত হোতা নামে ঋত্বিকৰ কৰণীয় কার্যৰ বিৱৰণ দাঙি ধৰা হৈছে। সেইদৰে সামবেদৰ অন্তর্গত ব্রাহ্মণবিলাকে যজ্ঞত উদগাতা প্রভৃতি ঋত্বিকৰ কৰণী কার্যৰ বর্ণনা তুলি ধৰে। একেদৰে যর্জুবেদৰ অন্তর্গত ব্রাহ্মণ গ্রন্থ কেইখনে যাগ-যজ্ঞ, অধ্বুর্যু প্রভৃতি ঋত্বিকৰ কৰণীয় কার্যবোৰৰ বিৱৰণ দাঙি ধৰে। গোপথ ব্রাহ্মণত তেনে কোনো নির্দিষ্ট বিষয় নাই যিবোৰ ব্রহ্মাৰ কৰণীয়। অৱশ্যে অথর্ববেদৰ পাতত প্রায়শ্চিত্তৰ মন্ত্রবোৰ ব্রহ্মাই প্রসঙ্গক্রমে প্রয়োগ কৰে।

১.৩ ব্রাহ্মণ সাহিত্য (পুনৰাভ্যাস)

শতপথ ব্রাহ্মণৰ আলোচনাত প্রৱেশ কৰাৰ আগতে আমি সমস্ত ব্রাহ্মণ গ্রন্থবোৰৰ নাম মনলৈ অনা উচিত। সেই ব্রাহ্মণ গ্রন্থবোৰৰ মাজত আপেক্ষিকভাৱে গুৰুত্বপূর্ণ ব্রাহ্মণবোৰ হ'ল ঃ

ঋগ্বেদৰ অন্তর্গত —	ঐতৰেয় ব্রাহ্মণ,
	কৌষীতকী বা সাংখ্যায়ন ব্রাহ্মণ;
সামবেদৰ অন্তর্গত —	পঞ্চবিংশ বা তাণ্ড্যমহাব্রাহ্মণ,
	ষড়বিংশ ব্রাহ্মণ,
যজুর্বেদৰ অন্তর্গত —	তৈত্তিৰীয় ব্রাহ্মণ,
	শথপথ ব্রাহ্মণ;
অথর্ববেদৰ অন্তর্গত —	গোপথ ব্রাহ্মণ।

১.৪ শুক্ল যজুর্বেদ আৰু শতপথ ব্রাহ্মণ

যজুর্বেদৰ দুটা ভাগ প্রাচীন কালৰে পৰা নির্দিষ্ট ৰূপত প্রচলিত হৈ আহিছে। তথাপিও কৃষ্ণ যজুর্বেদক শুক্ল যজুর্বেদৰ তুলনাত আপেক্ষিকভাবে প্রাচীনতৰ বোলাৰ কাৰণ আছে। ব্যাসদেৱে বেদ বিভাজন কৰা সময়ত যজুর্বেদ অখণ্ডৰূপত আছিল। এই বেদৰ শুক্ল-কৃষ্ণ বিভাগ পৰৱর্তী কালত হয়। অসন্তুষ্ট গুৰু বৈশাম্পায়নৰ আদেশ ক্রমে যাজ্ঞৱল্ক্যই তেওঁৰ অধীৰ বেদসমূহ বমি কৰি উলিয়াই দিয়াৰ পাছত, সেই অশুদ্ধ বস্তুৰূপ বেদ তিত্তিৰি চৰাই হৈ অন্য শিষ্যই গ্রহণ কৰাত তৈত্তিৰীয় আদি বেদ কৃষ্ণ (মিশ্র অর্থত) বুলি প্রসিদ্ধ হ'ল।

বেদৰ অধিকাৰৰ পৰা বঞ্চিত যাজ্ঞৱল্ক্যই সূর্যক উপাসনা কৰি লাভ কৰা বেদ শুক্ল বুলি, বিশুদ্ধ বেদ বুলি সমাজত জনাজাত হ'ল। এই বেদৰ মন্ত্রবোৰ অর্বাচীন, তৈত্তিৰীয় আদি কৃষ্ণ যজুর্বেদৰ তুলনাত নতুন।

শতপথ ব্রাহ্মণ শুক্ল যজুর্বেদৰ অন্তর্গত। তৈত্তিৰীয় ব্রাহ্মণৰ তুলনাত ইও নতুন বা অর্বাচীন। সেয়ে হ'লেও

এই ব্রাহ্মণত বহুত গুৰুত্বপূৰ্ণ বিষয়ৰ আলোচনাই ঠাই পাইছে। ইয়াৰ মাজতো যাজ্ঞৱল্ক্যৰ মহত্ত্বই সকলোকে চমৎকৃত কৰে। আনকি শতপথৰ অন্তৰ্গত বৃহদাৰণ্যক উপনিষদত যাজ্ঞৱল্ক্যক ব্ৰহ্মবাদীৰূপে প্ৰতিষ্ঠা কৰে। পণ্ডিতসকলে ঐতৰেয় ব্রাহ্মণ, তৈত্তিৰীয় ব্রাহ্মণ, পঞ্চবিংশ ব্রাহ্মণ আৰু তলবকাৰ ব্রাহ্মণৰ সমানেই শতপথক প্ৰাচীন আৰু মহত্ত্বপূৰ্ণ বুলি একমুখে স্বীকাৰ কৰে। তদুপৰি আয়তনত এই ব্রাহ্মণ বৃহত্তম বুলি খ্যাত।

১.৫ শতপথ ব্রাহ্মণৰ দুই শাখা

শুক্ল যজুৰ্বেদৰ সংহিতা বাজসনেয়ী সংহিতা নামেৰেও জনাজাত। সম্ভৱতঃ যাজ্ঞৱল্ক্যৰ অন্য নাম বা উপাধি আছিল বাজসনেয়। বাজ আৰু সনি শব্দই প্ৰচুৰ অন্নবন্তলোকক বুজায়। যাজ্ঞৱল্ক্যও আঢ্যৱন্ত লোক আছিল। তেতিয়া দুগ্ধৱতী গাই-গৰু, বলধ গৰু, ঘোঁৰা, ছাগলী আদি পশুৰে যিজন সমৃদ্ধ আছিল তেওঁকে সমাজে ধনী বুলিছিল। তেনে এজন লোক যাজ্ঞৱল্ক্যই প্ৰতিষ্ঠা কৰা যৰ্জুবেদ সংহিতাক বাজসনেয়ী সংহিতা বোলা হৈছে।

কালক্ৰমত শুক্ল যজুৰ্বেদো দুই শাখাত বিভক্ত হয়। তাৰে এটা শাখা কাণ্ব, আনটো মাধ্যন্দিনৰূপে জনাজাত হ'ল। একেদৰে তাৰে সম্বদ্ধ ব্রাহ্মণ গ্ৰন্থ শতপথত দুই শাখাত বিভক্ত হ'ল।

যদিও দুয়ো শাখাত অন্তৰ্গত ব্রাহ্মণৰ বিষয়বস্তুৰ মাজত কোনো অন্তৰ বা পাৰ্থক্য দেখা নাযায়। তথাপি বৰ্ণনাৰ ক্ৰম, অধ্যায়, কাণ্ড, আদিৰ অমিল দেখা যায়।

মাধ্যন্দিন শাখাৰ শতপথ ব্রাহ্মণত আছে চৈধ্যটা কাণ্ড (১৪), এশটা অধ্যায় (১০০), প্ৰপাঠক আঠষষ্ঠিটা (৬৮), ব্রাহ্মণ চাৰিশ পয়ত্রিশটা (৪৩৫) আৰু কণ্ডিকা সাত হাজাৰ ছশ চৌৱিশটা (৭৬২৪)। কাণ্ব শতপথত আছে সোতৰটা কাণ্ড, এশ চাৰিটা অধ্যায়, চাৰিশ পয়ত্রিশটা ব্রাহ্মণ আৰু ছয় হাজাৰ আঠশ ছটা কণ্ডিকা। কাণ্ব ব্রাহ্মণখনত প্ৰপাঠক ভাগ নাই। কোনো বিষয়ৰ প্ৰসঙ্গোক্তি উল্লেখ কৰিবলৈ হ'লে, কাণ্ড, অধ্যায়, ব্রাহ্মণ আৰু কণ্ডিকাৰ সংখ্যা উল্লেখ কৰিব লাগে। দুয়োখন সংহিতাত এশ বা শতাধিক অধ্যায় থকা বাবে ব্রাহ্মণখনৰ নাম শতপথ ব্রাহ্মণ হৈছে, ইয়াত পথ (পথিন্) শব্দটোৰ অৰ্থ হৈছে অধ্যায়।

মাধ্যন্দিন শতপথৰ প্ৰথম কাণ্ডৰ পৰা নৱম কাণ্ডলৈকে পিণ্ডপিতৃযজ্ঞক এৰি বাকী বিষয়বোৰৰ ক্ৰমে মাধ্যন্দিন সংহিতাৰ ক্ৰম অনুসৰণ কৰিছে। পিণ্ডপিতৃ যজ্ঞৰ বৰ্ণনা সংহিতা ভাগত দৰ্শপূৰ্ণযাগৰ পাছতে আহিছে। কিন্তু ব্রাহ্মণত এই বৰ্ণনা আধানৰ পিছতে সন্নিৱিষ্ট হৈছে। বাকীবোৰ কাণ্ডতো সংহিতাৰ ক্ৰম অনুসৰণ কৰা হৈছে। দুয়োটা শাখাৰ শতপথ ব্রাহ্মণত বিষয়-বস্তু চয়নত আৰু এটি পাৰ্থক্য চকুত পৰিছে। মাধ্যন্দিন শতপথৰ প্ৰথম কাণ্ডত দৰ্শপূৰ্ণমাসৰ যি বিৱৰণ পোৱা যায় কাণ্ব শতপথত সেয়া দ্বিতীয় কাণ্ডতহে বৰ্ণনা কৰা হৈছে। সেইদৰে মাধ্যন্দিনৰ দ্বিতীয় কাণ্ডৰ বিষয় আধান, অগ্নিহোত্ৰ আদি কাণ্ব শতপথৰ প্ৰথম কাণ্ডত চয়ন কৰা হৈছে। দুয়ো শাখাৰ মাজত সামান্য অন্তৰ আৰু অধিক সাদৃশ্য লৈ দৃষ্টি ৰাখি কালাণ্ডে (Caland) মত প্ৰকাশ কৰিছে যে দুয়োটা শাখাৰ মূলতে এখন প্ৰাচীন ব্রাহ্মণ আছিল।

১.৬ শতপথ ব্রাহ্মণ আৰু বৃহদাৰণ্যক উপনিষদ্

শতপথ ব্রাহ্মণৰ অন্তিম কাণ্ড, চতুৰ্দশ কাণ্ডত প্ৰবৰ্গ্যৰ আলোচনাৰ অন্তত আছে বৃহদাৰণ্যকোপনিষদ্। বেদসমূহৰ প্ৰতিখন বেদ দ্বিধা বিভক্ত—মন্ত্ৰ আৰু ব্রাহ্মণ (মন্ত্ৰ ব্রাহ্মনয়োৰ্বেদনামধেয়ম)। বেদৰ অন্তিম ভাগ ব্রাহ্মণ (শেষে ব্রাহ্মণ শব্দ।)। ব্রাহ্মণৰ শেষ ভাগ আৰণ্যক, আৰণ্যকৰ অন্তিম ভাগ উপনিষদ্ অৰ্থাৎ বেদান্ত। এই ক্ৰম শতপথ ব্রাহ্মণত সম্পূৰ্ণৰূপে পালন কৰা হৈছে। শতপথৰ শেষ যি আৰণ্যক আছে, সি আৰণ্যকবোৰৰ ভিতৰত বৃহত্তম; সেয়ে ইয়াক বৃহদাৰণ্যক বোলা হৈছে। তাৰো শেষ ভাগত বৃহৎ আকাৰৰ উপনিষদ এখন আছে। এই উপনিষদখনৰ মহত্ত্ব আৰু গৌৰৰ ছান্দোগ্য উপনিষদৰ দৰেই।

১.৭ শতপথ ব্রাহ্মণ আৰু যাজ্ঞবল্ক্য

শতপথ ব্রাহ্মণ শুক্ল যজুর্বেদ বুলি জনাজাত বাজসনেয়ী সংহিতাৰে সংলগ্ন। এই ব্রাহ্মণ গ্রন্থ সংহিতাৰ দৰে কাণ্ব আৰু মাধ্যন্দিনক দুয়ো শাখাতে দেখা যায়। বৃহদ্দাৰণ্যক উপনিষদ দুয়ো শাখাৰ অন্তিম কাণ্ডত সন্নিৱিষ্ট হৈছে।

যজুর্বেদৰ সবিশেষ আলোচনা কৰোঁতে কৈ অহা হৈছে যে যাজ্ঞৱল্ক্য মন্ত্রভাগৰ ঋষি। তেওঁ বিশেষ পৰিস্থিতিত পৰি ভগৱান আদিত্যক উপাসনা কৰি শুক্ল যজুর্বেদৰ মন্ত্রভাগ দর্শন কৰে। কেৱল সেয়ে নহয় এই বেদৰ অন্তর্গত ব্রাহ্মণ, আৰণ্যক আৰু উপনিষদ্ ভাগৰো তেওঁ প্রবক্তা। এই ব্রাহ্মণৰ প্রথম পাঁচটা কাণ্ডত বিদেহ আৰু কোশলৰ বর্ণনাসহ যাজ্ঞৱল্ক্যৰ উল্লেখ সঘনে হোৱালৈ চাই এই কাণ্ড কেইটাৰ কর্তৃত্ব যাজ্ঞৱল্ক্যৰ ওপৰত আৰোপ কৰা হয়। পৰৱর্তী পাঁচটা কাণ্ডত (৬-১০) গান্ধাৰ, কেকয়, শালবপ্রভৃতি পশ্চিমোত্তৰ ভাৰতৰ লোকবর্গৰ লগতে শাণ্ডিল্যৰ নাম সঘনে পোৱা যায়। এই পাঁচটা কাণ্ড যাজ্ঞৱল্ক্যৰ ৰচনা হয় নে নহয়, সেইলৈ সন্দেহৰ স্থল আছে। সেয়ে এই পাঁচটা কাণ্ডৰ কর্তৃত্ব শাণ্ডিল্যৰ ওপৰত আৰোপ কৰা পণ্ডিতো আছে।

কিন্তু বৃহদাৰণ্যক আৰু উপনিষদ ভাগৰ ওপৰত যাজ্ঞৱল্ক্যৰ কর্তৃত্ব লৈ সন্দেহৰ স্থল নাই। বৃহদাৰণ্যক উপনিষদত যাজ্ঞৱল্ক্যৰ সর্বময় কর্তৃত্ব অব্যাহত আছে। আমি তাৰ আলোচনা পাছলৈ থৈছোঁ।

১.৮ শতপথ ব্রাহ্মণৰ বিষয়বস্তু

মাধ্যন্দিন শতপথ ব্রাহ্মণৰ প্রথম কাণ্ডত দর্শপূর্ণমাস ইষ্টিৰ বর্ণনা আছে। দর্শ আৰু পূর্ণমাস যাগ ইষ্টি নামে যাগৰ প্রকৃতি (Model)। এই যজ্ঞ ক্রমে অমাৱস্যাৰ পৰৱর্তী প্রতিপদত আৰু পূর্ণিমা তিথিত অনুষ্ঠিত হয়। দ্বিতীয় কাণ্ডত অগ্নিহোত্র নামে নিত্য হোম, পিণ্ড পিতৃযজ্ঞ, দাক্ষায়ন, নৱান্নেষ্টি, চাতুর্মাস্য প্রভৃতি যজ্ঞবোৰ ক্রমানুসৰি বর্ণনা কৰা হৈছে। তৃতীয় আৰু চতুর্থ এই দুই কাণ্ডত সোমযাগৰ প্রকৃতি অগ্নিষ্টোমৰ সবিশেষ বর্ণনা কৰা হৈছে—প্রায়ণীয় ইষ্টি, আতিথ্যেষ্টিৰ পৰা আৰম্ভ কৰি অৱভৃথস্নানলৈকে।

পঞ্চম কাণ্ডত ৰাজসূয় আৰু বাজপেয় নামে দুই প্রকাৰৰ মহত্ত্বপূর্ণ সোমযাগৰ বর্ণনা কৰা হৈছে। পুৰণি কালত চক্রৱর্তী ৰজাসকলেহে ব্যয় সাধ্য ৰাজসূয় যজ্ঞ অনুষ্ঠিত কৰিবলৈ সক্ষম হৈছিল।

ষষ্ঠ কাণ্ডৰ পৰা দশম কাণ্ডলৈকে এই পাঁচকাণ্ডত অগ্নিচয়ন, যজ্ঞবেদীৰ নির্মাণ, অগ্নিৰহস্যৰ বর্ণনা আছে।

একাদশ কাণ্ডত ভালেমান বিষয়ৰ আলোচনা দেখা যায়। পশুবন্ধ, পঞ্চমমহাযজ্ঞ, দর্শপূর্ণমাসৰ পুনৰ আলোচনা কৰা হৈছে।পঞ্চমহাযজ্ঞ গৃহস্থাশ্রমীৰ বাবে নিত্য কর্ম। জন্মা মাত্রকে মানুহৰ দেৱঋণ, পিতৃ ঋণ, ঋষি ঋণ আৰু মনুষ্য ঋণ লগতে আহে। তাৰ পৰিশোধৰ ব্যৱস্থা হিচাপে গৃহস্থজনে সদায় দেৱযজ্ঞ (অগ্নিহোত্র), অর্থাৎ পিতৃযজ্ঞ (তর্পণ), অর্থাৎ ব্রহ্মযজ্ঞ (অর্থাৎ স্বাধ্যায়, মনুষ্য যজ্ঞ বা অতিথি যজ্ঞ) কৰাৰ উপৰিও ইতৰ প্রাণীক পালনৰ বাবে ভূতযজ্ঞ কৰাৰ বিধান কৰা হৈছে।

দ্বাদশ কাণ্ডত দ্বাদশাহ সত্র, সৌত্রামণী যজ্ঞৰ বর্ণনা কৰা হৈছে।

ত্রয়োদশ কাণ্ডত অতিশয় মহত্ত্বপূর্ণ অশ্বমেধ, পুৰুষ মেধ, সর্বমেধ আৰু পিতৃমেধ নামে চাৰি প্রকাৰ যজ্ঞৰ আলোচনা কৰা হৈছে।

চতুর্দশ কাণ্ডৰ আদিতে প্রৱর্গ্য যজ্ঞৰ বর্ণনা কৰা হৈছে। তাৰ পাছৰ ছোৱা বৃহদাৰণ্যক উপনিষদ্ নামে জনা যায়।

শতপথ ব্রাহ্মণ ব্রাহ্মণবোৰৰ ভিতৰত কেৱল আকাৰতে মহত্তম নহয় বিষয়বস্তুৰ ফালৰ পৰাও ইয়াৰ মহত্ব স্বীকার্য। ইয়াত যাগ-যজ্ঞবোৰ নিখুত ৰূপে বর্ণনা কৰা হৈছে। শ্রৌত যজ্ঞৰ উপৰিও ইয়াত ভালেমান গৃহ

কর্মৰ বর্ণনায়ো ঠাই পাইছে। উপনয়ন, স্বাধ্যায় আৰু ঔৰ্দ্ধদৈহিক ক্রিয়াৰ বর্ণনাও ইয়াত আছে।

তদানীন্তন কালৰ ভৌগোলিক আৰু ঐতিহাসিক তথ্যৰ বাবেও শতপথ ব্রাহ্মণৰ মহত্ত্ব কম নহয়। বিদেহ-কোশল প্রভৃতি পূবৰ দেশবোৰ, কেকয়, গান্ধাৰ, শাল্ক আদি পশ্চিমোত্তৰ দেশৰ জাতিবোৰৰ বিষয়ে অনেক তথ্য এই ব্রাহ্মণখনত স্তূপীকৃত হৈ আছে। মাথৰ বিদেহৰ সদানীৰ অতিক্রম কৰাটোৱে আর্যসকলৰ পূর্বভাৰতত বসতি বিস্তাৰকে সূচিত কৰে। অশ্বমেধ যজ্ঞ কৰোঁতা ৰজাসকলৰ উল্লেখে ইতিহাসৰ কথাকে সোঁৱৰাই দিয়ে।

নানান আখ্যান-উপাখ্যানৰ ৰূপত পু�ৰাকল্প-পৰকৃতিবোৰে অনেক নতুন তথ্য দাঙি ধৰে। মনুমৎস্য কথা, শর্য্যাতি মানৰ আৰু চ্যৱান মহর্ষিৰ কথা, পুৰূৰৱা-উর্বশীৰ প্রেমগাথা-প্রভৃতি ঘটনাই শতপথ ব্রাহ্মণৰ পাত শু�ৰাই আছে।

ইয়াৰ একাধিক ঠাইত ঋষি পৰম্পৰা অনুসৰি গুৰু-শিষ্যৰ বংশাৱলী পোৱা যায়।

জানি থোৱা ভাল

- শতপথ ব্রাহ্মণৰ কাণ্ব শাখাৰ ওপৰত মহাভাৰতৰ টীকাকাৰ নীলকণ্ঠই এটি ভাষা লিখে। কিন্তু সি উপলব্ধ হোৱা নাই।
- শতপথ ব্রাহ্মণৰ মাধ্যন্দিন শাখাৰ ওপৰত হাৰীস্বামী আৰু সায়ণচার্যই দুটা টীকা ৰচনা কৰিছিল।
- জার্মান পণ্ডিত আলব্রেখট্ ওৱেবাৰে শতপথ ব্রাহ্মণ সম্পাদনা কৰি প্রকাশ কৰে।
- জার্মান পণ্ডিত জে, এগেলিঙে শতপথ ব্রাহ্মণৰ ইংৰাজী অনুবাদ কৰে। সেই অনুবাদ চেক্রেড্ বুক্চ অৱ দ্য ইষ্ট গ্রন্থমালাত পাঁচখণ্ডত প্রকাশিত হয়।

১.৯ শতপথ ব্রাহ্মণত বর্ণিত আখ্যান

শতপথ ব্রাহ্মণত ভালেমান আখ্যান বর্ণনা কৰা হৈছে। ঋগ্বেদৰ (১০/৯৫) এটা সূক্তত পুৰূৰৱা আৰু উর্ৱশীৰ আখ্যান শতপথ ব্রাহ্মণতো পোৱা যায়।

১.৯.১ পুৰূৰৱা আৰু উর্বশীৰ আখ্যান

এবাৰ পুৰূৰৱাই দেৱসভাত উর্বশীক নৃত্যৰতা অৱস্থাত দেখি তেওঁৰ ৰূপ সৌন্দর্যত ভোল গ'ল। তেওঁ উর্বশীক পত্নীৰূপে পাবলৈ বিচাৰিলে। ইন্দ্রই সেই কথা মন কৰিলে। কিয়নো পুৰূৰৱা আছিল দেৱৰাজ ইন্দ্রৰ বন্ধু। ইন্দ্রই পুৰূৰৱা উর্বশীৰ মিলনত হয়ভৰ দিলে। চর্তসাপেক্ষে উর্বশীয়ে পুৰূৰৱাৰ পত্নী হ'বলৈ স্বীকাৰ কৰে। চর্তকেইটা হ'ল (১) ৰজাই উর্বশীক নিতৌ ঘিউৰে ভোজন কৰাব লাগিব। (২) উর্বশীয়ে তেওঁৰ সৈতে দুটা ভেৰা পুহিব আৰু ভেৰা দুটাৰ নিৰাপত্তা নিশ্চিত কৰিব লাগিব। (৩) শয়ন কক্ষৰ বাহিৰে আন কোনো সময়ত পুৰূৰৱাক উর্বশীয়ে উলঙ্গ অৱস্থাত দেখিব নালাগিব। এই চর্তবোৰৰ এটাও যদি ভঙ্গ হয় তেনেহ'লে উর্বশীয়ে ৰজাক ত্যাগ কৰিব।

পুৰূৰৱাই উর্বশীয়ে দিয়া চর্তকেইটা মানি ললে। গতিকে দুয়োৰে দাম্পত্য জীৱন সুখ-ভোগৰ মাজেৰে আগবাঢ়িল। কেতিয়াবা স্বচ্ছ, পদুমেৰে ভৰা পুখুৰীৰ জলৰাশিত, কেতিয়াবা মানস সৰোবৰত, কেতিয়াবা অলকাৰ উপবনত আনন্দ বিহাৰ কৰি দুয়ো ভালেমান বছৰ কটালে। সময় কেনেকৈ গ'ল দুয়ো গমেই নাপালে।

কিন্তু গন্ধর্বসকলে সৌন্দর্যৰ প্রতিমা উর্বশীক স্বর্গৰ পৰা বিদায় দি বৰ দুঃখ পালে। তেওঁলোকে সকলো সময়তে উর্বশীৰ অভাৱ অনুভৱ কৰিলে। দেৱৰাজে তপস্বীসকলৰ তপোভঙ্গ কৰা অমোঘ অস্ত্র এপাত হেৰুৱালে।

তেওঁলোকে আটায়ে উর্বশীৰ প্রত্যাবর্তনৰ বাবে উপায় বিচাৰিবলৈ ধৰিলে। কিন্তু উর্বশীক মর্ত্য লোকৰ পৰা ঘূৰাই নিয়াৰ এটাই মাথোন উপায় আছিল; সেয়া উর্বশীৰ চর্তবোৰ ভঙ্গ কৰোৱাৰ। তাকে কৰিবলৈ গন্ধর্বসকলে ষড়যন্ত্র কৰিলে।

এদিনাখন নিশা প্রতিষ্ঠানপুৰৰ অন্তঃপুৰত ৰজা পুৰূৰৱা আৰু উর্বশীয়ে নিদ্রামগ্ন হৈ আছিল। সেই সময়তে গন্ধর্বসকলে ৰাজপ্রাসাদত প্রৱেশ কৰিলে। তেওঁলোকে পালেঙৰ অনতিদূৰত বান্ধি থোৱা প্রথমটো ভেৰাক অপহৰণ কৰিলে। গন্ধর্বসকলে ভেৰাটোক আকাশী পথেৰে তুলি নিওঁতে বেবাবলৈ ধৰিলে। সেই ভেৰাৰ আর্তস্কৰ শুনি উর্বশীৰ টোপনি ভাঙিল। তেওঁ ক'বলৈ ধৰিলে, 'হায় হায়, মোৰ চেনেহৰ পুত্র প্রথম ভেৰাটোক কোনোবাই অপহৰণ কৰিলে। 'এতিয়া কোনে তাক চোৰৰ হাতৰ পৰা উদ্ধাৰ কৰি আনি দিব? কোনে মোৰ দুখত মাত এযাৰ দিব?' ৰজাই শুই শুই সকলো ঘটনাৰ ভূ পাইছিল। তথাপি তেওঁ বিচনাৰ পৰা উঠিবলৈ খোজা নাছিল। কাৰণ, গাত কাপোৰ নোহোৱাকৈ ওলাই গ'লে উর্বশীয়ে তেওঁক উলঙ্গ অৱস্থাত দেখা পাব। ভেৰা অপহৃত হওঁতে এটা চর্ত ভঙ্গ হৈছে; এতিয়া উলঙ্গ শৰীৰেৰে ৰজা উর্বশীৰ চকুত পৰিলে আন এটা চর্ত ভঙ্গ হ'ব। এইদৰে গুণা-গথা কৰি থাকোতে গন্ধর্বসকলে দ্বিতীয় ভেৰাটোও অপহৰণ কৰিলে। অন্তৰীক্ষৰ মাজেৰে তুলি নিওঁতে ভেৰাটোৰে বেবাবলৈ ধৰিলে। তাৰ বেবনি শুনি উর্বশীৰ তন্দ্রা ভাঙিল। তেওঁ আকৌ বিলাপ কৰি কবলৈ ধৰিলে, 'হায় হায়, মোৰ দ্বিতীয় পুত্রটোকো কোনোবাই হৰণ কৰিলে। মই বৰ অসহায় হৈ পৰিছো। মোৰ অৱস্থা এতিয়া পতিহীনা নাৰীৰ দৰে হ'ল। মোৰ এই দুখৰ কথা কাক ক'ম, কোনে পতিয়াব? কোনে বাৰু মোৰ পুত্র দুটিক উদ্ধাৰ কৰি মোক আনি দিব?'

উর্বশীৰ বিলাপ শুনি পুৰূৰৱা উদাস আৰু উদ্যমহীন হৈ থাকিব নোৱাৰিলে। তেওঁৰ ভাবান্তৰ ঘটিল। তেওঁ ভাবিলে, 'এতিয়া এয়া ঘোপমৰা আন্ধাৰে পৃথিৱী আৰু অন্তৰীক্ষ আৱৰি ৰাখিছে। এনে এক অন্ধকাৰ মাজত ওলাই গ'লে উর্বশীয়ে মোৰ উলঙ্গৰূপ দেখা নাপাব। এইদৰে চিন্তা কৰি পুৰূৰৱাই বিৱস্ত্র অৱস্থাৰেই হাতত ধনু-শৰ লৈ অপহর্তা গন্ধর্বহঁতক খেদি গ'ল। গন্ধর্ব দলটোৱে ৰজাৰ অভিপ্রায় বুজি ভয় খালে। তেওঁলোকে আধা বাটতে ভেৰা দুটিক এৰি থৈ পলাবলৈ ধৰিলে। আঁতৰৰ পৰাই গন্ধর্বহঁতে পুৰূৰৱাৰ শৰীৰত বিদ্যুতৰ পোহৰ পেলালে। সেই পোহৰতে উর্বশীয়ে ৰজাৰ উলঙ্গৰূপ দেখা পালে। এনেদৰে পুৰূৰৱা আৰু উর্বশীৰ মিলনৰ হেতু স্বৰূপ চর্তকেইটাৰ মাজত দুটা চর্ত ভঙ্গ হ'ল। গতিকে উর্বশীয়ে পুৰূৰৱাক ত্যাগ কৰি অন্তর্হিত হ'ল।

ইফালে পুৰূৰৱাই গন্ধর্বসকলৰ হাতৰ পৰা ভেৰা দুটা উদ্ধাৰ কৰি ৰাজ প্রাসাদলৈ উভতি আহিল। কিন্তু তেওঁ উর্বশীক কতো নেদেখিলে। তেওঁ উর্বশীক বিচাৰি চলাথ কৰিলে। তেওঁ উন্মত্তপ্রায় হ'ল।

এইখিনিতে পুৰূৰৱা আৰু উর্বশীৰ মনোৰম আখ্যান ভাগৰ অন্ত পৰিছে শতপথ ব্রাহ্মণত।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ শুক্ল যজুর্বেদৰ অন্তর্গত ব্রাহ্মণৰ শাখাকেইটা কিকি?

.....

.....

প্রশ্ন নং ২ঃ শতপথ ব্রাহ্মণৰ মাধ্যন্দিন শাখাৰ ব্রাহ্মণত কাণ্ড, অধ্যায়, কণ্ডিকাৰ সংখ্যা কি কি?

.....

.....

প্রশ্ন নং ৩ঃ শতপথ ব্রাহ্মণক শতপথ নামে কিয় জনা যায়?

.....

.....

প্রশ্ন নং ৪ঃ শতপথ ব্রাহ্মণৰ ঋষি বা প্রবক্তা কোন?

.....

.....

প্রশ্ন নং ৫ঃ শতপথ ব্রাহ্মণৰ শেষত প্রাপ্ত উপনিষদ্‌খনৰ নাম লিখক।

.....

.....

প্রশ্ন নং ৬ঃ শতপথ ব্রাহ্মণোক্ত এটা বিখ্যাত আখ্যানৰ নাম লিখক।

.....

.....

১.৯.২ মনুমৎস্য কথা

শতপথ ব্রাহ্মণত প্রাপ্ত আখ্যান সমূহৰ ভিতৰত এটা হৈছে মনুমৎস্য কথা; ইয়াৰ বর্ণনা আপুনি এতিয়া জানিব পাৰিব।

এদিনাখন কোনো পৰিচাৰিকাই ৰাতিপুৱা মুখ হাত ধুবলৈ ৰজা মনুক এটা পাত্রত পানী আনি দিলে। মুখ হাত ধুবলৈ লওঁতেই তেওঁৰ হাতত এটা মাছ ওলাই পৰিল।

মাছটোৱে (মানুহৰ মাতেৰে) তেওঁক ক'লে, 'তুমি মোক পালন কৰা, মই তোমাক সময়ত উদ্ধাৰ কৰিম।' মনুৱে সুধিলে, 'কিহৰ পৰা কেনেকৈ তুমি মোক উদ্ধাৰ কৰিবা।' মাছটোৱে ক'লে, 'অদূৰ ভৱিষ্যতত এটা ডাঙৰ প্রলয়ঙ্কৰী বানপানী হ'ব। সেই প্রলয়ে সকলো জীৱ জগতক উটু�ৱাই নিব। তাৰ পৰা মই তোমাক ৰক্ষা কৰিম।'

মনুৱে মৎস্যক সুধিসে, 'মই তোমাক কেনেকৈ পালন কৰিম?' মৎস্যদেৱে ক'লে, 'যেতিয়ালৈকে মই সৰু হৈ থাকিম তেতিয়ালৈ মই বহুত বিপদত পৰা সম্ভাৱনা আছে। কাৰণ (ডাঙৰ) মাছে (সৰু) মাছক খায়। প্রথমতে তুমি কলহত ভৰাই ৰাখিবা। যেতিয়া মই তাক অতিক্রম কৰিম (তাতকৈ ডাঙৰ হ'ম) তেতিয়া তুমি এটা খাল খান্দি তাত মোক জীয়াই ৰাখিবা। যেতিয়া তাতকৈও ডাঙৰ হম, তেতিয়া তুমি মোক সাগৰৰ পানীত মেলি দিবা; তেতিয়া মই বিপদৰ হাত সাৰিব পাৰিম।'

মৎস্যদেৱ বৰ সোনকালে ডাঙৰ হ'ল। তেতিয়া তেওঁ মনুক কলে 'অমুক সময়ত এটা ডাঙৰ প্রলয় হ'ব। তুমি এখন ডাঙৰ নাও সাজিবা আৰু মই অহালৈ বাট চাই থাকিবা। যেতিয়া বানপানী হ'ব তুমি নাওখনত উঠিবা আৰু মই তোমাক বিপদৰ পৰা ৰক্ষা কৰিম।'

মনুৱে সেইদৰে মাছটোক প্রতিপালন কৰি এসময়ত অতিশয় ডাঙৰ হোৱা মাছটোক সাগৰত মেলি দিলে। মাছটোৱে কৈ থোৱা বছৰত মনুৱে এখন ডাঙৰ নাও সাজিলে আৰু মৎস্যদেৱলৈ অপেক্ষা কৰি থাকিল। যেতিয়া ডাঙৰ বানপানী হ'ল তেতিয়া তেওঁ সেই নাৱত উঠিল। মাছটোৱে তেওঁৰ ওচৰলৈ সাতুৰি আহিল। মনুৱে মৎস্যদেৱৰ শিঙত নাওখন জৰীৰে বান্ধিলে। তেনেকৈ মৎস্যদেৱে নাওখন উত্তৰৰ পর্বতৰ ওচৰলৈ লৈ গ'ল। তেতিয়া মাছটোৱে মনুক ক'লে, 'মই তোমাক বিপদ সাগৰৰ পৰা পৰিত্রাণ কৰিলোঁ। এতিয়া তুমি নাওখন ডাহৰ গছত বান্ধি থোৱা। তুমি পর্বতীয়া ঠাইত থকা সময়ত তোমাৰ ওপৰলৈ যাতে পানী বৈ নাযায় তালৈ মন কৰিবা। পানী নামি গ'লে তুমি নামিবা। সেই কথামতে পানী যোৱাত তেৱোঁ নামি গ'ল।পানী নামি যোৱা সেই ঘাটটোৰ

নাম হ'ল 'মনুৰ অৱসর্পন। এইদৰে সেই বানপানীয়ে আন সকলোকে উটুৱাই নিলে, কেৱল মনুহে বাচি থাকিল। এয়ে মনুমৎস্য কথা। মৎস্য পুৰাণ আদিত ইয়াক বহলাই কোৱা হৈছে।

১.১০ শতপথ ব্রাহ্মণত বর্ণিত যজ্ঞ

এতিয়া আপুনি শতপথ ব্রাহ্মণত যিবোৰ যজ্ঞৰ উল্লেখ আছে, সেইবোৰৰ চমু আভাস পাব।

১.১০.১ অশ্বমেধ যজ্ঞ

শতপত ব্রাহ্মণৰ ত্রয়োদশ কাণ্ডৰ আদিতে অশ্বমেধ যজ্ঞৰ বর্ণনা আছে। পোনতে অশ্বমেধ যজ্ঞ অনুষ্ঠিত হৈছিল যুদ্ধজয়ৰ উৎসৱ ৰূপে। এই যজ্ঞত বিষেশত্ব থকা এটা ঘোঁৰা দিগ্বিজয়ৰ বাবে এবছৰলৈ মুকলি কৰি দিয়া হৈছিল। তাৰ ৰক্ষাৰ বাবে এজন সেনাপতিৰ অধীনত এদল সেনা নিযুক্ত কৰা হৈছিল। শতৰথ ব্রাহ্মণত এই যজ্ঞক ক্ষত্রিয় যজ্ঞ বোলা হৈছে। যুদ্ধ বিজয়ৰ উৎস ৰূপে যুদ্ধ কৰা হৈছিল আৰু প্রজাবর্গয়ো ইয়াত যুক্ত হৈ আনন্দ লাভ কৰিছিল। কাৰণ অশ্বমেধ যজ্ঞত যি প্রার্থনা জনোৱা হয় তাত ৰজা-প্রজা সকলোৰে উৎকর্ষ লাভৰ বাবে প্রার্থনা জনোৱা হৈছিল। লগতে তাত বৃষ্টিৰ বাবে আকাঙ্খা কৰা হৈছিল, যাতে দেশত প্রচুৰ খাদ্য শস্য উৎপন্ন হয়। এইদৰে বিজয়োৎসৱ ৰূপে পালিত অশ্বমেধ জাতীয় মহোৎসৱত পৰিণত হ'ল। অশ্বমেধ যজ্ঞৰ অনুষ্ঠানত কিছুসংখ্যক জনপ্রিয় অনুষ্ঠানবো আয়োজন কৰা হৈছিল। এইদৰে কিছুমান সৰু সুৰা পর্ব অশ্বমেধ যজ্ঞত সোমাইছে। তাৰ উদাহৰণ হ'ল ঃ

১) অশ্বমেধত এটা চাৰিচকুৱা কুকুৰ মাৰি ঘোঁৰাৰ ঠেঙৰ মাজত ৰখা হৈছিল।

২) বীণা বাদনৰ অর্ন্তভূক্তি, তাৰ দ্বাৰা ৰাজস্ত্রীৰ সুৰক্ষা কৰাটো আন এটা জনপ্রিয় পর্ব।

৩) ঘোঁৰাটোক এবছৰ কাল পৰিভ্রমণৰ বাবে এৰি দিয়াৰ পাছত গোটেই বছৰটোতে পাৰিপ্লৱ নামে এটা অনুষ্ঠান কৰা হৈছিল। ইয়াতে শতপথ ব্রাহ্মণত পাৰিপ্লৱ আখ্যান বোলা হৈছে।

৪) এই অৱসৰতে ব্রহ্মোদ্যৰ আলোচনা কৰা হৈছিল। ই জনপ্রিয় অনুষ্ঠান। ইয়াত হোৱা প্রশ্নোত্তৰ অনুষ্ঠান সঁচাকৈ মনোগ্রাহী আছিল।

৫) মৃত ঘোঁৰাৰে মহাৰাণীৰ কথোপকথন আন এক জনপ্রিয় অনুষ্ঠান।

৬। একেদৰে টকলা মূৰৰ লোকৰ মূৰত দিয়া জুম্বক আহুতিৰ অনুষ্ঠানো একে শ্রেণীৰ জনপ্রিয় পর্ব।

এনেদৰে অনুষ্ঠিত অশ্বমেধ যজ্ঞই জনপ্রিয় পর্বৰ সংশ্রবত মহত্ত্ব লাভ কৰিছে।

১.১০.২ পুৰুষমেধ যজ্ঞ

শতপথ ব্রাহ্মণৰ মতানুসাৰে পুৰুষ নাৰায়ণে সকলোকে চেৰ পেলাবলৈ পুৰুষমেধ অনুষ্ঠিত কৰিছিল।

এই যজ্ঞত ২৩ দিন দীক্ষা, বাৰদিন উপসদ আৰু পাঁচদিন সুত্যা দিন সম্পাদিত হয়। উপৱসথ দিনত অগ্নিষোমলৈ এঘাৰটা বলিৰ বিধান হয়। সুত্যা দিনত সৱনীয় পশুৰ বিধানৰ উদ্দেশ্যে সোমৰস নিষ্কাষণ কৰা হয়।

মধ্যাহ্ন দিনত মনৱ পশুবোৰক যুপবদ্ধ কৰা হয়। কিন্তু ইয়াৰ বিস্তৰ বর্ণনা শতপথত দিয়া নাই। এই বর্ণনাত পুৰোহিতৰ বাবে এজন ব্রাহ্মণ, মহান লোকৰ বাবে এজন ক্ষত্রিয় মৰুৎসকলৰ বাবে এজন বৈশ্য আৰু তপস্যাৰ বাবে এজন শূদ্র বিহিত হৈছে। বলিসকলক অনাৰ সময়ত সৰিতালৈ আহুতি দিয়া হয়। ঘিউৰ আহুতি এটা দিয়াৰ পাছত ব্রহ্মাই বলিসকলৰ সোঁহাতে বহি বহু বিখ্যাত পুৰুষসূক্তৰ ঋগ্বেদ ১০/৯০ আবৃত্তি কৰে। বলিসকলৰ

চাৰিওফালে অগ্নি ঘূৰোৱাৰ পাছত বলি ৰূপ মানৰ পশুসকলক মুকলি কৰি দিয়া হয়। উদয়নীয়া ইষ্টিৰ আহুতিৰ পাছত এঘাৰটা বন্ধ্যা গাই মিত্রাবৰুণ, বিশ্বেদেৱা আৰু বৃহস্পতিলৈ আগবঢ়োৱা হয়। এই যজ্ঞত ত্রৈধাতবি নামে অন্তিম আহুতি দিয়া হয়।

১.১১ বৃহদাৰণ্যক উপনিষদ

শতপথ ব্রাহ্মণৰ অন্তিম কাণ্ড অর্থাৎ চতুর্দশ কাণ্ডৰ শেষভাগকে বৃহদাৰণ্যক উপনিষদ বোলা হয়। উপনিষদবোৰৰ ভিতৰত ছান্দোগ্যৰ দৰে এই উপনিষদ্ আয়তনত বৃহৎ। সেয়েহে এই উপনিষদক বৃহদাৰণ্যক উপনিষদ বোলা হয়। এই উপনিষদে আনবোৰ উপনিষদৰ ওপৰত প্রভাৱ বিস্তাৰ কৰিছে। ছটা অধ্যায়ত বিভক্ত উপনিষদখনক প্রথম অধ্যায় দুটাক 'মধুকাণ্ড', তৃতীয়-চতুর্থ অধ্যায়ক যাজ্ঞৱল্ক্য কাণ্ড আৰু শেষৰ অধ্যায় দুটাক খিলকাণ্ড বোলা হয়।

সমস্ত উপনিষদৰ সর্বত্র যাজ্ঞৱল্ক্যৰ ব্রহ্মজ্ঞানৰ পৰিচয় সাব্যস্ত হৈছে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ঃ শতপথ ব্রাহ্মণত পোৱা দুটা আখ্যানৰ নাম লিখক।

.....

.....

প্রশ্ন নং ৮ঃ শতপথ ব্রাহ্মণত বর্ণিত দুটা বিখ্যাত যজ্ঞৰ নাম লিখক।

.....

.....

প্রশ্ন নং ৯ঃ পুৰুষমেধ যজ্ঞত নৰবলি সঁচাকৈ হৈছিল বুলি ভাবেনে?

.....

.....

১.১২ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিৰ পৰা আমি শিকিলোঁ যে—

- শুক্ল যজুর্বেদ বুলি জনাজাত বাজসনেয়ী সংহিতাৰে সম্বন্ধ কান্ব আৰু মাধ্যন্দিন দুয়ো শাখাতে শতপথ ব্রাহ্মণ উপলব্ধ হৈছে।
- শতপথ ব্রাহ্মণৰ অন্তিম ভাগ বৃহদাৰণ্যক উপনিষদ বুলি জনাজাত।
- এই ব্রাহ্মণৰ আৰু বৃহদাৰণ্য উপনিষদৰ প্রবক্তা যাজ্ঞৱল্ক্য।
- এই ব্রাহ্মণৰ ত্রয়োদশ কাণ্ডত বহুবিখ্যাত অশ্বমেধ যজ্ঞ, বহু বিতর্কিত পুৰুষমেধ যজ্ঞৰ বর্ণনা পোৱা যায়।
- এই ব্রাহ্মণত অন্যান্য ভালেমান আখ্যান পঢ়িবলৈ পোৱা যায়।
- ইয়াত প্রাপ্ত পুৰূৱৱা আৰু উর্বশীৰ আখ্যান পৰৱর্তী বেদোত্তৰ সাহিত্যত নানাভাৱে বর্ণনা কৰা হৈছে।
- ইয়াত প্রাপ্ত মনুমৎস্য কথাৰ উপবৃংহণ মহাভাৰত, মৎস্য-পুৰাণ, তথা পুৰণি বিশ্ব সাহিত্যতো চকুত পৰে।

১.১৩ অধিক জানিবলৈ

১) বসু, যোগীৰাজ, (১৯৭২), *বেদৰ পৰিচয়*, গুৱাহাটী ঃ অসম প্রকাশন পৰিষদ।

২) Thite, Ganesh Umakant, (1975). *Sacrifice in the Brahmana Texts*, Poona : University.

৩) Winternitz, M. (1962). *History of Indian Literature*, Vol. I, Calcutta.

৪) শর্মা, থানেশ্বৰ, (১৯৯৭), *বৈদিক সাহিত্যৰ ৰূপৰেখা*, গুৱাহাটী ঃ অসম বেদ বিদ্যালয়।

৫) শর্মা, থানেশ্বৰ, (২০০৭), *বেদৰ সৌৰভ*, পুৰণিগুদাম ঃ বৈদিক বচার্চ এণ্ড গ্লবেল ষ্টাডি চেণ্টাৰ।

১.১৪ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ কাণ্ব আৰু মাধ্যন্দিন।

২ নং প্রশ্নৰ উত্তৰঃএই ব্রাহ্মণৰ মাধ্যন্দিন শাখাত আছে ১৪ টা কাণ্ড, ১০০ টা অধ্যায়, ৬৮ টা প্রপাঠক, ৪৩৫ ব্রাহ্মণ আৰু ৭৬২৪ টা কণ্ডিকা।

৩ নং প্রশ্নৰ উত্তৰঃইয়াৰ দুয়ো শাখাতে এশ বা ততোধিক অধ্যায় আছে। কাৰণ এই ব্রাহ্মণক শতপথ ব্রাহ্মণ বোলা হয়।

৪ নং প্রশ্নৰ উত্তৰঃযাজ্ঞৱল্ক্য।

৫ নং প্রশ্নৰ উত্তৰঃবৃহদাৰণ্যকোপনিষদ্।

৬ নং প্রশ্নৰ উত্তৰঃপুৰূৰৱা আৰু উর্বশীৰ আখ্যান।

৭ নং প্রশ্নৰ উত্তৰঃপুৰূৰৱা আৰু উর্বশীৰ আখ্যান তথা মনুমৎস্য কথা।

৮ নং প্রশ্নৰ উত্তৰঃ অশ্বমেধ আৰু পুৰষমেধ।

৯ নং প্রশ্নৰ উত্তৰঃ পুৰুষমেধ যজ্ঞত নৰবলি হোৱা নাছিল। প্রতীকী অর্থতহে এই যজ্ঞক পুৰুষমেধ বোলা হৈছে।

১.১৫ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন ঃ

প্রশ্ন ১ঃ শুক্ল যজুর্বেদৰ ব্রাহ্মণ কি কি?

প্রশ্ন ২ঃ শতপথ ব্রাহ্মণ আৰু বৃহদাৰণ্যকৰ সম্বন্ধ কি?

খ) চুটি প্রশ্ন ঃ

প্রশ্ন ১ঃ শতপথ ব্রাহ্মণৰ কর্তৃত্ব সম্বন্ধে কি জানে?

প্রশ্ন ২ঃ শতপথ ব্রাহ্মণত প্রাপ্ত এটা আখ্যান চমুকৈ বর্ণনা কৰক।

গ) ৰচনাধর্মী প্রশ্ন ঃ

প্রশ্ন ১ঃ ব্রাহ্মণ গ্রন্থবোৰৰ মহত্ত্ব বর্ণনা কৰক।

প্রশ্ন ২ঃ শতপথ ব্রাহ্মণত প্রাপ্ত এটা বিখ্যাত যজ্ঞৰ বর্ণনা কৰক।

*** ***** ***

অধ্যায় ২ঃ ঈশোপনিষদ্

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য

২.২ পৰিচয়

২.৩ ঈশোপনিষদৰ পৰিচয়

২.৪ শান্তি মন্ত্ৰ, ইয়াৰ অর্থ আৰু তাৎপর্য

২.৪.১ ঈশোপনিষদৰ প্ৰথম মন্ত্ৰৰ শব্দার্থ, অসমীয়া অনুবাদ আৰু তাৎপর্য

২.৪.২ ঈশোপনিষদৰ দ্বিতীয় মন্ত্ৰ, শব্দার্থ, অসমীয়া অনুবাদ আৰু তাৎপর্য

২.৪.৩ ঈশোপনিষদৰ তৃতীয় মন্ত্ৰ, শব্দার্থ, অসমীয়া অনুবাদ আৰু তাৎপর্য

২.৫ আত্মাৰ স্বৰূপ (চতুর্থ, পঞ্চম আৰু অষ্টম মন্ত্ৰ)

২.৫.১ আত্মজ্ঞানীৰ মনৰ অৱস্থা (ষষ্ঠ আৰু সপ্তম মন্ত্ৰ)

২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

২.৭ অধিক জানিবলৈ

২.৮ অগ্ৰগতিৰ খতিয়ান

২.৯ আৰ্হি প্ৰশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ঈশোপনিষদৰ পৰিচয় লাভ কৰিব।
- ঈশোপনিষদৰ বিষয়বস্তুৰ কিছু জ্ঞান লাভ কৰিব পাৰিব।
- ঈশোপনিষদখন কোন বেদৰ অন্তর্গত তাকো জানিব পাৰিব।
- ঈশোপনিষদৰ কিছুমান বিষয়ৰ মূল সংস্কৃত পাঠ অধ্যয়ন কৰিব পাৰিব।
- মূল সংস্কৃত পাঠৰ সন্ধি ভাঙি শব্দৰ অসমীয়া অর্থৰ অধ্যয়ন কৰিব পাৰিব।
- পাঠ্যৰ মূল সংস্কৃতৰ অসমীয়া অনুবাদ অধ্যয়ন কৰিব পাৰিব।
- আত্মাৰ স্বৰূপৰ বিষয়ে জানিব পাৰিব।
- আত্মজ্ঞানীৰ মনৰ অৱস্থা কেনেকুৱা হয় তাকো জানিব পাৰিব।

২.২ পৰিচয়

আপুনি ইতিমধ্যে উপনিষদ্ সাহিত্যৰ বিষয়ে অধ্যয়ন কৰিছে। সেই প্ৰসঙ্গত আপোনাৰ উপনিষদ্ শব্দটিৰ ব্যুৎপত্তি আৰু অর্থও অৱগত হৈছে। আপুনি হয়তো প্ৰধান উপনিষদ্বোৰৰ নামো জানিব পাৰিছে।

ইয়াত আপুনি 'ঈশোপনিষদ্' গ্ৰন্থখনৰ বিষয়ে কিছু কথা জানিব পাৰিব। উপনিষদ্বোৰৰ ভিতৰত 'ঈশোপনিষদ'খন অন্যতম। উপনিষদ্ সাহিত্যৰ মূল বিষয়বস্তু এইখনত তেনেই চমুকৈ উল্লিখিত হৈছে। 'ঈশোপনিষদ'খন মন্ত্ৰত ৰচিত। উপনিষদত গদ্য আৰু পদ্য এই দুয়োবিধ ৰচনা আছে। কিন্তু, ঈশোপনিষদ কেৱল

পদ্যত ৰচিত।

ঈশ্বৰ সকলোতে বিৰাজ কৰিছে বুলি এই উপনিষদ্‌খনৰ প্ৰথম মন্ত্ৰতেই কোৱা হৈছে। চলন শক্তি থকা আৰু চলনশক্তি নথকাকে আদি কৰি সকলো পদাৰ্থতেই ঈশ্বৰ পৰিব্যাপ্ত বুলি কোৱা হৈছে। গোটেই জগত ঈশ্বৰৰ অধীন। সেইকাৰণেই ত্যাগৰ ভাৱ মনত ৰাখি ভোগ কৰিবলৈ কোৱা হৈছে। কৰ্ম কৰিয়েই মানুহে এশবছৰলৈকে জীয়াই থাকিবলৈ ইচ্ছা কৰিব লাগে। ঈশোপনিষদত জীৱাত্মা আৰু পৰমাত্মাৰ স্বৰূপৰ কথা অৱগত হব পাৰিব। ইয়াত জীৱাত্মা আৰু পৰমাত্মাৰ ঐক্যৰ কথাও কোৱা হৈছে।

ঈশোপনিষদখনত মুঠতে ওঠৰটি মন্ত্ৰ আছে। সেইবোৰৰ ভিতৰত মাত্ৰ কেইটিমান মন্ত্ৰহে আপুনি অধ্যয়ন কৰিব লাগিব।

২.৩ ঈশোপনিষদ্‌ৰ পৰিচয়

আপুনি উপনিষদৰ পাতনিসূচক কিছু কথা ইতিমধ্যে অধ্যয়ন কৰিছে। সেই প্ৰসঙ্গত ঈশোপনিষদৰ নাম নিশ্চয় জানিব পাৰিছে।

ঈশা উপনিষদ্‌ = ঈশোপনিষদ্‌। ঈশা এই পদ ফাঁকিৰে উপনিষদ্‌খন আৰম্ভ হৈছে। সেইকাৰণেই এই উপনিষদ্‌খনৰ নাম ঈশোপনিষদ্‌ ৰখা হৈছে। ঈশোপনিষদ্‌খন শুক্লযজুৰ্বেদৰ উপনিষদ্‌। আপুনি জানে যে প্ৰত্যেকখন বেদৰ মন্ত্ৰ, ব্ৰাহ্মণ, আৰণ্যক আৰু উপনিষদ্‌ গ্ৰন্থ আছে। উপনিষদ্‌বোৰ ব্ৰাহ্মণ আৰু আৰণ্যকৰ অংশ। কিন্তু ঈশোপনিষদখন মন্ত্ৰৰ অন্তৰ্গত। শুক্লযজুৰ্বেদৰ সৰ্বমুঠ চল্লিছটি অধ্যায়ৰ ভিতৰত শেষৰ অধ্যায়টিয়েই ঈশোপনিষদ্‌। এই উপনিষদ্‌খন ব্ৰাহ্মণ বা আৰণ্যকৰ অন্তৰ্ভুক্ত নহয়। শুক্লযজুৰ্বেদৰ শেষৰ অধ্যায়টি 'ঈশাৱাস্যম্‌' পদ দুটিৰে আৰম্ভ হৈছে। সেইকাৰণেই ইয়াক 'ঈশাৱাস্যোপনিষদ্‌' নামেৰেও জনা যায়। এই উপনিষদ্‌খন বেদৰ মন্ত্ৰভাগৰ অন্তৰ্গত। সেইকাৰণেই এই উপনিষদ্‌খনক মন্ত্ৰোপনিষদ্‌ বুলিও কোৱা হয়। (মন্ত্ৰ + উপনিষদ্‌ = মন্ত্ৰোপনিষদ্‌)। ঈশোপনিষদ্‌খনক বাজসনেয়ি সংহিতোপনিষদ্‌ বুলিও কোৱা হয়।

ঈশোপনিষদ্‌ত ঈশ্বৰৰ সৰ্বব্যাপ্তিত্বৰ কথা কোৱা হৈছে। কৰ্ম কৰিয়েই মানুহে এশ বছৰ জীয়াই থাকিবলৈ ইচ্ছা কৰিব লাগে বুলিও কোৱা হৈছে। আত্মজ্ঞানহীন জীৱৰ অৱস্থাৰ বিষয়েও কোৱা হৈছে।

আত্মাৰ স্বৰূপ, পৰমাত্মা আৰু জীৱাত্মাৰ একত্বৰ বিষয়েও আলোচনা কৰা হৈছে। আত্মাৰ কোনো বিকাৰ নাই আৰু ই সৰ্বব্যাপী। যিয়ে আত্মাৰ একত্ব উপলব্ধি কৰে তেওঁৰ মনত ভেদভাব, শোক, মোহ আদি একোৱেই নাথাকে। ঈশোপনিষদত **বিদ্যা, অবিদ্যা, সম্ভূতি** আৰু **অসম্ভূতি**ৰ উপসনাৰ পৃথক পৃথক ফলৰ কথা কোৱা হৈছে।

জগতৰ পুষ্টিবৰ্দ্ধক সূৰ্য দেৱতাক প্ৰাৰ্থনা জনোৱা হৈছে যে তেওঁ যেন তেওঁৰ ৰশ্মি সম্বৰণ কৰে। তেতিয়া উপাসকে আদিত্য মণ্ডলত থকা পৰমাত্মাৰ দৰ্শন লাভ কৰিবলৈ পাব। আদিত্য মণ্ডলত থকা দিব্য পুৰুষ আৰু জীৱাত্মা এক।

এই উপনিষদ্‌খনত মুঠতে ওঠৰটি মন্ত্ৰ আছে। সেইবোৰৰ ভিতৰত মাত্ৰ কেইটিমান মন্ত্ৰহে আপোনাৰ পাঠ্য।

২.৪ শান্তি মন্ত্ৰ আৰু ইয়াৰ অৰ্থ আৰু তাৎপৰ্য

আপুনি ঈশোপনিষদ্‌ৰ পৰিচয় অধ্যয়ন কৰিলে। এতিয়া এই উপনিষদ্‌খনৰ শান্তি মন্ত্ৰ অধ্যয়ন কৰিবলৈ পাব। প্ৰত্যেকখন উপনিষদ শান্তি মন্ত্ৰেৰে আৰম্ভ হয়। ঈশোপনিষদখনো শান্তি মন্ত্ৰেৰেই আৰম্ভ হৈছে। শান্তি মন্ত্ৰ

ফাঁকি এনেকুৱা—

ওঁ পূর্ণমদ ঃ পূর্ণমিদং পূর্ণাৎ পূর্ণমুদচ্যতে।
পূর্ণস্য পূর্ণমাদায় পূর্ণমেৱাৱশিষ্যতে।।
ওঁ শান্তিঃ, শান্তিঃ, শান্তিঃ।

ওঁ অদঃ (সেইটো) পূর্ণম্ (পূর্ণ, পৰিপূর্ণ), ইদম্ (এইটো) পূর্ণম্ (পূর্ণ)। পূর্ণাৎ (পূর্ণৰ পৰা) পূর্ণম্ (পূর্ণ) উদচ্যতে (বাহিৰ হয়, ওলাই আহে)। পূর্ণস্য (পূর্ণৰ) পূর্ণম্ (পূর্ণতা) আদায় (গ্রহণ কৰি) পূর্ণম্ এৱ (পূর্ণই, পূর্ণইহে) অৱশিষ্যতে (অৱশিষ্ট থাকে)

অসমীয়া অনুবাদ—সেইটো পূর্ণ আৰু এইটোও পূর্ণ। পূর্ণৰ পৰাই পূর্ণৰ উৎপত্তি হয়। পূর্ণৰ পূর্ণতা গ্রহণ কৰি শেষত পূর্ণই অৱশিষ্ট থাকে।

তাৎপর্য — আপুনি দেখিলে যে ওঁ পদটি শান্তিমন্ত্রত পূর্ণ, পূর্ণতা, ভৰা এনেকুৱা অর্থত ব্যৱহাৰ হৈছে। মন্ত্রটিত 'অদঃ' (সেইটো) পদে বহু দূৰত থকা বস্তুটিক বুজাইছে। পৰমেশ্বৰ, পৰমাত্মা আদি শব্দ উপনিষদ্ ব্রহ্মক বুজাবলৈ ব্যৱহাৰ কৰা হৈছে। পৰমাত্মা বা পৰমেশ্বৰেই হৈছে জগতৰ সৃষ্টিৰ মূল কাৰণ। তেওঁক পৰমব্রহ্ম বোলা হয়। শান্তিমন্ত্রত 'অদঃ' পদে ব্রহ্মক বুজাইছে। আনহাতে 'ইদম্' পদে ওচৰৰ পদার্থক বুজায়। ইয়াত জগত বা পৃথিৱী আৰু পৃথিৱীৰ সকলো পদার্থক 'ইদম্' পদে বুজাইছে। জগতৰ পৰমকাৰণটিও পূর্ণ আৰু পূর্ণৰ পৰা অর্থাৎ পৰম ব্রহ্মৰ পৰা সৃষ্টি হোৱা পৃথিৱীখনো পৰমেশ্বৰৰ দ্বাৰাই পূর্ণ। পৰমব্রহ্মৰ পূর্ণত্বৰ পৰাই ব্রহ্মেৰে পৰিপূর্ণ এই সংসাৰ সৃষ্টি হৈছে। শান্তি মন্ত্রটিৰ দ্বাৰা ইয়াকে বুজোৱা হৈছে যে পৰব্রহ্মও পূর্ণ আৰু তেওঁৰ পৰা সৃষ্টি হোৱা সংসাৰখনো পূর্ণ। আপুনি ইয়াকে বুজিলে যে সৃষ্টি হোৱা সকলোৰে ভিতৰত আৰু বাহিৰতো ব্রহ্ম বিৰাজিত।

'শান্তিঃ পদটি শান্তি মন্ত্রৰ শেষত তিনিবাৰ উচ্চাৰণ কৰা আপুনি দেখিলে। আধ্যাত্মিক, আধিভৌতিক আৰু আধিদৈৱিক বিঘিনি যাতে নঘটে তাৰ বাবেই শান্তি পদটি তিনিবাৰ উচ্চাৰণ কৰা হৈছে। নিজৰ শৰীৰৰ সম্পর্কত দেখা দিয়া বিঘিনি যেনে—অসুখ-বিসুখ আদিক আধ্যাত্মিক বাধা বোলা হয়।

ভূত- পিশাচ বা আন জীৱ-জন্তুৰ পৰা ঘটিব পৰা বিঘিনিক আধিভৌতিক বাধা বুলি কোৱা হয়। যেনে— মহৰ কামো�ৰ, কীট পতঙ্গৰ দংশন ইত্যাদি। দেৱতাৰ উৎপাত যেনে— বানপানী, ধুমুহা আদিক আধিদৈবিক বাধা বোলা হয়।

এই তিনি প্রকাৰ বাধাই যাতে কামত বাধাৰ সৃষ্টি কৰিব নোৱাৰে তাৰ কাৰণেই শান্তি মন্ত্রৰ শেষত শান্তিঃ শব্দটো তিনিবাৰ উচ্চাৰণ কৰা হৈছে।

পৰমেশ্বৰৰ পৰাই জগতৰ সৃষ্টি হৈছে। সৃষ্টি হোৱা সকলো পদার্থতেই পৰমেশ্বৰ বিৰাজ কৰে আৰু ধ্বংসৰ পিছত পৰমেশ্বৰৰেই পদার্থ উভতি যায়।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ ঈশোপনিষদখন কোন বেদৰ অন্তর্গত লিখক।

.....

.....

প্রশ্ন নং ২ঃ ঈশোপনিষদখন কোনটি পদেৰে আৰম্ভ হৈছে লিখক (কেৱল পদটি লিখিব)।

.....

.....

প্রশ্ন নং ৩ঃ ঈশোপনিষদক মন্ত্রোপনিষদ বুলি কিয় কোৱা হয় লিখক।

.....

.....

প্রশ্ন নং ৪ঃ শুক্লযজুর্বেদত মুঠ কেইটি অধ্যায় আছে লিখক। (কেৱল অধ্যায়ৰ সংখ্যাটি লিখিব)

.....

.....

প্রশ্ন নং ৫ঃ বিঘিনি কেই প্রকাৰৰ বুলি কোৱা হৈছে লিখক।

.....

.....

প্রশ্ন নং ৬ঃ ঈশোপনিষদ্খন আন কি কি নামেৰেও জনা যায় লিখক।

.....

.....

২.৪.১ ঈশোপনিষদ্ৰ প্রথম মন্ত্রৰ শব্দার্থ অসমীয়া অনুবাদ আৰু তাৎপর্য্য

আপুনি ঈশোপনিষদৰ শান্তি মন্ত্রৰ অর্থ আৰু তাৎপর্য্য অধ্যয়ন কৰিলে। এতিয়া উপনিষদখনৰ প্রথম মন্ত্রৰ বিষয়ে জানিবলৈ পাব। তলত উল্লেখ কৰা মন্ত্র ফাঁকিৰ প্রত্যেকটি পদৰ অসমীয়া অর্থ আৰু মন্ত্রটিৰ অসমীয়া অনুবাদো অধ্যয়ন কৰিব। মন্ত্রফাঁকি তলত উল্লেখ কৰা হৈছে—

ঈশা ৱাস্যমিদং সর্বং য়ৎ কিঞ্চ জগত্যাং জগৎ।
তেন ত্যক্তেন ভুঞ্জীথা মা গৃধঃ কস্যস্বিদ্ধনম্।।

শব্দার্থ— জগত্যাম্ (সংসাৰত, পৃথিৱীত) য়ৎ (যি) কিং চ (কিছু) জগৎ (চৰাচৰ বস্তু) ইদম্ সর্বম্ (এই আটাইবোৰ) ঈশা (ঈশ্বৰৰ দ্বাৰা) ৱাস্যম্ (পৰিব্যাপ্ত, আচ্চাদিত)। তেন (সেই নিমিত্তে) ত্যক্তেন (ত্যাগেৰে, ত্যাগৰ ভাৱত) ভুঞ্জীথাঃ (ভোগ কৰিব লাগে)। কস্যস্বিৎ (কাৰো) ধনম্ (ধন, ধনক) মা গৃধঃ (লোভ নকৰিবা)।

অসমীয়া অনুবাদ—সংসাৰখনত যি কিছু চৰাচৰ বস্তু আছে সেই আটাইবোৰ পৰমেশ্বৰৰদ্বাৰা পৰিব্যাপ্ত। সেইকাৰণেই ত্যাগৰ ভাৱত ভোগ কৰিব লাগে; কাৰো ধনৰ প্রতি লোভ কৰিব নালাগে।

তাৎপর্য — আপুনি জানিলে যে এই সংসাৰ সদায় পৰিৱর্তনশীল। ক্ষন্তেকৰ বাবেও সংসাৰ স্থিৰ নহয়। সংসাৰত যি সকলো পদার্থ আছে সেইবোৰো অস্থিৰ। ঈশ্বৰে অস্থিৰ সংসাৰ আৰু অস্থিৰ বস্তুক নিয়ন্ত্রণ কৰিছে। সেই ঈশ্বৰেই একমাত্র স্থিৰ। তেৱেঁই একমাত্র নিত্য আৰু বাকী সকলো পদার্থ অনিত্য। তেওঁ অস্থিৰ জগত আৰু বস্তুৰ ভিতৰত সত্তা হিচাবে অৱস্থান কৰে। ঈশ্বৰ সর্বব্যাপী। আমাৰ ভোগ কৰিবলগীয়া দ্রব্যতো ঈশ্বৰ বিৰাজ কৰে। ঈশ্বৰে ভোগ কৰিবলৈ দিছে কাৰণেই আমি ভোগ কৰিছোঁ। সেইকাৰণেই ভোগত আমাৰ কর্তৃত্ব থাকিব নালাগে। সেইকাৰণেই ত্যাগৰ ভাৱত ভোগ কৰিবলৈ কোৱা হৈছে। আমি কেতিয়াও কাৰো ধনৰ প্রতি লোভ কৰিব নালাগে। আনকি নিজৰ ধনৰ প্রতিও লোভ থাকিব নালাগে। কাৰণ, সকলো বস্তু পৰমেশ্বৰৰ অধীন। পদার্থৰ স্থিতি ঈশ্বৰৰ অৱস্থানৰ বাবেই সম্ভৱ হৈছে। ঈশ্বৰৰ অস্তিত্বত গভীৰ বিশ্বাস থাকিব লাগে। তেতিয়া ঈশ্বৰে দিয়াখিনিহে আমি ভোগ কৰিছোঁ—এনেকুৱা ভাৱৰ উদয় হয়। ঈশ্বৰৰ সর্বব্যাপ্তিত্ব ধাৰণাৰ পৰাই ধন-সম্পদৰ প্রতি থকা লোভো আঁতৰ হয়।

২.৪.২ ঈশোপনিষদৰ দ্বিতীয় মন্ত্ৰ শব্দাৰ্থ, অসমীয়া অনুবাদ আৰু তাৎপৰ্য

আপুনি ঈশোপনিষদৰ প্ৰথম মন্ত্ৰ আৰু তাৰ অনুবাদ অধ্যয়ন কৰিলে। ঈশ্বৰে যে সকলোতে বিৰাজ কৰিছে সেইটো জানিবলৈ পালে। তেনেকুৱা বিশ্বাস আৰু শ্ৰদ্ধাৰ ফলতেই মানুহৰ মনত ত্যাগৰ উদয় হয় আৰু লোভ নাইকিয়া হয় তাকো জানিলে।

এতিয়া ইয়াত কৰ্মৰ কথা অধ্যয়ন কৰিবলৈ পাব। ঈশোপনিষদত কৰ্মৰ বিষয়ে এইদৰে কোৱা হৈছে—

"কুর্ব্বন্নেরেহ কর্ম্মানি জিজীৱিষেচ্ছতং সমাঃ।
এৱং ত্ৱয়ি নান্যথেতোহস্তি ন কর্ম্ম লিপ্যতে নৰে।।"

শব্দাৰ্থ—কর্ম্মানি (কর্মসমূহ, কামবোৰ) কুর্ব্বন্ এৱ (কৰিয়েই) শতম্ (এশ) সমাঃ (বছৰ) ইহ (ইয়াত, এই সংসাৰত) জিজীৱিষেৎ (জীয়াই থাকিবলৈ ইচ্ছা কৰা উচিত)। এৱম্ (এনেকৈ, এইদৰে) ত্ৱয়ি (তোমাত অর্থাৎ তোমাৰ কাৰণে) ইতঃ (ইয়াৰ বাহিৰে) অন্যথা (আন) ন অস্তি (নাই অর্থাৎ আন উপায় নাই)। নৰে (মানুহৰ) কর্ম (কাম) ন লিপ্যতে (লিপ্ত নহয়)।

অসমীয়া অনুবাদ— কর্ম কৰিয়েই এশ বছৰ জীয়াই থাকিবলৈ ইচ্ছা কৰা উচিত। এনেকৈয়ে তোমাৰ কাৰণে ইয়াৰ বাহিৰে আন পন্থা নাই। কর্ম মানুহত লিপ্ত নহয়।

তাৎপৰ্য— আপুনি দ্বিতীয় মন্ত্ৰৰ পৰা জানিলে যে সংসাৰত সকলোৱে কর্ম কৰিয়েই জীয়াই থাকিবলৈ ইচ্ছা কৰিব লাগে। কর্মৰ বাহিৰে আন কোনো পন্থা নাই। মানুহৰ আয়ুস এশ বছৰ বুলি কোৱা হৈছে। সেইকাৰণেই এশ বছৰ কাল মানুহে কর্ম কৰিয়েই জীয়াই থাকিব লাগে বুলি মন্ত্ৰ ফাঁকিক উক্ত হৈছে। আপুনি বুজিব লাগিব যে ইয়াত কর্ম বুলি কোৱাত দৈনন্দিন সাধাৰণ কর্ম আৰু শাস্ত্ৰ অনুসৰি কৰিবলগীয়া বিশেষ কর্মৰ কথা কোৱা হৈছে। এই প্ৰসঙ্গত আপুনি বেদৰ বিহিত যাগ-যজ্ঞৰ কথাও কর্মৰ ভিতৰতেই ধৰিব লাগিব। এই ধৰণে সকলো কর্ম কৰোঁতে পৰমেশ্বৰৰ অস্তিত্ৱৰ কথাও উপলব্ধি কৰিব লাগিব। পৰমেশ্বৰ বা পৰম ব্ৰহ্ম যে পৃথিৱীৰ সকলোতে পৰিব্যাপ্ত সেইটো আগেয়ে কোৱা হৈছে। যিকোনো ধৰণৰ কর্ম কৰোঁতেও ঈশ্বৰৰ অস্তিত্ৱৰ কথা গভীৰভাৱে স্মৰণ কৰিব লাগিব। আপুনি নিশ্চয় বুজিব পাৰিছে যে ঈশ্বৰৰ অস্তিত্ৱত গভীৰ বিশ্বাস আৰু শ্ৰদ্ধা থাকিলে মানুহৰ কর্মৰ প্ৰতি থকা আসক্তি থাকিব নোৱাৰে। আসক্তি শব্দই ইয়াত কর্মৰ ফলৰ প্ৰতি থকা লালসাক বুজাইছে। যেতিয়া সকলো ঈশ্বৰৰ অধীন, তেতিয়া কর্মৰ ফলো তেওঁৰেই অধীন। সেইকাৰণেই কর্ম কৰোঁতাৰ মনত কর্মৰ ফলৰ প্ৰতি থকা বাসনাও থাকিব নোৱাৰে। ঈশ্বৰৰ অস্তিত্ৱত শ্ৰদ্ধা আৰু বিশ্বাস অটল হ'লে মানুহৰ মনৰ পৰা কর্মফলৰ বাসনা ঔষধ খোৱাৰ ফলত বেমাৰ ভাল হোৱাৰ দৰেই নাইকিয়া হয়। সেইকাৰণেই কোৱা হৈছে যে কর্মত মানুহ লিপ্ত নহয় অর্থাৎ কর্মৰ ফলত আবদ্ধ নহয়। কর্মৰ ফলত আবদ্ধ নোহোৱা অৱস্থাটোকেই নিৰাসক্ত ভাব বুলি কোৱা হৈছে। এই মন্ত্ৰফাঁকিত মানুহৰ জীৱন যাপনৰ সৰল উপায়ৰ কথা কোৱা হৈছে। ঈশ্বৰৰ অৱস্থান সকলোতে আছে এই সিদ্ধান্তত বিশ্বাস অটল ৰাখিব লাগিব। তেনেকুৱা ভাব মনত ৰাখি কর্ম কৰিলে কর্মত আসক্তি অর্থাৎ কর্মফলৰ প্ৰতি আকাঙ্খ্যাও নাইকিয়া হয়।

২.৪.৩ তৃতীয় মন্ত্ৰ, শব্দাৰ্থ অসমীয়া অনুবাদ আৰু তাৎপৰ্য

আপুনি দ্বিতীয় মন্ত্ৰ ফাঁকি অসমীয়া অনুবাদ সহ অধ্যয়ন কৰিলে। ঈশ্বৰ সর্ব্বব্যাপী আৰু সেইকাৰণেই ত্যাগৰ ভাবতহে ভোগ কৰিব লাগে বুলিও জানিলে। ঈশ্বৰত বিশ্বাস গভীৰ হ'লে ধনৰ প্ৰতি লোভ থাকিব নোৱাৰে বুলিও অধ্যয়ন কৰিলে।

আত্মজ্ঞান নথকা লোকৰ অৱস্থা মৃত্যুৰ পিছত কেনেকুৱা হয় তাকেই ঈশোপনিষদৰ তৃতীয় মন্ত্রত কোৱা হৈছে। এই মন্ত্রটি আপুনি তলত শব্দার্থ আৰু অসমীয়া অনুবাদ সহ অধ্যয়ন কৰিবলৈ পাব। মন্ত্রফাঁকি এনেকুৱা—

"অসূর্য্যা নাম তে লোকা অন্ধেন তমসাবৃতাঃ।
তাংস্তে প্রেত্যাভিগচ্ছন্তি যে কে চাত্মহনো জনাঃ।"

শব্দার্থ—অসূর্য্যা ঃ (অসুৰৰ যোগ্য) নাম (নামেৰে) অন্ধেন (অন্ধকাৰৰ দ্বাৰা) তমসা (এন্ধাৰেৰে) আবৃতাঃ (আৱৰা) তে (সেইবোৰ) লোকাঃ (ঠাইবোৰ)। যে কে চ (যিকোনো) আত্মহনঃ (আত্মজ্ঞান নথকা), তে (সিহঁত) প্রেত্য (দেহ ত্যাগ কৰাৰ পিছত) তান্ (সেইবোৰ) অভিগচ্ছন্তি (লাভ কৰে, গমন কৰে)।

অসমীয়া অনুবাদ—দেখিবলৈ নোপোৱা অন্ধকাৰৰ আবৃত অসুৰৰ কাৰণে উপযুক্ত সেই ঠাই। আত্মজ্ঞান নথকাসকলে মৃত্যুৰ পিছত সেই ঠাইৰ অভিমুখে গমন কৰে।

তাৎপর্য—আপুনি অৱগত হব পাৰিলে যে পৰমেশ্বৰৰ জ্ঞান লাভ কৰিলে মানুহ কর্মৰ বিপাকত নপৰে। পৰম জ্ঞানৰ অভাৱত মানুহে কর্মফলৰ লালসা এৰিব নোৱাৰে। ফলত সংসাৰত সুখ-দুখ ভোগ কৰিবলগীয়া হয়। পৰমেশ্বৰৰ নামত আত্মসমর্পণ কৰি কৰা কর্মই অনাসক্ত কর্ম। তেনেকুৱা কর্মীৰ কর্মফলৰ প্রতি কোনো বাসনা নাথাকে। আপুনি জানিলে যে মানুহে কর্ম কৰিয়েই জীয়াই থাকিব লাগিব। কর্মৰ অবিহনে আন পন্থা আৰু নাই।

তৃতীয় মন্ত্রত আপুনি দেখিলে যে আত্মজ্ঞানৰ অভাৱত মানুহৰ পৰিণতি মঙ্গলজনক নহয়। আত্মজ্ঞানে মানুহক অভিমানৰ পৰা মুক্ত কৰে। আনহাতে আত্মজ্ঞানৰ অভাৱত মানুহ অভিমানৰ বান্ধত পৰে। যিসকলে কর্ত্তৃত্বৰ অভিমানত কর্ম কৰে, তেওঁলোকে অজ্ঞানবশতঃ ঘোৰ অন্ধকাৰত লিপ্ত হয়। অজ্ঞানীৰ কর্ম সদায় ফলৰ আকাঙক্ষাতহে সীমিত থাকে। আনহাতে জ্ঞানীৰ সকলো কর্ম পৰমেশ্বৰত সমর্পিত। জ্ঞানীয়ে উপলব্ধি কৰিব পাৰে যে জীৱাত্মা আৰু পৰমাত্মাৰ মাজত অলপো পার্থক্য নাই। পৰমাত্মা জীৱৰ দেহৰ ভিতৰত প্রাণবায়ুস্বৰূপে অৱস্থান কৰে। তাৰ ফলতেই দেহৰ সকলো অঙ্গ-প্রত্যঙ্গ কর্মক্ষম হয়। সেইকাৰণেই কর্ম ক্ষমতাৰ মূলতো পৰমাত্মাৰ অৱস্থান জ্ঞানীয়ে সদায় অনুভৱ কৰে। তেনেকুৱা আত্মজ্ঞান নথকা লোকক আত্মঘাতী বোলা হৈছে। আত্মজ্ঞানহীন লোকে ইহ লোকত সুখ ভোগৰ বাসনাত কর্ম কৰাৰ কাৰণেই তেওঁলোকৰ শেষ পৰিণতি অতি শোচনীয় হয়। যিসকলে শৰীৰ আৰু ইন্দ্রিয়াৰ বাহিৰে আত্মাৰ অস্তিত্বৰ স্বীকাৰ নকৰে, তেওঁলোক মৃত্যুৰ পিছত অন্ধকাৰাচ্ছন্ন বিষাদগ্রস্ত লোকলৈ গমন কৰে। কর্মৰ ফল যিমানেই সুখদায়ক নহওক কিয় সি কেতিয়াও মানুহক অজ্ঞানত নিমগ্ন বিষন্নতাৰ পৰা ৰক্ষা কৰিব নোৱাৰে। সেই কাৰণেই তেনেকুৱা ঠাইক অসুৰৰ উপযুক্ত লোক (স্থান) বুলি কোৱা হৈছে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ঃ ঈশোপনিষদত কাৰো ধনৰ প্রতি লোভ নকৰিবলৈ কোৱা হৈছে— বাক্যটি শুদ্ধ নে অশুদ্ধ লিখক।

.....

.....

প্রশ্ন নং ৮ঃ আত্মজ্ঞানহীন লোক মৃত্যুৰ পিছত কেনেকুৱা ঠাইলৈ গমন কৰে লিখক।

.....

.....

প্রশ্ন নং ৯ঃ আত্মঘাতী পদটি কি অর্থত ব্যৱহাৰ হৈছে লিখক।

.....

.....

প্রশ্ন নং ১০ঃ ঈশোপনিষদত কিহৰ বাহিৰে (ন অন্যথা ইতঃ অস্তি) বেলেগ পন্থা নাই বুলি কোৱা হৈছে লিখক।

.....

.....

প্রশ্ন নং ১১ঃ ঈশোপনিষদত কেনেকৈ এশ বছৰ জীয়াই থাকিবলৈ ইচ্ছা কৰা উচিত বুলি কোৱা হৈছে লিখক।

.....

.....

২.৫ আত্মাৰ স্বৰূপ (চতুর্থ, পঞ্চম আৰু অষ্টম মন্ত্র)

আত্মজ্ঞানৰ অভাৱত মৃত্যুৰ পিছত মানুহৰ কেনেকুৱা অৱস্থা হয় সেইটো আপুনি অধ্যয়ন কৰিলে। আত্মজ্ঞানহীন লোককেই যে আত্মঘাতী বোলা হয় তাকো আপুনি জানিলে। এতিয়া ইয়াত আপুনি আত্মাৰ স্বৰূপৰ কথা অধ্যয়ন কৰিবলৈ পাব।

ঈশোপনিষদত আত্মাৰ স্বৰূপ তলত উল্লেখ কৰা মন্ত্র কেইটিত এনেদৰে বর্ণনা কৰা হৈছে—

অনেজদেকং মনসো জৱীয়ো নৈনদ্দেৱা আপ্নুৱন্ পূর্বমর্ষৎ।
তদ্ধাতোহন্যত্যেতি তিষ্ঠৎ তস্মিন্নপো মাতৰিশ্বা দধাতি।।
তদেজাতি তন্নৈজতি তদ্দূৰে তদ্বন্তিকে।
তদন্তৰস্য সর্ৱস্য তদু সর্ৱস্যাস্য বাহ্যতঃ।।
স পর্য্যগাচ্ছুক্রমকায়মব্রণমস্নাৱিৰং শুদ্ধমপাপৱিদ্ধম্।
কৱির্মনীষী পৰিভূঃ স্বয়ম্ভূর্য়াথাতথ্যতোহর্থান্ ব্যদধাচ্ছাশ্বতীভ্য, সমাভ্যঃ।।

শব্দার্থ— অনেজৎ (গতি নকৰে, নাযায়, অচল) একম্ (এক, সদায় একক) মনসঃ (মনতকৈয়ো) জৱীয়ঃ (বেগবান, বেগী), পূর্ৱম্ (আগতেই) অষৎ (গৈ থকা) এনৎ (ইয়াক, এই আত্মাক) দেৱাঃ (দেৱতাসকলে) ন আপ্নুৱন্ (লাভ কৰিব নোৱাৰিছিল)। তৎ (সেই আত্মা) তিষ্ঠৎ (থিৰ হলেও, একেঠাইত নিশ্চল থাকিলেও) ধাৱতঃ (দৌৰি থকা, গতি কৰা) অন্যান্ (আনবোৰক) অতি এতি (অতিক্রম কৰে, চেৰ পেলায়)। তস্মিন্ (আত্মা থকাৰ কাৰণেই, আত্মাত অধিষ্ঠিত) মাতৰিশ্বা (মাতৰিশ্বাই, বায়ুৱে) অপঃ (কর্মসমূহ) দধাতি (বিধান কৰিছে)।

তৎ (আত্মা) এজতি (যায়, গতি কৰে) তৎ (সেই আত্মা) দূৰে (দূৰত, আঁতৰত) তৎ (সেই আত্মা) ন এজাতি (নাযায়, গমন নকৰে), তৎ (সেই আত্মা) উ (আৰু) অন্তিকে (ওচৰত)। তৎ (সেই আত্মা) অস্য সর্ৱস্য (এই সকলোবোৰৰ) অন্তঃ (ভিতৰত, অভ্যন্তৰত) তৎ (সেই আত্মা) উ (আৰু) অস্য সর্ৱস্য (এই সকলোবোৰৰ) বাহ্যতঃ (বাহিৰত)।

শুক্রম্ (শুদ্ধ, উজ্জ্বল), অকায়ম্ (শৰীৰহীন, দেহ নথকা) অব্রণম্ (অক্ষত), অস্নাৱিৰম্ (শিৰা নথকা, স্নায়ু নথকা) শুদ্ধম্ (নির্মল, শুদ্ধ) অপাপবিদ্ধম্ (পাপহীন), কৱিঃ (ক্রান্তদর্শী, সর্ব্বদ্রষ্টা) মনীষী (সর্বজ্ঞ), পৰিভূঃ (সকলোতে বিৰাজিত), স্বয়ম্ভূঃ (আপোনা-আপুনি হোৱা), সঃ (তেওঁ, সেই পৰমাত্মা) পৰি অগাৎ (সকলোতে

গতিশীল) য়াথাতথ্যতঃ (যথাযথ ধৰণে) শাশ্বতীভ্যঃ (চিৰন্তন) সমাভ্যঃ (কালৰে পৰা) অর্থান্ (বিষয়সমূহ) ব্যদধাৎ (ভাগ কৰি দিছে)।

অসমীয়া অনুবাদ—গতিহীন, অদ্বিতীয় আত্মা মনতকৈয়ো বেগী। দেৱতাসকলেও আগৰে পৰা থকা তেওঁক লাভ কৰিব নোৱাৰে। তেওঁ নিশ্চল হ'লেও বেগশীল সকলো পদার্থক অতিক্রম কৰে। আত্মা থকাৰ কাৰণেই প্রাণবায়ুয়ে কর্মসমূহ বিধান কৰে।

তেওঁ যায়, তেওঁ নাযায়। তেওঁ দূৰত আৰু তেওঁ কাষতে (ওচৰতো)। তেওঁ সকলোৰে অন্তৰত আৰু তেওঁ এই সকলোবোৰৰ বাহিৰতো।

উজ্জ্বল, শৰীৰহীন, অক্ষত, স্নায়ুহীন, নির্মল, পাপহীন, সূক্ষ্ম আৰু সর্ব্বদ্রষ্টা, সর্বজ্ঞ, সকলোতে বিৰাজিত, আপোনা-আপুনি উদ্ভৱ হোৱা, চাৰিওপিনে স্থিতিশীল তেওঁ যথার্থৰূপত চিৰন্তন কালৰে পৰা বিষয়সমূহ বিভক্ত কৰিছে।

তাৎপর্য— আ পুনি আত্মজ্ঞানৰ কথা ইতিমধ্যে কিছু পৰিমাণে অধ্যয়ন কৰিছে। আত্মজ্ঞানৰ কথা কওঁতে আত্মাৰ স্বৰূপৰ বিষয়েও কবলগীয়া হৈছে বুলি আপুনি বুজিব পাৰিছে। কাৰণ, আত্মা নো কি, ইয়াৰ লক্ষণ কেনেকুৱা আদি বিষয়ৰ আভাস পালেহে আপুনি আত্মাৰ কথা কিছু অৱগত হব পাৰিব। আত্মাৰ কোনো আকাৰ নাই। আত্মাৰ কোনো ৰূপো নাই। কিন্তু আত্মানো কেনেকুৱা তাক বুজিবলৈ ঈশোপনিষদত সংসাৰৰ সাধাৰণ ধর্মৰ (গুণ) পৰা আত্মা যে বেলেগ সেইটো স্পষ্টকৈ কোৱা হৈছে। কাৰণ, আত্মা সদায় গুণ, ৰূপহীন আৰু ইয়াৰ কোনো শাৰীৰিক অৱয়বো নাই। সেইকাৰণেই শৰীৰৰ ধর্মবোৰো আত্মাৰ নাই।

আত্মা গতিহীন, অচল। এই আত্মা অদ্বিতীয়। আত্মা সংসাৰৰ সকলোতে এনেকৈ পৰিব্যাপ্ত যে তেওঁৰ আকৌ গমন কৰিবৰ কোনো প্রয়োজন নাই। তেওঁ মনতকৈয়ো বেগী। আত্মাৰ গতি থাকিলেও তেওঁ নিশ্চল। কাৰণ, যিটো কথা জানিবলৈ বা কোনো এঠাইত যাবলৈ মানুহে যি চেষ্টা কৰিব লাগে, আত্মা তাত পূর্বতেই বিৰাজিত থাকে। কাৰণ, আত্মা সর্ব্বব্যাপী। আত্মা তেনেই ওচৰত আৰু তেনেই আঁতৰতো বিৰাজিত। তেওঁ সকলোৰে ভিতৰত আত্মাৰূপে অধিষ্ঠিত আৰু সকলোৰে বহিৰতো তেঁও পৰিব্যাপ্ত। তেওঁ সকলোতে গমনশীল আৰু তেওঁ অতি পৱিত্র।

সৃষ্ট পদার্থৰ দেহ আৰু আকৃতি আছে। কিন্তু আত্মাৰ দেহ বা শাৰীৰিক গঠন নাই। দেহযুক্ত প্রাণীৰ দৰে তেওঁৰ কোনো স্নায়ু (শিৰা) নাই। তেওঁ অক্ষত। তেওঁ শুদ্ধ আৰু পাপহীন। তেওঁ সর্বজ্ঞ আৰু মনীষী। তেওঁৰ জন্ম নহয়, তেওঁ নিজেই আৱির্ভূত হয় আৰু সকলো পিনেই তেওঁ অৱস্থান কৰে। অনাদি কালৰে পৰা সকলোতে তেওঁ কর্মৰ বিধান কৰিছে। আত্মাৰ পৰাই সংসাৰৰ উৎপত্তি হৈছে আৰু শেষত আত্মাতেই তাৰ লয় ঘটে। পৰমাত্মাই বিশ্বব্রহ্মাণ্ডৰ সৃষ্টি কৰি তাৰ ভিতৰত তেওঁ চৈতন্য ৰূপত বিৰাজ কৰে। সেই সেইকাৰণেই 'ঈশাৱাস্যম্ ইদং সর্ৱম্', 'তদ্ধাৱতোহন্যান্ অত্যেতি,' 'তদন্তৰস্য সর্ৱস্য তদু সর্ৱস্যাস্য বাহ্যতঃ' আদি বহুতো প্রকাৰে আত্মাৰ সর্ব্বব্যাপিত্বৰ কথা আলোচনা কৰা হৈছে। আত্মা ভিতৰ, বাহিৰ, ঊর্দ্ধ, অধঃ আদি সকলো দিশত ওতঃপ্রোতভাবে বিৰাজিত।

২.৫.১ আত্মজ্ঞানীৰ মনৰ অৱস্থা (ষষ্ঠ আৰু সপ্তম মন্ত্র)

আপুনি আত্মাৰ স্বৰূপৰ বিষয়ে অধ্যয়ন কৰিলে। আত্মা সর্ব্বব্যাপী, সর্ব্বজ্ঞ আৰু সৃষ্টিৰ মূল কাৰণ বুলিও জানিলে। আত্মাৰ সর্ব্বব্যাপিত্ব উপলব্ধি কৰিব পাৰিলে মানুহৰ মনৰ অৱস্থা কেনেকুৱা হয় সেইটোও ঈশোপনিষদত কোৱা হৈছে। এতিয়া আপুনি সেই বিষয়ে অধ্যয়ন কৰিবলৈ পাব। ঈশোপনিষদত এই সন্দর্ভত কোৱা হৈছে—

"য়স্তু সর্ৱাণি ভূতানি আত্মন্যেৱানুপশ্যতি।
সর্ৱভূতেষু চাত্মানং ততো ন বিজুগুপ্সতে।।
যস্মিন্ সর্ৱ্বানি ভূতানি আত্মৈৱাভূদ্ ৱিজানতঃ
তত্র কো মোহঃ কঃ শোক একত্ৱমনুপশ্যতঃ ।।"

শব্দার্থ— যঃ তু (কিন্তু যিয়ে) আত্মনি এৱ (নিজৰ আত্মাতেই) সর্ৱ্বানি ভূতানি (সকলোবোৰ প্রাণীক) অনুপশ্যতি (দেখে) চ (আৰু) সর্বভূতেষু (সকলো প্রাণীত) আত্মানম্ (নিজক, নিজৰ আত্মাক)। ততঃ (সেইকাৰণেই) ন বিজুগুপ্সতে (ঘৃণা নকৰে)।

যস্মিন্ (যি সময়ত) আত্মা এৱ (আত্মাই) সর্ৱাণি ভূতানি (সকলো প্রাণী) অভূৎ (হৈছে, হয়), তত্র (সেই সময়ত) বিজানতঃ (জানোঁতাৰ, যিয়ে উপলব্ধি কৰে তেওঁৰ) একত্ৱম্ (একত্ৱ, কেৱল একেটাই তত্ত্ব)অনুপশ্যতঃ (উপলব্ধিৰ, যিয়ে দেখে তেওঁৰ) কঃ মোহঃ (মোহ কি) কঃ শোকঃ (শোক কি)।

অসমীয়া অনুবাদ—যিয়ে নিজৰ আত্মাকেই সকলো প্রাণীক আৰু সকলো প্রাণীতেই নিজৰ আত্মাক দর্শন কৰে; সেইকাৰণেই তেওঁ কাকো ঘিণ নকৰে।

যেতিয়া সকলো প্রাণী আত্মা বুলি অনুভূত হয়, তেতিয়া একত্ৱদর্শী পৰমজ্ঞানীৰ মোহেই বা কি শোকেই বা কি?

তাৎপর্য—আপুনি জানিবলৈ পালে যে সকলোতে পৰমাত্মাৰ অনুভূতিয়ে মানুহক সমভাবাপন্ন হ'বলৈ শিকায়। ভেদ ভাৱৰ পৰাই ঘৃণা, বিদ্বেষ আদিৰ সৃষ্টি হয়। যেতিয়া মানুহে সকলো প্রাণীক আত্মদর্শনৰ দৃষ্টিৰে উপলব্ধি কৰে তেতিয়া মানুহৰ মনৰ পৰা ঘৃণা, অসূয়া, অপ্রীতি আদি ভাৱসমূহ আঁতৰি যায়। কাৰণ, এজনৰ অন্তৰত যি আত্মাৰ অৱস্থিতি, আন সকলোৰে ভিতৰতো সেই একে আত্মাৰেই অৱস্থান। সেইকাৰণেই আনক ঘৃণা কৰা মানেই নিজক ঘৃণা কৰাহে বুজায়।

যিয়ে সকলোতে আত্মাক অনুভৱ কৰে তেওঁ আত্মাদর্শী। সকলোৰে পৃথক পৃথক দৈহিক আকৃতিৰ অন্তৰালত অপৰিবর্ত্তনীয়, নিত্য আত্মা বিৰাজিত। দেহৰ লগত বা দৈহিক আকৃতিৰ লগত আত্মাৰ কোনো সম্পর্ক নাই। দেহৰ মাজত দেহীৰূপে তেওঁ সকলোতে বিৰাজ কৰে। দেহৰ ধ্বংসৰ ফলতো আত্মাৰ ধ্বংস নহয় বা কোনো পৰিৱর্তন নহয়। আত্মাৰ অৱিনশ্বৰতাত যাৰ মন যিমান গভীৰভাবে উপলব্ধি কৰিব পাৰে, তেওঁৰ মনৰ পৰা শোক, মোহ, মায়া আদি সাংসাৰিক ভাৱবোৰো সোনকালে আঁতৰি যায়। এই শ্লোক দুটাত আত্মাৰ সর্ৱ্বব্যাপিত্ৱত মন নিৱেশৰ পৰা ঘৃণাৰ ভাব আঁতৰ হয় বুলি কোৱা হৈছে। দ্বিতীয়তে আত্মাৰ যে ধ্বংস নহয়, আত্মাই যে নিত্য এনেকুৱা ভাৱৰ পৰা সংসাৰবন্ধন ৰূপ শোক আৰু মোহ আদি ভাৱ দূৰীভূত হয়। দেহৰ ধ্বংসত শোক কৰাটো পৰম দৃষ্টিত নিৰর্থক। কাৰণ, আত্মাৰ বিনাশ নাই। সংসাৰৰ যিকোনো বিষয়ত মোহো থাকিব নালাগে। কাৰণ, কোনো বস্তুৱেই নিত্য বা স্থায়ী নহয়। সেইকাৰণেই অস্থায়ী বিষয়ত মোহ কৰাটো নিষ্প্রয়োজন। এতেকে আপুনি জানিলে যে আত্মাৰ একত্ৱৰ অনুভূতিয়ে মানুহৰ মনৰ পৰা ঘৃণা, মোহ আৰু শোক আঁতৰাই জীৱক পৰমাত্মাৰ একত্ৱত অধিষ্ঠিত কৰে।

জানি থোৱা ভাল

১) **মাতৰিশ্বা**—'মাতৰিশ্বা' পদে বায়ুক বুজায়। 'মাতৰি' পদে অন্তৰীক্ষ আৰু 'শ্বয়তি' পদে যোৱা অর্থ বুজাইছে। অন্তৰীক্ষত যি যায় তাকেই মাতৰিশ্বা বোলা হয়—'মাতৰি অন্তৰিক্ষে শ্বয়তি গচ্ছত ইতি মাতৰিশ্বা বায়ুঃ'।

২) **অপঃ—** 'অপঃ' পদে সাধাৰণতে পানীক বুজায়। কিন্তু ইয়াত 'অপঃ' পদটি কর্মৰ অর্থত ব্যৱহাৰ হৈছে—'অপঃ কর্মাণি প্রাণিনাং চেষ্টালক্ষণানি' প্রাণীৰ প্রাণধাৰণ আদি সকলো কর্মৰ অর্থত অপঃ পদটি প্রয়োগ হৈছে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১২ঃ 'মাতৰিশ্বা' পদটিয়ে কাক বুজাইছে লিখক।

.....

.....

প্রশ্ন নং ১৩ঃ 'অপঃ'পদটি কি অর্থত ব্যৱহাৰ হৈছে লিখক।

.....

.....

প্রশ্ন নং ১৪ঃ সকলো পদার্থত আত্মা আছে নে নাই লিখক।

.....

.....

প্রশ্ন নং ১৫ঃ আত্মদর্শীৰ মনৰপৰা শোক, মোহ আঁতৰ হয় নে নহয় লিখক।

.....

.....

প্রশ্ন নং ১৬ঃ 'ঘৃণা' কেতিয়া নাইকিয়া হয় লিখক।

.....

.....

২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- ঈশোপনিষদৰ পৰিচয় লাভ কৰিলে।
- ঈশ্বৰৰ সর্ব্বব্যাপিত্বৰ কথা জানিব পাৰিলে।
- ত্যাগৰ ভাব মনত ধাৰণ কৰি ভোগ কৰিব লাগে বুলি গম পালে।
- কাৰো ধনৰ প্রতি লোভ কৰিব নালাগে বুলিও জানিলে।
- কর্ম কৰিয়েই এশ বছৰ জীয়াই থাকিবলৈ ইচ্ছা কৰা উচিত বুলি জানিলে।
- আত্মাৰ স্বৰূপৰ বিষয়ে অধ্যয়ন কৰিলে।
- আত্মজ্ঞানীৰ মনৰ অৱস্থা কেনেকুৱা হয় তাকো জানিলে।
- কিছুমান মন্ত্রৰ শব্দার্থ আৰু অসমীয়া অনুবাদো অধ্যয়ন কৰিবলৈ পালে।
- বিদ্যা, অবিধ্যা, সম্ভূতি আৰু অসম্ভূতি শব্দবোৰৰ অর্থও কিছু পৰিমাণে জানিব পাৰিলে।

২.৭ অধিক জানিবলৈ

১) সম্পাদক পণ্ডিত দুর্গাচৰণ সাংখ্য, *ঈশ, কেন, কঠ, উপনিষদ্* (১৩৭৪ বাংলা), বেদান্ত-কলিকতা ঃ তীর্থ দেব সাহিত্য কুটীৰ।

২) *উপনিষদ—অখণ্ড সংস্কৰণ* (১৯৮৭ খৃষ্টাব্দ), কলিকতা ঃ হৰফ প্রকাশনী।

৩) ভদ্র, শ্রীসুধেন্দু মোহন, *ঈশোপনিষদ্* গুৱাহাটী ঃ ছিটি প্রিণ্টার্ছ এণ্ড পাব্লিছার্ছ।

২.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ ঈশোপনিষদ্খন শুক্লযজুর্বেদৰ অন্তর্গত।

২ নং প্রশ্নৰ উত্তৰঃ ঈশা।

৩ নং প্রশ্নৰ উত্তৰঃ ঈশোপনিষদ্খন শুক্লযজুর্বেদৰ মন্ত্র অংশৰ অন্তর্গত। সেইকাৰণেই তাক মন্ত্রোপনিষদ্ বুলি কোৱা হয়।

৪ নং প্রশ্নৰ উত্তৰঃ চল্লিছটি।

৫ নং প্রশ্নৰ উত্তৰঃ বিঘিনি তিনি প্রকাৰৰ। সেইবোৰ হৈছে—আধ্যাত্মিক, আধিভৌতিক আৰু আধিদৈৱিক।

৬ নং প্রশ্নৰ উত্তৰঃ ঈশোপনিষদ্খন মন্ত্রোপনিষদ্, ঈশাৱাস্যোপনিষদ্, বাজসনেয়িসংহিতোপনিষদ্ নামেৰেও জনা যায়।

৭ নং প্রশ্নৰ উত্তৰঃ শুদ্ধ।

৮ নং প্রশ্নৰ উত্তৰঃ আত্মজ্ঞানহীন লোক মৃত্যুৰ পিছত অসুৰৰ কাৰণে উপযুক্ত অন্ধকাৰ লোকলৈ গমন কৰে।

৯ নং প্রশ্নৰ উত্তৰঃ আত্মঘাতী পদটি আত্মজ্ঞানহীন অর্থত ব্যৱহাৰ হৈছে।

১০ নং প্রশ্নৰ উত্তৰঃ কর্ম কৰাৰ বাহিৰে বেলেগ পন্থা নাই বুলি কোৱা হৈছে।

১১ নং প্রশ্নৰ উত্তৰঃ ঈশোপনিষদত কর্ম কৰিয়েই এশ বছৰ জীয়াই থাকিবলৈ ইচ্ছা কৰা উচিত বুলি কোৱা হৈছে।

১২ নং প্রশ্নৰ উত্তৰঃ বায়ু।

১৩ নং প্রশ্নৰ উত্তৰঃ অপঃ পদটি কর্ম অর্থত ব্যৱহাৰ হৈছে।

১৪ নং প্রশ্নৰ উত্তৰঃ সকলো ভূতত আত্মা আছে।

১৫ নং প্রশ্নৰ উত্তৰঃ আত্মদর্শীৰ মনৰ পৰা শোক, মোহ, আঁতৰ হয়।

১৬ নং প্রশ্নৰ উত্তৰঃ যেতিয়া সকলো প্রাণীৰ আত্মাত নিজক আৰু নিজৰ আত্মাত সকলো প্রাণীক দেখে তেতিয়া ঘৃণা নাইকিয়া হয়।

২.৯ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন ঃ

প্রশ্ন ১ঃ ঈশোপনিষদৰ প্রথম মন্ত্রটো মুখস্থ লিখক।

প্রশ্ন ২ঃ ঈশাবাচ্যম্ ..... এই মন্ত্রটোৰ অর্থ লিখক।

(খ) চমু প্রশ্ন ঃ

প্রশ্ন ১ঃ তলৰ শব্দবোৰৰ চমু টোকা লিখক—

বিদ্যা, সম্ভূতি, মাতৰিশ্বা, অপঃ।

(গ) ৰচনাধর্মী প্রশ্ন ঃ

প্রশ্ন ১ঃ ঈশোপনিষদত অধ্যয়ন কৰা আত্মাৰ স্বৰূপ আপোনাৰ নিজৰ ভাষাত লিখক।

প্রশ্ন ২ঃ আত্মজ্ঞানীৰ মনৰ অৱস্থা কেনেকুৱা হয় সেই বিষয়ে আপুনি নিজৰ ভাষাত লিখক।

*** ***** ***

অধ্যায় ৩ঃ নিৰুক্ত

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য
৩.২ পৰিচয়
৩.৩ নিৰুক্ত শব্দৰ অর্থ
৩.৪ নির্ঘণ্ট
৩.৫ নিৰুক্তৰ বিভাজন
৩.৬ নিৰুক্তৰ বিষয়বস্তু
৩.৭ নৈঘণ্টক কাণ্ড
৩.৮ নৈগম কাণ্ড
৩.৯ নিৰুক্তৰ মহত্ব
৩.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৩.১১ অধিক জানিবলৈ
৩.১২ অগ্রগতিৰ খতিয়ান
৩.১৩ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- নিৰুক্ত শব্দৰ অর্থৰ বিষয়ে জানিব
- নিৰুক্ত বেদাঙ্গৰ বিভাজন সম্পর্কে জ্ঞান লাভ কৰিব
- নিৰুক্ত বেদাঙ্গৰ বিষয়বস্তু সম্পর্কে অৱগত হ'ব
- নিৰুক্ত বেদাঙ্গৰ মহত্ব সম্পর্কে জ্ঞান লাভ কৰিব।

৩.২ পৰিচয়

বেদ আর্য্যসকলৰ পৱিত্রতম গ্রন্থ। ইয়াৰ অধ্যয়ন, অর্থবোধ আৰু বৈদিক সুপ্রয়োগ অতি প্রয়োজন বুলি স্বীকাৰ কৰা হয়। সম্প্রতি অকল ধর্ম সংস্কৃতিৰ প্রয়োজনতেই নহয়, আমাৰ দেশৰ প্রাচীন সভ্যতা-সংস্কৃতি, ঐতিহ্য-বুৰঞ্জী আৰু দর্শন আদি নানাদিশৰ ওপৰত আলোকপাত কৰিবৰ বাবেও বেদবিদ্যাৰ সম্যক চর্চা নিতান্ত প্রয়োজন। প্রকাণ্ড পুথিভঁৰাল সদৃশ বেদৰাশিৰ অধ্যয়ন-আবৃত্তি আৰু উচ্চাৰণার্থে, বেদৰ সম্যক অর্থবোধৰ বাবে আৰু মন্ত্রাদিৰ সুবিহিত প্রয়োগাদি জানিবলৈ আৰু বুজিবলৈ পৰম্পৰাগতভাৱে একশ্রেণীৰ সাহিত্য কালক্রমত উদ্ভৱ হ'ল, যাক কোৱা হয় বেদাঙ্গ বা বেদসমূহৰ 'অঙ্গ' বা বেদৰ অপৰিহার্য্য সহায়ক গ্রন্থ। অঙ্গশব্দৰ ব্যুৎপত্তিগত অর্থ 'উপকাৰক-অঙ্গ্যন্তে জ্ঞায়ন্তে অমীভিৰিতি অঙ্গানি।' অর্থাৎ যাৰ দ্বাৰা কোনো বস্তুৰ স্বৰূপ জ্ঞাত হয়, সেয়েই অঙ্গ।

বেদৰ সাৰমর্ম সঠিকভাৱে জানিবলৈ সহায়ক হিচাপে ছখন বেদাঙ্গ আছে— শিক্ষা, কল্প, নিৰুক্ত, ব্যাকৰণ, ছন্দ আৰু জ্যোতিষ। এই ছখন বেদাঙ্গক বেদৰ ষড়ঙ্গ বা ছয়টা অঙ্গ বোলা হয়। বেদৰ সংহিতা, ব্রাহ্মণ, আৰণ্যক,

যথাৰীতি পাঠ, অর্থবোধ আৰু বিনিয়োগৰ সহায়ক এই ছয় বেদাঙ্গ। বেদৰ শব্দবোধ, অর্থবোধ, ক্রিয়াৰে সৈতে

মন্ত্রৰ সম্বন্ধ, পাঠৰ ৰীতি প্রভৃতি বিষয়ত অপৰিহার্য কাৰণে এইবোৰক বেদৰ অঙ্গ বোলা হৈছে। উপনিষদ গ্রন্থৰাজি প্রকাশ হোৱাৰ আগতেই বেদাঙ্গ প্রকাশিত বা বিৰচিত হৈছিল; কিয়নো উপনিষদত হয় বেদাঙ্গৰ নাম পোৱা যায়। উদাহৰণ স্বৰূপে প্রসিদ্ধ মুণ্ডকোপনিষদৰ আৰম্ভণিতে 'পৰা' আৰু 'অপৰা' উভয় প্রকাৰ বিদ্যাৰ উল্লেখ কৰি অপৰাবিদ্যাৰ দৃষ্টান্ত-প্রসঙ্গত ঋষিয়ে চাৰি বেদ আৰু ছয় বেদাঙ্গৰ নাম উল্লেখ কৰিছে,

"তত্রাপৰা ঋগ্বেদো যজুর্বেদঃ সামবেদোহথর্ববেদঃ

শিক্ষা কল্পো ব্যাকৰণং নিৰুক্তং ছন্দো জ্যোতিষম্।" (মুণ্ডকোপনিষদ, ১-১)

ইয়াত ঋক্, যজুঃ সাম আৰু অথর্ব এই চাৰি বেদ আৰু শিক্ষা, কল্প, ব্যাকৰণ, নিৰুক্ত, ছন্দঃ আৰু জ্যোতিষ এই ছয় বেদাঙ্গক অপৰাবিদ্যা বুলি কৈছে, আৰু যি বিদ্যাৰ দ্বাৰা অক্ষৰ ব্রহ্ম লাভ কৰা যায় তাক পৰাবিদ্যা বুলি উল্লেখ কৰিছে। পাণিনীয় শিক্ষাত বেদক পুৰুষৰূপে কল্পনা কৰি ছয় বেদাঙ্গক বেদপুৰুষৰ ছটা অঙ্গ হিচাপে বর্ণনা কৰা হৈছে,

"ছন্দঃ পাদৌ তু বেদস্য হস্তৌ কল্পোহথ পঠ্যতে।

জ্যোতিষাময়নং চক্ষুর্নিৰুক্তং শ্রোত্রমুচ্যতে ।।

শিক্ষা ঘ্রাণং তু বেদস্য মুখং ব্যাকৰণং স্মৃতম্।

তস্মাৎ সাঙ্গমধীত্যৈব ব্রহ্মলোকে মহীয়তে।।" (পাণিনীয় শিক্ষা, ৪১, ৪২)

অর্থাৎ ছন্দ বেদৰ দুই ভৰি, কল্প বেদৰ দুই হাত, জ্যোতিষ বেদৰ চকু, নিৰুক্ত কাণ, শিক্ষা নাক আৰু ব্যাকৰণ বেদৰ মুখ। এই ছটা অঙ্গেৰে সৈতে বেদ অধ্যয়ন কৰিলে ব্রহ্মলোকৰ প্রাপ্তি ঘটে। অঙ্গ নোহোৱাকৈ যিদৰে অঙ্গীৰ বা শৰীৰধাৰীৰ পৰিচয় অসম্ভৱ, সেইদৰে বেদাঙ্গক বাদ দিও বেদৰ সম্পূর্ণ পৰিচয় সম্ভৱ নহয়।

এই ছয়খন বেদাঙ্গৰ বিশেষভাৱে তিনিটা ক্ষেত্রত প্রয়োজনীয়তা দেখা যায়। শিক্ষা আৰু ছন্দই বেদৰ অধ্যয়ন কার্যত, ব্যাকৰণ আৰু নিৰুক্তই বেদৰ মন্ত্রসমূহৰ অর্থ বুজাত আৰু কল্প আৰু জ্যোতিষে বেদমন্ত্রসমূহ কর্মানুষ্ঠানত প্রয়োগ কৰোতে সহায় কৰে। বহল অর্থত শিক্ষা গ্রন্থসমূহে বেদমন্ত্রৰ বর্ণ-স্বৰমাত্রাদিৰ যথাযথ উচ্চাৰণত সহায় কৰে। কল্পই বেদবিহিত কর্মসমূহৰ ক্রমবদ্ধৰূপে কল্পনা কৰে তথা শ্রৌত-গৃহ্যাদি কর্মৰ বিৱৰণ দিওঁতে কোনটো মন্ত্র কোন কর্মৰ ক্ষেত্রত বিনিয়োগ হ'ব লাগে সেই বিষয়ে অৱগত কৰে। ব্যাকৰণে দিয়া নির্বচনৰ আঁত ধৰিও মন্ত্রৰ অর্থ বুজিব পাৰি। নিৰুক্তই বৈদিক শব্দসমূহৰ নির্বচন প্রদান কৰে। ছন্দই আকৌ ছন্দোবদ্ধ পাদাদি আবৃত্তিত সহায় কৰে। সেইদৰে জ্যোতিষে কর্মানুষ্ঠান কৰাৰ সময় সঠিকভাবে অৱগত কৰি কর্মানুষ্ঠানত সহায় কৰে।

মুণ্ডকোপনিষদত ক্রম অনুসৰি ষড়ঙ্গৰ উল্লেখ কৰা হৈছে। সেই ক্রম অনুসৰি ছয় বেদাঙ্গ এনেদৰে পোৱা যায়: (১) শিক্ষা, (২) কল্প, (৩) ব্যাকৰণ, (৪) নিৰুক্ত, (৫) ছন্দ আৰু (৬) জ্যোতিষ।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ নিৰুক্তক বেদপুৰুষৰ কি অংগৰ লগত তুলনা কৰা হৈছে।

.....

প্রশ্ন নং ২ অঙ্গ শব্দৰ অর্থ লিখক।

.....

প্রশ্ন নং ৩ কোন উপনিষদত বেদাংগসমূহৰ নাম ক্রম অনুসৰি উল্লেখ কৰা হৈছে।

.....

৩.৩ নিৰুক্ত শব্দৰ অর্থ

ছয় বেদাঙ্গৰ ভিতৰত নিৰুক্ত নামৰ বেদাঙ্গই এক মহত্বপূর্ণ স্থান অধিকাৰ কৰি আছে। নিৰুক্তক বেদৰ বেদপুৰুষৰ কর্ণ বা কাণ বুলি জ্ঞান কৰা হয়। বৈদিক মন্ত্রসমূহৰ অর্থ বুজাত নিৰুক্তৰ অৰিহণা সর্বাধিক। নিৰুক্তৰ লক্ষণ প্রতিপন্ন কৰা হৈছে এনেদৰে, "নিৰুচ্যতে নিঃশেষেণোপদিশ্যতে তত্তদর্থাৱবোধনায় পদজাতং যত্র তন্নিৰুক্তম্।" অথবা "অর্থাৱবোধে নিৰপেক্ষতয়া পদজাতং যস্ত্রোক্তং তন্নিৰুক্তম্।"

নিৰুক্তৰ অর্থ নির্বচন অর্থাৎ কোনো শব্দৰ অর্থ কি আৰু কেনেকুৱা তাক ভাঙি পাতি কোৱা। ব্যাকৰণেও পদ ভাঙি অর্থ প্রকাশ কৰে, নিৰুক্তয়ো পদ ভাঙি নিঃশেষৰূপে অর্থ ব্যক্ত কৰে। 'ব্যাকৰণ হ'ল শব্দানুশাসন আৰু নিৰুক্ত হ'ল অর্থানুশাসন। তথাপি শব্দ আৰু অর্থ পৰম্পৰ সম্পৃক্ত, এনে অৱস্থাত ব্যাকৰণৰ সৈতে নিৰুক্তৰ সম্পর্ক ঘনিষ্ঠ। পদ ভাঙিলে তাৰ অর্থ উদ্ধাৰ কৰা সহজ হয়। সেয়ে নিৰুক্তই পদে পদে ব্যাকৰণৰ আশ্রয় ল'বলগীয়া হয়। তথাপি পদৰ ব্যাকৰণ বা বিশ্লেষণ এটা বহিৰঙ্গ ব্যাপাৰ, অর্থবোধ অন্তৰঙ্গ ব্যাপাৰ। সেয়েহে বেদার্থ নিৰূপণৰ সময়ত নিৰুক্ত ব্যাকৰণৰ সম্পূৰক, তাৰ অধিকাৰো বিস্তৃততৰ।" বর্ণাগম, কাবিপর্যয়, কাবিকাৰ, বর্ণনাশ, ধাত্বর্থাতিশয় ইত্যাদি হৈছে নিৰুক্তৰ মুখ্য প্রতিপাদ্য বিষয়।

৩.৪ নির্ঘণ্ট

যাস্ককৃত নিৰুক্ত হৈছে 'নির্ঘণ্ট' নামৰ এক 'শব্দকোশ'ৰ ব্যাখ্যা গ্রন্থ। নির্ঘণ্টুত বেদৰ কঠিন বা দুর্বোধ্য শব্দ কেতবোৰ সংকলিত হৈছে। নিৰুক্তৰ গ্রন্থকাৰ যাস্ককে বহুতে নির্ঘণ্টৰ সংগ্রাহক বুলি মত প্রকাশ কৰে। কিন্তু নিৰুক্তৰ আদিতে যাস্কাচার্যই কৈছে— সমান্নায়ঃ সমান্নাতঃ স ব্যাখ্যাতব্যঃ। তমিমং সমান্নায়ং নির্ঘণ্টৰ ইত্যাচক্ষতে। অর্থাৎ শব্দসমূহ একত্রিত কৰা হৈছে। সেইবোৰ ব্যাখ্যা কৰিব লাগে। সেই একত্রিত শব্দসমূহকে 'নিঘণ্টু' বুলি কোৱা হয়। যাস্কৰ এই উক্তিৰ পৰা বুজা যায় যে 'নিঘণ্টু' আন কোনোবাই সংকলন কৰিছিল। মহাভাৰতত প্রাপ্ত এক প্রাচীন পৰম্পৰা অনুসাৰে প্রজাপতি কশ্যপ হৈছে নিঘণ্টৰ ৰচয়িতা -

বৃষো হি ভগৱান্ ধর্মঃ খ্যাতো লোকেষু ভাৰত।
নির্ঘণ্টক পদাখ্যানে ব্রিদ্ধি মাং বৃষমুত্তমম্ ।।
কপিৱৰাহঃ শ্রেষ্ঠশ্চ ধর্মশ্চ বৃষ উচ্যতে।
তস্মাদ বৃষাকপিং প্রাহ কশ্যপো মাং প্রজাপতিঃ ।।

এই পৰম্পৰা অনুসৰি বৃষাকপিকে আদি কৰি 'নিঘন্টু' কোশৰ সংকলক ভগৱান প্রজাপতি কশ্যপ। তথাপি এই পৰম্পৰাও যে সমূলি বিশ্বাসযোগ্য তাকো কোৱা টান। প্রাচীন ভাৰতত অধুনাপ্রাপ্ত নিঘণ্টুৰ লেখিয়া কোশ অনেক আছিল; তাৰে এখন নিঘণ্টুৰ সংকলক আছিল কশ্যপ। প্রকৃততে যি নিঘটুক আধাৰ কৰি যাস্কই নিৰুক্ত ৰচিছে তাৰ সংকলক কোন আছিল তাক সঠিককে জনা নাযায়।

'নির্ঘণ্ট' পাঁচটা অধ্যায়ত বিভক্ত। প্রথম তিনিটা অধ্যায়ক নৈঘটুক কাণ্ড বোলে।

চতুর্থ অধ্যায়ক নৈগম কাণ্ড নামেৰে জনা যায়। পঞ্চমটো অধ্যায়ক দৈৱত কাণ্ড বুলি কোৱা হয়। অন্য প্রকাৰে এই তিনিটা কাণ্ডক এনেদৰেও বিশ্লেষণ কৰিব পাৰি নৈঘটুক কাণ্ডত সমার্থক বা পর্য্যায়বাচক শব্দ সংকলিত হৈছে। ইয়াৰ তিনিটা অধ্যায়ত ক্রমে ৪২১, ৪৯৩ আৰু ৪৩৮টা শব্দ সংগৃহীত হৈছে। মুঠতে এই কাণ্ডৰ শব্দ সংখ্যা ১৩৫২। চতুর্থ অধ্যায়ত আছে ভিন্নার্থবাচক শব্দৰ সংগ্রহ। ইয়াত মুঠতে ২৮১টা শব্দ আছে। পঞ্চম অধ্যায় বা দৈৱত কাণ্ডত ১৬৩ টা শব্দহে আছে। এনেদৰে নির্ঘণ্টত মুঠতে ১৭৯৬ টা বেদৰ কঠিন শব্দ সংগৃহীত হৈছে।

শব্দসংগ্রহৰ মাজত একপ্রকাৰ পদ্ধতি অনুসৰণ কৰা দেখা যায়। নৈঘটুক কাণ্ডৰ প্রথম অধ্যায়ত পৃথিৰী,

বায়ু, পানীৰ দৰে পদার্থবাচক আৰু মেঘ, উষা, দিন-ৰাতিৰ দৰে প্রাকৃতিক অর্থসূচক শব্দ সংকলিত কৰা হৈছে। দ্বিতীয় অধ্যায়ত মূলতঃ মানৰ আৰু মানৰীয় সম্পদ বা ক্রিয়াকর্মবাচক শব্দ সংকলিত কৰা হৈছে। তৃতীয় অধ্যায়ত গুণবাচক শব্দবোৰ সংকলিত হৈছে। নিঘটুক কোষগ্রন্থৰ আদর্শ বুলি গণ্য কৰা হয়। ইয়াৰ আর্হিত পিছলৈ অনেক শব্দকোষ প্রস্তুত হোৱাটো মন কৰিবলগীয়া। দেৱৰাজ যজ্বাই নিঘণ্টুৰ ভাষ্য ৰচনা কৰে। তেওঁৰ কাল ১৪শ শতিকা।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ নিৰুক্ত বুলিলে কি বুজা যায়?

.....

প্রশ্ন নং ৫ 'নির্ঘণ্ট' কেইটা অধ্যায়ত বিভক্ত হৈছে?

.....

প্রশ্ন নং ৬ নির্ঘণ্টত মুঠতে কিমানটা বেদৰ কঠিন শব্দ সংগৃহীত হৈছে?

.....

৩.৫ নিৰুক্তৰ বিভাজন

যাস্তকৃত নিৰুক্ত তিনিটা ভাগত বিভক্ত। এই তিনিটা বিভাগক নিৰুক্তৰ তিনিটা কাণ্ড বোলা হয়। কাণ্ডসমূহৰ নাম যথাক্রমে নৈঘটুককাণ্ড, নৈগমকাণ্ড আৰু দৈৱতকাণ্ড। অনুক্রমণিকা-ভাষ্যত এই তিনিটা কাণ্ডৰ উল্লেখ আছে, "আদ্যং নৈঘটুকং কাণ্ডং দ্বিতীয়ং নৈগমং, তৃতীয়ং দৈৱতঞ্চেতি সমাম্নায়স্ত্রিধা স্থিতঃ।।" নিৰুক্ত চৈধ্যটা অধ্যায়ত বিভক্ত। প্রথম ছটা অধ্যায়ক (১-৬) সামৰি পূর্বষটক আৰু পিছৰ ছটা অধ্যায়ক (৭ ১২) সামৰি উত্তৰষ্টক গঠিত হৈছে। বাকী দুটা অধ্যায়ক পৰিশিষ্ট বুলি কোৱা হয়। নিঘন্টুৰ তিনিটা অধ্যায় অর্থাৎ নৈঘটুক কাণ্ডৰ ব্যাখ্যা যাস্কৰ নিৰুক্তৰ প্রথম তিনিটা অধ্যায়ত পোৱা যায়। নিঘণ্টুৰ চতুর্থ অধ্যায় বা নৈগম কাণ্ডৰ ব্যাখ্যা নিৰুক্তৰ চতুর্থ, পঞ্চম আৰু ষষ্ঠ অধ্যায়ত কৰা হৈছে। নির্ঘণ্টৰ পঞ্চম অধ্যায় বা দৈৱত কাণ্ডৰ ব্যাখ্যা নিৰুক্ত গ্রন্থৰ ৭ম ৰ পৰা ১২তম অধ্যায়লৈকে এই ছটা অধ্যায়ত বিশদভাবে দাঙি ধৰা হৈছে। বাকী দুটা অধ্যায় পৰিশিষ্ট। সায়ণৰ মতে যাস্তকৃত নিৰুক্ত দ্বাদশাধ্যায়াত্মক। নিৰুক্তৰ আকৌ গুৰু আৰু লঘুপাঠ বিদ্যমান। লঘুপাঠ গুর্জৰদেশীয় আৰু গুৰুপাঠ মহাৰাষ্ট্রীয় বুলি কোৱা হৈছে। ইয়াৰ প্রথম ১২ অধ্যায়ত মুঠতে ৪০০ টা খণ্ড আছে।

৩.৬ নিৰুক্তৰ বিষয়বস্তু

বাৰজন নিৰুক্তকাৰৰ নাম আৰু মতামত যাস্কাচার্যৰ দ্বাৰা বিৰচিত নিৰুক্তগ্রন্থত উপলব্ধ হয়। তেখেতসকলৰ নাম বর্ণানুক্রমে দিয়া হৈছে: অগ্রায়া, ঔপমন্যৱ, ঔদুম্বৰায়ণ, ঔর্ণৱাভ, কথক্য, ক্রৌষ্টুকি, গার্গ্য, মালৱ, তৈটিকি, ৱ্যায়ণি, শাকপূণি আৰু স্থৌলাষ্ঠিবি। এই আচার্যসকলৰ ভিতৰত শাকপুণিৰ মতামতেই অধিকভাৱে উদ্ধৃত কৰা হৈছে।

সম্প্রতি প্রাপ্ত নিৰুক্তকে ষড়ঙ্গৰ অন্যতম বুলি কোৱা হয়। ইয়াৰ প্রণেতা যাস্কাচার্য্য বুলি প্রসিদ্ধি আছে। মহাভাৰতৰ শান্তিপর্বত (১২।৩৩০û৭-৮) যাস্ক নামে ঋষিয়ে শিপিৰিষ্ট বিষ্ণুক প্রসন্ন কৰি নষ্টপ্রাপ্ত নিৰুক্ত গ্রন্থ উদ্ধাৰ কৰিছিল বুলি কোৱা হৈছে।

"যাস্কো মামৃষিৰৱ্যসগ্রো নৈকযজ্ঞেষু গীতৱান্।

শিপিৰিষ্ট ইতি হাস্মাদ গুহ্যনামধৱো হ্যহম্।।

স্বত্বা মাং শিপিৰিষ্টেতি যাস্কো ঋষিৰুদাৰধীঃ।
মংপ্রসাদাদধো নষ্টং নিৰুক্তমভিগ্নিবান্।।" ইতি।

৩.৭ নৈঘণ্টক কাণ্ড

নিৰুক্তৰ প্রথম পাঁচটা অধ্যায়ৰ নাম নৈঘটুক কাণ্ড বা সংক্ষেপে নিঘণ্টু। ইয়াক শব্দার্থ কাণ্ড ও বোলা হয়। সমানার্থক বা পর্যায় বাচক শব্দৰ সূচী এই কাণ্ডত আছে। একে অর্থ নির্দেশকাৰী পর্যায় বাচক শব্দৰাশিৰ (synonyms) উপদেশ যি গ্রন্থত আছে তাৰ নাম নিঘণ্টু। অমৰকোষ, বৈজয়ন্তী, হলায়ুধ প্রভৃতি গ্রন্থত এনেদৰেই নিঘন্টু শব্দটো ব্যাখ্যা কৰা হৈছে। সমানার্থক শব্দ আৰু অনেকার্থক শব্দ পৃথকৰূপে নির্ঘণ্টিত লিপিবদ্ধ হৈছে। নিঘণ্টৰ প্রথম কাণ্ডত যিবিলাক পর্যায় বাচক শব্দৰ সমাবেশ হৈছে তাৰ কেইটামান দৃষ্টান্ত ইয়াত উল্লেখ কৰা হ'ল। পৃথিৰীবাচক একৈশটা শব্দৰ তালিকা আছে, যেনে- গৌ, স্মা, জা, স্মা, ক্ষা, ক্ষমা, ক্ষোণী, ক্ষিতি, অৱনি, উর্বী, পৃথ্বী, মহী, ৰিপ, অদিতি, ইলা, নিঋতি, ভূ, ভূমি, পুষা আৰু গাতু। এইদৰে সোণৰ পোন্ধৰটা পর্যায় বাচক শব্দ আছে। অন্তৰিক্ষৰ যোল্লটা, ৰাতিৰ তেইশটা, দিনৰ বাৰটা, ঊষাৰ যোলটা পর্যায় বাচক শব্দ আছে। এই ধৰণে অনেক বিষয়ৰ পর্যায় বাচক শব্দ বেদত যিদৰে আছে, ইয়াতো সেইবোৰৰ উল্লেখ আছে। বিশেষ্য পদৰ দৰে ক্রিয়া পদৰ সমানার্থক পর্যায় শব্দবো সমাৱেশ হৈছে। উদাহৰণ স্বৰূপে গমনার্থক ধাতুৰ এশ বাইশটা পর্যায় আছে। পর্যায় শব্দৰ বাহিৰেও নিঘণ্টৰ চতুর্থ আৰু পঞ্চম অধ্যায়ত বেদত প্রয়োগ হোৱা কিছুমান শব্দৰ তালিকা পোৱা যায়। কিংবদন্তী অনুযায়ী আচার্য যাস্কই নিঘন্টু আৰু নিৰুক্ত উভয় অংশৰ গ্রন্থকাৰ আৰু এই উভয় অংশৰে সম্মিলিত নাম হৈছে নিৰুক্ত। কিন্তু স্কোল্ড (Skold), ডণ লক্ষ্মণ স্বৰূপ প্রভৃতি যিসকল প্রাচ্য আৰু পাশ্চাত্য মনীষীয়ে আজীৱন নিৰুক্ত সম্বন্ধে গৱেষণা কৰিছে আৰু গ্রন্থ ৰচনা কৰি গৈছে, তেওঁলোকৰ মতে আৰু অধিকাংশ পণ্ডিতৰ মতে যাস্ক নৈগম আৰু দৈৱত এই কাণ্ড দুটাৰহে গ্রন্থকাৰ; তেওঁ নিঘণ্টৰ গ্রন্থকাৰ নহয়। যাস্কই নিজেও প্রকাৰান্তৰে এই কথা কৈ গৈছে।

নিঘণ্টুৰ পদ-তালিকা সমাপ্ত হোৱাৰ পাছত নৈঘটুক কাণ্ডৰ প্রাৰম্ভতে যাস্কই কৈছে- "সমান্নায়ঃ সমান্নাতঃ স ব্যাখ্যাতব্যস্তমিমং সমান্নায়ং নির্ঘণ্টৰ ইত্যাচক্ষতে।" অর্থাৎ শব্দৰ তালিকা প্রস্তুত হৈছে, সেইবোৰৰ ব্যাখ্যাৰ প্রয়োজন, সেই সমান্নায় বা শব্দ-তালিকাকে নির্ঘণ্ট বোলা হয়। যাস্কৰ আগতেই 'নিঘণ্টু' নামক পাঁচোটা অধ্যায় আন ঋষিৰ দ্বাৰা ৰচিত হৈছে, তাৰ ব্যাখ্যাৰ নাম নিৰুক্ত আৰু ই যাস্কৰ দ্বাৰা ৰচিত। এই নিঘণ্টু যে পৰৱর্তী কালৰ অমৰকোষ, বৈজয়ন্তী, হলায়ুধ, মেদিনীকোষ প্রভৃতি কোষ গ্রন্থৰ (Lexicography) উৎস সেই বিষয়ে তিলমানো সন্দেহ নাই। নৈঘটুক কাণ্ডত যাস্কই নাম, আখ্যাত, নিপাত, শব্দনিত্যত্ব প্রভৃতি ব্যাকৰণ বিষয়ক বিভিন্ন আলোচনা কৰিছে। গ্রন্থৰ আৰম্ভণিত যাস্কই কেতবোৰ গুৰুত্বপূর্ণ বিষয়ৰ বৈজ্ঞানিক অনুশীলন কৰিছে। তেখেতে পদবোৰক নাম, আখ্যাত, উপসর্গ আৰু নিপাত এই চাৰি ভাগত ভগাইছে। নামবোৰ যে অধিকভাবে আখ্যাতজ তাকো কোৱা হৈছে। তাৰ পাছত হয় প্রকাৰৰ ভাৱৱিকাৰৰ ব্যাখ্যা আগবঢ়াইছে।

৩.৮ নৈগম কাণ্ড

'নিগম' শব্দৰ অর্থ বেদ। যাস্কই ঠায়ে ঠায়ে বেদ অর্থত নিগম শব্দ ব্যৱহাৰ কৰা দেখা যায়। উদাহৰণ স্বৰূপে 'ইত্যপি নিগমো ভৱতি' কথাটো কেইবাবাৰো তেওঁ প্রয়োগ কৰিছে। গতিকে বেদত যিবিলাক শব্দৰ প্রয়োগ আছে সেইবিলাকৰ অধিকাংশই নৈগম নামক দ্বিতীয় কাণ্ডত বর্ণিত হৈছে। সেইবিলাক শব্দৰ ব্যুৎপত্তি (etymology) আৰু অর্থ, দৃষ্টান্ত আৰু মন্ত্রৰ বা মন্ত্রাংশৰ উদ্ধৃতিৰে সৈতে ব্যাখ্যা কৰা হৈছে। নির্ঘণ্টত যিদৰে একার্থবাচক অনেক শব্দৰ উল্লেখ আছে, সেইদৰে নৈগমকাণ্ডত অনেকার্থবাচক একে জাতীয় শব্দৰ (homonyms) তালিকাও সন্নিবিষ্ট

হৈছে। এইবাবে নৈগমকাণ্ডক একপদিককাণ্ড বুলিও কোৱা হয়। যাস্কই নৈঘটুককাণ্ডত প্ৰথম শ্ৰেণীৰ শব্দবিলাকৰ আৰু নৈগমকাণ্ডৰ আৰম্ভণিতে দ্বিতীয় শ্ৰেণীৰ শব্দবিলাকৰ ব্যুৎপত্তি আৰু প্ৰয়োগ সম্বন্ধে আলোচনা কৰিছে। সেই শব্দবিলাকৰ প্ৰয়োগ দেখুৱাবলৈ তেওঁ বেদ-মন্ত্ৰৰ উল্লেখ কৰিছে। কেৱল সেয়াই নহয়, উদ্ধৃত বেদ-মন্ত্ৰত থকা অন্যান্য শব্দবিলাকৰো ব্যুৎপত্তি আৰু অৰ্থ নিৰ্দেশ কৰিছে। এটা উদাহৰণ দিলে বিষয়টো পৰিষ্কাৰ হ'ব। নিঘন্টুৰ শব্দ তালিকাত 'জহা' শব্দটো আছে, অৰ্থ 'জঘান' অৰ্থাৎ 'বধ কৰিছিল'। এই শব্দটোৰ ব্যাখ্যা প্ৰসঙ্গত নৈগম কাণ্ডৰ প্ৰথম অধ্যায়ত যাস্কই এটা বেদ-মন্ত্ৰ উদ্ধৃত কৰিছে, "কো নু মৰ্যা অমিথিতঃ সখা সখায়মব্ৰবীৎ। জহা কো অস্মদীষতে।" এই মন্ত্ৰৰ কেৱল 'জহা' পদটোৱেই নহয়, মৰ্যা, অমিথিত; ঈষতে প্ৰভৃতি শব্দৰো ব্যুৎপত্তি আৰু অৰ্থ যাস্কই নিৰ্দেশ কৰিছে। এহেজাৰ খ্ৰীষ্টপূৰ্বত ৰচিত নিৰুক্তৰ এই নৈগমকাণ্ড যে সাম্প্ৰতিক ভাষা-তত্ত্বৰ (Philology) অন্যতম প্ৰধান নিদৰ্শন সেই কথা দেশৰ সকলো সংস্কৃতজ্ঞ পণ্ডিতসকলে মুক্তকণ্ঠে স্বীকাৰ কৰিছে। ব্ৰাহ্মণ-গ্ৰন্থতো নিৰ্বচন আছে, কিন্তু নিৰুক্তৰ নিচিনা ভাষা-তাত্ত্বিক আলোচনা তাত নাই।

জানি থোৱা ভাল

শব্দৰ বিভিন্ন ব্যুৎপত্তি নিৰুক্তত পোৱা যায়। দুহিতা শব্দটোৰ ব্যুৎপত্তি সম্পৰ্কে যাস্কই কৈছে- 'দুহিতা, দুৰ্হিতা। দূৰে হিতা। দোগ্ধেৰ্বা।' অৰ্থাৎ দূৰত বিবাহিতা কন্যাই হিতকাৰী হয়, বা য'ত প্ৰদান কৰা হয় তাতেই হিতকাৰী হয় ইত্যাদি দুহিতা শব্দৰ ব্যুৎপত্তি।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ 'নিগম' শব্দৰ অৰ্থ কি?

.....

প্ৰশ্ন নং ৮ সমানাৰ্থক বা পৰ্যায় বাচক শব্দৰ উপদেশ নিৰুক্তৰ কোন কাণ্ডত পোৱা যায়?

.....

প্ৰশ্ন নং ৯ নষ্টপ্ৰাপ্ত নিৰুক্ত গ্ৰন্থ কোনে উদ্ধাৰ কৰিছিল?

.....

দৈৱতকাণ্ড: নিৰুক্তৰ তৃতীয় কাণ্ডৰ নাম দৈৱতকাণ্ড। এই কাণ্ডত যাস্কই দেৱতা-তত্ত্বৰ বিস্তৃত বিচাৰ কৰিছে। যাস্কই দেৱতত্ত্ব সম্বন্ধে যি দিশ নিৰ্ণয় কৰি গৈছে সি এতিয়াও আধুনিক পণ্ডিতৰ বাবে অনুকৰণীয় হৈ আছে। সমগ্ৰ নিৰুক্ত-গ্ৰন্থ, বিশেষকৈ দৈৱতকাণ্ডটো অধ্যয়ন কৰিলে বৈদিকযুগৰ ঋষিৰ অপৰিসীম প্ৰজ্ঞা আৰু অদ্ভুত গৱেষণা-শক্তিৰ পৰিচয় পোৱা যায়। ভুলোক, অন্তৰীক্ষ আৰু দ্যুলোক ভেদে দেৱতাসকলৰ তিনিটা শ্ৰেণী বিভাজন কৰি প্ৰত্যেক দেৱতাৰ নিবাস-স্থান, বিশেষ বিশেষ লক্ষণ আৰু কাৰ্য, ৰূপ-কানা, কোন দেৱতাৰ মন্ত্ৰ কোন ছন্দত ৰচিত ইত্যাদি বিশে-ষণ কৰি দেখুৱাইছে। ৭-৯ অধ্যায়ত যাস্কই পৃথিৱীস্থ দেৱতাৰ নিৰ্বচন দাঙি ধৰিছে। ১০-১১ অধ্যায়ত মধ্যস্থানীয় দেৱতাৰ বিষয়ে কৈ সদৌ শেষত দ্যুস্থানীয় দেৱতাৰ বিষয়ে ব্যাখ্যা কৰিছে। দেৱতাসকলৰ ভিতৰত অগ্নিয়ে পৃথিৱীত বিৰাজ কৰে আৰু এৱেই আমাৰ নিকটতম দেৱতা। সূৰ্যই দ্যুলোকত বিৰাজ কৰে আৰু আমাৰ পৰা দূৰতম। এই অগ্নি আৰু সূৰ্যৰ মাজত আন সকলো দেৱতা অধিষ্ঠিত। ভুলোকৰ প্ৰধান দেৱতা হৈছে অগ্নি, অন্তৰীক্ষ লোকৰ প্ৰধান দেৱতা বায়ু বা ইন্দ্ৰ আৰু দ্যুলোকৰ বা ব্যোমৰ প্ৰধান দেৱতা হৈছে সূৰ্য বা আদিত্য। এই তিনিজন দেৱতা পৰস্পৰ স্বতন্ত্ৰ নহয়। এওঁলোক এক মহান আত্মাৰ অৰ্থাৎ পৰমাত্মাৰ অংশ-বিশেষ। যাস্কই কৈছে-

'দেৱতায়া এক আত্মা বহুধা সূয়তে; একস্যাত্ম-নোহন্যে দেবাঃ প্রত্যঙ্গানি ভৱন্তি' (দৈৱতকাণ্ড, ৭-৪)। অর্থাৎ- "দেৱতাসকলৰ এক আত্মা বহুৰূপে কীর্তিত হয়, এক আত্মাৰে প্রত্যঙ্গস্বৰূপ পৃথক পৃথক দেৱতাসকল।" দেৱতাসকল সাকাৰ নে নিৰাকাৰ সেই বিষয়েও যাস্কই বিচাৰ কৰি কৈছে যে কোনো কোনো মন্ত্রত সাকাৰৰূপে, কোনো কোনো মন্ত্রত নিৰাকাৰৰূপে আৰু কোনো কোনো মন্ত্রত আকৌ উভয় প্রকাৰৰ বর্ণনাই পোৱা যায়। বেদোক্ত দেৱতাসকল একো একোটা প্রাকৃতিক প্রপঞ্চ মাত্র (natural phenomenon)। উদাহৰণ স্বৰূপে, মৰুৎদেৱতা ধুমুহাৰ প্রতীক, ৰুদ্রদেৱতা বজ্রৰ প্রতীক। অনেকে ধাৰণা কৰে যে এনে ব্যাখ্যা পাশ্চাত্য পণ্ডিতসকলেই সর্বপ্রথমে কৰিছে আৰু কোনো কোনোৱে এই ব্যাখ্যাক অসঙ্গত বুলিও কৈছে। কিন্তু পাশ্চাত্য পণ্ডিতসকলৰ জন্মৰ দুহেজাৰ বছৰৰ আগতেই আচার্য যাস্কই বৈদিক দেৱতা আৰু অসুৰৰ এনে ধৰণৰ প্রাকৃতিক প্রপঞ্চাত্মক ব্যাখ্যা কৰি গৈছে। দৈৱতকাণ্ডত ইন্দ্রৰ দ্বাৰা বৃত্র নামক অসুৰৰ নিধন-বার্তা উল্লেখ কৰি তেওঁ কৈছে, "তত্ কো বৃত্রঃ? মেঘ ইতি নৈৰুক্তাঃ। ত্বাষ্ট্রোহসুৰ ইত্যৈতিহাসিকাঃ। অপাং চ জ্যোতিষ মিশ্রীভাৱকর্মণো ৰর্ষকর্ম জায়তে। তত্রোপমার্থেন যুদ্ধৰ্ণা ভৱন্তি"- (২-৫-১৭)। অর্থাৎ 'কোন এই বৃত্র?' আমি নিৰুক্তকাৰসকলে কওঁ যে এই বৃত্র মেঘৰ বাহিৰে আন একো নহয়। ঐতিহাসিকসকলে কয় যে এই বৃত্র ত্বষ্টা নামক অসুৰৰ পুত্র। (কিন্তু আমি কওঁ মেঘ হে, কাৰণ) বজ্র, বিজুলী আৰু পানীৰ সংমিশ্রণত বৰষুণ হয়। বজ্রৰ নিনাদ, বিজুলীৰ তীব্র জ্যোতি আৰু পানীৰ বর্ষণ সকলো মিলি যুদ্ধৰ দৰে হয়, সেই কাৰণে ইন্দ্রই বৃত্রক যেন বধ কৰিছে এনেকুৱা ৰূপক কল্পনা কৰা হৈছে।

অনেক বৈজ্ঞানিক তথ্যৰ উল্লেখো নিৰুক্ত গ্রন্থত পোৱা যায়। অন্তৰীক্ষৰ অগ্নি বা বিদ্যুৎ-জনিত অগ্নি আৰু পার্থিৱ অগ্নিৰ পার্থক্য দেখুৱাবলৈ গৈ যাস্কই কৈছে যে বিজুলীৰ পৰা ওপজা অগ্নি উদকেন্ধনঃ শৰীৰোপশমনঃ' (নি, ৭-২৩) অর্থাৎ বিদ্যুৎ অগ্নি পানীৰ পৰা ওপজা আৰু যেতিয়া এই বিদ্যুৎ পৃথিৱীৰ কোনো স্কুলবস্তুৰ ওপৰত পৰে তেতিয়া সি নির্বাপিত হয়। কিন্তু পার্থিৱ অগ্নিৰ ধর্ম ঠিক তাৰ বিপৰীত। সি 'উদকোপশমনঃ শৰীৰদীপ্তি:'- অর্থাৎ পার্থিৱ অগ্নি কাঠ আদি স্থূল ভূতপ্রপঞ্চক আশ্রয় কৰি জ্বলে, কিন্তু পানী পৰিলেই সি নির্বাপিত হয়। দেৱতাকাণ্ডত অগ্নিৰ স্বৰূপ আলোচনাত 'Convex Lense' ৰ উল্লেখো নিৰুক্তত পোৱা যায়। "তেনেকুৱা মণি (কাচমণি) সূর্যৰ ফালে ধৰি ৰাখিলে সূর্য-ৰশ্মি তাৰ মাধ্যমত তীব্র হৈ শুকান গোবৰ, গছৰ পাত আদিৰ ওপৰত পৰি তাক প্রজ্বলিত কৰে" (৭-২৩)। তদানীন্তন সৌৰবিজ্ঞানৰ উল্লেখো পোৱা যায়। এঠাইত সূর্য আৰু চন্দ্র সম্বন্ধে আলোচনা প্রসঙ্গত কোৱা হৈছে "অথাপ্যস্যৈকো ৰশ্মিচন্দ্রমসং প্রতি দীপ্যতে..... আদিত্যেহস্য দীপ্তির্ভৱতি"- অর্থাৎ সূর্যৰ তেজৰ একাংশই চন্দ্রক প্রদীপ্ত কৰে। চন্দ্রৰ যি দীপ্তি সি আচলতে সূর্যৰহে দীপ্তি।

বেদৰ মন্ত্রবোৰ সার্থক নে নিৰর্থক এই বিবাদলৈও সুস্থ আলোচনা কৰিছে; পিছলৈ সায়ণাচার্যই এই আলেচনাৰ ব্যাপক চর্চা ঋভাষ্যানুক্রমণিকাত কৰিছে। অজ্ঞানতাক নিন্দা, আৰু জ্ঞানক প্রশংসাৰ জৰিয়তে তেখেতে বেদার্থবোধৰ কথা কৈছে।

অকল বৈয়াকৰণিক বা নৈৰুক্ত দৃষ্টিভঙ্গিৰেই তেওঁ সকলো বিচাৰ বিবেচনা নকৰি তাহানিতে ভাষাতত্ত্ব বিষয়ক কেতবোৰ নীতি-নিয়মো দেখুৱাইছে। বিশেষতঃ ধ্বনি, বর্ণ আৰু শব্দৰ পৰিৱর্তন সম্বন্ধে তেওঁ কেতবোৰ নীতি-নির্দেশনা দাঙি ধৰিছে। যাস্কৰ সময়ত পূর্ব কালৰপৰা চলি অহা কেতবোৰ বৈদিক সম্প্রদায়ৰ বিষয়েও নিৰুক্তৰ পৰা জনা যায়। তেনেবোৰ পক্ষ হ'ল (১) আধিদৈৱত, (২) অধ্যাত্ম, (৩) আখ্যান-সময়, (৪) যাজ্ঞিক, (৫) ঐতিহাসিক, (৬) নৈদান, (৭) নৈৰুক্ত, (৮) পৰিব্রাজক, (৯) বৈয়াকৰণ ইত্যাদি। এই পক্ষবোৰে যে বেদৰ ভাষ্য অনুশীলনত বিশেষ প্রভাৱ বিস্তাৰ কৰিছিল তাক নকলেও বুজা যায়। যদিও নিৰুক্ত নিজেই এখন ভাষ্যগ্রন্থ তথাপিও গ্রন্থখনৰ কোনো কোনো অংশত পাঠকে অত্যন্ত কঠিনতা অনুভৱ কৰে। সেই কাঠিন্য আঁতৰাবলৈ দুর্গাচার্য, বৰৰুচি, স্কন্দস্বামী আদি প্রসিদ্ধ টীকাকাৰে নিৰুক্তৰ টীকা ৰচনাৰে গ্রন্থখন সাধাৰণ লোকৰ বোধগম্য কৰি তুলিছে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১০ নিৰুক্তৰ তৃতীয় কাণ্ডৰ নাম কি?

.....

প্রশ্ন নং ১১ বেদত বৃত্রক কাৰ লগত তুলনা কৰা হৈছে?

.....

প্রশ্ন নং ১২ নিৰুক্তৰ টীকাকাৰ এজনৰ নাম লিখক।

.....

৩.৯ নিৰুক্তৰ মহত্ব

নিৰুক্তত বৈদিক শব্দৰ নিৰুক্তি আছে। নিৰুক্তি শব্দৰ অর্থ হৈছে ব্যুৎপত্তি। নিৰুক্তৰ সর্বমান্য মত হ'ল প্রতিটো শব্দই কোনো ধাতুৰ লগত অৱশ্যেই জড়িত হৈ থাকে। গতিকে শব্দৰ ব্যুৎপত্তি দেখুওৱাৰ সমান্তৰালকৈ নিৰুক্তত নিৰুক্তকাৰে ধাতুৰ লগতে বিভিন্ন প্রত্যয়বো নির্দেশ কৰিছে।

নিৰুক্ত অনুসৰী সকলো শব্দৰ ব্যুৎপত্তি আছে। ব্যাকৰণবিদ শাকটায়নেও এই মতক সমর্থন কৰিছে। এই কথা যাস্ক আৰু পতঞ্জলিয়েও নিজ নিজ গ্রন্থত উল্লেখ কৰিছে-

'তত্র নানা আখ্যাতজানীতি শাকটায়নো নিৰুক্তসময়শ্চ।' (নিৰুক্ত ১/১/২/২)

'নাম চ ধাতুজমাহ নিৰুক্তে, ব্যাকৰণে শকটস্য চ তোকম্।' (মহাভাষ্য)

সকলো সংজ্ঞা বা বিশেষ্য পদেই কোনো ধাতুৰে বা ক্রিয়াৰে সৈতে সংযোজিত হৈ সৃষ্টি হয়, বুলি যিটো আধাৰত নিৰুক্ত প্রবৃত্ত হৈছে সেই আধাৰটো নিতান্তই বৈজ্ঞানিক। ইয়াকে বর্তমান 'ভাষাবিজ্ঞান' বুলি কোৱা হয়। পশ্চিমীয়া দেশত যেতিয়া সংস্কৃত ভাষাৰ প্রচলন হৈছিল তেতিয়াহে ইয়াৰ উত্থান হৈছে। সম্ভৱতঃ এশ বছৰৰ ভিতৰত। কিন্তু তিনি হাজাৰ বছৰৰ আগতে বৈদিক ঋষিসকলে এই শাস্ত্রৰ নীতিসমূহ বিজ্ঞানসন্মতভাৱে বর্ণনা কৰিছিল। ভাষাবিজ্ঞানৰ উৎপত্তিস্থল ভাৰতবর্ষ তাত অলপো সন্দেহ নাই।

নিৰুক্ত বেদাংগত অনেক আখ্যান-উপাখ্যান-ইতিহাসৰ আলেখ-লেখ চকুত পৰে। তাৰে ভালেখিনি আখ্যান প্রাচীন ভাৰতীয় ইতিহাসৰ খণ্ডৰূপ আৰু সেইবোৰে আমাক ইতিহাসৰ পুনর্গঠনত সহায় কৰে। অগস্ত্য, অত্রি, অঙ্গিৰা, ত্রিত, ভৰদ্বাজ, ভৃগু, মুদ্‌দাল, বশিষ্ঠ, বিশ্বামিত্র, শুনঃশেপ প্রভৃতিৰ জন্মবিষয়ক কথাৰ উমান ইয়াত পোৱা যায়। সেইদৰে দেৱাপি-শান্তনুৰ লেখিয়া আখ্যানে ৰাজকীয়কথাৰ সন্ধেদ দিয়ে। নিৰুক্তত উত্থাপিত প্রতিটো আখ্যান বেদানুগত আৰু বেদাখ্যানৰ উপকাৰকৰূপে উপস্থাপিত হৈছে আৰু সমাজ জীৱনত ইতিবাচক প্রভাৱ পেলাবলৈ সক্ষম হৈছে। এই মহান বেদাংগখন ভাষা শাস্ত্রীয় দিশৰ পৰাও এক অনুপম ৰত্নসদৃশ। পৰৱর্তীকালৰ বেদভাষ্যৰ ওপৰত যাস্কই প্রভাৱ বিস্তাৰ কৰিছে। সায়ণাচার্যয়ো এই পদ্ধতি অনুসৰণ কৰি বেদৰ টীকা ৰচনাত সফল হৈছিল। যাস্কৰ এই প্রক্রিয়াটো আধুনিক ভাষাবিদসকলে গ্রহণ কৰা দেখা যায়।

প্রাচীনকালৰ দৰেই সাম্প্রতিক সময়তো বেদৰ ৰক্ষার্থে তথা বেদমন্ত্রৰ অন্তর্নিহিত অর্থৰ বিবেচনাৰ বাবে নিৰুক্ত বেদাংগৰ প্রয়োজনীয়তা আছে; ভৱিষ্যতেও ইয়াৰ প্রয়োজনীয়তা নুই কৰিব নোৱাৰি।

৩.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলোঁ :

- নিৰুক্ত শব্দৰ অর্থৰ বিষয়ে জানিলোঁ

- নিৰুক্তৰ বিভাজন সম্পৰ্কে জানিলোঁ
- নিৰুক্ত বেদাংগৰ বিষয়বস্তু সম্পৰ্কে অৱগত হ'লো
- নিৰুক্ত বেদাংগৰ প্ৰয়োজনীয়তা সম্পৰ্কে জ্ঞান লাভ কৰিলোঁ

৩.১১ অধিক জানিবলৈ

১) শৰ্মা, থানেশ্বৰ, সংস্কৃত সাহিত্যৰ ইতিবৃত্ত, গুৱাহাটী চন্দ্ৰ প্ৰকাশ

২) Chaubey, B. B., Vedanga Literature, Hoshiarpur: Katyayan Vaidik Sahitya Prakashan

৩) বসু, যোগীৰাজ, বেদৰ পৰিচয়, গুৱাহাটী অসম প্ৰকাশন পৰিষদ

৪) Niruktam, Srimadyaskamunipranitam [Kasyapaprajapatik[tanighantubhasyarkupam], ed. by M. M. Pandit, Mukunda Jha Sarma, Chowkhamba Sanskrit Pratisthan, Delhi, 1989.

৩.১২ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ কাণ।

২ নং প্ৰশ্নৰ উত্তৰ উপকাৰক ।

৩ নং প্ৰশ্নৰ উত্তৰ মুণ্ডকোপনিষদ।

৪ নং প্ৰশ্নৰ উত্তৰ নিৰুক্তৰ অৰ্থ নিৰ্বচন অৰ্থাৎ কোনো শব্দৰ অৰ্থ কি আৰু কেনেকুৱা তাক ভাঙি পাতি কোৱা।

৫ নং প্ৰশ্নৰ উত্তৰ পাঁচটা।

৬ নং প্ৰশ্নৰ উত্তৰ ১৭৯৬ টা।

৭ নং প্ৰশ্নৰ উত্তৰ বেদ।

৮ নং প্ৰশ্নৰ উত্তৰ নৈঘটুককাণ্ড।

৯ নং প্ৰশ্নৰ উত্তৰ নষ্টপ্ৰাপ্ত নিৰুক্ত গ্ৰন্থ যাস্কই উদ্ধাৰ কৰিছিল।

১০ নং প্ৰশ্নৰ উত্তৰ নিৰুক্তৰ তৃতীয় কাণ্ডৰ নাম দৈৱতকাণ্ড।

১১ নং প্ৰশ্নৰ উত্তৰ বেদত বৃত্ৰক মেঘৰ লগত তুলনা কৰা হৈছে।

১২ নং প্ৰশ্নৰ উত্তৰ দুৰ্গাচাৰ্য।

৩.১৩ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন (৫০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ নৈগমকাণ্ডৰ বিষয়ে লিখক।

(খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১-নিৰ্ঘণ্টৰ বিষয়ে এটি টোকা লিখক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ নিৰুক্তৰ বিভাজন সম্পৰ্কে বহলাই লিখক।

প্ৰশ্ন ২ নিৰুক্ত বেদাংগৰ বিষয়ে বহলাই লিখক।

*** ***** ***

অধ্যায় ৪ঃ শ্রীবিষ্ণুপুৰাণ - সাধাৰণ আলোচনা

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ নামৰ তাৎপর্য
৪.৪ বিষ্ণু পুৰাণৰ আলোচ্য বিষয়
৪.৫ ৰচয়িতা আৰু ৰচনা কাল
৪.৬ বিষ্ণুপুৰাণৰ অংশসমূহৰ সাৰাংশ
৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৮ অধিক জানিবলৈ
৪.৯ অগ্রগতিৰ খতিয়ান
৪.১০ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- বিষ্ণুপুৰাণ নামটোৰ তাৎপর্য জানিব পাৰিব।
- এই পুৰাণখনৰ আলোচ্য বিষয় অৱগত হ'ব।
- বিষ্ণু পুৰাণৰ ৰচয়িতা আৰু ৰচনাকাল জানিব পাৰিব
- কেইগৰাকীমান বিখ্যাত ঋষিমুনি আৰু ৰজাৰ বিষয়ে জানিব পাৰিব।
- গ্রন্থখনৰ ছয় (৬) টা অংশৰ বিষয়বস্তুৰ লগত পৰিচিত হ'ব পাৰিব।

৪.২ পৰিচয়

অষ্টাদশ মহাপুৰাণৰ ভিতৰত এখন অত্যন্ত মহত্বপূর্ণ পুৰাণ হ'ল বিষ্ণুপুৰাণ। এই পুৰাণখন ছয়টা অংশ আৰু তেইশ হাজাৰ (২৩,০০০) শ্লোক আছে। কিন্তু বর্তমান উপলব্ধ বিষ্ণুপুৰাণত ১০,০০০তকৈ কম শ্লোক আছে আৰু ইয়াত ১২৬ টা অধ্যায় আছে। এই গ্রন্থখনৰ মূল প্রতিপাদ্য বিষয় হ'ল ভগৱান শ্রীবিষ্ণু, যি পুৰুষ সৃষ্টিৰ আদিকৰণ, নিত্য, অক্ষয় আৰু অব্যয়। পুৰাণৰ পঞ্চলক্ষণ ইয়াত সম্পূর্ণৰূপে প্রতিফলিত হৈছে অর্থাৎ সর্গ, প্রতিসর্গ, বংশ, মন্বন্তৰ আৰু বংশানুচৰিত বিশদভাৱে বর্ণনা কৰা হৈছে। দেৱতা, দৈত্য, গন্ধর্ব, সর্প ৰাক্ষস, যক্ষ, বিদ্যাধৰ, সিদ্ধ, অপ্সৰা, চাৰিবর্ণৰ আচাৰ, বিশুদ্ধ চৰিত্রৰ মনুষ্য, পৃথিৱীৰ পুণ্যক্ষেত্র, পৰিত্র নদী, পর্বত, সাগৰ, সমগ্র বেদধর্ম বর্ণনা দাঙি ধৰিছে পৰাশৰ মুনিয়ে মৈত্রেয়ৰ আগত। ভগৱান বিষ্ণুৰ বিষয়ে প্রধানভাৱে বর্ণনা কৰাৰ উপৰিও এই পুৰাণখনত বিষ্ণু আৰু শিৱৰ অভিন্নতাও প্রতিপাদিত কৰা হৈছে। শ্রীকৃষ্ণ চৰিত্র মুখ্যতঃ আলোচনা কৰিলেও সংক্ষেপে শ্রীৰামকথাও এই পুৰাণত বর্ণনা কৰা হৈছে। বাহ্যিক দৃষ্টিত বিষ্ণু পুৰাণখন পৰাশৰ আৰু মৈত্রেয়ৰ কথোপকথনৰ মাজেৰে প্রকাশিত হোৱা এখন শাস্ত্র যেন লাগিলেও এই গ্রন্থখনত সমগ্র ভাৰতীয় আদর্শ, সমাজ, সংস্কৃতি আদিৰ প্রতিচ্ছবি দেখা পোৱা যায়। এই অধ্যায়ত আপুনি শ্রীবিষ্ণু পুৰাণৰ সাধাৰণ পৰিচয় লাভ কৰিব।

৪.৩ নামৰ তাৎপর্য

'বিষ্ণুপুৰাণ' শব্দটো কেতিয়াবা 'শ্রীবিষ্ণু পুৰাণ', কেতিয়াবা 'শ্রীশ্রী বিষ্ণুপুৰাণ' বুলিও উল্লেখ থকা দেখা যায়। বিভিন্ন পণ্ডিতে 'বিষ্ণু' শব্দৰ বিভিন্ন অর্থ দিয়া পৰিলক্ষিত হয়। 'বিষ্ণু' শব্দৰ বিভিন্ন অর্থ দিয়া পৰিলক্ষিত হয়। যি সকলোতে আছে'; 'যি সকলো বন্ধনৰ পৰা মুক্ত'; 'যি সর্বত্র ব্যাপি আছে' বিষ্ণু শব্দৰ এনেকুৱা বিভিন্ন অর্থ উপলব্ধ। 'পুৰাণ' শব্দৰ সাধাৰণ অর্থ হৈছে 'পুৰণি আখ্যান'। 'বিষ্ণুপুৰাণ' অর্থাৎ য'ত ভগৱান বিষ্ণুৰ কীর্তন অথবা আখ্যান বর্ণনা কৰা হৈছে। বিষ্ণুৱেই সৃষ্টিকর্তা, তেৱেঁই মুক্তিদাতা, তেওঁ সর্বভূতম, অব্যয়, সকলো জীৱৰ আত্মস্বৰূপ। ভগৱান বিষ্ণুকেই সকলো দেৱ-দেৱতাৰ ভিতৰত সর্বশ্রেষ্ঠ হিচাপে এই গ্রন্থত কীর্তিত হৈছে বাবেই এই গ্রন্থৰ নাম বিষ্ণুপুৰাণ।

৪.৪ বিষ্ণুপুৰাণৰ আলোচ্য বিষয়

বিষ্ণুপুৰাণখনত ভগৱান বিষ্ণুৰ কীর্তন কৰা হৈছে বুলি আপুনি ইতিমধ্যে গম পাইছে। ভগৱান বিষ্ণুৰ কীর্তনৰ মাধ্যমেদি বিভিন্ন কাহিনী উপকাহিনীৰ জৰিয়তে সেই সময়ৰ সমাজ, সামাজিক স্থিতি, সমাজত প্রচলিত বিভিন্ন নীতি নিয়ম, সংস্কাৰ, ধর্ম-কর্ম, জ্যোতিষ চর্চা, ভৌগলিক স্থিতি আদিৰো বর্ণনা দিয়া হৈছে। পৃথিৱীৰ সৃষ্টি প্রক্রিয়াৰ লগতে ভাৰতবর্ষৰ বর্ণনা বিশদভাৱে উল্লেখ থকাটো বিষ্ণুপুৰাণৰ এটি উল্লেখযোগ্য বৈশিষ্ট্য। সূর্যবংশীয়, চন্দ্রবংশীয় আৰু যদু বংশীয় ৰজা-মহাৰজাৰ উত্থান-পতনৰ বর্ণনাৰ মাধ্যমেদি সেই সময়ৰ ৰাজনৈতিক-কূটনৈতিক স্থিতিৰো কিঞ্চিৎ উমান পোৱা যায়। সাংখ্যদর্শন যোগদর্শনৰ প্রতিপাদ্য বিষয়সমূহৰ সুসংহত ৰূপ বিষ্ণু পুৰাণত পৰিলক্ষিত হয়। চাৰিবেদৰ বিভাজন, অষ্টাদশ পুৰাণৰ ক্রমানুসৰি নাম, ওঠৰ শাস্ত্রৰ নাম উল্লেখ থকা এই পুৰাণ অধ্যয়ন কৰিলে অশ্বমেধ যজ্ঞৰ শেষত অৱভৃথ স্নান কৰিলে যি ফল লাভ হয়, সেই একেই ফলকেই পোৱা যায় বুলি এই গ্রন্থৰ সপ্তম অংশত বর্ণনা কৰা হৈছে। এইখিনিয়েই বিষ্ণুপুৰাণৰ মুখ্য আলোচ্য বিষয়।

৪.৫ ৰচয়িতা আৰু ৰচনা কাল

বিষ্ণুপুৰাণৰ তৃতীয় অংশৰ ষষ্ঠ অধ্যায়ত উল্লেখ আছে যে কৃষ্ণদ্বৈপায়ন বেদব্যাসে আখ্যান, উপাখ্যান, গাথা আৰু কল্পশুদ্ধিৰ সৈতে পুৰাণ সংহিতা ৰচনা কৰে। গতিকে বিষ্ণুপুৰাণৰ ৰচকো বেদব্যাস। মৎস্য পুৰাণতো পুৰাণসংসহিতাৰ ৰচক হিচাপে বেদব্যাসৰ নাম উল্লেখ কৰা হৈছে। বিষ্ণুপুৰাণৰ তৃতীয় অংশত উল্লেখ কৰা আছে যে ব্যাসে তেওঁৰ শিষ্য ৰোমহর্ষণক পুৰাণ-সংহিতা অধ্যয়ন কৰায়। ৰোমহর্ষণৰ ছয়জন শিষ্য। তাৰে তিনিজন শিষ্যই ৰোমহর্ষণৰ পৰা লাভ কৰা জ্ঞানেৰে তিনিখন পুৰাণ-সংহিতা ৰচনা কৰে। এই তিনিখন সংহিতাত বিষ্ণুৰ তত্ত্ব যেনেদৰে আছে তেনেদৰেই বিষ্ণুৰ তত্ত্ব বিষ্ণু পুৰাণত প্রকাশ কৰা হৈছে। এই পুৰাণ পদ্ম পুৰাণৰ শেষত ৰচিত হৈছিল বুলি বিষ্ণুপুৰাণৰ তৃতীয় অংশত পোৱা যায়।

বিষ্ণুপুৰাণৰ ৰচনাকাল সম্পর্কে পণ্ডিতসকলৰ মাজত বৈমত্য পৰিলক্ষিত হয়। এই পুৰাণখনত আলোচিত বিষয়বস্তুৰ ওপৰত ভিত্তি কৰি পণ্ডিতসকলে তেওঁলোকৰ মতামত ব্যক্ত কৰিছে। উইন্টাৰনিৎজ, পাৰ্জিতাৰ আদিৰ মতে এই বাণ পঞ্চম শতিকাত ৰচিত হৈছিল। জ্যোতিষ গণনাৰ পদ্ধতি বিশ্লেষণ কৰি পণ্ডিত, গৱেষক হাজাৰে কয় যে বিষ্ণুপুৰাণখন ষষ্ঠ শতিকাৰ আগতে ৰচিত হৈছিল। বিভিন্ন পণ্ডিত, গৱেষকৰ মতামত অধ্যয়ন কৰি এইকথা অনুমান কৰি ক'ব পাৰি যে দ্বিতীয় শতিকাৰ পৰা চতুর্থ শতিকাৰ ভিতৰত বিষ্ণু পুৰাণখন ৰচিত হৈছিল। বিষ্ণুপুৰাণৰ ওপৰত লিখা ভাষ্যসমূহৰ ভিতৰত শ্রীধৰস্বামীৰ ভাষ্যখনেই উল্লেখযোগ্য।

জানি থোৱা ভাল

ক) বিষ্ণুপুৰাণৰ তৃতীয় অংশৰ ষষ্ঠ অধ্যায়ত (২০-২৪) অষ্টাদশ পুৰাণৰ নাম ক্ৰমানুসৰি দিয়া আছে। সেই অনুসৰি বিষ্ণুপুৰাণৰ স্থান তৃতীয়।

খ) দ্বিতীয় অংশত গ্ৰহ নক্ষত্ৰৰ বৰ্ণনাৰ লগতে বৰষুণ কেনেদৰে হয় তাৰো বৰ্ণনা আছে। সমগ্ৰ জগতৰ আধাৰ সূৰ্যই নিজৰ কিৰণৰ দ্বাৰা আঠমাহ ক্ৰমান্বয়ে ষড়ৰসাত্মক ৰস বা পানী শুহি লয় আৰু বাকী চাৰি মাহত সেই শুহি লোৱা পানী পৃথিৱীত বৰ্ষণ কৰে। সূৰ্যই নদী, সাগৰ, মাটি আৰু প্ৰাণী দেহৰপৰা চাৰি প্ৰকাৰে পানী শোষণ কৰে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ পুৰাণৰ পঞ্চলক্ষণ কি?

.....

প্ৰশ্ন নং ২ ঃ 'বিষ্ণু' শব্দৰ এটা অৰ্থ লিখক।

.....

প্ৰশ্ন নং ৩ ঃ বিষ্ণুপুৰাণৰ ৰচক কোন?

.....

প্ৰশ্ন নং ৪ ঃ বিষ্ণুপুৰাণৰ এগৰাকী ভাষ্যকাৰৰ নাম লিখক

.....

প্ৰশ্ন নং ৫ ঃ বিষ্ণুপুৰাণৰ আনুমানিক ৰচনাকাল কি?

.....

প্ৰশ্ন নং ৬ ঃ বিষ্ণুপুৰাণত কিমানটা অধ্যায় আছে?

.....

৪.৬ বিষ্ণুপুৰাণৰ অংশসমূৰ সাৰাংশ

প্ৰথম অংশ ঃ বিষ্ণুপুৰাণৰ প্ৰথম অংশত বাইশটা অধ্যায় আছে। পৰাশৰ আৰু মৈত্ৰেয়ৰ কথোপকথনেৰে বিষ্ণুপুৰাণৰ আৰম্ভণি হৈছে। চৰাচৰ জগতৰ উৎপত্তি, প্ৰলয়, দেৱতা আদিৰ উৎপত্তি; সাগৰ, পৰ্বত আৰু পৃথিৱীৰ অৱস্থান; সূৰ্য প্ৰমুখ্যে গ্ৰহবোৰৰ সংস্থা ন আৰু পৰিমাণ; দেৱতাসকলৰ বংশ; যুগধৰ্ম; দেৱতা, ঋষি আৰু ৰজাসকলৰ চৰিত্ৰ; চাৰিবেদ; চাৰিবৰ্ণ; চতুৰাশ্ৰম আৰু আশ্ৰমবাসীসকলৰ ধৰ্মৰ বিষয়ে বৰ্ণনা কৰিবলৈ বশিষ্ঠ মুনিৰ নাতি মৈত্ৰেয়ই পৰাশৰক অনুৰোধ কৰে। পূৰ্বতে ভগৱান বশিষ্ঠ আৰু ধীমান পুলস্ত্যই পৰাশৰক এই সম্পৰ্কত যিবোৰ কথা কৈছিল পৰাশৰে সেইবোৰ স্মৰণ কৰি মৈত্ৰেয়ক ক'বলৈ আৰম্ভ কৰে। বিষ্ণুৰ পৰাই এই জগত সৃষ্টি হৈছে আৰু তেওঁতেই অৱস্থিতও হৈ আছে। বিষ্ণু জগতৰ স্থিতি আৰু নিয়ন্ত্ৰণৰ কৰ্তা আৰু তেৱেঁই জগত স্বৰূপ। বিশ্ব-ব্ৰহ্মাণ্ডৰ সৃষ্টি প্ৰক্ৰিয়া বৰ্ণনা কৰাৰ পিচত পৰাশৰে উল্লেখ কৰে যে বিষ্ণুয়েই সৃষ্টি, স্থিতি আৰু প্ৰলয় কৰিবৰ বাবে ব্ৰহ্মা, বিষ্ণু আৰু শিৱ নাম লয়। প্ৰলয়ৰ সময়ত বাকী সকলোবোৰ ধ্বংস হয় যদিওএকমাত্ৰ প্ৰকৃতি, পুৰুষ আৰু ব্ৰহ্মহে বৰ্তমান হৈ থাকে। প্ৰলয়ত ত্ৰিলোক একাৰ্ণৱ হোৱাত নাৰায়ণাত্মক ব্ৰহ্মাই শয়ন কৰে আৰু সময় হ'লে জাগ্ৰত হৈ কল্পান্তত পুনৰ সৃষ্টি কাৰ্য আৰম্ভ কৰে। ভগৱান ব্ৰহ্মাই দেৱতা, অসুৰ, মানৱ, যক্ষ, পিশাচ, পশু-পক্ষী আদি স্থাৱৰ-জঙ্গম

আদি সমস্ত জগত সৃষ্টি কৰে। সৃষ্টি প্ৰক্ৰিয়া হোৱাৰ পিচত প্ৰজা পালনৰ বাবে ব্ৰহ্মাই নিজকে আত্মসম্ভূত মনু কৰি লয়। এই অংশতে দেৱতা আৰু অসুৰসকলে মিলি সমুদ্ৰ মন্থন কৰাৰো বৰ্ণনা আছে। স্বায়ম্ভুৱ মনুৰ নাতি ধ্ৰুৱৰ উপাখ্যান, ধ্ৰুৱৰ বংশধৰ বেণ আৰু পৃথুৰ কাহিনী, কাশ্যপ আৰু দিতিৰ পুত্ৰ হিৰণ্যকশিপু আৰু হিৰণ্যাক্ষ, হিৰণকশিপুৰ পুত্ৰ প্ৰ াদৰ বিষ্ণু ভক্তিৰ কাহিনী, প্ৰ াদ বধৰ চেষ্টা, বিষ্ণুৰ নৰসিংহ ৰূপ ধাৰণ আৰু হিৰণ্যকশিপু বধ, প্ৰ াদৰ বংশাৱলী আৰু বিষ্ণুৰ চাৰি বিভূতি বৰ্ণনাৰে বিষ্ণুপুৰাণৰ প্ৰথম অংশৰ অন্ত পৰিছে।

> **একার্ণৱ** - জলাশয়

দ্বিতীয় অংশ ঃ বিষ্ণুপুৰাণৰ দ্বিতীয় অংশত ষোল্লটা অধ্যায় আছে। মৈত্ৰেয়ই পৰাশৰৰ পৰা স্বায়ম্ভুৱ মনুৰ পুত্ৰ প্ৰিয়ৱতৰ সন্তানসকলৰ বিষয়ে জানিব বিচৰাত পৰাশৰ মুনিয়ে প্ৰিয়ৱতৰ বংশাৱলী বৰ্ণনা কৰে। এই প্ৰসঙ্গতে তেওঁ সপ্তদ্বীপ— জম্বুদ্বীপ, প্লক্ষদ্বীপ, শাল্মলীদ্বীপ, কুশদ্বীপ, কৌঞ্চদ্বীপ, শাকদ্বীপ আৰু পুষ্কৰদ্বীপৰ বিস্তাৰিত বিৱৰণ দিয়ে। জম্বুদ্বীপৰ বিভাগ অৰ্থাৎ নটা বৰ্ষৰ বৰ্ণনাও এই অংশত উপলব্ধ। জম্বুদ্বীপৰ বিশদ বৰ্ণনাৰ লগতে সাতসাগৰ, বৰ্ষপৰ্বত, গঙ্গানদী, বিভিন্ন পৰ্বতৰ বৰ্ণনা কৰিছে। সাগৰৰ উত্তৰে আৰু হিমালয় পৰ্বতৰ দক্ষিণে থকা ভাৰতবৰ্ষ নামৰ ভূখণ্ডৰ চাৰিসীমা, তাৰ অধিবাসীসকল, নদ-নদী, যজ্ঞপুৰুষ বিষ্ণু পূজা, সূৰ্য-চন্দ্ৰ আদিৰপূজা, বাকী ছয়টা দ্বীপ আৰু লোকালোকৰ বৰ্ণনা, সপ্তপাতাল, নাগৰাজ অনন্তদেৱৰ বৰ্ণনাও ইয়াত উপলব্ধ। পৃথিৰী আৰু পানীৰ তলত থকা নৰক নামৰ স্থান, কেনেকুৱা ব্যক্তি নৰকত পতিত হয়, নৰকত পতিত হ'বলগীয়া লোকসকলৰ উপযুক্ত প্ৰায়শ্চিত্ত ব্যৱস্থাৰ বৰ্ণনাও আছে। ভূ-লোকৰ বৰ্ণনাৰ পিচত ভূবৰ্লোকত অৱস্থিত গ্ৰহবিলাকে কোনে কাৰ ওপৰত কেনেদৰে অৱস্থান কৰি আছে পৰস্পৰৰ মাজত ব্যৱধান কিমান বৰ্ণনা কৰাৰ লগতে স্বলোকৰ বিৱৰণ আছে। সূৰ্যৰ ৰথৰ অৱস্থান, কাল নিৰূপণ গঙ্গানদীৰ উৎপত্তি, বৰষুণৰ কাৰণ, বছৰৰ ১২ টা মাহৰ প্ৰতি মাহতেই ভিন্ ভিন্ দেৱতাসকলৰ সূৰ্য ৰথত অৱস্থিতিৰ কথা, ৰথত থকা বিষ্ণু শক্তি, বিভিন্ন গ্ৰহৰ ৰথ, জড় ভৰতৰ কথা, ভৰতৰ সৌৱীৰৰ প্ৰতি তত্ত্ব উপদেশ, ব্ৰহ্মাৰ পুত্ৰ ঋভু আৰু পুলস্ত্যৰ পুত্ৰ নিদাঘৰ কথোপকথন, ঋভুৰ নিদাঘক আত্মতত্ত্বৰ উপদেশ প্ৰদানৰ বৰ্ণনাৰে দ্বিতীয় অংশৰ অন্ত পৰিছে।

> **সপ্তপাতাল**— অতল, বিতল, নিতল, গভস্তিসৎ, মহাতল, শ্ৰেষ্ঠসুতল আৰু সপ্তম পাতাল।

তৃতীয় অংশ ঃ এই অংশত ওঠৰটা অধ্যায় আছে। এই অংশ মন্বন্তৰৰ বৰ্ণনাৰে আৰম্ভ কৰা হৈছে। ছয়জন মনু (যথাক্ৰমে— স্বায়ম্ভুৱ, স্বাৰোচষ, ঔত্তমি, তামস, ৰৈৱত, চাক্ষুস) অতীত হৈ গৈছে। আৰু সূৰ্যৰ পুত্ৰ ৱৈৱস্বত মনুৰ অধিকাৰ বৰ্তমান চলি আছে। ভৱিষ্যতৰ সপ্তমন্বন্তৰৰ বৰ্ণনা, ভগৱান বিষ্ণুৰ দ্বাৰা চাৰিযুগৰ উপযোগী ব্যৱস্থা, বিষ্ণুৱে বেদব্যাসৰ ৰূপ ধাৰণ কৰি যুগে যুগে বেদৰ বিভাজন কৰা, ঋগবেদ, যজুৰ্বেদ, সামবেদ আৰু অথৰ্ববেদৰ বিভাগৰ বৰ্ণনা তৃতীয় অংশত উপলব্ধ। পাপহীন কৰ্মৰ কথা ক'বলৈ গৈ পৰাশৰৰ 'যগমীতা'ৰ উল্লেখ, বিষ্ণু পূজাৰ ফলশ্ৰুতি, চাৰি আশ্ৰম অৰ্থাৎ ব্ৰহ্মচৰ্য, গাৰ্হস্থ্য, বানপ্ৰস্থ আৰু সন্যাসৰ কথা, নিত্য নৈমিত্তিক আৰু কাম্য কৰ্ম, গৃহস্থৰ সদাচাৰ, শৱদাহ, অশৌচ আৰু শ্ৰাদ্ধাদিৰ কথা, শ্ৰাদ্ধত কৰা দানৰ ফল, শ্ৰাদ্ধ দৰ্শন দোষ, নগ্নৰ লক্ষণ, মায়া মোহৰ উৎপত্তি আৰু গমন, মায়া মোহৰ দ্বাৰা দৈত্যসকলৰ বিপথগমন, বৌদ্ধ ধৰ্মৰ উৎপত্তি আৰু এই প্ৰসঙ্গতে শতধনু নামৰ এগৰাকী বিখ্যাত ৰজাৰ নাস্তিকৰ লগত প্ৰীতিমধুৰ আলোচনা কৰাৰ ফলত হোৱা দুৰ্গতি আৰু দুৰ্গতিৰ পৰা মুক্তি লাভ কৰা বৰ্ণনাৰে বিষ্ণু পুৰাণৰ তৃতীয় অংশৰ সামৰণি পৰিছে।

> যিমান দূৰলৈকে খোজ কঢ়াৰ যোগ্য বস্তু আছে, সিমান দূৰলৈকে ***ভূলোক*** বুলি কোৱা হয়। ভূমি আৰু সূৰ্যৰ মাজত যি ঠাই আছে, য'ত সিদ্ধ আৰু মুনি সকলৰ সেৱিত ঠাই আছে তাকেই ***ভূৱৰ্লোক*** বোলে। ধ্ৰুৱ আৰু সূৰ্যৰ মাজত যি চৈধ্য নিযুত যোজন ঠাই আছে সেয়াই স্বৰ্লোক।

> ***মন্বন্তৰ***— মনুৰ কাল বা যুগ। চৈধ্য মন্বন্তৰ মিলি ব্ৰহ্মাৰ এদিন হয়। এটা মন্বন্তৰ মানুহৰ ৪,৩২০,০০০ বছৰৰ সমান।

চতুর্থ অংশ ঃ এই অংশত চৌবিশ (২৪) টা অধ্যায় আছে। মৈত্রেয়ৰ অনুৰোধ মর্মে পৰাশৰে বিভিন্ন বংশসমূহৰ বিৱৰণ আৰু বিস্তৃতি দাঙি ধৰে। প্রথমতেই মনুৰ বংশ বিৱৰণ দিয়ে। দক্ষকন্যা অদিতিৰ পুত্র সূর্য আৰু সূর্যৰ পুত্র হ'ল মনু। মনুৰ ঈক্ষ্বাকুকে আদি কৰি দহজন পুত্র আছিল আৰু পূর্বতে ইলা নামৰ এগৰাকী কন্যা আছিল। মনুৰ এগৰাকী বংশধৰ হ'ল কুকদ্মী। কুকুদ্মীৰ কন্যা ৰেৱতীক ভগৱান বিষ্ণুৰ এক অৱতাৰ বলদেৱলৈ বিয়া দিয়া হয়। মনুৰ অন্য এজন পুত্র ইক্ষ্বাকুৰ বংশৰ বিখ্যাত বিখ্যাত ৰজাসকলৰো বর্ণনা দিয়া আছে এই অংশত। সৌভৰি, মান্ধাতা, অম্বৰীষ, ত্রিশঙ্কু, হৰিশ্চন্দ্র, ৰোহিতাশ্চ, আদি ৰজা সকলৰ কথা বর্ণনা কৰাৰ পিচত সগৰৰ বর্ণনা দিয়ে। সগৰৰ অশ্বমেধ যজ্ঞৰ ঘোৰা অপহৰণ হোৱাত তেওঁৰ ৬০ হেজাৰ পুত্রক ঘোৰা বিচাৰি পঠিওৱাত কপিল মুনিৰ ক্রোধানলত তেওঁলোক ভস্ম হয়। সগৰৰ বংশধৰ ভগীৰথে স্বর্গৰ পৰা স্তুতি কৰি গঙ্গাক পাতাললৈ বোৱাই আনি সেই পূর্বপুৰুষক জীয়াই তোলে। ইক্ষ্বাকু বংশৰ ৰজা ৰঘু, অজ, দশৰথ, ৰামচন্দ্র, লক্ষ্মণ, ভৰত, শত্রুঘ্ন, লৱ-কুশ আদিৰ পৰা আৰম্ভ কৰি বৃহদ্বললৈকে বর্ণনা কৰা আছে। সূর্যবংশীয় ৰজাসকলৰ সকলো বৃতান্ত বর্ণনা কৰাৰ পিচত প্রখ্যাত চন্দ্রবংশীয় ৰজাৰ বর্ণনা আছে। চন্দ্রপুত্র বুধৰ পৰা আৰম্ভ কৰি চন্দ্রবংশৰ ৰজা পুৰূৰৱা, আয়ু, ধন্বন্তৰী, ৰজি, নহুষ, যযাতি আদিৰ বর্ণনা এই অংশত উপলব্ধ। যদুবংশৰ বিভিন্ন ৰজাৰ বংশাৱলী বর্ণনা কৰাৰ পিছত সত্বতৰ বংশ, শিশুপালৰ পূর্বজন্ম, কুৰুবংশীয় ৰজাসকলৰো বর্ণনা কৰা হৈছে। ভৱিষ্যৎ ঈক্ষ্বাকুবংশীয় ৰজা, কলিকালত হ'বলগীয়া ৰজাসকল আৰু কলিধর্মৰ বর্ণনাৰে বিষ্ণুপুৰাণৰ এই অংশৰ সামৰণি পৰিছে।

> ঋগ, যজু আৰু সাম এই তিনিবেদক ব্রাহ্মণ, ক্ষত্রিয় আৰু বৈশ্য এই তিনি বর্ণৰ আৱৰণ বুলি কোৱা হয়। যিসকল ব্যক্তিয়ে মোহৰ বশৱর্তী হৈ এই আৱৰণ ত্রয় ত্যাগ কৰে সেই মহাপাপীকেই ***নগ্ন*** বুলি কোৱা হয়।

> ভগৱান শ্রীহৰিয়ে নিজৰ দেহৰ পৰা মায়া মোহক উৎপন্ন কৰি দেৱতাসকলক প্রদান কৰে।

পঞ্চম অংশ ঃ পঞ্চম অংশত আঠত্রিশ (৩৮)টা অধ্যায় আছে। বিষ্ণুপুৰাণৰ এই অংশত বসুদেৱ দৈৱকীৰ বিবাহৰ পৰা আৰম্ভ কৰি যদুকুল ধ্বংসলৈকে বর্ণনা কৰা হৈছে। যদুকূলত জন্ম লোৱা ভগৱান বিষ্ণুৰ অংশ অৱতাৰ সম্পর্কে সকলো কথা মৈত্রেয়ই বিস্তাৰিতভাৱে জানিবলৈ ইচ্ছা কৰাত পৰাশৰে তেনেদৰেই বর্ণনা কৰে। পৃথিৱী জনসাধাৰণৰ দ্বাৰা নানাভাৱে পীড়িতা হৈ দেৱতাসকলক সেই দুখ দূৰ কৰিবলৈ অনুৰোধ কৰাত দেৱতাসকলে পৃথিৱীৰ মহাভাৰ দূৰীকৰণৰ বাবে ব্রহ্মাক অনুৰোধ কৰে। ব্রহ্মাই দেৱতাসকলক লগত লৈ শ্রীহৰিক কাকুতি মিনতি কৰে পৃথিৱীৰ ভাৰ দূৰ কৰিবলৈ। শ্রীহৰিয়েও সেই উদ্দেশ্যে বসুদেৱ-দৈৱকীৰ অষ্টম সন্তান হিচাপে জন্ম লয়। শ্রীকৃষ্ণ নাম লৈ গোকুলত নন্দ-যশোদাৰ পুত্র হিচাপেহে ডাঙৰ -দীঘল হয়। শ্রীকৃষ্ণই গোকুলত থাকোতেই পুতনাকে আদি কৰি বহুতো ৰাক্ষসী আৰু অসুৰক বধ কৰে। বিষ্ণু পুৰাণৰ এই অংশতে শৰৎকালৰ পূর্ণিমা তিথিত শ্রীকৃষ্ণ আৰু গোপীসকলে কৰা ৰাসক্রীড়াৰ মনোমোহা বর্ণনা আছে। শ্রীকৃষ্ণৰ এই সকলোবোৰ কার্যৰ কথা নাৰদৰ মুখে গম পাই শিশু অৱস্থাতে শ্রীকৃষ্ণ আৰু বলৰামক বধ কৰাৰ উদ্দেশ্যে দুয়োকে মথুৰালৈ আনিবলৈ শ্বফল্কৰ পুত্র অক্রুৰক পঠিয়ালে আৰু ধনুর্যজ্ঞৰো আয়োজন কৰে। অক্রুৰৰ লগত মথুৰালৈ আহোঁতে বাটে বাটে শ্রীকৃষ্ণই লীলা প্রদর্শন কৰি আহে আৰু বহুতো মুষ্টিযোদ্ধাক পৰাস্ত কৰি কংসবধ কৰে আৰু কংসৰ পিতৃ উগ্রসেনক কা�ৰাগা�ৰৰ পৰা মুকলি কৰি ৰাজ সিংহাসনত অভিসিক্ত কৰে। মগধৰ ৰজা জৰাসন্ধই একেৰাহে ওঠৰবাৰ মথুৰানগৰ আক্রমণ কৰা বাবে শ্রীকৃষ্ণই মথুৰাৰ সকলো প্রজাৰ বাবে দ্বাৰকাত নতুনকৈ নগৰ স্থাপন কৰে। ভীষ্মক জীয়ৰী ৰুক্মিণীক শ্রীকৃষ্ণৰ দ্বাৰা হৰণ কৰি বিবাহ কার্য সম্পন্ন কৰা বর্ণনাও ইয়াত উপলব্ধ। শ্রীকৃষ্ণৰ দ্বাৰা নৰকাসুৰ বধ, সত্যভামাৰ বাবে স্বর্গৰ পাৰিজাতফুল হৰণ, ষোল্লহাজাৰ এশ ৰমণীক বিবাহ, নাতি অনিৰুদ্ধক উদ্ধাৰৰ বাবে বাণৰজাৰ লগত যুদ্ধ, কাশী, দহনৰ বর্ণনা বিস্তাৰিতভাৱে দিয়া হৈছে। ঋষিসকলৰ অভিশাপত যদুকূল ধ্বংস, ভগৱানৰ স্বধামলৈ প্রত্যাৱর্তন, পৰীক্ষিতৰ ৰাজ্যাভিষেকৰ বিস্তাৰিত বর্ণনাৰে পঞ্চম অংশৰ সামৰণি পৰিছে।

ষষ্ঠ অংশ ঃ এই অংশত আঠোটা অধ্যায় আছে। প্রলয়কালত প্রাণীবিলাকৰ কেনেদৰে বিনাশ ঘটে, মহাপ্রলয়ৰ স্বৰূপ কি এই বিষয়ে পৰাশৰে মৈত্রেয়ৰ আগত বর্ণনা কৰে। সত্য, ত্রেতা, দ্বাপৰ আৰু কলি— এই চাৰিটা যুগ। সত্যযুগত প্রথমে ব্রহ্মাই জীৱবিলাকৰ সৃষ্টি কৰে আৰু অন্তিম কলি যুগত সমস্ত সৃষ্টিকে আকৌ নাশ কৰে। কলিকালত চাৰিপ্রকাৰৰ ধর্ম বিলুপ্তপ্রায় হ'ব বুলি কোৱা আছে। পৰাশৰে মৈত্রেয়ৰ আগত কলিকালৰ স্বৰূপ বিস্তৃতভাৱে কোৱাৰ লগতে ব্যাসদৰে কোৱা কলিযুগৰ তত্ত্বও বর্ণনা কৰে। কালৰ পৰিমাণ, ভূতবিলাকৰ তিনি প্রকাৰৰ প্রলয়— নৈমিত্তিক, আত্যন্তিক, প্রাকৃতিক প্রলয়ৰ কথা, তিনি প্রকাৰৰ দুখ— আধ্যাত্মিক, আধিদৈৱিক, আধিভৌতিকৰ কথাও পৰাশৰে বর্ণনা কৰে। পৰমেশ্বৰক লাভ কৰিব পৰা যোগ, ব্রহ্মযোগৰ বিষয়ে বর্ণনা কৰাৰ পিছত পৰাশৰে মৈত্রেয়ক বিষ্ণু পুৰাণৰ মাহাত্ম্য বর্ণনা দাঙি ধৰে। এইখিনিতে ষষ্ঠ অংশ তথা সমগ্র বিষ্ণু পুৰাণৰ বর্ণনাৰ সামৰণি পৰিছে।

জানি থোৱা ভাল

পৰাশৰ — মহর্ষি বশিষ্ঠৰ পুত্র শক্রি, শক্রিৰ পুত্র হ'ল পৰাশৰ।

পুলস্ত্য ঃ ব্রহ্মাৰ মানস পুত্র।

জৰাসন্ধ ঃ মগধৰ ৰজা, বৃহদ্রথৰ পুত্র। মথুৰাৰ ৰজা কংসই জৰাসন্ধৰ দুজনী জীয়েক অস্তি আৰু প্রাপ্তিক বিয়া কৰাইছিল। শ্রীকৃষ্ণই কংসক বধ কৰাৰ বাতৰি পোৱাত জৰাসন্ধ অতিকে ক্রোধান্বিত হৈ মথুৰা আক্রমণ কৰে। অৱশেষত ভীমৰ হাতত জৰাসন্ধৰ মৃত্যু হয়।

সত্যভামা ঃ যদুবংশীয় ৰজা সত্রাজিতৰ কন্যা। শ্রীকৃষ্ণৰ অন্যতমা মহর্ষি। সত্যভামাৰ অনুৰোধত শ্রীকৃষ্ণই স্বর্গৰ দেৱসৈন্য আৰু শ্রীকৃষ্ণৰ মাজত যুদ্ধ হয়। যুদ্ধত ইন্দ্র পৰাজিত হয় যদিও শ্রীকৃষ্ণ আৰু সত্যভামাই তেওঁক পাৰিজাত বৃক্ষ ওভটাই দিয়ে। কিন্তু দেৱৰাজে শেষত শ্রীকৃষ্ণক পাৰিজাত দ্বাৰকালৈ লৈ যাবলৈ দিয়ে। শ্রীকৃষ্ণই সেই ফুল সত্যভামাৰ উদ্যানত প্রতিষ্ঠা কৰে।

বাণ ঃ ৰজা বলিৰ জ্যেষ্ঠ পুত্র। বাণ ৰজাৰ জীয়ৰী ঊষাক শ্রীকৃষ্ণৰ নাতি অনিৰুদ্ধই বিয়া কৰায়। ঊষাৰ সখী চিত্রলেখাই অনিৰুদ্ধক মায়াৰ বলেৰে অপহৰণ কৰি শোণিতপুৰলৈ লৈ আহে। বাণৰজাৰ নাগপাশত অনিৰুদ্ধ বন্দী হয়। তেওঁক মুক্ত কৰিবলৈ শ্রীকৃষ্ণই বাণৰজাৰ লগত যুদ্ধ কৰে। বাণ আছিল শিৱভক্ত। বাণক ৰক্ষা কৰিবলৈ স্বয়ং শিৱ আৰু কার্তিকো আহি বাণপক্ষ লৈ বিষ্ণুৰ লগত যুদ্ধ কৰে। এই যুদ্ধকে হৰিহৰ যুদ্ধ বুলি কোৱা হয়। যুদ্ধত বাণ পৰাজিত হয়। শিৱৰ স্তুতিত বিষ্ণুৱে নিজৰ সুদর্শন চক্রক নিৱাৰণ কৰে। বিষ্ণুৰ বাহন গৰুড়ক দেখি নাগপাশৰ সকলোবোৰ নাগ পলাই যায় আৰু অনিৰুদ্ধ মুক্ত হয়।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ একার্ণৱ মানে কি?

.....

প্রশ্ন নং ৮ ঃ সপ্তদ্বীপৰ নাম লিখক?

.....

প্রশ্ন নং ৯ ঃ সপ্ত পাতালৰ নামবোৰ একাদিক্রমে লিখক?

.....

প্ৰশ্ন নং ১০ ঃ স্বৰ্লোক কাক বোলে?

.....

প্ৰশ্ন নং ১১ ঃ বিষ্ণুপুৰাণৰ চতুৰ্থ অংশত কিমানটা অধ্যায় আছে?

.....

প্ৰশ্ন নং ১২ ঃ জৰাসন্ধ কোনখন দেশৰ ৰজা আছিল?

.....

প্ৰশ্ন নং ১৩ ঃ বিষ্ণুপুৰাণৰ মতে 'প্ৰলয়' কেই প্ৰকাৰৰ আৰু কি কি?

.....

প্ৰশ্ন নং ১৪ ঃ সত্যভামা কাৰ জীয়ৰী আছিল?

.....

প্ৰশ্ন নং ১৫ ঃ বিষ্ণুপুৰাণ অনুসৰি 'দুখ' কেইপ্ৰকাৰৰ আৰু কি কি?

.....

৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- বিষ্ণুপুৰাণ নামটোৰ তাৎপৰ্য জানিব পাৰিলে
- বিষ্ণুপুৰাণৰ আলোচ্য বিষয়ৰ লগত পৰিচিত হ'ল
- গ্ৰন্থখনৰ ৰচয়িতা আৰু ৰচনাকালৰ বিষয়ে জানিলে।
- কেইগৰাকীমান ঋষি মুনি আৰু ৰজাৰ বিষয়ে জানিলে।
- গ্ৰন্থখনৰ আটাইকেইটা অংশৰ বিষয়বস্তুৰ বিষয়ে জানিব পাৰিলে।

৪.৮ অধিক জানিবলৈ

১) Josi, K. L. (Edt.) (2011); *The Visnu Puranam*; Parimal Publications, Delhi.

২) ভাগৱতী, সুৰেণ (সম্পাদিত); (২০০৩), *বিষ্ণুপুৰাণ;* দত্তবৰুৱা পাবলিচিং কোঃ প্ৰাঃ লিঃ।

৩) শৰ্মা, ড° থানেশ্বৰ; *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত*; (২০১৫) চন্দ্ৰ প্ৰকাশ, গুৱাহাটী।

৪) শৰ্মাদলৈ, ড° হৰিনাথ; *ভাৰতকোষ* (২০০৮); সৰস্বতী কম্পিউটাৰ প্ৰেছ, নলবাৰী।

৪.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ সৰ্গ, প্ৰতিসৰ্গ, বংশ, মন্বন্তৰ আৰু বংশানুচৰিত।

২ নং প্ৰশ্নৰ উত্তৰ ঃ যি সকলোতে ব্যাপি আছে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ বেদব্যাস।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ শ্ৰীধৰস্বামী।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ দ্বিতীয় শতিকাৰ পৰা চতুৰ্থ শতিকাৰ ভিতৰত।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ ১২৬।

৭ নং প্রশ্নৰ উত্তৰ ঃ জলাশয়।

৮ নং প্রশ্নৰ উত্তৰ ঃ জম্বুদ্বীপ, প্লক্ষদ্বীপ, শাল্মলীদ্বীপ, কুশদ্বীপ, ক্রৌঞ্চদ্বীপ, শাকদ্বীপ আৰু পুষ্কৰদ্বীপ।

৯ নং প্রশ্নৰ উত্তৰ ঃ অতল, বিতল, নিতল গভস্তিসৎ, মহাতল, শ্রেষ্ঠসুতল আৰু সপ্তমপাতাল।

১০ নং প্রশ্নৰ উত্তৰ ঃ ধ্রুৱ আৰু সূৰ্যৰ মাজত যি চৈধ্যনিযুত যোজন ঠাই আছে সেয়াই স্বর্লোক।

১১ নং প্রশ্নৰ উত্তৰ ঃ চৌবিশ (২৪) টা।

১২ নং প্রশ্নৰ উত্তৰ ঃ মগধ দেশৰ।

১৩ নং প্রশ্নৰ উত্তৰ ঃ তিনি প্রকাৰৰ— নৈমিত্তিক, আত্যন্তিক আৰু প্রাকৃতিক।

১৪ নং প্রশ্নৰ উত্তৰ ঃ সত্রাজিতৰ।

১৫ নং প্রশ্নৰ উত্তৰ ঃ তিনি প্রকাৰৰ— আধ্যাত্মিক, আধিদৈৱিক আৰু আধিভৌতিক।

? ৪.১০ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ বিষ্ণুপুৰাণৰ ৰচয়িতা আৰু ৰচনাকালৰ বিষয়ে লিখক।

প্রশ্ন ২ ঃ চমুটোকা লিখক— জৰাসন্ধ, সত্যভামা; বাণ

প্রশ্ন ৩ ঃ বিষ্ণুপুৰাণৰ ষষ্ঠ অংশৰ সাৰাংশ লিখক।

*** ***** ***

অধ্যায় ৫ঃ ভাৰতবৰ্ষৰ বৰ্ণনা (বিষ্ণুপুৰাণৰ মতে)

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ জম্বুদ্বীপৰ পৰিচয়

৫.৪ ভাৰতবৰ্ষৰ বৰ্ণনা

৫.৫ সংস্কৃত পাঠ্যাংশ

৫.৬ সংস্কৃত পাঠ্যাংশৰ অসমীয়া অনুবাদ

৫.৭ শব্দাৰ্থ

৫.৮ বিসন্ধি

৫.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.১০ অধিক জানিবলৈ

৫.১১ অগ্রগতিৰ খতিয়ান

৫.১২ আৰ্হি প্ৰশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- জম্বুদ্বীপৰ বিষয়ে জনিব পাৰিব
- ভাৰতবৰ্ষৰ বৰ্ণনা জানিব পাৰিব
- বিষ্ণুপুৰাণৰ দ্বিতীয় অংশৰ তৃতীয় অধ্যায়ৰ সংস্কৃত পাঠ অধ্যয়ন কৰিব পাৰিব
- সংস্কৃত পাঠৰ লগতে অসমীয়া অনুবাদ জানিব পাৰিব
- কঠিন শব্দসমূহৰ অৰ্থ আৰু বিসন্ধি জানিব পাৰিব।

৫.২ পৰিচয়

আপুনি ইতিমধ্যে বিষ্ণুপুৰাণৰ সাধাৰণ পৰিচয় ইয়াৰ আগৰ অধ্যায়ত জানিব পাৰিছে। এই অধ্যায়টিত এই গ্ৰন্থখনৰ দ্বিতীয় অংশত উপলব্ধ 'ভাৰতবৰ্ষ' নামৰ অধ্যায়টিৰ বিষয়ে আলোচনা কৰা হ'ব। বিষ্ণুপুৰাণৰ সময়ৰ ভাৰতবৰ্ষৰ ভৌগলিক স্থিতি, ভাৰতবৰ্ষৰ অধিবাসী, সমাজত প্ৰচলিত ৰীতি-নীতি, ব্যৱসায়-বাণিজ্য, ধৰ্মীয় কাম-কাজ আদিৰ বৰ্ণনা এই গ্ৰন্থখনত আলোচনা কৰা আছে। এই অধ্যায়টিত এই বিষয়বস্তুসমূহ আলোকপাত কৰা হ'ব। তদুপৰি এই অধ্যায়ত বিষ্ণু পুৰাণৰ 'ভাৰতবৰ্ষ' নামৰ অধ্যায়ত থকা শ্লোকসমূহৰ সংস্কৃত পাঠ, অসমীয়া অনুবাদ, কঠিন শব্দসমূহৰ বিসন্ধি আৰু কিছুমান গুৰুত্বপূৰ্ণ শব্দৰ অৰ্থ আপোনাৰ বাবে আগবঢ়োৱা হৈছে। লগতে মূল পাঠ্যাংশ সহজবোধ্য হ'বৰ বাবে জম্বুদ্বীপৰ (দ্বিতীয় অংশ, দ্বিতীয় অধ্যায়) চমু বৰ্ণনাও দাঙি ধৰা হৈছে।

৫.৩ জম্বুদ্বীপৰ চমু পৰিচয়

পৰাশৰ মুনিয়ে ভূমণ্ডলৰ বিৱৰণ দিবলৈ গৈ মৈত্ৰেয়ৰ সন্মুখত জম্বুদ্বীপৰ বৰ্ণনা কৰে।

ভূমণ্ডলত থকা দ্বীপ হ'ল সাতোটা— জম্বু, প্লক্ষ, সাল্মল, কুশ, ক্ৰৌঞ্চ, শাক আৰু পুষ্কৰ। এই সাতোটা দ্বীপক যথাক্ৰমে সাতোটা সাগৰে (লৱণ, ইক্ষু, সুৰা, সৰ্পি, দধি, দুগ্ধ আৰু জল) চাৰিওফালে সমভাৱে আগুৰি আছে। এই সকলোৰে মাজভাগত জম্বুদ্বীপ অৱস্থিত আৰু তাৰ মাজ ভাগত সুৱৰ্ণ পৰ্বত মেৰু অৰ্থাৎ হিমালয় পৰ্বত অৱস্থিত হৈ আছে। হিমালয় পৰ্বতৰ উচ্চতা চৌৰাশী হাজাৰ যোজন। তলৰফালে ষোল্ল হাজাৰ আৰু উপৰফালে বত্ৰিশ হাজাৰ যোজন বিস্তৃত হৈ আছে। হিমালয়ৰ দক্ষিণফালে হিমৱান, হিমকূট আৰু নিষধ; উত্তৰফালে নীল, শ্বেত আৰু শৃঙ্গী পৰ্বত অৱস্থিত। এইবোৰক বৰ্ষ পৰ্বত বুলি কোৱা হয়। এই পৰ্বতবোৰে ভাৰত আদি দেশ বা বৰ্ষ বিলাকৰ সীমা নিৰ্দ্ধাৰণ কৰি আছে। হিমালয়ৰ দক্ষিণে সাগৰৰ পাৰত প্ৰথমে ভাৰতবৰ্ষ, তাৰ পাছত কিম্পুৰুষবৰ্ষ আৰু তাৰ পাছত হৰিবৰ্ষ অৱস্থিত হৈ আছে। উত্তৰ ফালে ৰম্যক, হিৰন্ময় আৰু উত্তৰ কুৰুবৰ্ষ অৱস্থিত। এইবিলাক প্ৰত্যেকেই ন হাজাৰ যোজনকৈ বিস্তৃত হৈ আছে। মেৰুৰ চাৰিওফালে চাৰি পৰ্বত আছে— মন্দৰ, গন্ধমাদন, বিপুল আৰু সুপাৰ্শ্ব। এই পৰ্বতসমূহত এঘাৰশ যোজন উচ্চ কদম্ব, জম্বু, পিপ্পল আৰু বট— এই চাৰিজোপা গছ পৰ্বতৰ ধ্বজ্জাৰদৰে নিৰ্মিত যেন হৈ আছে। সেই জম্বু গছজোপাৰ বাবেই এই দ্বীপৰ নম জম্বুদ্বীপ হয় বুলি মৈত্ৰেয়ক পৰাশৰে কৈছে। একেটা জম্বু ফল হাতীৰ সমান আছিল। ফলবোৰ পৰ্বতত পৰি চূৰ্ণাকৃত হয় আৰু তাৰ ৰসৰ পৰা ততেই বিখ্যাত জম্বুনদী প্ৰৱাহিত হয়। সেই নদীৰ পানীকেই জম্বুদ্বীপৰ অধিবাসীসকলে পান কৰে। সেই নদীৰ পানী বিশুদ্ধ হোৱাৰ বাবে মানুহৰ কোনো বেমাৰ আজাৰ নহৈছিল।

মেৰুৰ পূবফালে ভদ্ৰাশ্ব বৰ্ষ আৰু পশ্চিমফালে থকা কেতুমানবৰ্ষ আৰু দুয়ো বৰ্ষৰ মাজত ইলাবৃতবৰ্ষ। মেৰুৰ বিভিন্ন দিশত থকা বিভিন্ন বননি, সৰোবৰ আৰু পৰ্বতসমূহৰ বৰ্ণনাও বিস্তৃতভাৱে উল্লেখ আছে। মেৰুৰ ওপৰফালে আছে ব্ৰহ্মপুৰী আৰু ব্ৰহ্মপুৰীৰ চাৰিওফালে চাৰিওকোণত ইন্দ্ৰ প্ৰমুখ্যে লোকপালকসকলৰ পুৰী আছে। বিষ্ণু পদৰ পৰা উদ্ভৱ হোৱা গঙ্গানদী এই ব্ৰহ্মপুৰীত পৰিছে। গঙ্গা আকাশ পথত ইখন পৰ্বতৰ পৰা সিখন পৰ্বতত পৰি ভদ্ৰাশ্ববে প্ৰবাহিত হৈ সাগৰত মিলিছে।

ভাৰতবৰ্ষ, কেতুমানবৰ্ষ, ভদ্ৰাশ্ববৰ্ষ আৰু কুৰুবৰ্ষই পদুমপাতৰ দৰে জম্বুদ্বীপক আগুৰি আছে। মেৰুৰ চাৰিওফালে থকা মনোৰম পৰ্বত বিলাকৰ ভিতৰৰ সন্ধিস্থলত সিদ্ধ দেৱগায়কসকল থাকে। তাত থকা মনোহৰপুৰীত লক্ষ্মী, বিষ্ণু, অগ্নি আৰু সূৰ্য, গন্ধৰ্ব, যক্ষ, ৰক্ষ, দৈত্য-দানৰ আদি থাকে। সেই সকলোবোৰ স্থানকে ভৌম অৰ্থাৎ পৃথিৱীৰ স্বৰ্গ বুলি কোৱা হয়। ভগৱান বিষ্ণু বিভিন্ন বৰ্ষত বিভিন্ন ৰূপে অৱস্থান কৰি আছে। ভাৰতবৰ্ষত কূৰ্মৰূপে অৱস্থান কৰি আছে। সকলো জীৱতে ভগৱান হৰিয়ে বিশ্বৰূপে অৱস্থান কৰি আছে। জম্বুদ্বীপৰ এই আঠোটা বৰ্ষতে শোক, ক্ষুধা, ভয় আদি নাই। দহ-বা�ৰহাজাৰ বছৰলৈকে স্থিৰ আয়ুস। পাৰ্থিৰ জল যথেষ্ট; সত্য, ত্ৰেতা, আদি যুগৰ বিষয়ে কোনো কল্পনা নাই। এই আঠোটা বৰ্ষতে সাতোটাকৈ কুলাচল (মহেন্দ্ৰ, মলয়, সহ্য, শুক্তিমান, ঋক্ষ, বিন্ধ্য আৰু পাৰিপাত্ৰ) পৰ্বত আৰু শ শ নদী আছে।

৫.৪ ভাৰতবৰ্ষৰ বৰ্ণনা

জম্বুদ্বীপৰ বৰ্ণনাৰ পৰা আপুনি গম পালে যে জম্বুদ্বীপৰ আঠোটাবৰ্ষৰ ভিতৰত এটা বৰ্ষ হ'ল ভাৰতবৰ্ষ। এই অংশত বিষ্ণুপুৰাণৰ দ্বিতীয় অধ্যায়ৰ তৃতীয় অংশৰ মতে ভাৰতবৰ্ষৰ বৰ্ণনা দাঙি ধৰা হৈছে।

সাগৰৰ উত্তৰে আৰু মেৰু বা হিমালয় পৰ্বতৰ দক্ষিণ দিশে থকা ভূখণ্ডকেই ভাৰতবৰ্ষ বুলি কোৱা হয়। ভাৰতবৰ্ষৰ ভূখণ্ডৰ বিস্তৃতি সেই সময়ৰ হিচাবত ন হাজাৰ (৯,০০০) যোজন। স্বৰ্গকামনা কৰা আৰু মোক্ষ কামনা

কৰা ব্যক্তিসকলৰ বাসস্থান বুলি কোৱা হয় এই ভূখণ্ডক। নিজ কৰ্মফল অনুসাৰে তেনে ব্যক্তি এই ভূখণ্ডৰ পৰাই স্বৰ্গ লাভ কৰে আৰু মোক্ষও লাভ কৰে। আকৌ নিজ কৰ্মৰ দোষত পাপত ডুবি তীর্য্যক যোনিত জন্মলাভ কৰাৰ উপৰিও নৰকলৈ গতি কৰে। এই ভাৰতবৰ্ষৰ পৰাই ভৌম, পাতাল আদিলৈও গতি কৰে। ভাৰতবৰ্ষৰ বাহিৰে অন্য ঠাইত এনেকুৱা বিধি নাই বুলি কোৱা হয়।

ভাৰতবৰ্ষক নটা ভাগত ভাগ কৰা হৈছে— ইন্দ্রদ্বীপ, কশেৰুমান, তাম্রবর্ণ, গভাস্তিমান, নাগদ্বীপ, সৌম্য, গন্ধর্ব আৰু বাৰুণ। নৱম দ্বীপ সাগৰেৰে আবৃত্ত আৰু ই উত্তৰা-দক্ষিণাকৈ এহেজাৰ যোজন জুৰি বিস্তৃত হৈ আছে। নৱমদ্বীপৰ পূবদিশত কিৰাত, পশ্চিম দিশত যৱন, মাজৰ অংশত ব্রাহ্মণ, ক্ষত্রিয়, বৈশ্য আৰু শূদ্র জাতিৰ লোকসকল বাস কৰে। এই চাৰিজাতিৰ লোকসকলে নিজৰ কৰ্মৰ ভাগ অনুসৰি যজ্ঞ, যুদ্ধ, বেপাৰ-বাণিজ্য আদি কৰ্ম কৰি জীৱিকা নির্বাহ কৰে।

বিভিন্ন পর্বতৰ পৰা নদীবোৰ উদ্ভৱ হোৱা বর্ণনাও ইয়াত উপলব্ধ।

শতদ্রু, চন্দ্রভাগা প্রমুখ্যে নদীবোৰ হিমালয় পর্বতৰ পৰা, বেদস্মৃতি আদি পাৰিপাত্র পর্বতবোৰৰ পৰা; নর্মদা, সুৰসা আদি নদীবোৰ বিন্ধ্যপর্বতৰ পৰা; তাপী, পায়োষ্ণী আৰু নির্বিন্ধ্যা আদি ঋক্ষ পর্বতৰ পৰাও গোদবৰী, ভীমৰথী, কৃষ্ণবেণী আদি পাপভয়হাৰিণী নদী সহ্য পর্বতৰ পৰা; কৃতমালা আৰু তাম্রপর্ণী আদি মলয় পর্বতৰ পৰা; ত্রিসামা, আচার্য্যকুলা আদি মহেন্দ্র পর্বতৰ পৰা; ঋষিকুল্যা, কুমাৰী প্রমুখ্যে আন কিছুমান নদী শুক্তিমান পর্বতৰ পৰা উদ্ভৱ হৈছে। এই নদীসমূহৰ আকৌ হাজাৰ হাজাৰ শাখানদী, উপনদী, আদি আছে। নদীবোৰৰ পাৰে পাৰে কুৰু-পাঞ্চাল, মধ্যদেশ, কামৰূপ, পূর্বদেশ পুণ্ড্র, কলিঙ্গ, মগধ, দাক্ষিণাত্য আদি দেশৰ মানুহবোৰ বাস কৰে। ইয়াৰ উপৰিও পশ্চিম প্রান্ত, সৌৰাষ্ট্র, শূৰ, আভীৰ, অর্বুদ, কাৰূষ, মালৱ, পাৰিপাত্রবাসী, সৌবীৰ, সৈন্ধৱ, হূণ, শাল্ব, সাকলবাসীসকল, মদ্র, আৰাম, অম্বষ্ঠ আৰু পাৰসীক আদি লোকসকল এই নদী উপত্যকাবোৰত অর্থাৎ বিভিন্ন নদী উপত্যকাবোৰত বাস কৰে। তেওঁলোকে সেই নদীৰ পানী খায়। সেই নদীৰ পানী পান কৰা সেই অধিবাসীসকল হৃষ্ট-পুষ্ট আৰু তেওঁলোক মহাভাগ্যবান।

সত্য, ত্রেতা, দ্বাপৰ আৰু কলি— এই চাৰিটা যুগৰ ধাৰণা অকল ভাৰতবর্ষতহে আছে, অন্য কতো নাই। এই ভাৰতবর্ষতে মুনিসকলে তপস্যা কৰে, যাজ্ঞিকসকলে হোম-যজ্ঞ কৰে আৰু পৰলোকৰ কামনাৰে দান-দক্ষিণা কৰে। জম্বুদ্বীপৰ মানুহবিলাকে যজ্ঞপুৰুষ বিষ্ণুক সকলো সময়তে যজ্ঞৰ দ্বাৰা পূজা কৰে। আন দ্বীপবোৰত অন্য পূজা অর্থাৎ সোম, সূর্য্য আদি গ্রহৰ পূজা কৰা হয়। জম্বুদ্বীপত যিমানবোৰ বর্ষ আছে, সকলোতকৈ ভাৰতবর্ষ শ্রেষ্ঠ। কাৰণ ভাৰতবর্ষ কর্মভূমি, বাকী ঠাইবোৰ ভোগ্যভূমি। জীৱবোৰে হাজাৰ হাজাৰ জন্মৰ পাছত মহাপুণ্যৰ বলত কেতিয়াবাহে ভাৰতবর্ষত মানুহৰূপে জন্মলাভ কৰিব পাৰে। ভাৰতবর্ষ এনেকুৱা পুণ্যক্ষেত্র বাবেই দেৱতাসকলে এনেদৰে গীত গায়—

'যিবিলাকে স্বর্গ আৰু মোক্ষস্পদৰ পথ স্বৰূপ ভাৰত ভূমিত জন্ম গ্রহণ কৰে বা কৰিছে, সেইসকল পুৰুষ দেৱতাসকলতকৈও শ্রেষ্ঠ বাবেই তেওঁলোক ধন্য। তেওঁলোকে অনুষ্ঠিত কৰা কর্মবিলাকৰ ফল আৰু আকাংক্ষাৰ সংকল্প নকৰি পৰমাত্মাস্বৰূপ বিষ্ণুতেই নিজক অর্পণ কৰে আৰু নির্মল নিষ্পাপ হৈ বিষ্ণুতে লয় পায়।'

এয়ে হ'ল ভাৰতবর্ষৰ বর্ণনা, যি জম্বুদ্বীপৰ ভিতৰত এখন শ্রেষ্ঠ বর্ষ।

৫.৫ ভাৰতবর্ষৰ বর্ণনা (দ্বিতীয় অংশ, অধ্যায় ৩)ৰ সংস্কৃত পাঠ্যাংশ

পৰাশৰ উবাচ ঃ

উত্তৰং যৎ সমুদ্রস্য হিমাদ্রেশ্চৈৱ দক্ষিণম্।

বর্ষং তদ্ ভাৰতং নাম ভাৰতী যত্র সন্ততি ঃ ।। ১ ।।
নৱযোজনসাহস্রো বিস্তাৰো২স্য মহামুনে ঃ ।
কর্মভূমিৰিয়ং স্বর্গমপবর্গঞ্চ গচ্ছতাম্ ।। ২ ।।
মহেন্দ্রো মলয় ঃ সহ্য ঃ শক্তিমান ঋক্ষ পর্বত ঃ ১
বিন্ধ্যশ্চ পাৰিপাত্রশ্চ সপ্তাত্র কুলপর্বতা ঃ ।। ৩ ।।
অতঃ সম্প্রাপ্যতে স্বর্গো মুক্তিমস্মাৎ প্রয়ান্তি ৰৈ
তির্যক্ত্বং নৰকঞ্চাপি যান্ত্যতঃ পুৰুষা মুনে ।। ৪ ।।
ইতঃ স্বর্গ শ্চ মোক্ষশ্চ মধ্যশ্চান্তশ্চ গম্যতে।
ন খন্বন্যত্র মর্ত্ত্যানাং কর্ম ভূমৌ বিধীয়তে ।। ৫ ।।
ভাৰতস্যাস্য বর্ষস্য নৱ ভেদান্ নিশাময়।
ইন্দ্রদ্বীপ ঃ কশেৰুমান্ তাম্রবর্ণো গভস্তিমান্।
নাগদ্বীপস্তথা সৌম্যো গন্ধর্বস্ত্ব বাৰুণ ।। ৬ ।।
অয়ন্তু নৱমস্তেষাং দ্বীপ ঃ সাগৰসংবৃত্ত ঃ।
যোজনানাং সহস্রন্তু দ্বীপো২য়ং দক্ষিণোত্তৰাৎ ।। ৭ ।।
পূর্বে কিৰাতা যস্য স্যুঃ পশ্চিমে যৱনা ঃ স্থিতা ঃ।
ব্রাহ্মণা ঃ ক্ষত্রিয়া বৈশ্যা মধ্যে শুদ্রাশ্চ ভাগশঃ ।। ৮ ।।
ইজ্যা-যুদ্ধ-বাণিজ্যদ্যৈর্বর্ত্তয়ন্তো ব্যৱস্থিতা ঃ ।
শতদ্রুচন্দ্রভাগাদ্যা হিমবৎপাদনির্গতা ঃ।। ৯ ।।
বেদ-স্মৃতিসুখ্যাদ্যাশ্চ পাৰিপাত্রোদ্ভৱা মুনে।
নর্মদা সুৰসাদ্যাশ্চ নদ্যো বিন্ধ্যাদ্রিনির্গতা ঃ।। ১০ ।।
তাপী-পায়োষ্ণী-নির্বিন্ধ্যাপ্রমুখা ঋসম্ভৱা ঃ ।
গোদাবৰী ভীমৰথী কৃষ্ণবেণ্যাদিকাস্তথা ।। ১১ ।।
সহ্যপাদোদ্ভৱা নদ্য ঃ স্মৃতা ঃ পাপভয়াপহা ঃ
কৃতমালা-তাম্রপর্ণী প্রমুখ্যা মলয়োদ্ভৱা ঃ ।। ১২ ।।
ত্রিসামাচার্যকুল্যাদ্যা মহেন্দ্রপ্রভৱা ঃ স্মৃতা ঃ ।
ঋষিকুল্যা-কুমার্যাদা ঃ শুক্তিমৎপাদসম্ভৱা ঃ ।। ১৩ ।।
আসাং নদ্যুপনদ্যশ্চ সন্ত্যন্যাশ্চ সহস্রশ ঃ ।
তাস্বিমে কুৰুপাঞ্চালা মধ্যদেশাদয়ো জনা ঃ।। ১৪ ।।
পূর্বদেশাদিকাশ্চৈৰ কামৰূপনিবাসিন ঃ ।
পুণ্ড্রা ঃ কলিঙ্গা মগধা দাক্ষিণাত্যাশ্চ সর্বশ ঃ।। ১৫ ।।
তথাপাৰান্তা ঃ সৌৰাষ্ট্রা ঃ শূৰাভীৰাস্তথার্বুদা ঃ ।
কাৰ্ষা মান্যবাংশ্চৈৰ পাৰিপাত্রনিবাসিন ঃ।। ১৬ ।।
সৌবীৰা ঃ সৈন্ধৱা হূণা ঃ শাল্ৱা ঃ শাকলবাসিন ঃ ।
মদ্রাৰামাস্তথাম্বষ্ঠা ঃ পাৰসীকাদয়স্তথা।। ১৭ ।।
আসাং পিবন্তি সলিলং বসন্তি সৰিতাং সদা।
সমীপতো মহাভাগা হৃষ্টপুষ্টজনাকুলা ঃ।। ১৮ ।।

চত্বাৰি ভাৰতে বর্ষে যুগান্যত্র মহামুনে।
কৃতং ত্রেতা দ্বাপৰশ্চ কলিশ্চান্যত্র ন ক্বচিৎ ।। ১৯ ।।
তপস্তপ্যন্তি মুনয়ো জুহ্বতে চাত্র যজ্বিনঃ ।
দানানি চাত্র দীয়ন্তে পৰলোকার্থমাদৰাৎ।। ২০ ।।
পুৰুষৈর্যজ্ঞপুৰুষো জম্বুদ্বীপে সদেজ্যাতে।
যজ্ঞৈর্যজ্ঞময়ো বিষ্ণুৰন্যদ্বীপেষু চান্যথা।। ২১ ।।
অত্রাপি ভাৰতং শ্রেষ্ঠং জম্বুদ্বীপে মহামুনে।
যতো হি কর্মভূৰেষা ততো২ন্যা ভোগভূময়া ঃ।। ২২ ।।
অত্র জন্মসহস্রানং সহস্রৈৰপি সত্তম।
কদাচিল্লভতে জন্তুর্মানুষ্যং পুন্যাসঞ্চয়াৎ।। ২৩ ।।
গায়ন্তি দেৰাঃ কিল গীতকানি
ধন্যাস্তু তে ভাৰতভূমিভাগে।
স্বর্গাপবর্গাস্পদমার্গভূতে
ভৱন্তি ভূয় ঃ পুৰুষাঃ সুৰত্বাৎ।। ২৪ ।।
কর্মাণ্যসঙ্কল্পিততৎফলানি
সংন্যস্ত বিষ্ণৌ পৰমাত্মভূতে।
অবাপ্য তাং কর্মমহীমনন্তে
তস্মিংল্লয়ং যে ত্বমলা ঃ প্রয়ান্তি।। ২৫ ।।
জানীম নৈতৎ কব বয়ং বিলীনে
স্বর্গপ্রদে কর্মণি দেহবন্ধম্।
প্রাপ্স্যাম ধন্যাঃ খলু তে মনুষ্যা
যে ভাৰতে নেন্দ্রিয়বিপ্রহীণা ঃ।। ২৬ ।।

৫.৬ বিষ্ণুপুৰাণৰ দ্বিতীয় অংশৰ তৃতীয় অধ্যায়ৰ শ্লোকসমূহৰ অসমীয়া অনুবাদ

১। পৰাশৰে ক'লে (হে মৈত্রেয়) সাগৰৰ উত্তৰে আৰু হিমালয় পর্বতৰ দক্ষিণে থকা ভূখণ্ডকেই ভাৰতবর্ষ বুলি কোৱা হয় আৰু তাতেই ভাৰতৰ সন্তানবিলাকে বাস কৰে।

২। হে মহামুনি! এই ভাৰতবর্ষৰ বিস্তৃতি ন হাজাৰ যোজন। এই ঠাই স্বর্গগামী আৰু মোক্ষগামী পুৰুষসকলৰ কর্মক্ষেত্র।

৩। ইয়াতে মহেন্দ্র, মলয়, সহ্য, শুক্তিমান, ঋক্ষ, বিন্ধ্য আৰু পাৰিপাত্র নামেৰে সাতখন কুল পর্বত আছে।

৪। এই ঠাইৰ পৰাই স্বর্গলাভ কৰা হয়। পুৰুষবিলাকে এই ঠাইৰ পৰাই মুক্তি লাভ কৰে আৰু ইয়াৰ পৰাই তেওঁলোকৰ কর্ম অনুসৰি তির্য্যকযোনিত আৰু নৰকলৈ গতি কৰে।

৫। এই ঠাইৰ পৰাই স্বর্গ, মোক্ষ, অন্তৰিক্ষলোক আৰু পাতাল আদি লোকলৈও গতি কৰে। ইয়াৰ (ভাৰতবর্ষৰ) বাহিৰে অন্য ঠাইত মানুহৰ বাবে বিধি নাই।

৬। এই ভাৰতবর্ষক নটা ভাগত ভাগ কৰা হৈছে। সেই ভাগকেইটা হ'ল— ইন্দ্রদ্বীপ, কশেৰুমান, তাম্রবর্ণ, গভস্তিমান, নাগদ্বীপ, সৌম্য, গন্ধর্ব আৰু বাৰুণ।

৭। সাগৰেৰে আবৃত দ্বীপ বিলাকৰ ভিতৰত ই নৱম। উত্তৰা-দক্ষিণাকৈ এই দ্বীপ সহস্ৰ যোজন দীঘল।

৮। পূব অংশত কিৰাত জাতিৰ মানুহ আছে, পশ্চিম অংশত যৱনবিলাকে বাস কৰি আছে, মাজৰ অংশটোত ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰ জাতিৰ লোকসকল বাস কৰি আছে।

৯। এই চাৰি জাতিৰ লোকে নিজৰ ভাগ অনুসৰি যথাক্ৰমে যজ্ঞ, যুদ্ধ, বেপাৰ-বাণিজ্য আদি কৰ্মক অৱলম্বন কৰি বাস কৰি আছে। শতদ্ৰু, চন্দ্ৰভাগা আদি নদীবিলাক ইয়াত হিমালয়ৰ পৰা প্ৰবাহিত হৈ আছে।

১০। বেদস্মৃতি আদি পাৰিপাত্ৰ পৰ্বতৰ পৰা উদ্ভৱ হৈছে। নৰ্মদা আৰু সুৰসা আদি বিন্ধ্য পৰ্বতৰ পৰা নিৰ্গত হৈছে।

(১১-১৫) তাপী, পায়োষ্ণী, নিৰ্বিন্ধ্যা আদি নদী ঋক্ষ পৰ্বতৰ পৰা উৎপন্ন হৈছে। গোদাবৰী, ভীমৰথী, কৃষ্ণবেণী আদি পাপভয়হাৰিণী নদীবিলাক সহ্য পৰ্বতৰ পৰা উদ্ভৱ হৈছে। কৃতমালা আৰু তাম্ৰপৰ্ণী প্ৰমুখ্যে কিছুমান নদী মলয় পৰ্বতৰ পৰা উদ্ভৱ হৈছে। ত্ৰিসামা, আচাৰ্যকুলা আদি মহেন্দ্ৰ পৰ্বতৰ পৰা উৎপত্তি হৈছে। ঋষিকুল্যা, কুমাৰী আদি শুক্তিমৎ পৰ্বতৰ পৰা উদ্ভৱ হৈছে। এই নদীবিলাকৰ হাজাৰ হাজাৰ শাখানদী আৰু উপনদী আছে। সেই ঠাইত (নদীবোৰৰ পাৰে পাৰে) কুৰু-পাঞ্চাল আৰু মধ্যদেশ আদিৰ মানুহ, পূবদেশাদিৰ কামৰূপনিবাসী লোকসকল, পুণ্ড্ৰ, কলিঙ্গ, মগধ, দাক্ষিণাত্যৰ সমগ্ৰ লোক বাস কৰি আছে।

(১৬-১৮) ইয়াৰ উপৰিও পশ্চিম দিশত থকা সৌৰাষ্ট্ৰ, শূৰ, ভীৰ, অৰ্বুদ, কাৰূষ আৰু মালৱসকল পাৰিপাত্ৰ পৰ্বতত বাস কৰে। সৌৱীৰ, সৈন্ধৱ হুন, শাল্ব, মদ্ৰ, ৰাম অম্বষ্ঠ আৰু পাৰসীকসকলো ইয়াত বাস কৰে।

তেওঁলোকে ওপৰত উল্লেখ কৰা নদীসমূহৰ পানী সেৱন কৰে আৰু তেওঁলোক মহভাগ্যবান আৰু সুখী।

১৯। হে মহামুনি! এই ভাৰতবৰ্ষতে সত্য, ত্ৰেতা, দ্বাপৰ আৰু কলি— এই চাৰিটা যুগ আছে। অন্য ক'তো আৰু নাই।

২০। ইয়াতে মুনিসকলে কঠোৰ তপস্যা কৰে, যাজ্ঞিসকলে যজ্ঞ কৰে আৰু পৰলোকৰ কামনাৰে দানাদি কৰ্ম কৰে।

২১। জম্বুদ্বীপৰ মানুহবিলাকে যজ্ঞপুৰুষ বিষ্ণুক সদায়েই যজ্ঞৰ দ্বাৰা পূজা কৰে, অন্য দ্বীপসমূহত বেলেগ ধৰণে হয়।

২২। হে মহামুনি! গতিকে জম্বুদ্বীপৰ ভিতৰত ভাৰতবৰ্ষ শ্ৰেষ্ঠ। কাৰণ ই কৰ্মভূমি আৰু অন্য দ্বীপবোৰ ভোগ্যভূমি।

২৩। জীৱবিলাকে হাজাৰ হাজাৰ জন্মৰ পিছত, মহ পুণ্যৰ বলত কেতিয়াবাহে ইয়াত (ভাৰতবৰ্ষত) মানুহৰূপে জন্ম লাভ কৰিব পাৰে।

(২৪-২৫) এই কাৰণেই দেৱতাসকলে এনেদৰে গীত গায়— 'যিবিলাকে স্বৰ্গ আৰু মোক্ষপদৰ পথ স্বৰূপ ভাৰতভূমিত জন্মগ্ৰহণ কৰে বা কৰিছে, সেইসকল পুৰুষ দেৱতাসকলোতকৈও শ্ৰেষ্ঠ বাবেই ধন্য। তেওঁলোকে অনুষ্ঠিত কৰা কৰ্মবিলাকৰ ফলাকাংক্ষাৰ সংকল্প নকৰি পৰমাত্মা স্বৰূপ বিষ্ণুতেই নিজক অৰ্পণ কৰে আৰু নিৰ্মল নিষ্পাপ হৈ বিষ্ণুতে লয় পায়।'

২৬। স্বৰ্গপদ কৰ্ম ক্ষয় হৈ গলে আমি ক'ত জন্ম লাভ কৰিম সেই কথা নাজানো সেইকাৰণে সেইসকল মানুহেই ধন্য, যি সকলে নিতান্ত ইন্দ্ৰিয়বিহীন নহৈ ভাৰতত জন্ম লাভ কৰিছে।

৫.৭ শব্দার্থ

ইয়াত আপুনি শ্লোকসমূহত থকা কিছুমান কঠিন শব্দৰ অর্থৰ লগত পৰিচিত হ'ব।

শব্দ	অর্থ
বর্ষ	অংশ (ভূমণ্ডলৰ এটা ভাগ)
যোজন	দূৰত্বৰ এটা জোখ (বর্তমান ৮/৯ মাইলৰ সমান ১ যোজন)
অপবর্গ	মোক্ষ
তির্য্যক	নিম্ন শ্রেণীৰ জন্তু
ইজ্যা	যজ্ঞ
অপৰান্ত	পশ্চিম দিশত বাস কৰা
যজ্ঞপুৰুষ	বিষ্ণু
অমলঃ	নির্মল ঃ

৫.৮ বিসন্ধি

এই শিতানত শ্লোকসমূহত থকা কঠিন শব্দসমূহৰ সন্ধি ভাঙি দেখুৱা হৈছে। কঠিন শব্দসমূহৰ বিসন্ধি জানিলে শ্লোকবোৰ অধ্যয়ন কৰাত যথেষ্ট সুবিধা হ'ব।

হিমাদ্রেশ্চৈৰ	=	হিমাদ্রে ঃ + চ + এৰ
বিস্তাৰো২স্য	=	বিস্তাৰ ঃ + অস্য
কর্মভূমিৰিয়ম্	=	কর্মভূমি ঃ + ইয়ম্
স্বর্গমপবর্গঞ্চ	=	স্বর্গম্ + অপবর্গং + চ
মুক্তিমস্মাৎ	=	মুক্তিম্ + অস্মাৎ
নৰকঞ্চাপি	=	নৰকং + চ + অপি
মধ্যশ্চান্তশ্চ	=	মধ্য ঃ + চ + অন্তঃ + চ
খল্বন্যত্র	=	খলু + অন্যত্র
ভাৰতস্যাস্য	=	ভাৰতস্য + অস্য
গন্ধর্ৱস্তুবথ	=	গন্ধর্ৱঃ + তু + অথ
দক্ষিণোত্তৰাৎ	=	দক্ষিণ + উত্তৰাৎ
বাণিজ্যাদ্যৈর্বর্ত্তয়ন্তো	=	বাণিজ্যাদ্যৈ ঃ + বর্ত্তয়ন্তঃ
পাৰিপাত্রোদ্ভৱা	=	পাৰিপাত্র + উদ্ভৱা
কৃষ্ণবেণ্যাদিকাস্তথা	=	কৃষ্ণাবেণী + আদিকাঃ + তথা
পাপভয়াপহা	=	পাপভয় + অপহা
কুমার্য্যাদ্যাঃ	=	কুমাৰী + আদ্যাঃ
নদ্যুপনদ্যশ্চ	=	নদী + উপনদীঃ + চ
তাস্বিমে	=	তাসু + ইমে
তথাপৰান্তাঃ	=	তথা + অপৰান্তাঃ
মদ্রাৰামাস্তথাম্বষ্ঠাঃ	=	মদ্রাৰামা ঃ + তথা + অম্বষ্ঠাঃ

যুগন্যাত্র	=	যুগানি + অত্র
কলিশ্চান্যত্র	=	কলিঃ + চ + অন্যত্র
তপস্তপ্যন্তি	=	তপঃ + তপ্যন্তি
সদেজ্যতে	=	সদা + ইজ্যাতে
যজ্ঞৈর্যজ্ঞময়ো	=	যজ্ঞৈঃ + যজ্ঞময়ো
কর্মভূৰেষা	=	কর্মভূ ঃ + এষা
ততোঽন্যা	=	তত ঃ + অন্যা
সহস্রৈৰপি	=	সহসসৈ ঃ + অপি
কদাচিল্লভতে	=	কদাচিৎ + লভতে
স্বর্গাপবর্গাস্পদমার্গভূতে	=	স্বর্গ + অপবর্গাঃ + পদমাগর্ভূতে
কর্মাণ্যসঙ্কল্পিততৎফলানি	=	কর্মাণি + অসঙ্কল্পিত + তৎফলানি
ত্বমলাঃ	=	তু + অমলা ঃ
নৈতৎ	=	ন + এতৎ
নেন্দ্রিয়বিপ্রহীনা ঃ	=	ন + ইন্দ্রিয়বিপ্রহীনাঃ

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ হিমালয় পর্বতৰ উচ্চতা কিমান?

.....

প্রশ্ন নং ২ ঃ জম্বুদ্বীপত কেইটা বর্ষ আছে কি কি?

.....

প্রশ্ন নং ৩ ঃ 'ভৌম' মানে কি?

.....

প্রশ্ন নং ৪ ঃ ভাৰতবর্ষৰ নটা ভাগৰ (দ্বীপ) নাম লিখক।

.....

প্রশ্ন নং ৫ ঃ ভাৰতবর্ষৰ ৬টা নদী আৰু ৬টা পর্বতৰ নাম লিখক।

.....

প্রশ্ন নং ৬ ঃ ভাৰতবর্ষৰ ৬খন ঠাইৰ নাম লিখক।

.....

প্রশ্ন নং ৭ ঃ 'যোজন' শব্দৰ অর্থ লিখক।

.....

প্রশ্ন নং ৮ ঃ অপৰান্ত মানে কি?

.....

প্রশ্ন নং ৯ ঃ বিসন্ধি কৰক—

হিমাদ্রেশ্চৈৰ; খল্বন্যত্র;গন্ধর্বস্তুবথ; তাস্বিমে;

কুমার্য্যাদ্যাঃ; সদেজ্যতে; কর্মভূৰেষা; ত্বমলাঃ নৈতৎ

৫.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- জম্বুদ্বীপৰ বিষয়ে জানিব পাৰিলে।
- ভাৰতবৰ্ষৰ বৰ্ণনা জানিব পাৰিলে।
- বিষ্ণু পুৰাণৰ দ্বিতীয় অংশৰ তৃতীয় অধ্যায়ৰ সংস্কৃত পাঠ্যাংশ আৰু অসমীয়া অনুবাদ অধ্যয়ন কৰিব পাৰিলে।
- কঠিন শব্দসমূহৰ অর্থ আৰু বিসন্ধি জানিব পাৰিলে।

৫.১০ অধিক জানিবলৈ

১) Joshi, K. L; (edt.) 2011 *Vishnupurana*; Parimal Publications, Delhi.

২) ভাগৱতী, সুৰেন (edt.) 2003, *শ্রীশ্রী বিষ্ণুপুৰাণ*; দত্তবৰুৱা পাব্লিচিং কোঃ প্রাঃ লিঃ, পানবজাৰ, গুৱাহাটী-১।

৩) শর্মা, ডº থানেশ্বৰ; *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত* (২০১৫), চন্দ্র প্রকাশ, গুৱাহাটী।

৫.১১ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ চৌৰাশীহাজাৰ যোজন।

২ নং প্রশ্নৰ উত্তৰ ঃ ৯টা— ভাৰতবর্ষ, কিম্পুৰুষবর্ষ, হৰিবর্ষ, ৰম্যক, হিৰন্ময়, উত্তৰকুৰুবর্ষ, ইলাবৃতবর্ষ, ভদ্রাশ্ববর্ষ, কেতুমানবর্ষ।

৩ নং প্রশ্নৰ উত্তৰ ঃ পৃথিৱীৰ স্বর্গ।

৪ নং প্রশ্নৰ উত্তৰ ঃ ইন্দ্রদ্বীপ, কশেৰুমান, তাম্রবর্ণ, গভাস্তিমান, নাগদ্বীপ, সৌম্য, গন্ধর্ব, বাৰুণ, নৰমদ্বীপ।

৫ নং প্রশ্নৰ উত্তৰ ঃ শতদ্রু, চন্দ্রভাগা, নর্মদা, তাপী, গোদাবৰী — নদী

পাৰিপাত্র, সহ্য, ঋক্ষ, মলয়, মহেন্দ্র, শুক্তিমান— পর্বত।

৬ নং প্রশ্নৰ উত্তৰ ঃ পাঞ্চাল, কলিঙ্গ, মগধ, কামৰূপ, মদ্র, সৌৰাষ্ট্র।

৭ নং প্রশ্নৰ উত্তৰ ঃ এটা জোখ, দূৰত্ব বুজাবলৈ ব্যৱহাৰ কৰা হয়। বর্তমান ১ যোজন = ৮/৯ মাইল।

৮ নং প্রশ্নৰ উত্তৰ ঃ পশ্চিম দিশ।

৯ নং প্রশ্নৰ উত্তৰ ঃ হিমাদ্রেঃ + চ + এৱ,

খলু + অন্যত্র

গন্ধর্বঃ + তু + অথ

তাসু + ইমে

কুমাৰী + আদ্যাঃ

সদা + ইজ্যতে

কর্মভূঃ + এষা

তু + অমলাঃ

ন + এতৎ

? ৫.১২ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ জম্বুদ্বীপৰ বিষয়ে বৰ্ণনা কৰক।

প্ৰশ্ন ২ ঃ ভাৰতবৰ্ষৰ বিষয়ে বিস্তৃত বিৱৰণ দিয়ক।

প্ৰশ্ন ৩ ঃ প্ৰথম পোন্ধৰটা শ্লোকৰ অনুবাদ নিজৰ ভাষাত লিখক।

*** ***** ***

অধ্যায় ৬ঃ শ্রীমদ্ভাগৱত পুৰাণ - সাধাৰণ পৰিচয়

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ নামৰ তাৎপর্য

৬.৪ শাস্ত্রখনিৰ আলোচ্য বিষয়

৬.৫ ৰচয়িতা আৰু ৰচনাকাল

৬.৫.১ ভাষ্যকাৰসকল

৬.৬ স্কন্ধসমূহৰ সাৰাংশ

৬.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.৮ অধিক জানিবলৈ

৬.৯ অগ্রগতিৰ খতিয়ান

৬.১০ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- শ্রীমদ্ভাগৱত পুৰাণ — নামটোৰ তাৎপর্য জানিব পাৰিব
- শ্রীমদ্ভাগৱত পুৰাণৰ আলোচ্য বিষয় অৱগত হ'ব
- এইখন পুৰাণৰ ৰচক, ৰচনাকালৰ বিষয়ে জানিব পাৰিব
- শাস্ত্রখনৰ দ্বাদশ (১২) স্কন্ধৰ বিষয়বস্তুৰ লগত পৰিচিত হ'ব পাৰিব।

৬.২ পৰিচয়

শ্রীমদ্ভাগৱত পুৰাণ গ্রন্থখন এখন অতিকে সমাদৃত আৰু মর্যাদাপূর্ণ শাস্ত্র। ভাৰতবর্ষৰ ভিন্ ভিন্ বৈষ্ণৱ সম্প্রদায়সমূহে এই গ্রন্থখনক সমানেই পৰম পবিত্র আৰু প্রামান্য শাস্ত্রৰূপে গণ্য কৰি আহিছে। পুৰণি আধ্যাত্মিক সাহিত্যৰ সর্বশ্রেষ্ঠ ফল হ'ল এই ভাগৱত পুৰাণ। অষ্টাদশ মহাপুৰাণৰ ক্রম সংখ্যা অনুসৰি এইখন পুৰাণৰ স্থান অষ্টম। ভাগৱত পুৰাণৰ দ্বাদশ স্কন্ধত এই কথা উল্লেখ আছে। বাহ্যিক দৃষ্টিত এই গ্রন্থখন কেৱলমাত্র শাস্ত্র যেন লাগিলেও প্রকৃততে ই ভক্তি আৰু অধ্যাত্ম জ্ঞানৰ সমন্বয় প্রতিফলিত হোৱা এক অতুলনীয় গ্রন্থ। সমস্ত উপনিষদৰ সাৰমর্ম হ'ল এই শ্রীমদ্ভাগৱত পুৰাণ। ভগৱৎ তত্ত্বজ্ঞানৰ এক শ্রেষ্ঠ প্রকাশক। এই গ্রন্থৰ সর্বোৎকৃষ্ট বৈশিষ্ট্য হ'ল নৈস্কর্ম্যবাদ অর্থাৎ কর্মৰ আত্যন্তিক নিবৃত্তি। বেদান্ত দর্শনৰ বিভিন্ন শাখাবোৰে এই গ্রন্থত নিজৰ নিজৰ সমর্থন বিচাৰি পাইছে আৰু টীকাভাষ্য লিখি নিজৰ নিজৰ দৃষ্টিভংগী প্রতিপন্ন কৰিবলৈ প্রয়াস কৰি আহিছে। পণ্ডিতসকলে শ্রীমদ্ভাগৱত পুৰাণখনক শুকৰ মুখেৰে সৰি পৰা নিগম কল্পবৃক্ষৰ ফল বুলি অভিহিত কৰিছে। এইবোৰৰ উপৰিও সৃষ্টি তত্ত্ব, বিভিন্ন ৰজা-মহাৰজাৰ বংশাৱলী, ভৌগলিক তথ্য, বিভিন্ন উপাখ্যান গীত-নৃত্য, সংস্কৃতি, বিভিন্ন দার্শনিক

তথ্যৰ বিষয়েও এই পুৰাণখনে আলোচনা আগবঢ়াইছে। ভগৱান শ্ৰীকৃষ্ণৰ দ্বাৰা দুষ্টক দমন আৰু সত্যক ৰক্ষা কৰাৰ কাহিনীও ইয়াত বৰ্ণিত হৈছে। এই অধ্যায়টিত আপুনি শ্ৰীমদ্ভাগৱত পুৰাণৰ সাধাৰণ পৰিচয় লাভ কৰিব।

৬.৩ নামৰ তাৎপৰ্য

শ্ৰীমদ্ভাগৱত পুৰাণক চমুকৈ 'ভাগৱত পুৰাণ' বুলিও কোৱা হয়। আনহাতে এই পুৰাণখনক শ্ৰীমদ্ভাগৱত মহাপুৰাণ বুলিও কোৱা হয়। 'পুৰাণ' শব্দৰ অৰ্থ হ'ল 'পুৰণি', 'প্ৰাচীনকালৰ', 'পুৰণি কালৰ'। 'ভাগৱত' মানে হ'ল 'ভগৱান সম্বন্ধীয়, দেৱতা সম্পৰ্কীয়'। আন অৰ্থ হ'ল 'পৰিত্ৰ', 'ঐশ্বৰিক', 'ভগৱদ্‌ভক্ত'। ভাগৱত পুৰাণ শব্দটোৱে 'ভগৱান শ্ৰীকৃষ্ণৰ' লীলা মাহাত্ম্য বৰ্ণনা সমৃদ্ধ প্ৰসিদ্ধ গ্ৰন্থ' বুজায়। এই পুৰাণখন সমস্ত উপনিষদৰ সাৰমৰ্ম। এই পুৰাণৰ ৰসপান কৰি পৰিতৃপ্ত হোৱা এগৰাকী ব্যক্তি অন্য কোনো বিষয়-বাসনালৈ ইচ্ছা নকৰে। ভগৱত তত্ত্ব জ্ঞানৰ এক শ্ৰেষ্ঠ প্ৰকাশক হ'ল এই পুৰাণ। কৃষ্ণ ভক্তিয়েহে মোক্ষৰ পথ দেখুৱাব পাৰে বুলি এই পুৰাণত উল্লেখ আছে। শ্ৰীকৃষ্ণৰ অন্তঃ প্ৰকৃতি আৰু বাহ্যিক আকৃতি এই সকলোবোৰেই ভক্তৰ দুখ হৰণ কৰিব পাৰে— এই কথা এই পুৰাণত উপলব্ধ।

৬.৪ শাস্ত্ৰখনিৰ আলোচ্য বিষয়

অষ্টাদশ মহাপুৰাণৰ ভিতৰত শ্ৰীমদ্ভাগৱত পুৰাণ এখন উল্লেখযোগ্য পুৰাণ। ইয়াৰ মুখ্য বিষয় ভক্তিযোগ। এইখন পুৰণত শ্ৰীকৃষ্ণক সকলো দেৱতাৰেই দেৱ অথবা স্বয়ং ভগৱান হিচাপে বৰ্ণিত কৰা হৈছে। ভগৱানৰ বিভিন্ন কথাবস্তুৰ সাৰভাগ অৰ্থাৎ এই পুৰাণৰ সাৰভাগ হৃদয়ংগম কৰিব পাৰিলে মোক্ষপ্ৰাপ্তি হয় বুলি বিদ্বানসকলে মত পোষণ কৰিছে। লগতে জন্ম-মৃত্যুৰ চক্ৰৰ পৰাও মুক্ত হয় বুলি কোৱা হয়। শুকদেৱৰ পৰা শ্ৰীমদ্ভাগৱতৰ কথা শুনিয়েই ৰজা পৰীক্ষিতৰ মোক্ষপ্ৰাপ্তি হয়।

শ্ৰীমদ্ভাগৱত পুৰাণত ১২ টা স্কন্ধ, ৩৩১ টা অধ্যায় আৰু ১৮,০০০ শ্লোক আছে। দশম স্কন্ধত ৪০০০ শ্লোক আছে এই স্কন্ধটিয়েই সৰ্বাধিক আলোচিত আৰু চৰ্চিত হয়। ভক্তি এইখন পুৰাণৰ মুখ্য বিষয় হ'লেও জ্ঞান আৰু বৈৰাগ্যৰ মহানতাও আলোচিত হৈছে। ভগৱান শ্ৰীবিষ্ণু আৰু ভগৱান শ্ৰীকৃষ্ণৰ লীলাৰ বিষয়ে বৰ্ণনা কৰাৰ লগত 'মহাভাৰত'ৰ আগৰ সময়ছোৱাৰ কিছুসংখ্যক ঋষি, মুনি, ৰজা-মহাৰজা, অসুৰৰ বিষয়ে এই পুৰাণত বৰ্ণিত হৈছে। মহাভাৰতৰ যুদ্ধ সমাপ্তিৰ পিচত ভগৱান শ্ৰীকৃষ্ণৰ দেহত্যাগ, দ্বাৰকাপুৰী জলমগ্ন হোৱা, যদুবংশ কেনেদৰে ধ্বংস হয় সেই সকলোবোৰ বিষয়ৰে বিস্তৃত বিৱৰণ ইয়াত পোৱা যায়।

'সত্যই সকলো ধৰ্মৰ সাৰ'— এই পৰম সত্যই শ্ৰীমদ্ভাগৱত পুৰাণত প্ৰতিষ্ঠা হৈছে। সেয়েহে এই গ্ৰন্থখন দেশকালাতীত সাৰ্বজনীন অধ্যাত্ম গ্ৰন্থ হিচাপে অভিহিত কৰিব পাৰি। নাম-ৰূপ দেৱতা-ঈশ্বৰ প্ৰতিটো ধৰ্মৰ, প্ৰতিজন ব্যক্তিৰ বেলেগ বেলেগ হ'ব পাৰে, কিন্তু সত্য সকলোৰে বা উমৈহতীয়া মূল তত্ত্ব। সত্যক এৰি কোনো ধৰ্ম, কোনো সংস্কৃতি বৰ্তি থাকিব নোৱাৰে। এয়াই শ্ৰীমদ্ভাগৱত পুৰাণৰ মুখ্য আলোচ্য বিষয়।

৬.৫ ৰচয়িতা আৰু ৰচনা কাল

বেদব্যাস অৰ্থাৎ মহাভাৰতৰ প্ৰণেতাক শ্ৰীমদ্ভাগৱত পুৰাণৰ ৰচক বুলি কোৱা হয়। আনহাতে বায়ু পুৰাণত ব্ৰহ্মাক পুৰাণসমূহৰ ৰচক আৰু ভৰদ্বাজ মুনিক পুৰাণৰ প্ৰৰক্তা বুলি কোৱা হৈছে। বিষ্ণু পুৰাণত উল্লেখ আছে যে বেদব্যাসে আখ্যান, উপাখ্যান, গাথা আৰু কল্পশুদ্ধি আদিৰ লগে লগে পুৰাণো ৰচনা কৰে। ইয়াৰ পিচত বেদব্যাসে

সেইসমূহ তেওঁৰ প্ৰিয় শিষ্য 'লোমহৰ্ষণ'ক অধ্যয়ন কৰায়। লোমহৰ্ষণে পুৰাণ অধ্যয়ন কৰি লাভ কৰা জ্ঞান তেওঁৰ শিষ্য অকৃতব্ৰণ সাৰ্বনি আৰু শাংখপায়নক দান কৰে তেওঁলোক তিনিওজনে মিলিত হৈ তিনিখন পুৰাণ সংহিতা ৰচনা কৰে। পিচত এই তিনিজনৰ শিষ্যসকলে ক্ৰমে ওঠৰখন মহাপুৰাণ আৰু অন্যান্য উপপুৰাণসমূহ ৰচনা কৰে। মৎস্যপুৰাণ আৰু শিৱ-পুৰাণতো এইটো উল্লেখ আছে যে সৰ্বপ্ৰথমে এখনহে পুৰাণ আছিল। যি কি নহওক শ্ৰীমদ্ভাগৱত পুৰাণৰ ৰচয়িতা হিচাপে গীতা, মহাভাৰত আদিৰ ৰচক কৃষ্ণদ্বৈপায়ন বেদব্যাসক মান্যতা দি অহা হৈছে। এই কথা ভাগৱত পুৰাণৰ প্ৰথম স্কন্ধতে উল্লেখ আছে।

কিছুসংখ্যক পণ্ডিতৰ মতে শ্ৰীমদ্ভাগৱত পুৰাণখন অষ্টম শতিকাৰ পৰা দশম শতিকাৰ ভিতৰত ৰচিত হৈছিল। আন কিছুমানৰ মতে এই গ্ৰন্থখন ষষ্ঠ শতিকাৰো আগতে ৰচিত হৈছিল। মূল গ্ৰন্থৰ ইতিমধ্যে বহুতো সংস্কৰণ ওলাই গৈছে। ভাৰতবৰ্ষৰ প্ৰায়বোৰ ভাষালৈ এই গ্ৰন্থ অনুদিত হৈছে। এইখিনিতে উল্লেখ কৰিব পাৰি যে ভাগৱত পুৰাণৰ ৰচনাকাল লৈ যথেষ্ট মতভেদ পৰিলক্ষিত হয় যদিও বেছিসংখ্যক লোকে সপ্তম শতাব্দীৰ পৰা অষ্টম শতাব্দীৰ ভিতৰত ৰচিত হৈছিল বুলি ক'ব খোজে।

৬.৫.১ ভাষ্যকাৰসকল

আমি জানো যে 'ভাষ্য' বা ব্যাখ্যা অবিহনে শাস্ত্ৰৰ গূঢ়াৰ্থ বুজাটো কঠিন হৈ পৰে। বিশিষ্ট পণ্ডিতসকলে অতীজৰে পৰা কঠিন ৰচনাৰাজিৰ ভাষ্য সংকলন কৰি সাধাৰণ পাঠকৰ উপকাৰ সাধন কৰি আহিছে। শ্ৰীমদ্ভাগৱত পুৰাণাৰো বহুতো ভাষ্য অথবা টীকা পোৱা যায়। এইখিনিতে ভাগৱত পুৰাণৰ ভাষ্যকাৰসকলৰ বিষয়ে বৰ্ণনা কৰা হ'ব।

শ্ৰীমদ্ভাগৱত পুৰাণৰ ভাষ্যকাৰসকলৰ ভিতৰত শ্ৰীধৰ স্বামীক প্ৰাচীনতম বুলি মান্যতা দি অহা হৈছে। বিভিন্ন বৈষ্ণৱ সম্প্ৰদায়ৰ বিদ্বানসকলে নিজৰ নিজৰ মতবাদ প্ৰকাশ কৰিবলৈ ভাগৱত পুৰাণৰ ওপৰত ব্যাখ্যা আগবঢ়াই থৈ গৈছে যদিও সকলোবোৰ গ্ৰন্থ সম্প্ৰতি উপলব্ধ নহয়।

শ্ৰীধৰস্বামী (১৩০০ শতিকা)ৰ ভাষ্যখনৰ নাম ভাবাৰ্থ দীপিকা।

সুদৰ্শন সূৰী (১৪০০ শতিকা)য়ে ৰচনা কৰা ভাষ্যখনৰ নাম হ'ল শুকপৰীক্ষা ব্যাখ্যা। সুবোধিনী নামৰ ভাষ্য ৰচনা কৰে। শুদ্ধাদ্বৈতবাদী দাৰ্শনিক বল্লভভাচাৰ্যই (১৬০০ শতিকা)। শুদেৱাচাৰ্য্যৰ সিদ্ধান্ত প্ৰদীপ, জীৱ গোস্বামীৰ ক্ৰমসন্দৰ্ভ, বিৱাঘ্বাচাৰ্য্যৰ ভাগৱতচন্দ্ৰিকা আদি ভাগৱতপুৰাণৰ উল্লেখযোগ্য ভাষ্য।

উল্লেখনীয় যে বিভিন্ন ভাষ্যকাৰে নিজ নিজ মতাদৰ্শৰ দ্বাৰা প্ৰভাৱান্বিত হৈ ভাগৱত পুৰাণৰ ভাষ্য ৰচনা কৰিলেও, এই ভাষ্যসমূহ পৰস্পৰ বিৰোধী বুলি ক'ব নোৱাৰি, ইটো সিটোৰ পৰিপূৰক হিচাপে গণ্য কৰিব পাৰি।

জানি থোৱা ভাল

(ক) 'ভাগৱতমাহাত্ম্যম্' ৰ তৃতীয় অধ্যায়ত উল্লেখ আছে— ভগৱান শ্ৰীকৃষ্ণই ভুমিভাৰ সংহাৰ কৰাৰ পিছত যেতিয়া স্বধামলৈ গমনৰ প্ৰস্তুতি চলালে, তেতিয়া পৰম ভাগৱত ভক্ত শিৰোমণি উদ্ধৱে সেই কথা গম পাই তেওঁকো লগত লৈ যাবলৈ কাকুতি মিনতি কৰিলে। ভগৱানে উদ্ধৱক ভাগৱত ভক্তিৰ উপদেশ দিয়াৰ পিছতো উদ্ধৱ আত্মস্থ হ'ব নোৱাৰিলে। প্ৰভাস ক্ষেত্ৰত উদ্ধৱৰ লগত কথোপকথন হোৱাৰ পিছত ভগৱানে ভাবিবলৈ ধৰিলে— 'ভক্তসকলৰ এই অৱলম্বনৰ বাবে মই কিবা এটা কৰা উচিত (৩/৬০)'। তেনেদৰে চিন্তা কৰি ভগৱানে নিজৰ সকলো শক্তি ভাগৱতৰ মাজত ৰাখি অন্তৰ্ধান হৈ ভাগৱত সমুদ্ৰত প্ৰৱেশ কৰিলে। (৩/৬১)। সেয়েহে ভাগৱতক ভগৱানৰ সাক্ষাৎ শব্দময়ী মূৰ্তি হিচাপে মান্যতা দিয়া হয়।

(খ) ভাগৱতৰ বক্তা আৰু শ্ৰোতা— ভাগৱতৰ তিনিযোৰ বক্তা — শ্ৰোতাৰ কথা পোৱা যায়। তাৰে প্ৰথমে যোৰ হ'ল সূত আৰু শৌনক। সূতে নৈমিষাৰণ্যত ভগৱৎ লীলা প্ৰধান এই গ্ৰন্থ শৌনকাদি ঋষিসকলক শুনাইছিল। দ্বিতীয় যোৰ বক্তা-শ্ৰোতা হ'ল নাৰদ আৰু বেদব্যাস। নাৰদৰ উপদেশমতেই ব্যাসে ভগৱানৰ কীৰ্তি কাহিনী, প্ৰেমময়ী লীল বৰ্ণনা কৰে। আন দুগৰাকী বক্তা-শ্ৰোতা শ্ৰীশুকদেৱ আৰু হস্তিনাপুৰৰ ৰজা পৰীক্ষিত।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ শ্ৰীমদ্ভাগৱত পুৰাণত কিমানটা অধ্যায় আছে?

.....

প্ৰশ্ন নং ২ ঃ শ্ৰীমদ্ভাগৱত পুৰাণৰ দুগৰাকী ভাষ্যকাৰৰ নাম আৰু ভাষ্যৰ নাম লিখক।

.....

প্ৰশ্ন নং ৩ ঃ শ্ৰীমদ্ভাগৱত পুৰাণৰ বক্তা আৰু শ্ৰোতা দুগৰাকীৰ নাম লিখক।

.....

প্ৰশ্ন নং ৪ ঃ ব্যাসদেৱৰ প্ৰিয় শিষ্য এগৰাকীৰ নাম লিখক।

.....

৭.৬ শ্ৰীমদ্ভাগৱত পুৰাণৰ স্কন্ধসমূহৰ বিষয়বস্তুৰ সাৰাংশ

প্ৰথম স্কন্ধ ঃ ইয়াত সৰ্বমুঠ উনৈশটা অধ্যায় আছে। প্ৰথম স্কন্ধৰ আৰম্ভণিতে পোৱা যায় যে ভগৱান বিষ্ণু আৰু দেৱতাসকলৰ প্ৰিয় পুণ্যক্ষেত্ৰ নৈমিষাৰণ্যত শৌনকাদি ঋষিসকলে কলিযুগ সমাগত বুলি জানি সহস্ৰবছৰ নিষ্পাদ্য এটি যজ্ঞ কৰিছিল। সেই যজ্ঞতেই এদিনাখন শৌনকাদি ঋষিসকলে মহামতি সূতক ভগৱান শ্ৰীহৰিৰ বিভিন্ন অৱতাৰৰ বিষয়ে সবিস্তাৰে বৰ্ণনা কৰিবলৈ অনুৰোধ কৰে। লগতে ধৰ্মৰক্ষক যোগেশ্বৰ ভগৱান শ্ৰীকৃষ্ণ নিজধামলৈ গতি কৰাৰ পিচত ধৰ্ম এতিয়া কাৰ আশ্ৰয়ত থাকিব সেই বিষয়েও বৰ্ণনা কৰিবলৈ প্ৰাৰ্থনা কৰে। তেওঁলোকৰ অনুৰোধত মহামতি সূতে বিভিন্ন কাহিনী-উপকাহিনী সম্বলিত সমগ্ৰ শ্ৰীমদ্ভাগৱত পুৰাণখন শুনাবলৈ আৰম্ভ কৰে। প্ৰথমতে ভগৱৎ ভক্তিৰ মাহাত্ম্য আৰু ভগৱানৰ বিভিন্ন অৱতাৰৰ বিষয়ে বৰ্ণনা কৰাৰ পিচত মহামতি সূতে শৌনকাদি ঋষিমুনিসকলৰ আগত কয় যে তেওঁ ব্যাসপুত্ৰ মহাতেজস্বী শুকদেৱৰ ওচৰত যেনেদৰে পুৰাণৰ কথা শুনিছিল, তেনেদৰেই তেওঁ তেওঁলোকৰ সন্মুখত বৰ্ণনা কৰিব। ব্যাসদেৱে নাৰদৰ পৰামৰ্শ অনুসৰি ভগৱানৰ কীৰ্তি কাহিনী, তেওঁৰ প্ৰেমময়ী লীলা বৰ্ণনা কৰি পৰমসংহিতা শ্ৰীমদ্ভাগৱত পুৰাণ ৰচনা কৰে আৰু নিজৰ নিবৃত্তিপৰায়ণ পুত্ৰ শুকদেৱক সমগ্ৰ ভাগৱত পুৰাণৰ কাহিনী শুনাইছিল।

সূতে শৌনকাদি ঋষিসকলৰ আগত ৰাজৰ্ষি পীৰক্ষিতৰ জন্ম, কৰ্ম, মোক্ষ আৰু পাণ্ডৱসকলৰ স্বৰ্গাৰোহণৰ কাহিনী বৰ্ণনা কৰে। কুৰুক্ষেত্ৰ যুদ্ধৰ সময়ত শৰশয্যাত থকা ভীষ্মৰ মৃত্যু, অৰ্জুনক লগত লৈ শ্ৰীকৃষ্ণৰ দ্বাৰকা গমন, বিদুৰৰ উপদেশত গান্ধাৰীসহ ধৃতৰাষ্ট্ৰৰ বনগমন, পৰীক্ষিতৰ হাতত পাণ্ডৱসকলৰ ৰাজত্ব অৰ্পণ আৰু মহাপ্ৰস্থান, পৰীক্ষিতৰ দিগ্বিজয়, পৰীক্ষিতৰ দ্বাৰা কলিযুগ দমন তথা কলিযুগৰ প্ৰাৰ্থনাত চাৰিটি স্থান কলিযুগক অৰ্পন, শৃঙ্গীমুনিৰ দ্বাৰা মহাৰাজ পৰীক্ষিতক অভিশাপ বৰ্ষণ আৰু পৰীক্ষিতৰ ওচৰলৈ শুকদেৱৰ আগমন— এইখিনি প্ৰথম অধ্যায়ৰ সাৰাংশ।

দ্বিতীয় স্কন্ধ ঃ এইটো স্কন্ধত দহটা অধ্যায় আছে। অভিশপ্ত ৰজা পৰীক্ষিতৰ ওচৰত শুকদেৱ উপস্থিত হোৱাৰ পিচত যথাবিধি অভ্যর্থনা কৰা হোৱাত পৰীক্ষিতে শুকদেৱক বিভিন্ন বিষয়ে প্রশ্ন কৰাত শুকদেৱেও যথাযথ উত্তৰ দিয়ে। মৃত্যু-সমাগত এজন ব্যক্তিৰ কর্তব্য কি? মানুহে কি কৰা উচিত? শ্রোতব্য কি? জপনীয় কি? স্মৰণীয় কি? ভজনীয় কি? এনেধৰণৰ বিভিন্ন প্রশ্নৰ উত্তৰ শুকদেৱে ৰজা পৰীক্ষিতৰ অনুৰোধত বর্ণনা কৰে। এনেদৰেই শুকদেৱে ভগৱান শ্রীকৃষ্ণৰ লীলা-মাধুর্য সম্বলিত ভাগৱত ৰজা পৰীক্ষিতক শুনায়। ভগৱানৰ স্থূল আৰু সূক্ষ্ম ৰূপৰ ধাৰণা, বেদত বর্ণিত সদ্যোমুক্তি আৰু ক্রমমুক্তিৰ কথা, বিভিন্ন কামনা পূৰণৰ বাবে বিভিন্ন দেৱতাৰ উপাসনাৰ কথা তথা ভগৱৎ ভক্তিৰ শ্রেষ্ঠত্বও বর্ণনা কৰে। পৰমেশ্বৰ ভগৱানৰ চৈতন্যস্বৰূপৰ দ্বাৰা নিখিল বিশ্ব প্রকাশিত হোৱাৰ বিস্তাৰিত বর্ণনা, ভগৱানৰ বিৰাটৰূপ, বিৰাটপুৰুষৰ বিভূতি, ভগৱানৰ বিভিন্ন অৱতাৰৰ বর্ণনা আছে দ্বিতীয় স্কন্ধত। ত্রিলোকৰ আদিদেৱ ব্রহ্মাই কৰা তপস্যাত সন্তুষ্ট হৈ শ্রীভগৱানে নিজৰ সর্বশ্রেষ্ঠ বৈকুণ্ঠধাম দর্শন কৰায়। লগতে ভগৱানে কেনেদৰে বিশ্বব্রহ্মাণ্ড সৃষ্টি কৰে সেইসকলোৰোৰ ব্রহ্মাক অৱগত কৰায় লগতে চতুঃশ্লোক ভাগৱতৰ উপদেশ প্রদান কৰে। ৰজা পৰীক্ষিতৰ জিজ্ঞাসু মনৰ তৃপ্তিৰ বাবে শুকদেৱে ভাগৱতৰ দশলক্ষণ বর্ণনা কৰাৰ লগতে বিৰাট পুৰুষৰ পৰা জগতৰ উৎপত্তি কেনেদৰে হৈছে তাৰো বর্ণনা ডাঙি ধৰে।

তৃতীয় স্কন্ধ ঃ তৃতীয় স্কন্ধত সর্বমুঠ তেত্রিশটা অধ্যায় আছে। বনবাসী বিদুৰৰ লগত উদ্ধৱৰ লগত কথোপকথনেৰে তৃতীয় স্কন্ধ আৰম্ভণি হৈছে। উদ্ধৱে বিদুৰৰ আগত ভগৱান শ্রীকৃষ্ণৰ বিভিন্ন লীলা বর্ণনা কৰে। ভগৱান শ্রীকৃষ্ণই আত্মতত্ত্ব প্রকাশক যি পৰমজ্ঞান উদ্ধৱক প্রদান কৰিছিল সেই জ্ঞান বিদুৰে জানিব বিচৰাত তেওঁক উদ্ধৱে মহামুনি মৈত্রেয়ৰ ওচৰলৈ যাবলৈ কয়। গঙ্গানদীৰ তীৰত বিদুৰ আৰু মৈত্রেয়ৰ মিলন হয়। বিদুৰৰ আগত মায়া শক্তিক অৱলম্বন কৰি ভগৱানে কেনেদৰে সৃষ্টি, স্থিতি আৰু প্রলয় কার্য সম্পন্ন কৰে মৈত্রেয়ই তাৰ বর্ণনা কৰে। ত্রয়োবিংশতি তত্ত্বৰ পৰা বিৰাট পুৰুষৰ উৎপত্তি, বিষ্ণুৰ নাভিকমলৰ পৰা ব্রহ্মাৰ উৎপত্তি, ব্রহ্মাৰ দ্বাৰা ভগৱানৰ স্তুতি আৰু ভগৱানৰ ব্রহ্মাক সৃষ্টি সম্পর্কীয় উপদেশ, পূর্বকল্পান্তত বিলীন হৈ থকা ভূতগণৰ ব্রহ্মৰ দ্বাৰা সৃষ্টি আদিৰ বিষয়ে মৈত্রেয়ই বিদুৰৰ আগত বর্ণনা কৰে। মন্বন্তৰাদি কালৰ বিভাগ, ব্রহ্মাৰ নিজ সৃষ্টিৰ বিস্তাৰ, শ্রীভগৱানৰ বৰাহ অৱতাৰৰ উপাখ্যান, দক্ষকন্যা দিতিৰ গর্ভত জয়-বিজয় জন্ম, সনকাদি মুনিগনৰ জয়-বিজয়ক অভিশাপ, জয়-বিজয়ৰ পুনৰ দিতিৰ গর্ভত হিৰণ্যকশিপু আৰু হিৰণ্যাক্ষ হিচাপে জন্মলাভ, বৰাহৰূপী শ্রীভগৱানৰ হাতত হিৰণ্যাক্ষ বধ আদি বর্ণনা কৰাৰ পিচত মৈত্রেয়ই পুনৰ সৃষ্টিতত্ত্বৰ কথা আৰম্ভ কৰে। কর্দম আৰু দেৱাহুতিৰ পুত্র কপিলৰ দ্বাৰা সাংখ্য আৰু যোগৰ মাহাত্ম্য বর্ণনা তথা মহদাদি ভিন ভিন তত্ত্বৰ উৎপত্তি, অষ্টাঙ্গ-যোগ বিধি, ভক্তিযোগৰ উৎকর্ষ, জীৱৰ গতি আৰু কপিল মুনিৰ পৰা পৰমজ্ঞান লাভ কৰি কেনেদৰে মোক্ষলাভ কৰিলে তাৰ বর্ণনাৰে তৃতীয় স্কন্ধৰ সামৰণি পৰিছে।

চতুর্থ স্কন্ধ ঃ এই স্কন্ধত ৩১টা অধ্যায় আছে। তৃতীয় স্কন্ধত বিদুৰে মৈত্রেয়ৰ পৰা স্বায়ম্ভৱ মনুৰ বংশাৱলী জানিব বিচৰাত সেই স্কন্ধত দেৱাহুতিৰ পুত্র কপিল মুনি আৰু তেওঁৰ নগৰাকী কন্যাৰ বিষয়ে বিৱৰি কৈছিল। এই স্কন্ধত মনুৰ আন আন কন্যাসকলৰ কথা বর্ণনা কৰিছে। মনুৰ এগৰাকী কন্যা প্রসূতিক দক্ষই বিয়া কৰায়। দক্ষৰ কন্যা সতীক শিৱলৈ বিয়া দিয়ে। কিন্তু দক্ষ আৰু শিৱৰ মনোমালিন্য আছিল। দক্ষই অনুষ্ঠিত কৰা যজ্ঞত সতী অনিমন্ত্রিত হৈয়ো উপস্থিত হৈ পতিনিন্দা শুনিবলগীয়া হয় নিজ পিতৃৰ মুখত। অপমানিত হৈ যজ্ঞস্থলীতে সতীয়ে দেহত্যাগ কৰে। নাৰদৰ মুখে সেই দুঃসংবাদ পাই শিৱই নিজ জটাৰ পৰা বীৰভদ্র নামৰ বৃহদাকাৰ পুৰুষ সৃষ্টি কৰি যজ্ঞ ধ্বংস কৰিবলৈ দিয়ে। বীৰভদ্রই দক্ষৰ শিৰচ্ছেদ কৰি কৈলাসলৈ উভটি যায়। ব্রহ্মাদি দেৱগণ কৈলাসলৈ গৈ শিৱক ক্রোধসম্বৰণ কৰিবলৈ তথা দক্ষক পুনর্জ্জীৱন দিবলৈ প্রার্থনা জনায়। ব্রহ্মাৰ প্রার্থনাত শিৱ তুষ্ট হৈ দক্ষক পুনর্জীৱন দিয়ে আৰু এনেদৰে অর্ধসমাপ্ত দক্ষযজ্ঞ সম্পন্ন হয়। মৈত্রেয়ই বিদুৰৰ আগত স্বায়ম্ভুৱ মনুৰ বংশাৱলী বর্ণনা কৰিবলৈ গৈ স্বায়ম্ভুৱ মনুৰ নাতি ধ্রুৱৰ কাহিনী বর্ণনা কৰে। ধ্রুৱৰ বংশধৰ, বেণ, পৃথু, প্রচেতাসকলৰ কথা

বৰ্ণনা কৰাৰ লগত মৈত্ৰেয়ই নাৰদকথিত প্ৰাচীন ইতিহাসত থকা পুৰঞ্জন নামৰ এগৰাকী ৰজাৰ কাহিনীও বৰ্ণনা কৰে। পুৰঞ্জন উপাখ্যানৰ তাৎপৰ্য, প্ৰচেতাসকলৰ প্ৰতি নাৰদৰ উপদেশ তথা তেওঁলোকৰ পৰমপদ লাভৰ বৰ্ণনাৰে চতুৰ্থ স্কন্ধ সমাপ্ত হৈছে।

পঞ্চম স্কন্ধ ঃ সৰ্বমুঠ ছাবিশটা অধ্যায় আছে পঞ্চম স্কন্ধত। নাৰদৰ পৰা পৰমজ্ঞান লাভ কৰি একনিষ্ঠ ভগৱদ্ ভক্ত প্ৰিয়ৱত কিয়নো সংসাৰত আসক্ত হ'বলগীয়া হ'ল এই কথা শুকদেৱৰ পৰা ৰজা পৰীক্ষিতে জানিব বিচৰাত শুকদেৱে প্ৰিয়ৱতৰ কাহিনী পঞ্চম স্কন্ধত বৰ্ণনা কৰিবলৈ আৰম্ভ কৰিছে। ৰজা প্ৰিয়ৱতৰ বংশাৱলী সম্পূৰ্ণৰূপে অৰ্থাৎ প্ৰিয়ৱতৰপৰা আৰম্ভ কৰি সেই বংশৰ শেষৰ জন ৰজা ৰৱজলৈকে শুকমুনিয়ে বৰ্ণনা কৰে। ৰজা পৰীক্ষিতৰ জিজ্ঞাসা অনুসৰি শুকদেৱে সপ্তদ্বীপ, ন খন **বৰ্ষ**, আঠোটা পৰ্বত, সাতখন পাতাল, গঙ্গানদীৰ বিৱৰণ দাঙি ধৰে। সূৰ্যৰ ৰথৰ গতিৰো বিস্তৃত বিৱৰণ দিয়া আছে পঞ্চম স্কন্ধত। সংৱৎসৰ চক্ৰৰ লগতে পৃথক পৃথক গ্ৰহৰ স্থিতি আৰু গতি, শিশুমাৰ চক্ৰ আৰু নৰক অৰ্থাৎ ত্ৰিজগতৰ অন্তৰ্ৱৰ্তী দক্ষিণফালে পৃথিৱীৰ নিম্নভাগ আৰু জলৰাশিৰ ওপৰ ভাগত অৱস্থিত স্থানৰ বৰ্ণনাৰে পঞ্চম স্কন্ধৰ অন্ত পৰিছে।

> ***বৰ্ষ*** - পৃথিৱীৰ ভাগ বা অংশ।

ষষ্ঠ স্কন্ধ ঃ এই স্কন্ধত মুঠ ১৯ টা অধ্যায় আছে। পঞ্চম স্কন্ধৰ শেষত নৰকৰ বৰ্ণনা শুনি নৰকত নপৰাকৈ কেনেদৰে পাপৰ পৰা উদ্ধাৰ হ'ব পাৰি ৰজা পৰীক্ষিতে শুকদেৱক তাৰ উপায় সোধাত শুকদেৱে কৃষ্ণ ভক্তিয়েই একমাত্ৰ উপায় বুলি প্ৰকাশ কৰাৰ লগতে অজামিলৰ কাহিনীও বৰ্ণনা কৰে। তৃতীয় স্কন্ধত উল্লেখ কৰা প্ৰাচীনবৰ্হিৰ প্ৰচেতস নামৰ দহজন পুত্ৰৰ বৃত্তান্ত পৰীক্ষিতৰ অনুৰোধত শুকদেৱে বিস্তাৰিত ভাৱে বৰ্ণনা কৰে। সেই প্ৰচেতসগণৰ পত্নী মাৰিষাৰ গৰ্ভত দক্ষৰ পুনৰ জন্ম হয় আৰু দক্ষৰ দ্বাৰা সৃষ্ট প্ৰজাৰেই ত্ৰিলোক পূৰ্ণ হয়। স্বৰ্গৰ ৰজা ইন্দ্ৰৰ ব্যৱহাৰত অসন্তুষ্ট হৈ দেৱগুৰু বৃহস্পতিয়ে স্বৰ্গৰাজ্য ত্যাগ কৰাত বিশ্বৰূপক দেৱতাসকলে দেৱগুৰু পদত অভিষিক্ত কৰে। প্ৰসংগক্ৰমে শুকদেৱে নাৰায়ণ কৱচৰ মহিমাও বৰ্ণনা কৰে। দেৱৰাজ ইন্দ্ৰৰ দ্বাৰা বিশ্বৰূপ আৰু বৃত্ৰাসুৰ বধ আৰু পিচত ব্ৰহ্মবধ পাপৰ পৰা ইন্দ্ৰৰ মুক্তি, বৃত্ৰাসুৰৰ পূৰ্বজন্মৰ (চিত্ৰকেতু) বৃত্তান্ত, অদিতি আৰু দিতিৰ সন্তানগণ আৰু মৰুৎসকলৰ উৎপত্তি, পুংসৱন ব্ৰতৰ নিয়ম বৰ্ণনাৰে ষষ্ঠ স্কন্ধৰ অন্ত পৰিছে।

সপ্তম স্কন্ধ ঃ এই স্কন্ধত মুঠতে পোন্ধৰটা অধ্যায় আছে। তৃতীয় স্কন্ধত দিতিৰ গৰ্ভত হিৰণ্যাক্ষ আৰু হিৰণ্যকশিপুৰ জন্ম বৃত্তান্ত তথা ৰাহৰূপী বিষ্ণুৰ হাতত হিৰণ্যাক্ষৰ মৃত্যুৰ কথা ইতিমধ্যে বৰ্ণনা কৰা হৈছে। এই স্কন্ধত ভাতৃ শোকত তাপিত হোৱা হিৰণ্যকশিপুৰ কথা প্ৰথমতে বৰ্ণিত হৈছে। হিৰণ্যকশিপুৱে অনৱৰতে বিষ্ণুক বধ কৰাৰ উপায় চিন্তি থাকে। কিন্তু পৰিতাপৰ কথাটো হ'ল তেওঁৰ নুমলীয়া পুত্ৰ প্ৰ াদ হ'ল বিষ্ণুভক্ত। কঠোৰ তপস্যাৰে ব্ৰহ্মাক সন্তুষ্ট কৰি হিৰণ্যকশিপুৱে মানুহ, পশু, পক্ষী, দেৱতা, অসুৰ, অস্ত্ৰ-শস্ত্ৰ আদিয়ে দিন-ৰাতি-সন্ধিয়া কোনো সময়তে মাৰিব নোৱাৰা বৰ লাভ কৰে। কিন্তু পুত্ৰ প্ৰ াদক বিষ্ণুভক্ত কাৰণেই মাৰিব বিচৰাত পুত্ৰই হৰিয়ে ৰক্ষা কৰিব বুলি কোৱাত হিৰণ্যকশিপুৱে হৰিক বিচাৰি স্ফটিকৰ স্তম্ভত আঘাত কৰাত তাৰ পৰা বিষ্ণুৰ নৃসিংহ অৱতাৰ ওলাই আহি হিৰণ্যকশিপুক বধ কৰে। শিৱৰ দ্বাৰা ময়দানৱে নিৰ্মাণ কৰা ত্ৰিপু�ৰদহনৰ উপাখ্যান এই স্কন্ধতে আছে। মানৱ ধৰ্ম, বৰ্ণধৰ্ম, স্ত্ৰীধৰ্ম, ব্ৰহ্মচৰ্য্য আৰু বাণপ্ৰস্থ আশ্ৰমৰ নিয়ম। যতিধৰ্ম, **অৱধূত**- প্ৰ াদৰ কাহিনী, গৃহস্থই পালিব লগীয়া সদাচাৰ, এগৰাকী মোক্ষ ধৰ্মৰ বৰ্ণনাৰে এই স্কন্ধৰ অন্ত পৰিছে। এই স্কন্ধ প্ৰ াদ চৰিত্ৰৰ যুধিষ্ঠিৰ-নাৰদ সংবাদ নামেৰে অভিহিত কৰা হৈছে। কাৰণ শুকদেৱে ৰজা পৰীক্ষিতক যুধিষ্ঠিৰ আৰু নাৰদৰ মাজত হোৱা কথোপকথনখিনি হুবহু বৰ্ণনা কৰিছে।

> ***অৱধূত*** - সংসাৰৰ মায়ামুক্ত লোক, সন্যাসী)

অষ্টম স্কন্ধ ঃ ছাবিশটা অধ্যায় সম্বলিত অষ্টম স্কন্ধৰ আৰম্ভণিতে পৰীক্ষিতে অন্য মানুহসকলৰ লগতে অতীত বৰ্তমান আৰু ভৱিষ্যতত ভগৱানে সম্পন্ন কৰা কাৰ্য তথা কৰিবলগীয়া কাৰ্যসমূহ বৰ্ণনা কৰিবলৈ শুকদেৱক

অনুৰোধ কৰে। ভগৱানে হৰিৰূপে অৱতাৰ লৈ গ্ৰাহৰ পৰা গজেন্দ্ৰক মুক্ত কৰাৰ উপাখ্যান, পঞ্চম মনু ৰৈৱতৰ বৃত্তান্ত আদি শুকদেৱে বিস্তাৰিতভাৱে বৰ্ণনা কৰে। দেৱতা আৰু ব্ৰাহ্মণসকলৰ মঙ্গলৰ বাবে ভগৱানৰ ওচৰত ব্ৰহ্মা আদি দেৱতাসকলে উপায় বিচৰাত দেৱাসুৰ একেলগ হৈ সমুদ্ৰমন্থন কৰাৰ উপদেশ ভগৱানে প্ৰদান কৰে। সেইমতে সমুদ্ৰমন্থন হয় তাৰ পৰা নিৰ্গত হোৱা বিষ প্ৰজাৰ মঙ্গলৰ বাবে মহাদেৱে পান কৰে। ভগৱানৰ মোহিনী ৰূপৰ সহায়ত সমুদ্ৰমন্থনত লাভ কৰা অমৃত দেৱতাসকলেহে পান কৰে। অমৃত হৰলুকি হোৱা বাবে অসুৰসকলে দেৱতাসকলৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে। নাৰদৰ উপদেশত দেৱতাসকলে যুদ্ধ বন্ধ কৰি স্বগলৈ উভটি যায়। অমৃত বিলাবলৈ ভগৱানে যি মোহিনীৰূপ ধাৰণ কৰিছিল সেই ৰূপত মহাদেৱৰ মোহপ্ৰাপ্তি হয় আৰু অৱশেষত ভগৱানে স্ব-ৰূপ ধাৰণ কৰি মহাদেৱক অভ্যৰ্থনা জনায়। সাত মন্বন্তৰৰ বিস্তৃত বৰ্ণনাৰ লগতে বলি ৰজাৰ স্বৰ্গবিজয়, মহৰ্ষি কাশ্যপৰ দ্বাৰা অদিতিক পয়োব্ৰতৰ উপদেশ, ভগৱানৰ দ্বাৰা অদিতিক বৰদান, বলিৰ যজ্ঞত ভগৱানৰ বামন অৱতাৰ ৰূপে আৱিৰ্ভাব, বামনৰ বলি ওচৰ ত্ৰিপাদ-ভূমি প্ৰাৰ্থনা, বলিৰ দিবলৈ প্ৰতিজ্ঞা, শুক্ৰাচাৰ্যৰ এই কাৰ্যত বাধা, ভগৱান বিষ্ণুৰ দ্বাৰা বলিৰ বন্ধন, ভগৱানৰ দ্বাৰা বলিৰ বন্ধন মুক্তি আৰু ভগৱানৰ মৎস্য অৱতাৰ বৰ্ণনাৰে অষ্টম স্কন্ধৰ অন্ত পৰিছে।

নৱম স্কন্ধ ঃ এই স্কন্ধত মুঠ চৌবিশটা অধ্যায় আছে। ৰজা পৰীক্ষিতৰ অনুৰোধত শুকদেৱে সূৰ্যবংশীয় আৰু চন্দ্ৰবংশীয় ৰজাসকলৰ বংশৰ কথা বৰ্ণনা কৰে। কাশ্যপ আৰু দক্ষকন্যা অদিতিৰ পুত্ৰ হ'ল বিৱস্বান (সূৰ্য)। বিৱস্বান আৰু সংজ্ঞাৰ পুত্ৰ মনু। মনুৰ এগৰাকী নাতি অম্বৰীষে সসাগৰা পৃথিৱীৰ অধিপতি হৈয়ো সেই সকলোবোৰ তুচ্ছ জ্ঞান কৰি কৃষ্ণভক্তিতে মজি আছিল। মনুৰ আন এজন পুত্ৰ ইক্ষ্বাকু আৰু তেওঁৰ বংশ সম্পূৰ্ণ বিৱৰণ শুকদেৱে পৰীক্ষিতক শুনায়। এই বংশৰ শেষভাগৰ এগৰাকী ৰজা হ'ল সগৰ। কপিল মুনিৰ ক্ৰোধত ভষ্ম হোৱা সগৰৰ পুত্ৰসকলক জীয়াই তুলিবলৈ সগৰৰ বংশধৰ ভগী�ৰথে স্বৰ্গৰপৰা গঙ্গীনদীক পাতাললৈ বোৱাই আনে আৰু সেই পুত্ৰসকলক উদ্ধাৰ কৰে। এই ইক্ষ্বাকু বংশৰে বংশধৰ হ'ল ৰঘু, ৰঘুৰ পুত্ৰ অজ, অজৰ পুত্ৰ দশৰথ, দশৰথৰ পুত্ৰ হ'ল শ্ৰীৰামচন্দ্ৰ। শ্ৰীৰামচন্দ্ৰৰ সমগ্ৰ জীৱন-চৰিত বৰ্ণনা কৰাৰ লগতে ইক্ষ্বাকু বংশৰ হ'বলগীয়া ৰজা সকলৰ কথাও কয়। চন্দ্ৰবংশীয় ৰজাসকলৰ বৰ্ণনা কৰোতে ক্ৰমান্বয়ে পৰশুৰামৰ ক্ষত্ৰিয় নিধন, বিশ্বামিত্ৰ মুনিৰ বংশাৱলী, পুৰূৰবাৰ পুত্ৰ আয়ুৰ বংশ, যযাতি-চৰিত, পুৰুবংশীয় ৰজা দুষ্মন্ত আৰু ভৰত চৰিত্ৰ, পাঞ্চাল-কৌৰৱ-মগধদেশীয় ৰাজবংশ, অনুৰ বংশাৱলী, যদুবংশ আৰু বিদৰ্ভ দেশৰ ৰাজ পৰিয়ালৰ বিস্তৃত বিৱৰণ দাঙি ধৰা হৈছে।

দশম স্কন্ধ ঃ দশম স্কন্ধ পূৰ্বাৰ্ধ আৰু উত্তৰাৰ্ধ নামেৰে দুভাগত ভাগ কৰা আছে। পূৰ্বাৰ্ধত ঊনপঞ্চাশ (৪৯)টা অধ্যায় আৰু উত্তৰাৰ্ধত একচল্লিছ (৪১)টা অধ্যায় অৰ্থাৎ সৰ্বমুঠ নব্বৈ (৯০)টা অধ্যায় আছে। ভগৱান শ্ৰীকৃষ্ণই যদুবংশত অৱতীৰ্ণ হৈ কি কি লীলা কৰিছিল সেই সকলোবোৰ পৰীক্ষিতে জানিব বিচৰাত শুকদেৱে বৰ্ণনা কৰে। কংসৰ ভনীয়েক দেৱকী আৰু দেৱকীক কাৰাগাৰত নিক্ষেপ, বসুদেৱ আৰু দেৱকীৰ ছটা সন্তান জন্মৰ পিছতে কংসৰ দ্বাৰা বধ, দেৱকীৰ গৰ্ভত অষ্টম সন্তান হিচাপে ভগৱান শ্ৰীকৃষ্ণ প্ৰৱেশ, শ্ৰীকৃষ্ণৰ উপদেশ মতে শিশু কৃষ্ণক গোকুললৈ স্থানান্তৰ, গোকুলত শিশুকৃষ্ণৰ বিভিন্ন লীলা তথা বহুতো অসুৰ বধ, কালিয় নাগ দমন, দাবানলৰ পৰা গোপবালক আৰু পশুবোৰক শ্ৰীকৃষ্ণৰ দ্বাৰা ৰক্ষা, ইন্দ্ৰৰ কোপানলৰ পৰা ব্ৰজবাসীক উদ্ধাৰ কৰাৰ বৰ্ণনা শুনোৱাৰ পিচতে শুকদেৱে শ্ৰীকৃষ্ণৰ ৰাসলীলাৰ কথা আৰম্ভ কৰে। শ্ৰীকৃষ্ণৰ বিভিন্ন লীলাৰ কথা আৰু কৃষ্ণ আৰু বলৰাম দৰাচলতে দেৱকীৰহে পুত্ৰ— এই বৃত্তান্ত নাৰদৰ পৰা কংসই জানিব পাৰি ৰাম-কৃষ্ণক বধ কৰাৰ ষড়যন্ত্ৰ কৰি অক্ৰূৰক গোকুললৈ পঠিয়ালে ৰাম-কৃষ্ণক মথুৰালৈ আনিবৰ বাবে। অক্ৰূৰৰ লগত ৰাম-কৃষ্ণ দলে বলে মথুৰালৈ যাত্ৰা কৰে। মথুৰাত শ্ৰীকৃষ্ণই প্ৰথমতে কংসৰ সুন্দৰ দিব্য ধনু ভাঙি দুডোখৰ কৰে। কংসৰ ৰঙ্গশালাত চানুৰ, মুষ্টিকাদি মল্লযোদ্ধাসকলক বধ কৰি শ্ৰীকৃষ্ণই মোমায়েক কংসক বধ কৰি পিত-মাতৃ- বসুদেৱ- দেৱকীক

বন্ধনমুক্ত কৰে। লগত মাতামহ উগ্রসেনকো কাৰাগাৰৰ পৰা মুকলি কৰি মথুৰাৰ ৰাজপাটত বহুৱায়। শ্রীকৃষ্ণৰ নির্দেশত নন্দ যশোদা আৰু গোপীসকলৰ খবৰ লবলৈ উদ্ধৱৰ ব্রজধাম যাত্রা আৰু শ্রীকৃষ্ণৰ আদেশমতেই অক্রুৰৰ হস্তিনাপুৰ গমনৰ বর্ণনাৰে দশম স্কন্ধৰ পূর্বার্ধ সামৰণি পৰিছে।

উত্তৰার্ধ ঃ শ্রীকৃষ্ণই কংসক বধ কৰা বাবে জৰাসন্ধই (কংসৰ শহুৰ) মথুৰা অৱৰোধ কৰে। জৰাসন্ধই একেৰাহে সোতৰবাৰ মথুৰা আক্রমণ কৰিও জয়লাভ কৰিব নোৱাৰিলে। বাৰে বাৰে মথুৰা আক্রমণ কৰি থকা বাবে শ্রীকৃষ্ণই দ্বাৰকাপুৰী নির্মাণ কৰি মথুৰাৰ প্রজাসৱক দ্বাৰকানগৰত থাপিলে। বলৰাম-ৰেৱতী আৰু শ্রীকৃষ্ণ-ৰুক্মিণীৰ বিবাহ সম্পন্ন হোৱাৰ পিচত কৃষ্ণৰ আদেশত বিশ্বকর্মাই পাণ্ডৱসকলৰ বাবে ইন্দ্রপ্রস্থত ধুনীয়া নগৰ নির্মাণ কৰে। শ্রীকৃষ্ণই সত্যভামা আৰু জাম্বৱতীক বিয়া কৰোৱাৰ পিচতো ষোল্ল হাজাৰ ৰাজকন্যাকো বিয়া কৰায়। ভগৱান শ্রীকৃষ্ণৰ সন্ততি অর্থাৎ নাতি অনিৰুদ্ধ আৰু বাণৰজাৰ জীয়াৰী ঊষাৰ পৰিণয়, বাণৰ লগত শ্রীকৃষ্ণৰ যুদ্ধ, ইক্ষ্বাকু বংশীয় ৰজা নৃগৰ উপাখ্যান, বলৰামৰ ব্রজগমন, শ্রীকৃষ্ণৰ হাতত কাশীৰাজ নিধন, দ্বাৰকাত নাৰদৰ শ্রীকৃষ্ণৰ গার্হস্থ্য ধর্ম দর্শন, শ্রীকৃষ্ণৰ ইন্দ্রপ্রস্থ আগমন আৰু পাণ্ডৱসকলৰ ৰাজসূয় যজ্ঞৰ আয়োজন, ভীমৰ হাতত জৰাসন্ধ বধ, ৰাজসূয় যজ্ঞ সম্পন্ন, শিশুপাল বধ, বলৰামৰ দ্বাৰা ৰোমহর্ষণ বধ আৰু তেওঁৰ তীর্থযাত্রা, দেৱকীৰ মৃত পুত্রৰ পুনৰ জীৱন দান, সুভদ্রা হৰণ, বেদৰ তত্ত্ব কথা বর্ণন, শিৱৰ সংকট মোচন আৰু ভগৱান শ্রীকৃষ্ণৰ লীলা পৰিক্রমাৰ বিস্তৃত বর্ণনাৰে দশম স্কন্ধৰ অন্ত পৰিছে।

একাদশ স্কন্ধ ঃ এই স্কন্ধত সর্বমুঠ একত্রিশটা অধ্যায় আছে। কুৰুক্ষেত্র যুদ্ধত কুৰু-পাণ্ডৱৰ মাজত কন্দল লগাই সমগ্র পৃথিৱীৰ বীৰ সকলক একত্রিত কৰি ভগৱান শ্রীকৃষ্ণই ভূমি ভাৰ হৰণ কৰিছিল যদিও যদুকুল তিস্থি থকা বাবে পৃথিৱীৰ ভাৰ নকমাৰ বাবে শ্রীকৃষ্ণই যদুকুল সংহাৰৰ কথা চিন্তা কৰিলে। সেই মতে দ্বাৰকাৰ ওচৰলৈ কশ্যপাদি ঋষিসকলক আমন্ত্রণ কৰি আনি সকলো জনালে। যদুবংশৰ যুৱকসকলৰ উদ্ভণ্ডালিত অসন্তুষ্ট হৈ ঋষিসকলে যদুবংশ ধ্বংস হ'ব বুলি অভিশাপ দিয়ে। তেনেদৰেই যদুকুল ধ্বংস হয়। নৱসিদ্ধ অর্থাৎ ন-জন যোগীশ্বৰৰ বর্ণনা নাৰদমুনিয়ে বসুদেৱক দিয়ে। মায়া আৰু মায়া তাৰণৰ উপায় নাৰদ মুনিৰ পৰা জানিব পাৰি বসুদেৱ-দেৱকীৰ মায়ামোহ দূৰ হয়। পৰম তেজস্বী অবধূত দত্তাত্রেয় আৰু ৰজা যদুৰ সংবাদৰ জৰিয়তে বিভিন্ন আসক্তিৰ পৰা কেনেদৰে মুক্ত হৈ সমদর্শী হ'ব পাৰি তাৰ বর্ণনা দিয়া হৈছে। শ্রীকৃষ্ণ আৰু উদ্ধৱ সংবাদৰ মাজেৰে বদ্ধ জীৱ, মুক্ত জীৱ আৰু ভক্তৰ লক্ষণ, সাধুসঙ্গৰ মহিমা, কর্মত্যাগৰ বিধি, ভক্তিযোগৰ মহিমা, অনিমা-মহিমা-লঘিমা আদি সিদ্ধিৰ লক্ষণত বর্ণাশ্রম ধর্ম, জ্ঞান-কর্মযোগৰ মহিমা আদিৰ বর্ণনা দিয়া হৈছে।। তত্ত্বসংখ্যা নিৰূপণ, পুৰুষ প্রকৃতিৰ বিবেক, সাংখ্যযোগ, ক্রিয়াযোগ, ভাগৱত ধর্ম নিৰূপণৰ বর্ণনাৰ লগত উদ্ধৱৰ বদৰীকাশ্রম গমনৰ বর্ণনা আছে এই স্কন্ধত। যদুবংশ ধ্বংসৰ পিচত ভগৱান শ্রীকৃষ্ণৰ স্বধামগমনৰ বিৱৰণেৰে একাদশ স্কন্ধ অন্ত পৰিছে।

দ্বাদশ স্কন্ধ ঃ এই স্কন্ধত সর্বমুঠ তেৰটা অধ্যায় আছে। শ্রীকৃষ্ণৰ বৈকুণ্ঠপ্রয়াণ অথবা স্বধাম গমনৰ পিচত কাৰ বংশই পৃথিৱী ৰাজত্ব কৰিব বুলি ৰজা পৰীক্ষিতে শুকদেৱক সোধাত শুকদেৱে কলিযুগৰ ধর্ম যে অধর্মত পৰিণত হ'ব তাকে বর্ণনা কৰে কলিযুগৰ পিচত কল্কিত অৱতাৰ হৈ পাষণ্ডসকলক নাশ কৰাৰ পিচত পুনৰ সত্য যুগ আৰম্ভ হ'ব বুলি কয়। শুকমুনিৰ পৰা প্রলয়কল্প আৰু আত্মতত্ত্বৰ জ্ঞান হোৱাৰ পিচত পৰীক্ষিতৰ সকলো সংশয় দূৰ হৈ দেহাৰ সম্বন্ধ ত্যাগ কৰি সকলো ব্রহ্মময় হ'ল। তক্ষকে ব্রাহ্মণৰ বেশ ধৰি ওচৰলৈ আহি পৰীক্ষিতক দংশন কৰে। খণ্ডতে পুত্র জন্মেজয়ে সর্পযজ্ঞ পাতি সর্পকুল সংহাৰ কৰিবলৈ লয়। বৃহস্পতিৰ অনুৰোধত সেই যজ্ঞ সমাপ্ত হয়। শুকমুনিৰ পৰা শুনা বর্ণনা অন্ত পৰাত শৌনকাদি ঋষিসকলে বেদৰ কথা শুনিবলৈ বিচৰাত সূতে বেদৰ শাখা পুৰাণৰ লক্ষণ, মার্কণ্ডেয় মুনিৰ আশ্রয় তথা তপস্যাৰ বর্ণনা, মার্কণ্ডেয় মুনিক ভগৱান শংকৰৰ বৰদান, ভগৱানৰ অঙ্গ, উপাঙ্গ আয়ুধ ৰহস্য, সূর্যৰ বিভিন্ন গণৰ বর্ণনা কৰে। শৌনকাদি ঋষিৰ অনুৰোধ মর্মে সূতে বিভিন্ন পুৰাণৰ

শ্লোক সংখ্যা বর্ণনা কৰে। পৰিৱেশত শ্রীমদ্ভাগৱত পুৰাণৰ মহিমা বর্ণনাৰে দ্বাদশস্কন্ধ তথা শ্রীমদ্ভাগৱত পুৰাণৰ অন্ত পৰিছে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ কপিল মুনিৰ পিতৃ-মাতৃ কোন?

.....

প্রশ্ন নং ৬ ঃ বর্ষ শব্দৰ অর্থ লিখক।

.....

প্রশ্ন নং ৭ ঃ 'সতী' কোন?

.....

প্রশ্ন নং ৮ ঃ ষষ্ঠ স্কন্ধত কেইটা অধ্যায় আছে?

.....

প্রশ্ন নং ৯ ঃ অৱধূত শব্দৰ অর্থ কি?

.....

প্রশ্ন নং ১০ ঃ স্বর্গৰ পৰা গঙ্গানদীক পাতাললৈ কোনে বোৱাই আনিছিল?

.....

প্রশ্ন নং ১১ ঃ জৰাসন্ধক কোনে বধ কৰিছিল?

.....

প্রশ্ন নং ১২ ঃ সর্পকুল ধ্বংল কৰিবলৈ কোনে সর্পযজ্ঞ কৰিছিল?

.....

৬.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- শ্রীমদ্ভাগৱত পুৰাণ নামটোৰ তাৎপর্য জানিব পাৰিলে।
- এই পুৰাণখনৰ আলোচ্য বিষয়ৰ লগত পৰিচিত হ'ল।
- পুৰাণখনৰ ৰচক, ৰচনাকাল আৰু ভাষ্যকাৰসকলৰ বিষয়ে জানিব পাৰিলে।
- এই শাস্ত্রখনৰ আটাইকেইটা স্কন্ধৰ বিষয়বস্তুৰ লগত পৰিচিত হ'ব পাৰিলে।

৬.৮ অধিক জানিবলৈ

১) Kumar, Dr, Pushpendra (Ed) (2009) *The Srimadbhavata Mahapuranam*, Eastern Book Linkers, Delhi, 110007.

২) পোদ্দাৰ হনুমানপ্রসাদ (সম্পাদক) (২০১৫) *শ্রীশ্রী মদ্ভাগৱতমহাপুৰাণ, গীতাপ্রেম,* গোৰক্ষপুৰ।

৩) মহন্ত প্রেমকান্ত (১৯৯৩), *শ্রীমদ্ভাগৱত কথামৃত,* লয়ার্ছ বুক ষ্টল, গুৱাহাটী।

৬.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ৩৩২ টা।

২ নং প্ৰশ্নৰ উত্তৰ ঃ শ্ৰীধৰস্বামীৰ ভাবাৰ্থদীপিকা আৰু সুদৰ্শন সূৰীৰ শুকপৰীক্ষা ব্যাখ্যা।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ সূত আৰু শৌনক; শুকদেৱ আৰু পৰীক্ষিত।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ লোমহৰ্ষণ।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ কৰ্দম আৰু দেৱাহুতি।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ পৃথিবীৰ ভাগ বা অংশ।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ দক্ষ ৰজাৰ কন্যা।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯ টা।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ সংসাৰৰ মায়ামুক্ত লোক, সন্যাসী।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ ইক্ষ্বাকু বংশৰ ৰজা সগৰৰ বংশধৰ ভগীৰথে।

১১ নং প্ৰশ্নৰ উত্তৰ ঃ দ্বিতীয় পাণ্ডৱ ভীমে।

১২ নং প্ৰশ্নৰ উত্তৰ ঃ পৰীক্ষিতৰ পুত্ৰ জন্মেজয়।

৬.১০ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ শ্ৰীমদ্ভাগৱত পুৰাণৰ নামৰ তাৎপৰ্য লিখক।

প্ৰশ্ন ২ ঃ শ্ৰীমদ্ভাগৱত পুৰাণৰ ৰচয়িতা আৰু ৰচনাকালৰ বিষয়ে লিখক।

প্ৰশ্ন ৩ ঃ শ্ৰীমদ্ভাগৱত পুৰাণৰ ভাষ্যকাৰসকলৰ বিষয়ে লিখক।

প্ৰশ্ন ৪ ঃ শ্ৰীমদ্ভাগৱত পুৰাণৰ দ্বাদশ স্কন্ধৰ সাৰাংশ লিখক।

*** ***** ***

অধ্যায় ৭ঃ কালিকাপুৰাণ

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য

৭.২ পৰিচয়

৭.৩ কালিকাপুৰাণৰ পৰিচয়

৭.৪ লেখক আৰু ৰচনাকাল

৭.৫ ৰচনাৰ স্থান

৭.৬ কালিকাপুৰাণৰ গঠন আৰু অধ্যায় বিভাজন

৭.৭ মূল বিষয়বস্তু

৭.৮ কালিকা পুৰাণৰ গুৰুত্ব

৭.৯ কালিকাপুৰাণৰ অন্যান্য সাহিত্যলৈ প্ৰভাৱ

৭.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৭.১১ অধিক জানিবলৈ

৭.১২ অগ্ৰগতিৰ খতিয়ান

৭.১৩ আৰ্হি প্ৰশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- কালিকাপুৰাণ কি, সেই বিষয়ে ধাৰণা লাভ কৰিব পাৰিব
- কালিকাপুৰাণৰ লেখক, ৰচনাকাল আৰু ঐতিহাসিক পটভূমি বুজিব পাৰিব
- কালিকাপুৰাণৰ মূল বিষয়বস্তু বুজিব পাৰিব
- কালিকাপুৰাণৰ ধৰ্মীয়, সামাজিক আৰু সাংস্কৃতিক গুৰুত্ব বুজি পাব
- অসমৰ ইতিহাস আৰু শক্তি-উপাসনাৰ লগত কালিকা পুৰাণৰ সম্পৰ্ক উপলব্ধি কৰিব পাৰিব।

৭.২ পৰিচয়

ভাৰতীয় সভ্যতা আৰু সংস্কৃতিৰ ইতিহাসত সংস্কৃত সাহিত্যই অতি গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আহিছে। বেদ, ব্ৰাহ্মণ, আৰণ্যক, উপনিষদ আৰু মহাকাব্যৰ পাছতেই যি সাহিত্যধাৰাই জনসাধাৰণৰ মাজত গভীৰ প্ৰভাৱ বিস্তাৰ কৰে, সেয়া হৈছে পুৰাণ সাহিত্য। পুৰাণসমূহ মূলতঃ ধৰ্মীয় আস্থা, নৈতিক শিক্ষা আৰু সমাজ ব্যৱস্থাক সহজ আৰু কাহিনীমূলক ৰূপত উপস্থাপন কৰাৰ উদ্দেশ্যে ৰচিত হৈছিল। এইবোৰে কেৱল ধৰ্মীয় দিশেই নহয়, সামাজিক, ৰাজনৈতিক আৰু সাংস্কৃতিক বাস্তৱতাকো প্ৰতিফলিত কৰে। পুৰাণ সাহিত্যৰ ভিতৰত শক্তি উপাসনাক কেন্দ্ৰ কৰি ৰচিত কিছুমান গ্ৰন্থে বিশেষ গুৰুত্ব লাভ কৰিছে। এইবোৰৰ ভিতৰত কালিকা পুৰাণ হৈছে অন্যতম। কালিকা পুৰাণৰ অধ্যয়নে কেৱল মা দেবী কালী বা কালিকাৰ উপাসনাৰ কথা জানিবলৈ সহায় নকৰে, ৰৰঞ্চ অসমৰ প্ৰাচীন বুৰঞ্জী, কামৰূপ ৰাজ্যৰ সামাজিক গঠন আৰু তন্ত্ৰ সাধনাৰ বিষয় বুজিবলৈও সহায় কৰে। শিক্ষাৰ্থীৰ

বাবে কালিকাপুৰাণৰ অধ্যয়ন বিশেষ প্ৰয়োজনীয়, কাৰণ ইয়াৰ জৰিয়তে ধৰ্মীয় সাহিত্যিক এক ঐতিহাসিক উৎস আৰু সাহিত্যিক সৃষ্টি হিচাপে বিশ্লেষণ কৰাৰ সুযোগ পোৱা যায়। এই অধ্যায়ত কালিকাপুৰাণৰ লেখক, ৰচনাকাল, বিষয়বস্তু, ঐতিহাসিক আৰু সাংস্কৃতিক গুৰুত্ব সহজ আৰু বিশ্লেষণমূলক ভাষাত আলোচনা কৰা হৈছে।

ভাৰতীয় সংস্কৃত সাহিত্যৰ এক গুৰুত্বপূৰ্ণ অংশ হ'ল **পুৰাণ সাহিত্য**। বেদ, উপনিষদ, মহাকাব্য, নাটক আদিৰ লগতে পুৰাণসমূহে হিন্দু ধৰ্ম, সমাজ আৰু সংস্কৃতি গঢ় দিয়াত বিশেষ ভূমিকা পালন কৰিছে। পুৰাণসমূহ সৰ্বসাধাৰণৰ মাজত ধৰ্মীয় ভাবধাৰা প্ৰচাৰ কৰাৰ উদ্দেশ্যে সহজ ভাষাত ৰচিত হৈছিল। এইবোৰত সৃষ্টিতত্ত্ব, দেব-দেৱীৰ কাহিনী, বংশাৱলী, ধৰ্মীয় আচাৰ-অনুষ্ঠান আৰু সমাজ ব্যৱস্থাৰ বহু দিশ প্ৰতিফলিত হোৱা দেখা যায়। এই পুৰাণসমূহৰ মাজত **কালিকা পুৰাণে** এক বিশেষ স্থান দখল কৰি আছে। বিশেষকৈ শক্তি উপাসনা, তন্ত্ৰ সাধনা আৰু কামৰূপ (বৰ্তমানৰ অসম) অঞ্চলৰ ধৰ্মীয় ইতিহাস বুজিবলৈ কালিকাপুৰাণ অতি গুৰুত্বপূৰ্ণ। এই গ্ৰন্থখন কেৱল ধৰ্মীয় গ্ৰন্থ নহয়; ই অসমৰ প্ৰাচীন সমাজ, ৰাজনীতি আৰু সংস্কৃতিৰো এখন মূল্যবান দলিল।

৭.৩ কালিকাপুৰাণৰ পৰিচয়

কালিকাপুৰাণ এখন শক্তি-কেন্দ্ৰিক বিখ্যাত উপপুৰাণ। এই পুৰাণত শক্তিক বিশ্বসৃষ্টিৰ মূল কাৰণ আৰু নিয়ন্ত্ৰক শক্তি হিচাপে প্ৰতিষ্ঠা কৰা হৈছে। ইয়াত দেৱী কালিকা, কামাখ্যা, চামুণ্ডা আদি শক্তিৰ বিভিন্ন ৰূপৰ বৰ্ণনা পোৱা যায়। কামাখ্যা দেৱীক ইয়াত সৰ্বশ্ৰেষ্ঠ শক্তিপীঠৰ অধিষ্ঠাত্ৰী দেৱী হিচাপে স্বীকৃতি দিয়া হৈছে। কালিকা পুৰাণ হিন্দু ধৰ্মৰ ওঠৰখন মহাপুৰাণৰ ভিতৰত নপৰিলেও, ইয়াক উপপুৰাণ হিচাপে যথেষ্ট মান্যতা দিয়া হৈছে। ইয়াৰ বিষয়বস্তু, ভাষা আৰু ধৰ্মীয় প্ৰভাৱৰ বাবে ই যথেষ্ঠ সমাদৃত। বিশেষকৈ পূব ভাৰত আৰু অসমত এই গ্ৰন্থখন শক্তি উপাসনাৰ এক মৌলিক আধাৰ হিচাপে ব্যৱহৃত হৈছে। এই পুৰাণৰ এক বিশেষ বৈশিষ্ট্য হ'ল যে ইয়াত স্থানীয় বিভিন্ন বিশ্বাস আৰু পৰম্পৰাৰ সংমিশ্ৰণ হৈছে। কামৰূপ অঞ্চলৰ পাহাৰ, নদী, তীৰ্থস্থান আৰু লোকবিশ্বাস ইয়াত অন্তৰ্ভুক্ত হোৱা বাবে কালিকা পুৰাণক এখন আঞ্চলিক বৈশিষ্ট্যসম্পন্ন পুৰাণ বুলি ক'ব পাৰি। মূলত **কালিকা পুৰাণ** হ'ল শক্তি-উপাসনাক কেন্দ্ৰ কৰি ৰচিত এখন উপপুৰাণ। ইয়াত মূলতঃ দেবী কালিকা বা কালীক শক্তিৰ সৰ্বোচ্চ ৰূপ হিচাপে প্ৰতিষ্ঠা কৰা হৈছে। এই পুৰাণত কামাখ্যা দেৱী, কামৰূপ দেশ আৰু শক্তি সাধনাৰ বিস্তৃত বৰ্ণনা পোৱা যায়। যদিও হিন্দু ধৰ্মত ১৮খন মহাপুৰাণৰ কথা উল্লেখ আছে, কালিকা পুৰাণ সেইবোৰৰ ভিতৰত নপৰে। তথাপি ই এক স্বীকৃত আৰু প্ৰভাৱশালী উপপুৰাণ হিচাপে জনপ্ৰিয়। বিশেষকৈ পূব ভাৰত আৰু অসমৰ ধৰ্মীয় পৰম্পৰাত ইয়াৰ প্ৰভাৱ অতি উল্লেখযোগ্য।

৭.৪ লেখক আৰু ৰচনাকাল

কালিকাপুৰাণৰ লেখক আৰু ৰচনাকাল নিৰ্ণয় কৰাটো কঠিন। অধিকাংশ পুৰাণৰ দৰে এই গ্ৰন্থখনো বহু সময়ৰ ভিতৰত বিকশিত হোৱা এটা সমষ্টিগত সৃষ্টি বুলি পণ্ডিতসকলে মত প্ৰকাশ কৰিছে। কালিকাপুৰাণৰ লেখক সম্পৰ্কে কোনো নিৰ্দিষ্ট নাম বা তথ্য পোৱা নাযায়। সেয়ে ইয়াক অজ্ঞাত লেখকৰ ৰচনা বুলি ধৰা হয়। বহু পণ্ডিতৰ মতে, এই গ্ৰন্থখন একাধিক পণ্ডিত, ব্ৰাহ্মণ আৰু তন্ত্ৰ সাধকৰ দ্বাৰা ৰচিত আৰু পৰিমাৰ্জিত হৈছিল। প্ৰাচীন কামৰূপ অঞ্চলত বসবাস কৰা শক্তি উপাসকসকলেই ইয়াৰ মুখ্য সংকলক আছিল বুলি অনুমান কৰা হয়। এই পুৰাণখনত তন্ত্ৰিক ধাৰণাৰ প্ৰভাৱ থকাৰ বাবে কিছুমানে ইয়াক তন্ত্ৰ সাধকৰ ৰচনা বুলি মত প্ৰকাশ কৰিছে। স্থানীয় লোকবিশ্বাস, পশুবলি, তন্ত্ৰ-মন্ত্ৰ আদিৰ উল্লেখে এই মতক শক্তিশালী কৰে।

কালিকাপুৰাণৰ সঠিক ৰচনাকালো নিৰ্দিষ্ট নহয়। তথাপি পণ্ডিতসকলৰ সাধাৰণ মত অনুসাৰে এই গ্ৰন্থখন

খ্ৰীষ্টীয় ৯ম পৰা ১১শ শতিকাৰ মাজভাগত ৰচিত হৈছিল। এই সময়ছোৱাত কামৰূপত পাল বংশৰ শাসন চলিছিল। পাল শাসকসকল শক্তি আৰু শৈৱ ধৰ্মৰ অনুগামী আছিল। সেই সময়ৰ ধৰ্মীয় আৰু সামাজিক পৰিৱেশে কালিকা পুৰাণৰ বিষয়বস্তু গঢ় দিয়াত সহায় কৰিছিল বুলি কোৱা যায়।

৭.৫ ৰচনাৰ স্থান

কালিকাপুৰাণৰ ৰচনাস্থান হিচাপে সাধাৰণতে প্ৰাচীন **কামৰূপ প্ৰদেশ**ক ধৰা হয়। কামৰূপ অঞ্চলত শক্তি উপাসনাৰ প্ৰাচীন পৰম্পৰা আছিল। কামাখ্যা মন্দিৰ এই অঞ্চলৰ শক্তি সাধনাৰ কেন্দ্ৰবিন্দু আছিল আৰু আজিও আছে। গ্ৰন্থখনত কামৰূপৰ পাহাৰ, নদী, তীৰ্থস্থান আৰু জনজীৱনৰ বৰ্ণনা পোৱা যায়। এইবোৰ বৰ্ণনাই স্পষ্ট কৰে যে লেখক বা সংকলকসকল এই অঞ্চলৰ সৈতে ঘনিষ্ঠভাৱে জড়িত আছিল।

৭.৬ কালিকাপুৰাণৰ গঠন আৰু অধ্যায় বিভাজন

কালিকাপুৰাণ সাধাৰণতে **৯০ৰো অধিক অধ্যায়ত** বিভক্ত বুলি ধৰা হয়। ইয়াৰ বিভিন্ন পাণ্ডুলিপিত অধ্যায় সংখ্যাৰ সামান্য পাৰ্থক্য দেখা যায়। গ্ৰন্থখন সংস্কৃত ভাষাত ৰচিত আৰু শ্লোক আকাৰত লিখা ইয়াৰ অসমীয়া অনুবাদো আছে।

এই পুৰাণৰ গঠন তুলনামূলকভাৱে সুসংহত। আৰম্ভণিতে সৃষ্টিতত্ত্ব আৰু দেব-দেৱীৰ উৎপত্তিৰ কথা কোৱা হৈছে। তাৰ পিছত কালিকা, কামাখ্যা আৰু অন্যান্য শক্তি ৰূপসমূহৰ মাহাত্ম্য বৰ্ণনা কৰা হৈছে। শেষৰ ফালে তন্ত্ৰ সাধনা, পূজা বিধি আৰু ধৰ্মীয় আচাৰৰ কথা বিস্তৃতভাৱে আলোচনা কৰা হৈছে।

তলত কালিকাপুৰাণৰ অধ্যায়সমূহৰ **বিষয়ভিত্তিক সামগ্ৰীৰ সংক্ষিপ্ত বিৱৰণ** উল্লেখ হ'ল—

৫.১ প্ৰথম পৰ্যায় ঃ সৃষ্টিতত্ত্ব আৰু দেবকথা (প্ৰায় অধ্যায় ১—১০)

প্ৰথম পৰ্যায়ত বিশ্বসৃষ্টি, প্ৰলয় আৰু সৃষ্টিৰ মূল শক্তিৰ ধাৰণা বৰ্ণনা কৰা হৈছে। ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰকো শক্তিৰ ওপৰত নিৰ্ভৰশীল বুলি কোৱা হৈছে। শক্তিক সৰ্বশক্তিমান আৰু সৃষ্টিৰ মূল আধাৰ হিচাপে প্ৰতিষ্ঠা কৰা হৈছে।

৫.২ দ্বিতীয় পৰ্যায় ঃ দেবী কালিকাৰ উৎপত্তি আৰু মাহাত্ম্য (প্ৰায় অধ্যায় ১১—২৫)

এই অধ্যায়সমূহত দেৱী কালিকাৰ উৎপত্তি, ৰূপ আৰু শক্তিৰ মাহাত্ম্য পোৱা যায়। ইয়াৰ উপৰিও অসুৰনাশ, অধৰ্ম ধ্বংস আৰু ধৰ্ম প্ৰতিষ্ঠাৰ কাহিনীৰ জৰিয়তে দেৱী কালিকাক ভয়ংকৰ কিন্তু কৰুণাময়ী মাতৃৰূপে উপস্থাপন কৰা হৈছে।

৫.৩ তৃতীয় পৰ্যায় ঃ সতী কাহিনী আৰু শক্তিপীঠৰ উৎপত্তি (প্ৰায় অধ্যায় ২৬—৩৫)

তৃতীয় পৰ্যায়ত সতী দেৱীৰ আত্মদাহ, শিৱৰ বিলাপ আৰু বিষ্ণুৰ চক্ৰে সতীৰ দেহ খণ্ডিত কৰাৰ কাহিনী বৰ্ণিত হৈছে। সতীৰ দেহৰ বিভিন্ন অংগ যি যি স্থানত পতিত হৈছিল, সেইবোৰ স্থানক শক্তিপীঠ হিচাপে বৰ্ণনা কৰা হৈছে। কামৰূপৰ কামাখ্যা শক্তিপীঠক ইয়াত বিশেষ গুৰুত্ব দিয়া হৈছে।

৫.৪ চতুৰ্থ পৰ্যায় ঃ কামৰূপ দেশ আৰু কামাখ্যা মাহাত্ম্য (প্ৰায় অধ্যায় ৩৬—৫৫)

এই অধ্যায়সমূহত কামৰূপ প্ৰদেশৰ ভৌগোলিক পৰিচয়, নদী-পাহাৰ, তীৰ্থস্থান আৰু সমাজ জীৱনৰ সুন্দৰ বৰ্ণনা পোৱা যায়। কামাখ্যা দেৱীৰ মাহাত্ম্য, মন্দিৰৰ পবিত্ৰতা আৰু তীৰ্থ মাহাত্ম্য এই চতুৰ্থ পৰ্যায়ৰ মূল বিষয়।

৫.৫ পঞ্চম পর্যায় ঃ তন্ত্র সাধনা আৰু পূজা-বিধি (প্রায় অধ্যায় ৫৬—৭৫)

এই অংশত তন্ত্র সাধনাৰ নিয়ম, মন্ত্র-যন্ত্র, দীক্ষা পদ্ধতি আৰু পূজা-বিধিৰ বিস্তৃত আলোচনা কৰা হৈছে। শক্তি উপাসনাত গুৰুৰ ভূমিকা, সাধকৰ শুদ্ধতা আৰু নিয়মাৱলী স্পষ্টভাবে বর্ণনা কৰা হৈছে।

৫.৬ ষষ্ঠ পর্যায় ঃ সামাজিক আচাৰ আৰু ধর্মীয় বিধান (প্রায় অধ্যায় ৭৬—৮৫)

এই অধ্যায়সমূহত ব্রত, উপবাস, যজ্ঞ, পশুবলি আৰু সামাজিক আচাৰ আদি বিষয়ৰ উল্লেখ আছে। জাতি ব্যৱস্থা, ব্রাহ্মণৰ ভূমিকা আৰু ধর্মীয় আচৰণৰ নীতিসমূহ ইয়াত বর্ণনা কৰা হৈছে।

৫.৭ সপ্তম পর্যায় ঃ মাহাত্ম্য আৰু উপদেশ (প্রায় অধ্যায় ৮৬—শেষ)

এই পুৰাণৰ শেষৰ অধ্যায়সমূহত দেৱী উপাসনাৰ ফল, ভক্তিৰ মাহাত্ম্য আৰু ধর্মীয় উপদেশ দিয়া হৈছে। দেৱী ভক্তিৰ জৰিয়তে মুক্তি আৰু কল্যাণ লাভ হয় বুলি ইয়াত কোৱা হৈছে। এইদৰে কালিকা পুৰাণৰ অধ্যায়সমূহে পাঠকক সাধাৰণ ধর্মীয় ধাৰণাৰ পৰা গভীৰ শক্তি দর্শনৰ ফালে আগবঢ়াই নিয়া অনুভৱ হয়।

৭.৭ মূল বিষয়বস্তু

কালিকাপুৰাণৰ মূল বিষয় হ'ল **শক্তি উপাসনা**। ইয়াত শক্তিক বিশ্বৰ সর্বোচ্চ শক্তি হিচাপে গণ্য কৰা হৈছে। বিষ্ণু, শিৱ আদি দেবতাসকলকো শক্তিৰ সহায় অবিহনে নিষ্ক্রিয় বুলি কোৱা হৈছে। দেৱী কালিকা বা কালীক ভয়ংকৰ কিন্তু কৰুণাময়ী ৰূপত বর্ণনা কৰা হৈছে। দেৱীয়ে অজ্ঞান আৰু অধর্ম ধ্বংস কৰি ধর্ম প্রতিষ্ঠা কৰে বুলি বিশ্বাস কৰা হয়।

কালিকাপুৰাণত **মা কামাখ্যা দেৱী**ৰ মাহাত্ম্য অতি বিস্তৃতভাৱে বর্ণনা কৰা হৈছে। কোৱা হয় কামাখ্যা শক্তিৰ এক বিশেষ ৰূপ। এই দেৱী উর্বৰতা, সৃষ্টি আৰু নাৰীত্ব শক্তিৰ প্রতীক । গ্রন্থখনত কামাখ্যা মন্দিৰৰ পবিত্রতা আৰু তীর্থস্থানৰ মাহাত্ম্য বর্ণনা কৰা হৈছে। ইয়াৰ জৰিয়তে কামাখ্যা মন্দিৰক সমগ্র ভাৰতৰ এক গুৰুত্বপূর্ণ শক্তি পীঠ হিচাপে প্রতিষ্ঠা কৰা হৈছে। সেই বাবে প্রতিদিনে বহুতো ভক্তৰ ইয়াত সমাগম হয়।

কালিকাপুৰাণ তন্ত্র সাধনাৰ এক গুৰুত্বপূর্ণ উৎস। ইয়াত মন্ত্র, যন্ত্র, পূজা পদ্ধতি আৰু সাধনাৰ নিয়ম উল্লেখ আছে। বিশেষকৈ বামাচাৰ তন্ত্রৰ কিছুমান উপাদান এই গ্রন্থত দেখা যায়। এই তন্ত্রিক উপাসনা সাধাৰণ জনতাৰ বাবে সহজ নহয়; ইয়াৰ বাবে কঠোৰ নিয়ম পালন কৰাৰ প্রয়োজন হয়। কালিকা পুৰাণত তৎকালীন সমাজ ব্যৱস্থাৰ প্রতিফলন ঘটিছে। জাতি ব্যৱস্থা, ব্রাহ্মণৰ ভূমিকা, নাৰীৰ অৱস্থান আদি বিষয় ইয়াত উল্লেখ আছে। যদিও আজিৰ দৃষ্টিত কিছুমান মতামত গ্রহণযোগ্য নহয়, তথাপি ঐতিহাসিক সাক্ষী হিচাপে ই অতি গুৰুত্বপূর্ণ। কালিকা পুৰাণত বহু গুৰুত্বপূর্ণ পৌৰাণিক কাহিনীৰ উল্লেখ পোৱা যায়। এই কাহিনীসমূহৰ মাজত দেবী সতীৰ দেহত্যাগ, শক্তিপীঠসমূহৰ উৎপত্তি, দেৱী কালিকাৰ অসুৰনাশ আদি বিশেষভাবে উল্লেখযোগ্য। এই কাহিনীসমূহৰ জৰিয়তে শক্তিৰ বিজয় আৰু ধর্ম প্রতিষ্ঠাৰ আদর্শ দাঙি ধৰা দেখা যায়।

কালিকাপুৰাণ শক্তিপীঠ ধাৰণাৰ এক গুৰুত্বপূর্ণ উৎস। সতীৰ দেহৰ বিভিন্ন অংগ যি যি স্থানত পতিত হৈছিল, সেইবোৰ স্থানক শক্তিপীঠ বুলি গণ্য কৰা হয়। কামাখ্যা শক্তিপীঠক এইবোৰৰ ভিতৰত অন্যতম শ্রেষ্ঠ শক্তি পীঠ হিচাপে দেখুওৱা হৈছে। এই ধাৰণাই সমগ্র ভাৰতবর্ষত শক্তি উপাসনাৰ বিস্তাৰত সহায় কৰিছে। এই পুৰাণত নাৰী শক্তিক সৃষ্টিৰ মূল আধাৰ হিচাপে বর্ণনা কৰা হৈছে। দেৱী কেৱল পূজনীয় নহয়, তেওঁ সংসাৰ চলোৱা আৰু বিশ্ব ৰক্ষাৰ শক্তিও। এই ধাৰণাই তৎকালীন সমাজত নাৰীৰ ধর্মীয় গুৰুত্ব প্রকাশ পাইছে। কালিকা পুৰাণত বিভিন্ন পূজা-পদ্ধতি, ব্রত, উপবাস আৰু যজ্ঞৰ উল্লেখ আছে। দেৱী পূজাত শুদ্ধতা, নিয়মানুবর্তিতা আৰু ভক্তিৰ ওপৰত গুৰুত্ব আৰোপ কৰা দেখা যায়। পশুবলিৰ উল্লেখ থাকিলেও ইয়াক নির্দিষ্ট বিধি আৰু উদ্দেশ্যৰ

সৈতে সংযোগ কৰা হৈছে। কালিকা পুৰাণ সংস্কৃত ভাষাত ৰচিত যদিও ইয়াৰ ভাষা তুলনামূলকভাৱে সহজ আৰু বৰ্ণনামূলক। অলংকাৰিক শৈলী, উপমা আৰু প্ৰতীকৰ ব্যৱহাৰে ইয়াক সাহিত্যিক দৃষ্টিতো যথেষ্ঠ গুৰুত্বপূৰ্ণ কৰি তুলিছে।

৭.৮ কালিকাপুৰাণৰ গুৰুত্ব

কালিকাপুৰাণ অসমৰ ইতিহাস অধ্যয়নৰ বাবে এক গুৰুত্বপূৰ্ণ উৎস। যদিও ই এখন ধৰ্মীয় গ্ৰন্থ, তথাপি ইয়াত থকা ভৌগোলিক, সামাজিক আৰু ৰাজনৈতিক তথ্যই ইতিহাসবিদসকলক বহু ক্ষেত্ৰত সহায় কৰে। কামৰূপ দেশৰ সীমা, পাহাৰ, নদী আৰু তীৰ্থস্থানৰ বৰ্ণনাই সেই সময়ৰ ভৌগোলিক ধাৰণাৰ আভাস দিয়ে। এই গ্ৰন্থত উল্লেখিত শাসকসকলৰ ধৰ্মীয় আস্থা আৰু পৃষ্ঠপোষকতাই তৎকালীন ৰাজনৈতিক পৰিৱেশ বুজিবলৈ সহায় কৰে। শক্তি উপাসনাৰ প্ৰাধান্যই দেখুৱায় যে কামৰূপত শৈৱ-শক্ত পৰম্পৰা শক্তিশালী আছিল। ইয়াৰ উপৰিও কালিকা পুৰাণে উত্তৰ-পূব ভাৰতত তন্ত্ৰ সাধনাৰ বিস্তাৰৰ ইতিহাস জানিবলৈ সহায় কৰে। এই দৃষ্টিকোণৰ পৰা দেখা যায় যে কালিকা পুৰাণ কেৱল ধৰ্মীয় নহয়, ঐতিহাসিক দলিল হিচাপেও গুৰুত্বপূৰ্ণ। এই পুৰাণ অসমৰ ইতিহাস অধ্যয়নৰ বাবে এক মূল্যবান উৎস। ইয়াত কামৰূপ দেশৰ সীমা, শাসন ব্যৱস্থা আৰু ধৰ্মীয় জীৱনৰ আভাস পোৱা যায়। পাল বংশৰ সময়ছোৱাৰ ৰাজনৈতিক আৰু ধৰ্মীয় পৰিৱেশ বুজিবলৈ এই গ্ৰন্থখনে কিছু সহায় কৰে। ইয়াৰ উপৰিও, উত্তৰ-পূব ভাৰতত শক্তি উপাসনাৰ বিস্তাৰ কেনেকৈ হৈছিল সেই বিষয়ে জানিবলৈ কালিকা পুৰাণে ভূমিকা লৈছে।

কালিকাপুৰাণে অসমৰ সাংস্কৃতিক পৰিচয় গঢ় দিয়াত সহায় কৰিছে। কামাখ্যা দেৱীক কেন্দ্ৰ কৰি গঢ় লৈ উঠা উৎসৱ, পূজা-পাৰ্বণ আৰু লোকবিশ্বাসৰ মূল শিপা এই গ্ৰন্থত পোৱা যায়। আজিও অম্বুবাচী মেলা আদি উৎসৱৰ সৈতে কালিকা পুৰাণৰ ধাৰণা গভীৰভাৱে জড়িত হৈ আছে।

- কালিকাপুৰাণ কেৱল এখন ধৰ্মীয় গ্ৰন্থ নহয়; ই অসমৰ শক্তি উপাসনা, তন্ত্ৰ সাধনা আৰু সাংস্কৃতিক ইতিহাসৰ এক মূল্যৱান গ্ৰন্থ। লেখক আৰু ৰচনাকাল নিৰ্দিষ্ট নহ'লেও, ইয়াৰ প্ৰভাৱ যুগ যুগ ধৰি বিদ্যমান হৈ আছে।
- কালিকাপুৰাণ এখন যে উল্লেখযোগ্য উপপুৰাণ। তাৰ বিষয়ে ড° আৰ. চি. হাজৰাই তেওঁৰ 'Studies in the Upapurana' নামৰ গ্ৰন্থত দেখুৱাইছে যে বিভিন্ন গ্ৰন্থত আৰু উপপুৰাণত উল্লেখ থকাৰ উপৰিও কালিকাপুৰাণৰ উল্লেখ ব্ৰহ্মবৈৱৰ্ত্তপুৰাণ, পদ্মপুৰাণ, গৰুড়পুৰাণ, কুৰ্মপুৰাণ, স্কন্দপুৰাণ আদি প্ৰধান পুৰাণবোৰতো বহুবাৰ কৰা হৈছে।
- এই পুৰাণখন উপপুৰাণ হ'লেও ভাৰতীয় শক্তি-পূজাৰ অনুষ্ঠানত দুৰ্গা পূজাৰ তিনিটা ধাৰাৰ ভিতৰত কালিকা পুৰাণোক্ত ধাৰা বিশেষ উল্লেখযোগ্য।
- আমাৰ দেশত প্ৰচলিত শ্ৰীদুৰ্গা পূজাৰ বিষয়ে কালিকাপুৰাণত বহুতখিনি উল্লেখ আছে।
- আন পুৰাণত নথকা বহুতো উপাখ্যান এই পুৰাণত পোৱা যায়। ইয়াতে কাত্যায়নীৰ আবিৰ্ভাৱ (৬০ অ.), দেৱী পূজাৰ কৰ্তব্য (৬১ অ.), কামাখ্যাৰ বিৱৰণ (৬২ অ.), কামাখ্যাৰ পূজা আৰু ত্ৰিপুৰাতন্ত্ৰ (৬৩ অ.) আদি বহুতো পৌৰাণিক উপাখ্যান ইয়াতে পোৱা যায়।
- পুৰণি কামৰূপৰ পৰা প্ৰাগজ্যোতিষৰ বিস্তৃত বিৱৰণ কালিকাপুৰাণৰ দৰে আন কোনো পুৰাণতে নাই। গতিকে কালিকাপুৰাণৰ মহত্ব আৰু গুৰুত্ব যথেষ্ঠ আছে।

৭.৯ কালিকাপুৰাণৰ অন্যান্য সাহিত্যলৈ প্ৰভাৱ

কালিকাপুৰাণৰ কিছুমান অংশত হিংসাত্মক আচাৰ আৰু পশুবলি আদিৰ উল্লেখ পোৱা যায়। যাক আধুনিক যুগত সমালোচনা কৰা হৈছে। তথাপি সেইবোৰ সেই সময়ৰ ধৰ্মীয় বিশ্বাস আৰু সামাজিক বাস্তৱতাৰ প্ৰতিফলন বুলি বুজিব লাগে। সামগ্ৰিকভাৱে কালিকাপুৰাণ এক গুৰুত্বপূৰ্ণ ধৰ্মীয় আৰু ঐতিহাসিক গ্ৰন্থ। ইয়াৰ অধ্যয়নে অসমৰ অতীত বুজিবলৈ সহায় কৰে। কালিকাপুৰাণ শক্তি-কেন্দ্ৰিক উপপুৰাণসমূহৰ ভিতৰত এক গুৰুত্বপূৰ্ণ গ্ৰন্থ। ইয়াৰ প্ৰভাৱ কেৱল ধৰ্মীয় ক্ষেত্ৰতেই সীমাবদ্ধ নহয়; পৰৱৰ্তী তন্ত্ৰ সাহিত্য, শক্তি উপাসনা আৰু আঞ্চলিক সাহিত্যৰ ওপৰতো গভীৰ প্ৰভাৱ পেলাইছে।

প্ৰথমতে দেখা যায় যে তন্ত্ৰ সাহিত্যৰ ওপৰত কালিকাপুৰাণৰ প্ৰভাৱ বিশেষভাবে উল্লেখযোগ্য। যোগিনী তন্ত্ৰ গ্ৰন্থত দেখা পোৱা শক্তি সাধনা, দেৱী উপাসনা আৰু শক্তিপীঠ ধাৰণাৰ সৈতে কালিকাপুৰাণৰ ঘনিষ্ঠ সাদৃশ্য আছে। কামাখ্যা দেৱীক কেন্দ্ৰ কৰি গঢ় লৈ উঠা তন্ত্ৰিক বিশ্বাসসমূহ এই পুৰাণৰ প্ৰভাৱতেই বিস্তাৰ লাভ কৰিছে।

দ্বিতীয়তে, ভাৰতীয় শক্তি সাহিত্যৰ ওপৰতো কালিকাপুৰাণে প্ৰভাৱ পেলাইছে। দেবী মাহাত্ম্য আৰু দেবী ভাগৱত পুৰাণত দেৱীক সৰ্বশক্তিমান সত্তা হিচাপে যি ৰূপত দেখা যায়, সেই ধাৰণাৰ সৈতে কালিকা পুৰাণৰ শক্তি দৰ্শনৰ মিল লক্ষ্য কৰা যায়। ইয়াৰ পৰা বুজা যায় যে কালিকা পুৰাণ শক্তি উপাসনাৰ বিকাশত এক গুৰুত্বপূৰ্ণ সংযোগসূত্ৰ।

তৃতীয়তে, অসমীয়া সাহিত্য আৰু লোকসংস্কৃতিত কালিকাপুৰাণৰ প্ৰভাৱ দেখা যায়। কামাখ্যা দেৱী, অম্বুবাচী উৎসৱ, উৰ্ৱৰতা পূজা আদি ধাৰণা মধ্যযুগীয় অসমীয়া সাহিত্য আৰু লোকবিশ্বাসত ব্যাপকভাবে প্ৰৱেশ ঘটিছে। বহু লোকগাথা, ধৰ্মীয় কাব্য আৰু পূজা-বৰ্ণনাত কালিকা পুৰাণৰ কাহিনী আৰু প্ৰতীকৰ পুনৰাবৃত্তি দেখা যায়।

শেষত, আধুনিক ইতিহাস আৰু নৃতত্ত্বমূলক লেখনিতো কালিকাপুৰাণ এক গুৰুত্বপূৰ্ণ উৎস হিচাপে ব্যৱহৃত হৈছে। অসমৰ প্ৰাচীন সমাজ, ধৰ্মীয় আচাৰ আৰু নাৰী শক্তিৰ ধাৰণা বিশ্লেষণ কৰিবলৈ গৱেষকসকলে এই পুৰাণৰ সহায় লোৱা দেখা যায়। এইদৰে ক'ব পাৰি যে কালিকাপুৰাণে ধৰ্মীয় সাহিত্যৰ সীমা অতিক্ৰম কৰি তন্ত্ৰ সাহিত্য, শক্তি সাহিত্য আৰু আঞ্চলিক সাহিত্যৰ ওপৰত সুদূৰপ্ৰসাৰী প্ৰভাৱ বিস্তাৰ কৰিছে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ কালিকাপুৰাণ মহাপুৰাণ নে উপপুৰাণ লিখক।

.....

প্ৰশ্ন নং ২ ঃ কালিকাপুৰাণত প্ৰধানকৈ কি আলোচনা কৰা হৈছে?

.....

প্ৰশ্ন নং ৩ ঃ কালিকাপুৰাণৰ ৰচনাস্থান হিচাপে কোনখন ঠাই ধৰা হয়?

.....

প্ৰশ্ন নং ৪ ঃ কালিকাপুৰাণত উল্লেখিত এটি মেলাৰ নাম লিখক।

.....

প্ৰশ্ন নং ৫ ঃ কালিকাপুৰাণত কিমানটা অধ্যায় আছে?

.....

৭.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- কালিকাপুৰাণৰ ৰচক আৰু ৰচনাকালৰ বিষয়ে গম পালো।
- কালিকাপুৰাণৰ গুৰুত্বৰ বিষয়ে জানিলো।
- কালিকাপুৰাণৰ অন্যান্য সাহিত্যলৈ প্ৰভাৱৰ বিষয়ে জানিলো।
- কালিকাপুৰাণৰ গঠন আৰু অধ্যায় বিভাজন সম্পৰ্কে জানিলো।
- ভৌগোলিক মূল্য আৰু সাংস্কৃতিক দিশৰ বিষয়ে জানিলো।

৭.১১ অধিক জানিবলৈ

১) কালিকাপুৰাণ, অনুবাদ দেবেন্দ্ৰ নাথ ভট্টাচাৰ্য, বাণী মন্দিৰ, ২০০৮।
২) শৰ্মা, ড° থানেশ্বৰ, সংস্কৃত সাহিত্যৰ ইতিবৃত্ত (২০১৫), চন্দ্ৰ প্ৰকাশ, গুৱাহাটী।

৭.১২ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ উপপুৰাণ।

২ নং প্ৰশ্নৰ উত্তৰঃ কামাখ্যাৰ মাহাত্ম্য আলোচনা কৰা হৈছে।

৩ নং প্ৰশ্নৰ উত্তৰঃ কামৰূপ প্ৰদেশক ধৰা হয়।

৪ নং প্ৰশ্নৰ উত্তৰঃ অম্বুবাচী মেলা।

৫ নং প্ৰশ্নৰ উত্তৰঃ ৯০ৰো অধিক অধ্যায় আছে।

৭.১৩ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ কালিকাপুৰাণত উল্লেখিত সামাজিক আচাৰ আৰু ধৰ্মীয় বিধানৰ বিষয়ে লিখক।

খ) চমু প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ কালিকাপুৰাণৰ ৰচনাস্থান আৰু ৰচনা কালৰ বিষয়ে লিখক।

গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ কালিকাপুৰাণৰ গঠন আৰু অধ্যায় বিভাজনৰ বিষয়ে বহলাই লিখক।

*** ***** ***

অধ্যায় ৮ঃ 'গীতগোৱিন্দম্' (সাধাৰণ আলোচনা)

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য

৮.২ পৰিচয়

৮.৩ 'গীতগোৱিন্দম্' গীতিকাব্যখনৰ চমু পৰিচয়

৮.৩.১ গীতিকাব্যৰ লক্ষণ

৮.৩.২ 'গীতগোৱিন্দম্' ৰ টীকা

৮.৪ ৰচকৰ পৰিচয়

৮.৫ শিৰোনামৰ তাৎপর্য

৮.৬ সর্গসমূহৰ সাৰাংশ

৮.৭ 'গীতগোৱিন্দম্'ৰ কাব্যিক সৌন্দর্য

৮.৮ 'গীতগোৱিন্দম্'ৰ কেইটামান শ্লোকৰ ব্যাখ্যা

৮.৯ অধ্যায়ৰ পৰা আমি কি শিকিলোঁ

৮.১০ অধিক জানিবলৈ

৮.১১ অগ্রগতিৰ খতিয়ান

৮.১২ আর্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- 'গীতগোৱিন্দম্' গীতিকাব্যৰ বিষয়ে এটি চমু আভাস লাভ কৰিব
- কৰি জয়দেৱৰ বিষয়ে সাধাৰণ জ্ঞান লাভ কৰিব পাৰিব
- 'গীতগোৱিন্দম্' গীতিকাব্যৰ প্রতিটো সর্গৰ বিষয়বস্তুৰ সাৰাংশ আয়ত্ত কৰিব পাৰিব
- গীতিকাব্যখনৰ কাব্যিক সৌন্দর্যৰ বিষয়ে জানিব পাৰিব।

৮.২ পৰিচয়

সংস্কৃত সাহিত্য দুটা ভাগত বিভক্ত শ্রব্যকাব্য আৰু দশ্যকাব্য। দৃশ্যকাব্যসমূহ অভিনয়ৰ জৰিয়তে মঞ্চত প্রদর্শন কৰা হয়। কিন্তু শ্রব্যকাব্যসমূহ কেৱল শুনা যায় বা পাঠ কৰা হয়। শ্রব্যকাব্যসমূহ দুই প্রকাৰৰ- পদ্যময় আৰু গদ্যাত্মক। ছন্দ প্রয়োগ কৰি পদ্যত ৰচিত কাব্যই হ'ল পদ্যকাব্য। যেনে- মহাকাব্য, খণ্ডকাব্য আৰু কোষকাব্য। আকৃতিৰ ফালৰ মহাকাব্যসমূহ ডাঙৰ, যেনে- 'ৰঘুবংশম' আৰু তুলনামূলকভাৱে খণ্ডকাব্যসমূহ সৰু, যেনে- 'মেঘদূতম্'। এই খণ্ডকাব্যসমূহক গীতিকাব্য বুলিও কোৱা হয়। পৰস্পৰ নিৰপেক্ষ পদ্য সংগ্রহক কোষকাব্য বোলে। যেনে- মুক্তাৱলী। গদ্যাত্মক শ্রব্যকাব্য হ'ল সেইবোৰ য'ত গদ্যৰ জৰিয়তে বর্ণিত বিষয় মনোগ্রাহী কৰি তোলা হয়, যেনে- কাদম্বৰী।

এই অধ্যায়ত 'গীতগোৱিন্দম্' গীতিকাব্যখনৰ এটি সাধাৰণ সমালোচনা আগবঢ়োৱা হৈছে। ইয়াৰ জৰিয়তে

আপুনি গীতিকাব্যৰ লক্ষণ, 'গীতগোৱিন্দম্' গীতিকাব্যখনৰ চমু পৰিচয়, 'গীতগোৱিন্দম্'ৰ টীকা লিখকৰা পৰিচয়, শিৰোনামৰ তাৎপর্য, সর্গসমূহৰ সাৰাংশ আদি জানিব পাৰিব।

জানি থোৱা ভাল

মহাকাব্য ঃ সর্গবন্ধাত্মক পদ্যকাব্যক মহাকাব্য বোলে। যেনে— 'ৰঘুবংশম্'।

ঋষি প্রণীত মহাকাব্যক আর্ষকাব্য বোলে, য'ত সর্গবিলাকক আখ্যান বোলে। যেনে— 'মহাভাৰতম্'।

প্রাকৃত ভাষাত ৰচিত মহাকাব্যক প্রাকৃত মহাকাব্য বোলে। ইয়াত সর্গবোৰক আশ্বাস কোৱা হয়। যেনে- 'সেতুবন্ধ'।

কিছুমান মহাকাব্য অপ্রভ্রংশ ভাষাতো ৰচিত, য'ত সর্গবোৰৰ কুড়ুবক বোলে। যেনে- 'কর্প- পৰাক্রম্'।

৮.৩ 'গীতগোৱিন্দম্' গীতিকাব্যখনৰ চমু পৰিচয়

ভক্তিভাৱ আৰু প্রেমৰ এক সুন্দৰ সংমিশ্রণ হ'ল কৰি জয়দেৱ গোস্বামীদেৱৰ দ্বাৰা ৰচিত 'গীতগোৱিন্দম্'। ভক্তিগীতি নামেৰেও এই কাব্যখন জনাজাত। কালিদাসৰ 'মেঘদূতম্'ৰ পাছতেই জনপ্রিয় গীতিকাব্য হ'ল 'গীতগোৱিন্দম্'। এই কাব্যখনত শ্রীকৃষ্ণ আৰু ৰাধাৰ চিৰস্মৰণীয় প্রণয়ৰ হৃদয়স্পশী বর্ণনা পোৱা যায়। শৃংগাৰ ৰসেৰে ৰঞ্জিত এই গীতিকাব্যখনত ৰাধা আৰু কৃষ্ণ-প্রেমিক-যুগলৰ মাজত বিচ্ছেদৰ ফলত হোৱা বিৰহাৱস্থাৰ আৰু দুয়োৰে মিলনত হোৱা সাম্ভোগৰ মনোগ্রাহী বর্ণনা পদ্যাত্মক ৰূপত পোৱা যায়। পদ্যৰ লগতে কিছু কিছু সংলাপো 'গীতগোৱিন্দম্'ত দেখা যায়। এই অল্পকায় কাব্যখন ১২ টা ভাগত বিভক্ত। ভাগসমূহক 'সর্গ' বুলি কোৱা হয়। বিষয়বস্তু অনুসৰি সর্গসমূহৰ নামাৰকণ তলত দিয়া ধৰণে কৰা হৈছে—

(১) প্রথম সর্গ ———————— সামোদ - দামোদৰ
(২) দ্বিতীয় সর্গ ———————— অক্লেশ - কেশৱ
(৩) তৃতীয় সর্গ ———————— মুগ্ধ - মধুসূদন
(৪) চতুর্থ সর্গ ———————— নিগ্ধ - মধুসূদন
(৫) পঞ্চম সর্গ ———————— সাকাংক্ষা - পুণ্ডৰীকাক্ষ
(৬) ষষ্ঠ সর্গ ———————— সোৎকণ্ঠ- বৈকুণ্ঠ
(৭) সপ্তম সর্গ ———————— নাগৰ- নাৰায়ণ
(৮) অষ্টম সর্গ ———————— বিলক্ষ- লক্ষ্মী পতি
(৯) নৱম সর্গ ———————— মুগ্ধ - মুকুন্দ
(১০) দশম সর্গ ———————— চুতুৰ - চতুর্ভূজ
(১১) একাদশ ———————— সানন্দ - গোৱিন্দ
(১২) দ্বাদশ ———————— সুপ্রীত - পীতাম্বৰ

প্রতিটো সর্গ কিছুমান শ্লোক আৰু অষ্টপদীৰে গঠিত। বস্তুতঃ 'গীতগোৱিন্দম্'ত অষ্টপদী বা প্রৱন্ধসমূহেই প্রধান। শ্লোকসমূহ মাত্র বর্ণিত কাহিনীভাগ আগু�ৰাই নিবলৈ বা সর্গসমূহৰ মাজত সম্বন্ধ স্থাপন কৰিবলৈ কৰোৱাত সংযোজন কৰা হৈছে। বাৰটা সর্গত সর্বমুঠ ২৪ টা অষ্টপদী আছে। ইয়াৰে প্রথম আৰু সপ্তম সর্গত চাৰিটাকৈ, একাদশ সর্গত তিনিটা, দ্বিতীয়, চতুর্থ, পঞ্চম আৰু দ্বাদশ সর্গত দুটাকৈ আৰু অৱশিষ্ট সর্গসমূহত এটকৈ অষ্টপদী

আছে। 'গীতগোৱিন্দম্' প্ৰতিটো অষ্টপদী বিশেষ ৰাগ আৰু তালেৰে গোৱা হয়। উদাহৰণ স্বৰূপে প্ৰথমটো অষ্টপদী 'মালৱ' নামৰ ৰাগ আৰু 'ৰূপক' তলৰ যোগেদি গোৱা হয়। সমগ্ৰ 'গীতগোৱিন্দম্'ত সৰ্বমুঠ ৩৮৬ টা শ্লোক আছে।

৮.৩.১ গীতিকাব্যৰ লক্ষণ

আপুনি নিশ্চয় জানে যে গীতিকাব্যসমূহ পদ্যময় বা ছন্দত ৰচিত। ৰিশ্বনাথ কবিৰাজে 'সাহিত্যদৰ্পণ'ৰ ষষ্ঠ পৰিচ্ছেদত সেইবোৰ শ্ৰব্যকাব্যক গীতিকাব্য বা খণ্ডকাব্যত কাব্য বা মহাকাব্যৰ লক্ষণ সংগত নহয় অথচ কিছুমান লক্ষণৰ মিল দেখা যায়। গতিকে, ক'ব পাৰি যে গীতিকাব্যত মহাকাব্যৰ কিছু কিছু লক্ষণ দেখা যায়। গীতিকাব্যত কবিয়ে অন্তৰত থকা কোমল ভাৱসমূহৰ কোনো এক বিষয়ক কেন্দ্ৰ কৰি কল্পনাৰ জৰিয়তে গাৰ পৰাকৈ সংক্ষিপ্ত ৰূপত প্ৰকাশ কৰে। কৰিৰ হৃদয়ত উদ্বেলিত সুখ-দুখ বা নৈতিক, ধাৰ্মিক আদি প্ৰচুৰ আৱেগ বা ভাৱানুভূতি স্বতঃস্ফূৰ্তভাৱে গীতিকাব্যৰূপত অভিব্যক্ত হয়। হৃদয়ত সংৰক্ষিত এনে কল্পনাময় আৱেগ প্ৰকাশেৰে কৰিয়ে পৰম আনন্দ অনুভৱ কৰে। অৰ্থাৎ কোনো এক নিৰ্দিষ্ট বিষয়ৰ সংক্ষিপ্ত গেয়াত্মক অন্তৰংগ আৱেগ অনুভূতিযুক্ত কাব্যই হ'ল গীতিকাব্য। আধুনিক পণ্ডিতসকলে গীতিকাব্যত তিনিটা প্ৰমুখ তত্ত্ব স্বীকাৰ কৰিছে --(১) ভাৱাতিৰেক, (২) কল্পনা আৰু (৩) সংগীত। ইয়াৰে ভাৱাতিৰেকত হৃদয়ৰ কোমলভাৱৰ আৱেগসহ স্ফুৰণ হয়। প্ৰেম, শোক, ভক্তি, নীতি, বৈৰাগ্য আদি ভাৱসমূহৰ স্পন্দন হয়।

বিষয়ক দৃষ্টিকোণৰ পৰা সংস্কৃত গীতিকাব্যসমূহক দুটা ভাগত ভাগ কৰা হয় --- (১) শৃংগাৰমূলক আৰু (২) ভক্তিমূলক। শৃংগাৰাত্মক গীতিকাব্যত ঋতুবৰ্ণনা, বার্তা-প্ৰেৰণ, প্ৰেম তথা বিৰহ আদি ভাৱসমূহৰ প্ৰকাশ হয়। সাধাৰণতে ভক্তিমূলক গীতিকাব্যক 'স্তোত্ৰ' বুলি কোৱা হয়। এইবিধ গীতিকাব্যত আৰাধ্য দেৱতা, গুৰু বা আচাৰ্য্যৰ প্ৰতি শ্ৰদ্ধা সমন্তিত কাব্যাঞ্জলি প্ৰদান কৰা হয়।

জানি থোৱা ভাল

ঋগ্বেদৰ, সূৰ্যসূক্ত বা উষাসূক্তসমূহৰ মাজত গীতিকাব্যৰ প্ৰথম চানেকি দেখা যায়।

৮.৩.২ 'গীতগোৱিন্দম্'ৰ টীকা

কোনো গ্ৰন্থৰ ওপৰত ৰচিত 'টীকা ই সেই গ্ৰন্থখনৰ জনপ্ৰিয়তাৰ সূচনা দিয়ে। 'গীতগোৱিন্দম্'ৰ ওপৰত প্ৰায় ৫০টা সংস্কৃত টীকা লিখা হৈছে যদিও অধিকাংশই অপ্ৰকাশিত। জয়দেৱৰ সমকালীন কবি তথা 'আৰ্যাসপ্তশতী'ৰ ৰচক গোৱৰ্ধনীচাৰ্যৰ কনিষ্ঠ ভাতৃ উদয়নাচাৰ্যই 'গীতগোৱিন্দম্'ৰ ওপৰত প্ৰথম টীকা লিখিছিল। সেই সময়ৰ পৰা ১৮৮১ চনত জীৱানন্দ বিদ্যাসাগৰ দ্বাৰা ৰচিত 'গীতগোবিন্দ বিবৃত্তি' পৰ্যন্ত অনেক টীকা 'গীতগোবিন্দবিবৃত্তি'ৰ ওপৰত ৰচিত হৈছে। তলত কেইটামান টীকাৰ নাম উল্লেখ কৰা হ'ল-

টীকা		টীকাকাৰ
ভাৱৰিভাৰিনী	————————	উদয়নাচার্য
সর্বাংগসুন্দৰী	————————	নাৰায়ণ দাস
ৰসিকপ্ৰিয়া	————————	কুম্ভকর্ণ (ৰাণাকুম্ভ)
সাৰদীপিকা	————————	জগৎধন
ৰসমঞ্জৰী	————————	শংকৰমিশ্ৰ
শ্ৰুতিৰঞ্জনী	————————	লক্ষ্মণ সূৰি

সঞ্জীৱনী	————————	বনমালি ভট্ট
ব্যাখ্যান	————————	প্ৰবোধনন্দ সৰস্বতী
সাহিত্যৰত্নমালা	————————	শেষ কমলাকাৰ
গীতগোৰিন্দবৃত্তি	————————	জীৱানন্দ বিদ্যাসাগৰ

জানি থোৱা ভাল

টীকা ঃ টীকা হ'ল কোনো গ্ৰন্থৰ ওপৰত লিখা ব্যাখ্যা। 'টীক্যতে গম্যতে গ্ৰন্থাৰ্থোऽনয়া' (গ্ৰন্থাৰ্থোऽনয়া) — অৰ্থাৎ যাৰ দ্বাৰা গ্ৰন্থৰ মূল অৰ্থ স্পষ্ট সেয়ে টীকা।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ শ্ৰব্য কাব্যসমূহ কেই প্ৰকাৰৰ?

.....

প্ৰশ্ন নং ২ ঃ 'গীতগোৰিন্দম্'ৰ পঞ্চম সৰ্গটোৰ নাম কি?

.....

প্ৰশ্ন নং ৩ ঃ 'গীতগোৰিন্দম্'ত সৰ্বমুঠ কেইটা অষ্টপদী আছে?

.....

প্ৰশ্ন নং ৪ ঃ 'গীতগোৰিন্দম্'ৰ ওপৰত লিখা প্ৰথম টীকাটোৰ নাম কি?

.....

প্ৰশ্ন নং ৫ ঃ কোনবিধ গীতিকাব্যত ঋতুবৰ্ণনা পোৱা যায়?

.....

৮.৪ গীতিকাব্যখনৰ ৰচকৰ পৰিচয়

এতিয়া আপুনি' গীতগোৰিন্দম্' গীতিকাব্যখনৰ ৰচকৰ বিষয়ে জানিব পাৰিব। 'গীতগোৰিন্দম্'ৰ ৰচক হ'ল জয়দেৱ গোস্বামী। সংস্কৃত সাহিত্যৰ আন আন কৰিসকলৰ দৰেই জয়দেৱৰ ব্যক্তিগত জীৱন সম্পৰ্কে স্পষ্টভাৱে পোৱা নাযায়। জয়দেৱে তেওঁৰ জন্মস্থান সম্পৰ্কে স্পষ্টকৈ কোৱা নাই যদিও 'গীতগোৰিন্দম্'ৰ সপ্তম অষ্টপদীৰ অষ্টম শ্লোকত 'কেন্দুবিল্ব' শব্দটিৰ উল্লেখ দেখা যায় —

বৰ্ণিতং জয়দেৱকেন হৰেৰিদং প্ৰণতেন।
কেন্দুবিল্বসমুদ্ৰসম্ভৱৰোহিণীৰমণেন।।

অৰ্থাৎ কেন্দুবিল্ব নামৰ গাঁওৰূপী সমুদ্ৰৰ পৰা উৎপন্ন জয়দেৱৰূপী চন্দ্ৰমাৰ দ্বাৰা শ্ৰীকৃষ্ণৰ এই গীত (বিৰহগীত) বৰ্ণনা কৰিছে।

উক্ত কেন্দুবিল্ব গাঁওখনক ব্যাখ্যাকাৰসকলে কুলবৃত্তি গাঁও বুলি কৈছে। এই কুলবৃত্তি গাঁওখন পশ্চিম বংগৰ বীৰভূমি জনপদৰ বোলপুৰৰ অন্তৰ্গত অজয় নদীৰ উত্তৰ দিশত অৱস্থিত। বংগদেশৰ বিদোৎসাহী ৰজা লক্ষ্মণসেনৰ ৰাজসভাৰ 'পঞ্চৰত্ন'ৰ অন্যতম আছিল জয়দেৱ। আন চাৰিজন পণ্ডিত ৰত্ন হ'ল উমাপতিধৰ, ধোয়ী, শৰণ আৰু গোৱৰ্ধন লক্ষ্মণেসেনে ৰাজত্ব কৰিছিল ১২ শতাব্দী। আনহাতে, জয়দেৱৰ বংশজ ৰামৰায় গোস্বামীয়ে নিশ্চিত কৰে যে কবিজনৰ জন্ম ১১০৮ চনৰ বসন্তপঞ্চমীৰ দিনা হৈছিল। গীতগোৰিন্দম্ৰ দ্বাদশ সৰ্গৰ অন্তিম

শ্লোকত তেওঁৰ পিতৃ-মাতৃত নাম ক্ৰমান্বয়ে শ্ৰীভোজদেৱ আৰু ৰাধাদেৱী বুলি উল্লেখ কৰিছে। কোনে কোনে পাঠান্তৰত ৰাধাদেৱীৰ ঠাইত বামদেৱী হিচাপে পঢ়িবলৈ পোৱা যায়। উক্ত শ্লোকতেই তেওঁৰ বন্ধু পৰাশৰৰ নাম পোৱা যায়—

শ্ৰীভোজদেৱপ্ৰভৱস্য ৰাধাদেৱীসূতশ্ৰীজয়দেৱকস্য।
পৰাশৰাদিপ্ৰিয়বৰ্গকণ্ঠে শ্ৰীগীতগোৰিন্দকৰিত্বমস্তু।।

জয়দেৱৰ পত্নীৰ নাম আছিল পদ্মাৱতী। তেওঁ এগৰাকী পতিব্ৰতা পত্নীৰ লগতে নৃত্যগীততো নিপুণ আছিল। কোৱা হয় যে স্বামী জয়দেৱৰ শুশ্ৰূষাৰ পদ্মাৱতীয়ে উপাস্য দেৱতা শ্ৰীকৃষ্ণৰ সন্মুখত নানা গীত তথা নৃত্যৰ আয়োজন কৰিছিল। স্বয়ং জয়দেৱেই 'পদ্মাৱতীচৰণ চাৰণচক্ৰৱতী'- এনেদৰে কৈছে। ৰোহিণী দেৱী নামেৰে জয়দেৱৰ অন্য এগৰাকী পত্নীৰ নামো উল্লেখ পোৱা যায়। তেওঁক পাঞ্জাৰৰ সাৰস্বত পূৰ্ণচন্দ্ৰ গোস্বামীৰ কন্যা বুলি জনা যায়।

ৰচনাৰাজিৰ ভিতৰত কবিৰাজ জয়দেৱৰ একমাত্ৰ প্ৰামাণিক কৃতি হ'ল- 'গীতগোৰিন্দম্'। যদিও কৰিজনৰ নামত অন্য কিছুমান গ্ৰন্থও উপলব্ধ কিন্তু সেইসমূহৰ প্ৰামাণিকতা সন্দেহপূৰ্ণ। গংগাৰ স্তুতিত ৰচিত এটি সুন্দৰ পদ্য জয়দেৱৰ নামত উদ্ধৃত কৰা হয়। শিখধৰ্মাৱলম্বীলোকসকলৰ ধৰ্ম গ্ৰন্থ 'গুৰুগ্ৰন্থসাহিৱ'ত জয়দেৱৰ নামত ব্ৰজভাষাত ৰচিত দুটা পদ্য পোৱা যায় যদিও সেয়া অন্য জয়দেৱৰ নামধাৰী কৰিৰ ৰচনা বলিও কোৱা হয়। এনেদৰে 'ৰতিমঞ্জৰী' নামেৰে এক গ্ৰন্থ জয়দেৱৰ কৃতি হিচাপ ধৰা হয়। ষাঠীটা অলপকায় শ্লোকেৰে ৰচিত এই খন গ্ৰন্থৰ প্ৰথম শ্লোকত ৰচক জয়দেৱৰ নাম স্পষ্টভাৱে উল্লেখ থকা দেখা যায়। এই গ্ৰন্থখনত 'কামশাস্ত্ৰ'ৰ অত্যাৱশ্যক তত্ত্বসমূহৰ উত্তৰ বিবেচনা কৰা হৈছে।

জানি থোৱা ভাল

কাম শাস্ত্ৰ ঃ ৰতিবিজ্ঞানৰ বিষয়ে বিস্তৃত বৰ্ণনা থকা শাস্ত্ৰই হ'ল কাম শাস্ত্ৰ। ৩৬ টা অধ্যায়ত বাৎসয়নৰ দ্বাৰ প্ৰণীত 'কামসূত্ৰ'ই হ'ল কামশাস্ত্ৰ সমূহৰ ভিতৰত আটাইতকৈ বিখ্যাত। ইয়াৰ উপৰিও দত্তকৰ 'দত্তকসূত্ৰ', কুচিমাৰৰ 'কুচিমাৰতন্ত্ৰ', পদ্মশ্ৰীৰ 'নাগৰ সৰ্বস্ব' আদি কাম বিষয়ক গ্ৰন্থ পোৱা যায়।

৮.৬ সৰ্গসমূহৰ সাৰাংশ

'গীতগোৰিন্দম্' গীতিকাব্যখনৰ প্ৰথম সৰ্গৰ আৰম্ভণি নিৰ্বিঘ্ন পৰিসমাপ্তিৰ উদ্দেশ্যে সংস্কৃত কাব্যৰ পৰম্পৰা অনুসৰণ কৰি এটি মংগলাচৰণেৰে আৰম্ভ হৈছে। এই মংগলাচৰণৰ জৰিয়তে কৰিয়ে ৰাধিক অৰ্থাৎ ৰাধা আৰু মাধৱ অৰ্থাৎ শ্ৰীকৃষ্ণৰ কেলিক্ৰীড়াৰ চিত্ৰণ কৰি পাঠকক কাব্যখনৰ বিষয়বস্তুৰ আভাস দিয়ে। ইয়াৰ পাছতে ক্ৰমান্বয়ে গীতিকাব্যখনৰ ৰচকৰ নাম অৰ্থাৎ জয়দেৱ, কাব্যখনৰ প্ৰয়োজন আৰু জয়দেৱৰ তিনিজন সমকালীন কৰি-উমা পতিধৰ, গোৱৰ্ধন আৰু ধোয়ীৰ বিষয়ে উল্লেখ পোৱা যায়। এই সৰ্গতে জয়দেৱে প্ৰভু শ্ৰীকৃষ্ণৰ দশাৱতাৰ মহিমাৰ বৰ্ণমা কৰিছে। এই দহটা অৱতাৰ হ'ল-- মৎস, কূৰ্ম, ৰাহ, নৃসিংহ, বামন, পৰশুৰাম, ৰাম, বলৰাম, গৌতম বুদ্ধ আৰু কল্কি। ইয়াৰ পাছতেই আৰম্ভ হয় 'গীতগোৰিন্দম্'ৰ মূল কাহিনীভাগৰ। এগৰাকী সখীয়ে বিৰহিনী ৰাধাক মনোৰম বসন্ত ঋতুৰ বৰ্ণনা কৰে আৰু দূৰৰ পৰাই গোপিনীসকলৰ সৈতে ৰাসলীলাতে ৰত কৃষ্ণক দৃষ্টিগোচৰ কৰায়—

কৱতলতালতৰলবলয়াবলি কলিতকলস্বনবংশে।
ৰাসৰসে সহনৃত্যপৰা হৰিণা যুৱতি ঃ প্ৰশশংসে।।
হৰিৰিহ মুগ্ধবধূনিকৰে বিলাসিনি বিলসতি কেলিপৰে।।

অর্থাৎ হে ৰাধা কৰতলৰ তালৰ বাবে চঞ্চল খাৰুৰে অনুকৃত, বংশীবাদনেৰে যুক্ত, ৰাসক্রীড়াৰ আনন্দত তালে তালে একেলগে নৃত্য কৰা কোনো গোপীয়ে কৃষ্ণৰ প্রশংসা কৰিছে। এই বৃন্দাবনত কৃষ্ণই মুগ্ধ গোপবধুৰ সৈতে বিলাস কৰি আছে।

দ্বিতীয় সর্গত কৃষ্ণৰ বিৰহত ৰাধা ব্যাকুলহোৱা দেখা যায় আৰু সখীক কৃষ্ণৰ সৈতে মিলন কৰাবলৈ অনুৰোধ কৰি নিজৰ অৱস্থাৰ কথা বর্ণনা কৰে। কৃষ্ণৰ প্রেমত আতুৰ ৰাধা এনেদৰে তেওঁক স্মৰণ কৰা দেখা যায়—

'মণিময়মকৰ মনোহৰ কুণ্ডলমণ্ডিতগণ্ডমুদাৰম্।
পীতবদান মনুগতমুনিমনুজসুৰাসুৰবৰ পৰিবাৰম্ ।।
ৰাসে হৰিমিহ বিহিতবিলাসং
স্মৰতি মনো মম কৃতপৰিহাগাম্।

অর্থাৎ, হে সখী। যাৰ কপোলযুগল মণিময় মনোহৰ কুণ্ডলেৰে সুশোভিত হৈ আছে, যিজন অতিশয় উদাৰ তথা যিজন মুনি, দেৱতা, অসুৰৰ শ্রেষ্ঠ পৰিবাৰেৰে অনুগত পীতম্বৰধাৰী শ্রীকৃষ্ণক মোৰ হৃদয়ে বাৰে বাৰে স্মৰণ কৰি আছে।

তৃতীয় সর্গত কৃষ্ণই ৰাধাৰ অন্বেষণ কৰে যদিও বিচাৰি পাবলৈ অসমর্থ হয়। কৃষ্ণ পশ্চাতাপত দগ্ধ হয়। গোপিনীসকলৰ দ্বাৰা আবৃত হৈ থকা দেখি ৰাধা গুচি যোৱাত কৃষ্ণই নিজকে অপৰাধী যেন অনুভৱ কৰে। এনেদৰে দ্বিতীয় আৰু তৃতীয় সর্গত ক্রমে ৰাধা আৰু কৃষ্ণৰ উৎকণ্ঠাৰ বর্ণনা পোৱা যায়। চতুর্থ সর্গত শ্রীকৃষ্ণৰ সন্মুখত সখীয়ে ৰাধাৰ বিৰহাৱস্থাৰ বর্ণনা কৰে। কৃষ্ণক বিৰহত কিদৰে ৰাধা কামদশাৰ অন্তিম পর্যায় অর্থাৎ মৃত্যুলৈ গৈছে তাৰ বর্ণনা পোৱা যায়--

হৰিৰিতি হৰিৰিতি জপতি সকামম্।
বিৰহবিহিতমৰপের নিকামম্।।
ৰাধিকা বিৰগে তৱ কেশরে।

অর্থাৎ বিৰহৰ কাৰণত তেওঁৰ (ৰাধাৰ) প্রাণত্যাগ নিশ্চিত হৈছে, ৰাধাই নিৰন্তৰ শ্রীহৰি শ্রীহৰি — এই নামটোৰ আপোনাৰ প্রাপ্তিৰ কামনাৰে জপ কৰি আছে।

পঞ্চম সর্গত বিৰহী কৃষ্ণই সখীক প্রেমিকা ৰাধাক আনিবলৈ প্রেৰণ কৰে। সখীয়ে ৰাধাক কৃষ্ণক ব্যাকুলাৱস্থাৰ বিষয়ে অৱগত কৰায় আৰু যমুনা নদীৰ পাৰৰ কুঞ্জত আপেক্ষাৰত কৃষ্ণৰ ওচৰলৈ অবিলম্বিত কৈ যাবলৈ আহ্বান কৰে।

ষষ্ঠ সর্গত দেখা যায় যে সখী গৰাকী কৃষ্ণৰ ওচৰলৈ উভতি আহে। তেওঁ কৃষ্ণক স্মৰণ কৰি বিচ্ছেদ বিৰহত দগ্ধা ৰাধিকাৰ শাৰীৰিক আৰু মানসিক অৱস্থাৰ আভাস দিয়ে। নিকুঞ্জত শ্রীকৃষ্ণৰ চিন্তাত ৰতা ৰাধাই বাৰে বাৰে সখীক সুধিবলৈ ধৰে— 'হে সখী। কৃষ্ণ কেতিয়া সংকেতস্থানলৈ আহিব?—

ত্বৰিতমুপৈতি ন কথমভিসাৰখ্।
হৰিৰিতি বদতি সখীমনুবাৰম্।।
নাথ হৰে জয় নাথ হৰে -
সখিতি ৰাধা বাসগৃহে।

সপ্তম সর্গত দেখা যায় যে চন্দোদয়ৰ লগে লগে প্রেমিক কৃষ্ণৰ আগমনত বিলম্ব হোৱাত বিৰহিণী ৰাধাই বিভিন্ন প্রকাৰে বিলাপ কৰিবলৈ ধৰে।

জ্ঞান আৰু ভক্তিৰ প্রখ্যাত গ্রন্থ 'ভাগৱত পুৰাণ'ৰ দশম স্কন্ধত অধ্যায় ২১-৩১ লৈ পাঁচটা অধ্যায়ত শ্রীকৃষ্ণৰ গোপীৰ সৈতে ৰাসলীলাৰ প্রসংগ বর্ণিত আছে। যাক ৰাস 'পঞ্চধায়ী' বোলা হয়।

অষ্টম সর্গত সূর্যোদয় হোৱাত স্বয়ং কৃষ্ণ ৰাধাৰ সন্মুখত উপস্থিত হয়। কিন্তু অভিমানী ৰাধাই কৃষ্ণক উভতি যাবলৈ কয়। শ্রীকৃষ্ণৰ নিষ্ঠুৰ কর্মৰাজিৰ উল্লেখ কৰিও ৰাধাই তেওঁক নাৰীশোষণত বিশ্বাস কৰোতা বুলি কৈ এনেদৰে কোৱা দেখা যায়।— 'হে কৃষ্ণ ! ইয়াত কোনো আচৰিত হ'ব লগীয়া নাই যে আপুনি অবলাসকলৰ বধ কৰিবলৈয়ে বনচ বিচৰণ কৰি আছে। বাল্য কালতে আপুনি পুতনাৰ বধ কৰি নিজৰ নির্দয় আৰু নিষ্ঠুৰ স্বভাৱৰ পৰিচয় দিছে, গতিকে নাৰী বধপৰায়ণতা আপোনাৰ চৰিত্রত আছেই।

নৱম সর্গত দেখা যায় যে কৃষ্ণৰ অনুনয়-বিনয়তো মিলনৰ বাবে ৰাধাই অস্বীকাৰ কৰাত সখীগৰাকী ক্ষুণ্ণ হৈ পৰে। তেওঁ ৰাধাক বিভিন্ন কথাৰে কৃষ্ণৰ ওচৰলৈ যাবলৈ প্রবোধিত কৰে আৰু অভিসাৰৰ বাবে পৰামর্শ দিয়ে।

দশম সর্গত কৃষ্ণই ৰাধাক মিলনৰ বাবে ভিন্ন মনোগ্রাহী কথাৰে অনুনয়-বিনয় কৰে। কৃষ্ণই প্রেমিকাক অতি আৱেগেৰে কয়— 'হে প্রিয়া ! তুমিয়েই মোৰ সংসাৰ সমুদ্রৰ ৰত্নস্বৰূপ, গতিকে সদায় মোৰ অনুবর্তিনী হৈ থকা যেন এয়াই মোৰ একান্ত প্রয়াস।' কৃষ্ণক এনেধৰণৰ কথাত মোহিত হৈ ৰাধাৰো কোপ শিথিল হয়।

একাদশ সর্গত পোৱা যায় যে সখী গৰাকীয়ে ৰাধাক বিলম্ব নকৰি কৃষ্ণক অনুসৰণ কৰিবলৈ প্রোৎসাহিত কৰে। তাৰ পাছত চঞ্চল নেত্রৰে ৰাধা মণিনির্মিত নুপুৰৰ শব্দ কৰি লাজ আৰু হর্ষৰে কৃষ্ণলৈ চাই কুঞ্জত প্রৱেশ কৰে— 'সা, সসাধ্বসসানন্দন গোৰিন্দেলোচনা। সিঞ্জানা মণিমঞ্জীৰাং প্রৱিৱেশ নিৱেশনম্।।

দ্বাদশ সর্গত উৎকণ্ঠিত আৰু প্রেমাতুৰ ৰাধাৰ মিলন হয়। কৃষ্ণ ৰাধাময় আৰু কৃষ্ণময় হোৱাৰ সুন্দৰ বর্ণনা অন্তিম সর্গত পোৱা যায়।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ জয়দেৱৰ পিতৃৰ নাম কি আছিল ?

.....

প্রশ্ন নং ৭ ঃ জয়দেৱৰ আৱির্ভাৱ কাল কি ?

.....

প্রশ্ন নং ৮ ঃ জয়দেৱৰ পত্নীৰ নাম কি ?

.....

প্রশ্ন নং ৯ ঃ 'গীতগোৰিন্দম্'ৰ কোনটো সর্গত ৰাধা-কৃষ্ণৰ মিলন হয় ?

.....

প্রশ্ন নং ১০ ঃ কোনে ৰাধাক কৃষ্ণৰ গোপীৰ সৈতে কৰা লীলাৰ কথা অৱগত কৰাইছিল ?

.....

৮.৭ 'গীতগোৰিনদম্'ৰ কাব্যিক সৌন্দর্য

ৰাধা-কৃষ্ণৰ নির্মল আৰু আধ্যাত্মিক প্রেমৰ অভিব্যক্তি স্বৰূপকাব্য 'গীতগোৰিন্দম্'ৰ কাব্যিক সৌন্দর্য অতুলনীয়। শ্রীজয়দেৱৰ এই মধুৰ কাব্যখনত গান্ধর্ব-বিদ্যৰ কৌশল, শ্রীকৃষ্ণৰ চিন্তন-স্মৰণৰ সমস্ত ৰহস্য, সম্ভোগ আৰু বিপ্রলম্ভ দুয়ো প্রকাৰৰ শৃংগাৰৰদাৰ বিস্তৃত বিবেচন তথা কাব্য প্রণয়নৰ প্রাচীন পদ্ধতি এই আটাইবোৰৰ সন্নিৱেশ হৈছে। স্বয়ং জয়দেৱেই কৈছে— 'সান্দন্দা ঃ পৰিশোধয়ন্তু সুধিয় ঃ শ্রীগীতগোৰিন্দতঃ।' (১২/২৪/১১) এই শ্লোকাংশৰ অভিপ্রায় হ'ল যে এই সমস্ত বস্তু (উপর্যুক্ত)ৰ পূর্ণত ঃ শুদ্ধৰূপ এই 'গীতগোৰিন্দম্' কাব্যখনত একমাত্র উপলব্ধ।

'গীতগোৱিন্দম্' মূলত ঃ শৃংগাৰ ৰসাত্মক কাব্য। গীতিকাব্যখনৰ আৰম্ভণি কামনাৰে উদ্দীপক স্বৰূপ বসন্ত ঋতুৰে হৈছে। জয়দেৱে বসন্তকালক উদ্দীপনৰূপত বর্ণনা কৰিছে, যাক কৰোৱাত নায়ক নায়িকাৰ মিলনৰ পৃষ্ঠভূমি হিচাপে প্রয়োগ কৰিছে আৰু কৰোৱাত এই ঋতুয়ে নায়িকাৰ মনোদশাক উদ্দীপ্ত আৰু উৎপ্রেৰিত কৰিছে। 'গীতগোৱিন্দম্' খন বিপ্রলম্ভ শৃংগাৰেৰে আৰম্ভ হৈছে। নায়ক আৰু নায়িকাৰ বিৰহৰ হৃদয়স্পশী জীৱন্ত বর্ণনা ইয়াত পোৱা যায়। এই বিচ্ছেদ বর্ণনাত কৰিয়ে কামদশাৰো বর্ণনা কৰিছে। কামদশাৰ লগতে শৃংগাৰৰসক পৰিপূর্ণ কৰিবলৈ ব্যভিচাৰী আৰু সাত্বিকভাৱৰ প্রত্যক্ষ আৰু পৰোক্ষ চিত্রণ কৰিছে। চিন্ত, মূর্চ্ছা আদি সঞ্চাৰিণী ভাৱৰ লগতে বেপথু, ৰোমাঞ্চ, স্বেদ আদি সাত্বিক ভাৱৰ প্রয়োগ হোৱা শৃংগাৰৰসৰ এটি উদাহৰণ হ'ল—

"সা মাংদ্রক্ষ্যতি বক্ষ্যতি স্মৰকথাং
প্রত্যংগমালিংগনিঃ।
প্রীতিং যাস্যতি ৰসতে সখি সমাগত্যেতি
চিন্তাকুল ঃ।।

অভিলাস, চিন্তা, স্মৰণ, গুণ-কীর্তন, উদ্বেগ, প্রলাপ, উমোদ, ব্যাধি, জড়তা আৰু মৃত্যু — এই দহটা হ'ল কামৰ অৱস্থা।

'স ত্বাং পশ্যতি বেপতে পুলকয়ত্যানন্দতি
স্বিদ্যতি
প্রত্যুদ্গচ্ছতি মূর্চ্ছতি স্থিৰতমঃ পুঞ্জে
মিকুঞ্জে প্রিয় ঃ।।'

(হে সখী ৰাধা। তোমাৰ প্রিয়তম কৃষ্ণ নিকুঞ্জত নিবিড় অন্ধকাৰৰসত আবৃত্ত হৈ চিন্তাতুৰ হৈ আছে যে— 'ৰাধা কেতিয়া আহি মোক প্রীতিপূর্ণ নেত্রেৰে চাব। মদন-অভিলায সূচক ৰসপূর্ণ কথা ক'ব।' এনেদৰে তোমাক (স্বহৃদয়ত) নিৰীক্ষণ কৰি আছে। আৱেগতে তেওঁ কম্পণ কৰিছে আৰু অসীম আনন্দত উৎফুল্লিত হৈ আছে। ঘামেৰে পণিপ্লত হৈছে, তুমি আহিছা বুলি জানি থিয় হৈ আছে প্রবল আনন্দ আৱেগত মূচ্ছিত হৈ আছে।)

এই কাব্যখনত জয়দেৱে ভিন্ন ছন্দ, অলংকৰি আৰু ঔচিত্যৰ প্রয়োগ কৰিছে। তেওঁ সঘনে উপমা আৰু উৎপ্রেক্ষা অলংকাৰৰ প্রয়োগ কৰিছে। উপমা অলংকাৰ ব্যৱহাৰত জয়দেৱৰ তুলনা কালিদাসৰ সৈতে কৰিব পাৰি। উদাহৰণ স্বৰূপে তেওঁ ৰাধাৰ কৃষ্ণৰ বিৰহত নয়নৰ পৰা নিগৰি অহা চকুপানীক ৰাহুৰে দাঁতেৰে কামুৰি ধৰাত চন্দ্রৰ পৰা ওলাই অহা অমৃত ধাৰাৰ লগত মনোৰমভাৱে তুলনা কৰিছে ----

'ৱহতি চ চলিতৰিলোচনজল ধৰমাননকমলমুদাৰম্।
ৰিধুমিৱ ৰিকটৰিধুন্তুদদন্তদলগলিতামৃত ধাৰম্।।

কাব্যৰ প্রতিটো উপদানৰ প্রয়োগত জয়দেৱে নিজৰ প্রতিভা পৰিচয় দিছে।

স্বয়ং জয়দেৱে স্বীকাৰ কৰিছে যে এই 'গীতগোৱিন্দম' কাব্যখনৰ মাধুর্যৰ সন্মুখত আঙুৰৰ মদিৰা, শর্কৰাৰ মিঠা, পকা আমৰ তথা কান্তাৰ অধৰৰজা— এই সকলোবোৰ উপেক্ষণীয়, কিয়নো শৃংগাৰ কাব্যত শৃংগাৰ ৰসৰ সমস্ত সাৰ সন্নিবিষ্ট হৈছে—

সাধ্বী মাধ্বী চিন্তা ন ভৱতি ভৱতঃ শর্কৰে কর্কশাসি
দ্রাক্ষে দ্রক্ষন্তি কে ত্বামসৃত মৃতমসি ক্ষীৰং নীৰং ৰসস্তে।
মাককন্দ! কন্দ কান্তাধৰ ধৰণিতলং গচ্ছন্তি ভাৱং।
যাৱচ্ছৃঙ্গাৰসাৰত্বতমিহ জয়দেৱস্য বিস্ৱংস্ৱচাংসি।।'

পণ্ডিত কীথে 'গীতগোৱিন্দম্' ক আধ্যাত্মিক প্রেমৰ কাব্য হিচাপে আখ্যা দিছে। কাব্যখনত প্রভু শ্রীকৃষ্ণ

হ'ল ভগৱত্তত্ত্বৰ প্ৰতিনিধি আৰু প্ৰেমিক গোপিনীসকল জীৱৰ প্ৰতীকস্বৰূপ। ৰাধা-কৃষ্ণৰ মিলন হ'ল জীৱ-ব্ৰহ্মৰ মিলন স্বৰূপ। এই মিলনে পূৰ্ণ আনন্দ প্ৰদান কৰে।

গীতিকাব্যখনৰ জৰিয়তে কবিৰ মুখ্য প্ৰয়াস হ'ল ৰাধা-কৃষ্ণৰ বিলাসৰ গায়ন কৰা। এই কাব্যখনৰ ২৪ টা অষ্টপদীৰ মাধ্যমেৰে কৰিয়ে সংগীত শাস্ত্ৰ তথা ৰসশাস্ত্ৰৰ ওপৰত নিজৰ গভীৰ অধ্যয়নৰ পৰিচয় দিছে। প্ৰতিটো অষ্টপদী ভিন্ন ভিন্ন ৰাগ আৰু তাল প্ৰয়োগ কৰি ৰচনা কৰিছে। কৰিৰ জীৱন্ত বৰ্ণনা শৈলীয়ে কাব্যখন সৰ্বোতঃপ্ৰকাৰে সফল আৰু জনপ্ৰিয় কৰি তুলিছে।

'গীতগোৰিন্দম্'ৰ ওপৰত লিখা ভিন্ন টীকা, অনুবাদ আৰু অনুকৰণ গ্ৰন্থসমূহেই ইয়াৰ জনপ্ৰিয়তাৰ প্ৰমাণ। ভিন্ন ভাষালৈ অনুদিত এই কাব্যখন জাৰ্মন পণ্ডিত ৰুকেৰ্ট জাৰ্মান ভাষালৈ অনুবাদ কৰিছে। জয়দেৱৰ পৰৱৰ্তী বহু কৰিয়ে 'গীতগোৰিন্দম্'ক অনুকৰণ কৰি কাব্য ৰচনা কৰিছে আৰু কাব্যৰ আৰম্ভণিত জয়দেৱক কৃতজ্ঞতা প্ৰদান কৰিছে। উদাহৰণ স্বৰূপে -- শ্ৰীহৰ্ষাচাৰ্যৰ 'জানকীগীতা', হৰিনাথৰ 'ৰামবিলাস,' ৰামভট্টৰ 'গীতগিৰীশ' আদি।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১০ ঃ 'গীতগোৰিন্দম্'ৰ প্ৰধান ৰস কি?

.....

প্ৰশ্ন নং ১২ ঃ 'গীতগোৰিন্দম্'ৰ আৰ্হিত ৰচিত এখন কাব্যৰ নাম লিখা।

.....

প্ৰশ্ন নং ১৩ ঃ 'গীতগোৰিন্দম্'ক আধ্যাত্মিক প্ৰেমৰ কাব্য বুলি কোনে কৈছে?

.....

৮.৮ 'গীতগোৰিৱন্দম্'ৰ কেইটামান শ্লোকৰ ব্যাখ্যা

১) প্ৰলয়পয়োধিজলে ধৃতবানসি বেদম্
বিহিতবাহিত্ৰচৰিত্ৰমখেদম্।।
কেশৱ ! ধৃতসীলশৰীৰ,
জয় জগদীশ ! হৰে।।

উক্ত শ্লোকফাঁকি কৰি জয়দেৱ গোস্বামীৰ দ্বাৰা বিৰচিত গীতিকাব্য 'গীতগোৰিন্দম্'ৰ প্ৰথম সৰ্গ তথা প্ৰথম অষ্টপদীৰ পৰা উদ্ধৃত। শ্লোকফাঁকিত কবিয়ে প্ৰভু শ্ৰীকৃষ্ণৰ মৎসাৱতাৰৰ বৰ্ণনা কৰিছে।

দুষ্টক দমন কৰি শান্তি প্ৰতিষ্ঠা কৰিবলৈ প্ৰভু শ্ৰীকৃষ্ণ বা বিষ্ণুয়ে সময়ে সময়ে অৱতাৰ ধাৰণ কৰে। তেওঁৰ দহটা অৱতাৰৰ ভিতৰত প্ৰথম অৱতাৰটো হ'ল— মৎস। কৰি জয়দেৱে 'গীতগোৰিন্দম্'ৰ আৰম্ভণিতেই কৃষ্ণৰ দশাৱতাৰৰ জয়গান কৰি কাব্যখনৰ মূল বিষয় অৰ্থাৎ ৰাধা-কৃষ্ণৰ প্ৰণয়লীলাৰ বিষয়লৈ আগবাঢ়িছে।

প্ৰলয় কালক পূৰ্বে সমগ্ৰ সৃষ্টিৰাজিৰ ৰক্ষাৰ বাবে ভগৱান বিষ্ণুয়ে তেওঁৰ পৰম ভক্ত সত্যব্ৰত মনুৰ কাষলৈ আহিছিল। এটা সৰু মাছৰ আকাৰলৈ বিষ্ণুয়ে সূৰ্যদেৱতাক অৰ্য প্ৰদান কৰি সত্যব্ৰতৰ হাতৰ ধৰা দিছিল। সত্যব্ৰতে পিছত নিজৰ কমলণ্ডুত মাছটো ভৰাই আশ্ৰমলৈ গৈছিল। কিন্তু দুই দিনতে মাছটো ডাঙৰ হোৱাত সত্যব্ৰতে জলাশয়ত এৰি দিছে। কিন্তু জলাশয়তকৈও বিশাল আকৃতি ধাৰণ কৰাত চিন্তিত সত্যব্ৰতে সোধাত মাছটোৱে ক'লে যে শীঘ্ৰে প্ৰলয় হ'ব। গতিকে তেওঁক গংগা নদীত এৰি দিবলৈ অনুৰোধ কৰিলে। মাছটোৱে লগতে ক'লে যে প্ৰলয়ৰ পৰা ৰক্ষা কৰিবলৈ তেওঁ আহিছে আৰু লগতে সপ্তৰ্ষিৰ সৈতে বীজভূত ঔষধ আৰু সুক্ষ্ম প্ৰাণতত্ত্ব লৈ অপেক্ষা কৰিবলৈ ধৰিলে। প্ৰলয় অহাত আটাইৰে সৈতে উঠি সত্যব্ৰতে বিশাল শিংধাৰীৰ আকৃতিলোৱা

মাছটোৰ শিংঙৰ সৈতে ৰছী এডাল নাৰখনৰ লগত বান্ধি দিলে। মাছটোৱে নাৰখন টানি হিমালয়ৰ পৰ্বতীয় ভাগলৈ লৈ গৈছিল সকলোকে ৰক্ষা কৰিছিল। প্ৰলয়ৰ শেষত হয়গ্ৰীৱ নাৰৰ অসুৰক বধ কৰি বিষ্ণুয়ে তেওঁৰ পৰা বেদসমূহ কাঢ়ি ব্ৰহ্মাক অৰ্পণ কৰিছিল।

বিষ্ণুৰ এই মহিমাৰ বৰ্ণনা কৰি কৰিয়ে এই শ্লোকটো প্ৰস্তুত কৰিছে। ইয়াত উপমা আৰু অতিশয়োক্তি অলংকাৰ আছে। উৎসাহ নামৰ স্থায়ীভাৱ আৰু বীৰৰস আছে।

২) ৱহতি চ চলিতৱিলোচনজল ধ্ৱমাননকমল মুদ্ৰাসম্।
বিধুমিৱ ৱিকটবি ধুন্তুদদন্তদলনগলিতামৃত ধা�ৰম্।।

উক্ত শ্লোকফাঁকি জয়দেৱ গোস্বামীৰদ্বাৰা বিৰচিত। 'গীতগোৱিন্দম্'ৰ চতুৰ্থ সৰ্গ তথা অষ্টম অষ্টপদীৰ পৰা উদ্ধৃত। ইয়াক প্ৰোমাস্পদ কৃষ্ণক বিচ্ছেদত ৰাধা বিৰহাৱস্থাৰ বৰ্ণনা পোৱা যায়।

কৃষ্ণক বিৰহত ব্যথিত খিন্না আৰু উদাসীনা ৰাধাৰ অৱস্থা সখীয়ে কৃষ্ণৰ আগত দাঙি ধৰে। যিদৰে মেঘৰ পৰা নিৰন্তৰ ৰৰষুণ হয় থিক তেনেদৰে বিৰহিণী ৰাধাৰ নয়নযুগলৰ পৰা অনৰৰতে চকুলো নিগৰি থাকে। ৰাহুৰ দাঁতেৰে পীড়িত চন্দ্ৰৰ পৰা যেনেদৰে নিৰন্তৰ অমৃত ৰৈ থাকে, তেনেদৰেই চন্দ্ৰমুখী ৰাধাৰ চকুৰ পৰা চকুপানী ওলাই থাকে। ৰাধাৰ মুখৰ পৰা চকুপানী ওলাই থাকে। ৰাধাৰ মুখৰ নেত্ৰচঞ্চল। কিয়নো এই নেত্ৰ কেৱল কৃষ্ণৰ আগমনৰ বাবে অপেক্ষাৰত। দৃষ্টি কেৱল মাৰ্গতেই নিবদ্ধ হৈ থকা ৰাধাৰ চকু চঞ্চল হৈ পৰিছে। ৰাধাৰ মুখমণ্ডল পদুমৰ কোমল তথা সুকুমাৰ আৰু চন্দ্ৰৰ দৰে আহলাদ প্ৰদায়িনী। কিন্তু অনৰৰত ৰৈ থকা চকুলোৱে ৰাধাৰ সৌন্দৰ্যত ব্যাঘাত আনিছে আৰু স্বাভাৱিভাৱে ৱৈৱৰ্ণ্যতাৰ সৃষ্টি কৰিছে।

ইয়াত উপমা অলংকাৰ আছে।

৩) জনয়সি মনতি, কিমিতি গুৰুখেদম্।
শৃপু সম ৱতনমনীহিতভেদম্।।
মাধৱে মা কুৰু মানিনি মানময়ে।

উক্ত শ্লোকফাঁকি জয়দেৱ গোস্বামীৰ দ্বাৰা বিৰচিত— 'গীতগোৱিন্দম্', নামৰ গীতিকাব্যখনৰ নৱম সৰ্গ তথা অষ্টাদশ প্ৰৱন্ধৰ পৰা উদ্ধৃত। উক্ত শ্লোকত হিতকাৰিণী সখীয়ে অভিমান এৰি ৰাধাক মাধৱ অৰ্থাৎ কৃষ্ণৰ ওচৰলৈ যাবলৈ অনুৰোধ কৰিছে।

কৃষ্ণক ভিন্ন ধৰণৰ অনুনয়-বিনয়ৰ পাছতো মান ধাৰণ কৰি ৰাধাই শোকগ্ৰস্থা হোৱাত সখী ক্ষুণ্ণ হৈ পৰে। ৰাধাক প্ৰবোধিত কৰিবলৈ সখীয়ে সুধিছে যে- হৃদয়ত আৰু চিত্তত কিয় এই মহান শোক ধাৰণ কৰিছা? ইয়াত সখীয়ে নিজৰ সখীত্ব স্পষ্ট কৰি কৈছে য়ে তেওঁ সদায় এগৰাকী ৰাধাৰ হিতৈষিণী সখী। গতিকে তেওঁ ৰাধাৰ মংগলৰ বাবে কৃষ্ণৰ ওচৰলৈ যাবলৈ অনুপ্ৰাণিত কৰিছে। বস্তুত ঃ সখী নায়িকাৰ বিশ্বাসৰ হয় আৰু সদায় ওচৰতে থাকে। সেয়েহে সখীয়ে কৈছে যে ৰাধাই সখীক বিশ্বাস কৰক যে তেওঁৰ মংগলৰ বাবেই অভিসৰৰ বাবে অনুৰোধ কৰিছে।

৮.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোৰ পৰা আমি নিম্নলিখিত বিষয়সমূহ অৱগত হ'ব পাৰিলো।

- 'গীতগোৱিন্দম্' গ্ৰন্থখনৰ বিভাজন সম্পৰ্কে অৱগত হ'লো।
- গীতিকাৱৰ লক্ষণৰ বিষয়ে সম্যক ধাৰণা লাভ কৰিলো।
- গীতিকাব্যখনৰ টীকাসমূহৰ বিষয়ে অৱগত হ'লো।
- 'গীতগোৱিন্দম্'ৰ ৰচক জয়দেৱ গোস্বামীৰ বিষয়ে সম্যক জ্ঞান লাভ কৰিলো।

- 'গীতগোৱিন্দম্' গীতিকাব্যখনৰ প্ৰতিটো সৰ্গৰ বিষয়বস্তুৰো চমু আভাস পালো।
- 'গীতগোৱিন্দম্'ৰ কাৱ্যিক মহত্ত্বৰ বিষয়েও অৱগত হ'লো।

৮.১০ অধিক জানিবলৈ

১) শৰ্মা, ড° ৰামানন্দ (সম্পা) ঃ 'গীতগোৱিন্দম্' চৌখম্বা কৃষ্ণদাস অ'কাদমী, ৰাৰাণসী, ২০১৬
২) কীথ, এ. বি ঃ A History of Sanskrit Literature; মতিলাল বানাৰসীদাস পাব্লিছাৰ্চ প্ৰাইভেট লিমিটেড, দিল্লী, ১৯৯৭।
৩) শৰ্মা, ড° থানেশ্বৰ ঃ সংস্কৃত সাহিত্যৰ ইতিবৃত্ত; চন্দ্ৰ প্ৰকাশ, গুৱাহাটী, ১৯৯৫
৪) উইনটাৰনিটছ্, এম্ ঃ A History of Indian Literature, Vol. III; মতিলাল বানাৰসীদাস পাব্লিছাৰ্চ প্ৰাইভেট লিমিটেড্, দিল্লী, ২০১৮।

৮.১১ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ শ্ৰব্যকাব্যসমূহ দুই প্ৰকাৰৰ। যেনে— পদ্যাত্মক আৰু গদ্যাত্মক।
২ নং প্ৰশ্নৰ উত্তৰ ঃ 'গীতগোৱিন্দম্'ৰ পঞ্চমসৰ্গটোৰ নাম হ'ল— 'সাকাংক্ষা পুণ্ডৰীকাক্ষ।'
৩ নং প্ৰশ্নৰ উত্তৰ ঃ 'গীতগোৱিন্দম্'ত সৰ্বমুঠ ২৪ টা সৰ্গ আছে।
৪ নং প্ৰশ্নৰ উত্তৰ ঃ 'গীতগেৱিন্দম্'ৰ ওপৰত লিখা প্ৰথম টীকাটোৰ নাম হ'ল— 'ভাৱৱিভাৱিনী'।
৫ নং প্ৰশ্নৰ উত্তৰ ঃ শৃংগাৰাত্মক গীতিকাব্যত ঋতুবৰ্ণনা পোৱা যায়।
৬ নং প্ৰশ্নৰ উত্তৰ ঃ জয়দেৱৰ পিতৃৰ নাম আছিল— শ্ৰীভোজদেৱ।
৭ নং প্ৰশ্নৰ উত্তৰ ঃ জয়দেৱ আৱিৰ্ভাৱ কাল হ'ল শতাব্দী।
৮ নং প্ৰশ্নৰ উত্তৰ ঃ জয়দেৱৰ পত্নীৰ নাম আছিল পদ্মাৱতী।
৯ নং প্ৰশ্নৰ উত্তৰ ঃ 'গীতগোৱিন্দম্' ৰ দ্বাদশ সৰ্গত ৰাধা-কৃষ্ণৰ মিলন হয়।
১০ নং প্ৰশ্নৰ উত্তৰ ঃ এগৰাকী সখীয়ে ৰাধাক কৃষ্ণক গোপীৰ সৈতে হোৱা লীলাৰ কথা অৱগত কৰাইছিল।
১১ নং প্ৰশ্নৰ উত্তৰ ঃ 'গীতগোৱিন্দম্'ৰ প্ৰধান ৰস হ'ল- শৃংগাৰ।
১২ নং প্ৰশ্নৰ উত্তৰ ঃ 'গীতগোৱিন্দম্'ক আৰ্হিত ৰচিত এখন কাব্য হ'ল-- 'জানকী গীতা'।
১৩ নং প্ৰশ্নৰ উত্তৰ ঃ কীথে 'গীতগোৱিন্দম্'ক আধ্যাত্মিক প্ৰেমৰ কাব্য বুলি কৈছে।

৮.১২ আৰ্হি প্ৰশ্ন

ক) বস্তু ধৰ্মী প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত লিখক)
প্ৰশ্ন ১ ঃ 'গীতগোৱিন্দম্' ৰ প্ৰধান ৰসৰ ওপৰত এটি টোকা লিখক।
প্ৰশ্ন ২ ঃ 'গীতগোৱিন্দম্'ক সৰ্গসমূহৰ নাম লিখক।
প্ৰশ্ন ৩ ঃ গীতিকাব্যৰ ওপৰত এটি টোকা লিখক।
খ) চমু প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫ টা শব্দৰ ভিতৰত লিখক)
প্ৰশ্ন ১ ঃ ৰাধা-কৃষ্ণৰ মিলনত সখী গৰাকীৰ ভূমিকা লিখক।
গ) ৰচনা ধৰ্মী প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০ টা শব্দৰ ভিতৰত লিখক)
প্ৰশ্ন ১ ঃ জয়দেৱৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ৯ঃ অসমত বিৰচিত সংস্কৃত কাব্য

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ ধর্মশাস্ত্র অথবা স্মৃতিশাস্ত্র

৯.৩.১ তন্ত্র সাহিত্য

৯.৪ পুৰাণ সাহিত্য

৯.৫ নাটক

৯.৬ ব্যাকৰণ

৯.৭ কাব্য

৯.৭.১ শ্রীকৃষ্ণলীলামৃতম্

৯.৭.২ সতী জয়মতী

৯.৭.৩ শ্লোকমালা

৯.৭.৪ পতাকান্যায়

৯.৭.৫ প্রকামকামৰূপম্

৯.৭.৬ অবিনাশি

৯.৭.৭ কবিকৌতূহলম্

৯.৭.৮ প্রশস্তিমূলক কাব্য

৯.৭.৯ ব্যঞ্জনাপ্রপঞ্চসমীক্ষা

৯.৭.১০ অনূদিত কাব্য

৯.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.৯ অধিক জানিবলৈ

৯.১০ অগ্রগতিৰ খতিয়ান

৯.১১ আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- অসমত ৰচিত কিছুমান সংস্কৃত কাব্যৰ বিষয়ে অৱগত হ'ব পাৰিব
- ভাৰতবর্ষত সংস্কৃত চর্চাৰ ক্ষেত্রত অসমৰ অৱদান সম্পর্কে আভাস লাভ কৰিব
- কাব্যসমূহত নিহিত হৈ থকা কাব্যিক উপাদানসমূহৰ লগত পৰিচিত হ'ব পাৰিব
- অসমৰ সংস্কৃত কবিসকলৰ লগত চিনাকি হ'ব পাৰিব।

৯.২ পৰিচয়

সংস্কৃত ভাষা-সাহিত্য আৰু ভাৰতীয় সংস্কৃতিৰ প্ৰসাৰত প্ৰাগৈতিহাসিক কালৰে পৰা অসম প্ৰদেশে গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই আহিছে। বৰ্তমানৰ অসম প্ৰদেশখনে প্ৰাচীন আৰু মধ্যযুগত প্ৰাগ্‌জ্যোতিষ-কামৰূপ নামেৰে প্ৰসিদ্ধি লাভ কৰিছিল বুলি শতপথ ব্ৰাহ্মণ, মহাভাৰত, ৰঘুবংশ তথা সমুদ্ৰগুপ্তৰ এলাহাবাদ শিলালিপি আদিত বিভিন্ন তথ্য উপলব্ধ হয়। সংস্কৃত ভাষা-সাহিত্যই ৰাজকীয় পৃষ্ঠপোষকতাত সমৃদ্ধি লাভ কৰিছিল, বিশেষকৈ প্ৰাচীন অসমত ৰচিত শিলালিপি আৰু তাম্ৰলিপিসমূহে অসমত সংস্কৃত চৰ্চাৰ চহকী ঐতিহ্যৰ স্বাক্ষৰ বহন কৰে। প্ৰাচীন অসমৰ পাল বংশ, বৰ্মন বংশৰ ৰজাসকলে সংস্কৃত সাহিত্যৰ প্ৰচাৰ আৰু প্ৰসাৰত মনোনিৱেশ কৰিছিল। আহোম ৰাজত্বৰ সময়ছোৱাত বিভিন্ন পণ্ডিতে বিভিন্ন কাব্য-নাটক ৰচনা কৰিছিল। বিভিন্ন শিলালিপি আৰু তাম্ৰলিপিৰ পৰা এইটো জনা যায় যে ভাস্কৰবৰ্মা, পুৱন্দৰপাল, ধৰ্মপাল প্ৰভৃতি নৃপতিয়ে কাব্য চৰ্চা অব্যাহত ৰাখিছিল। ৰাজকীয় পৃষ্ঠপোষকতাত তাম্ৰশাসন আৰু শিলালিপি ৰচনাৰ পৰম্পৰা ঊনবিংশ শতিকাৰ আদি ছোৱালৈ প্ৰসাৰিত আছিল। তদুপৰি প্ৰাচীন অসমত স্মৃতি, জ্যোতিষ, তন্ত্ৰ, আয়ুৰ্বেদ, ব্যাকৰণ, পু�ৰাণ, ছন্দ বিষয়ক বিভিন্ন শাস্ত্ৰ চৰ্চাৰ পৰম্পৰালৈ লক্ষ্য কৰি সেই সময়ত সংস্কৃত শাস্ত্ৰৰ অধ্যয়ন - অধ্যাপনা বিস্তৃতভাৱে হৈছিল বুলি ক'ব পাৰি।

এই অধ্যায়টোত আমি অসমত প্ৰাচীন, মধ্য আৰু আধুনিক যুগত ৰচিত সংস্কৃত কাব্যৰ বিষয়ে চমুকৈ আলোচনা কৰিম। অধ্যায়টো অধ্যয়ন কৰি আপুনি অসমত ৰচিত সংস্কৃত কাব্য তথা সেইবোৰৰ ৰচক সম্পৰ্কে সম্যক জ্ঞান লাভ কৰিব। উক্ত কাব্যসমূহত নিহিত বিভিন্ন পৰিভাষা তথা কাব্যিক উপাদানৰ সৈতে পৰিচিত হ'ব পাৰিব।

৯.৩ ধৰ্মশাস্ত্ৰ অথবা স্মৃতিশাস্ত্ৰ

প্ৰাচীন কামৰূপত স্মৃতিশাস্ত্ৰৰ বিশেষ চৰ্চা হৈছিল। কামৰূপৰ পণ্ডিতসকলে স্মৃতিশাস্ত্ৰ বা ধৰ্মশাস্ত্ৰৰ গভীৰ চৰ্চাত মনোনিবেশ কৰিছিল। স্মৃতিশাস্ত্ৰসমূহৰ কিছুসংখ্যক প্ৰকাশিত হৈছে যদিও বহুবোৰ পাণ্ডুলিপি অৱস্থাতে আছে। প্ৰাচীন অসমত ৰচিত উল্লেখযোগ্য স্মৃতিশাস্ত্ৰ কিছুমান হ'ল— ধৱলাচাৰ্যৰ 'ধৱলসংগ্ৰহ', সৎকৰি বিশ্বেশ্বৰৰ 'স্মৃতিসমুচ্চয়', অন্ধুকভট্টৰ 'অন্ধুকসংহিতা'। মধ্যযুগৰ অসমত স্মৃতিশাস্ত্ৰ ৰচনাৰ পৰম্পৰা অব্যাহত আছিল। ত্ৰয়োদশ শতিকাৰ স্মৃতিশাস্ত্ৰকাৰ নীলাম্বৰাচাৰ্যই কেবাখনো স্মৃতিশাস্ত্ৰ প্ৰণয়ন কৰি যশস্যা লাভ কৰিছিল। ইয়াৰ ভিতৰত তেওঁৰ 'কালকৌমুদী'ত বিভিন্ন ধৰ্মীয় উৎসৱ-পৰ্ব আদিৰ শুভ সময় নিৰূপণ কৰা হৈছে। মধ্যযুগৰ স্মৃতিশাস্ত্ৰকাৰ দামোদৰমিশ্ৰই পাঁচটা পৰিচ্ছেদত 'গংগাজল' ৰচনা কৰে। ইয়াত প্ৰায়শ্চিত্ত, বিবাহ, ব্ৰত, শ্ৰাদ্ধ, অশৌচ আদি বিভিন্ন বিষয় আলোচনা কৰা হৈছে। ধৰ্মশাস্ত্ৰখনৰ জৰিয়তে মধ্যযুগৰ কামৰূপীয় সমাজখনৰ প্ৰতিফলন ঘটিছে। কামৰূপীয় স্মৃতিশাস্ত্ৰকাৰসকলৰ ভিতৰত অন্যতম পীতাম্বৰ সিদ্ধান্তবাগীশ ভট্টাচাৰ্যই ওঠৰখন স্মৃতিশাস্ত্ৰ ৰচনা কৰে। তাৰ ভিতৰত 'দণ্ডকৌমুদী' (ন্যায়িক বিধি সম্বলিত গ্ৰন্থ) আৰু 'প্ৰেতকৌমুদী' (চন্দ্ৰগ্ৰহণ আৰু সূৰ্যগ্ৰহণ সম্পৰ্কীয় তথ্য সম্বলিত গ্ৰন্থ) উল্লেখযোগ্য।

জানি থোৱা ভাল

ধৰ্মশাস্ত্ৰ

ধৰ্ম-অৰ্থ-কাম-মোক্ষ এই চাৰিটা পুৰুষাৰ্থৰ ভিতৰত মানৰ জীৱনৰ পথ প্ৰদৰ্শক তথা নিয়ন্ত্ৰকৰূপে ধৰ্মৰ প্ৰাধান্য স্বীকাৰ কৰা হয়। ধৰ্ম প্ৰতিপাদক শাস্ত্ৰকে ধৰ্মশাস্ত্ৰ বুলি কোৱা হয়। ধৰ্ম শব্দৰ অৰ্থ অতি ব্যাপক।

সংস্কৃত 'ধৃ' ধাতুৰ লগত 'মন্' প্রত্যয় যোগ হৈ 'ধর্ম' শব্দৰ নিষ্পত্তি হৈছে। 'ধৃ' ধাতুৰ অর্থ ধাৰণ কৰা। ধাৰণৰ পৰাই ধর্ম। ইয়াত ধাৰণ কৰাৰ অর্থ ধৰি ৰখা, স্থিৰ কৰি ৰখা, আশ্রয় দি ৰখা ইত্যাদি। কর্ত্তব্য-অকর্ত্তব্যৰ বোধ প্রদান কৰি সকলো লোককে সুৰক্ষা প্রদান কৰা সর্বজনগ্রহণীয় শাস্ত্রই দৰাচলতে ধর্মশাস্ত্র। ধর্মশাস্ত্রক 'স্মৃতি' বুলিও কোৱা হয় (শ্রুতিস্তু বেদো বিজ্ঞেয়ো ধর্মশাস্ত্রং তু বৈ স্মৃতিঃ — মনুস্মৃতি, ২/১০)। ভাৰতবর্ষত স্মৃতিশাস্ত্র প্রণয়নৰ সুদীর্ঘ পৰম্পৰা আছে। ভাৰতীয় ঋষিসকলে মানৰ সমাজৰ সর্বাংগীণ কল্যাণ সাধনৰ বাবে স্মৃতিশাস্ত্র প্রণয়ন কৰিছিল। স্মৃতিশাস্ত্রসমূহৰ ভিতৰত 'মনুস্মৃতি', 'যাজ্ঞবল্ক্য স্মৃতি', 'পৰাশৰ স্মৃতি', 'নাৰদ স্মৃতি' আদিয়েই প্রসিদ্ধ। স্মৃতিশাস্ত্রসমূহত ব্রাহ্মণাদি চতুর্বর্ণৰ কর্ত্তব্য, সংস্কাৰ, তীর্থস্থান, দান, দেৱপূজা, ব্রত, উপবাস আদিৰ বর্ণনা পোৱা যায়। জ্ঞাত বা অজ্ঞাতভাৱে কৰা কু-কর্মৰ নিবৃত্তিৰ বাবে প্রায়শ্চিত্ত ব্যৱস্থা স্মৃতিসমূহে নিৰূপণ কৰিছে। ভাৰতবর্ষত হিন্দুসকলৰ ধর্মীয়, সামাজিক আচাৰ-অনুষ্ঠানত স্মৃতিশাস্ত্রসমূহৰ প্রভাৱ পৰিলক্ষিত হয়।

৯.৩.১ তন্ত্র সাহিত্য

এসময়ত কামৰূপ তন্ত্র সাধনাৰ কেন্দ্র স্থল আছিল। তন্ত্রপুথিসমূহত বিভিন্ন আখ্যান-উপাখ্যান, ঐতিহাসিক, ভৌগোলিক তথা সাংস্কৃতিক উপাদান উপলব্ধ হয়। 'বৃহদ্‌গবাক্ষতন্ত্র'ত মধ্যযুগৰ অসম প্রদেশখনক তিনিটা ভাগত বিভক্ত কৰিছে- জল্পীশ, কামাখ্যা, দিক্কৰবাসিনী। আনুমানিক পঞ্চদশ শতিকাৰ 'হৰগৌৰীসংবাদ'ও প্রাচীন কামৰূপত ৰচিত হৈছিল। অজ্ঞাত কবিৰ দ্বাৰা ৰচিত গ্রন্থখনক ২৩টা পটলত বিভক্ত কৰি শিৱ মাহাত্ম্য প্রকাশ কৰিছে। ইয়াৰ দ্বাৰা অতি প্রাচীন কালৰে পৰাই অসমত শৈৱতত্ত্বই এক গুৰুত্বপূর্ণ স্থান অধিকাৰ কৰা গম পোৱা যায়। তন্ত্র সাহিত্যৰ ভিতৰত 'যোগিনীতন্ত্র'ৰ স্থান অতি উল্লেখযোগ্য। মধ্যযুগত ৰচিত গ্রন্থখন দুটা ভাগত বিভক্ত হৈছে- পূর্বখণ্ড আৰু উত্তৰখণ্ড। ভাৰতবর্ষ তথা কামৰূপৰ ৰাজনৈতিক ইতিহাসৰ বিশ্লেষণমিশ্রিত এই তান্ত্রিক গ্রন্থ। 'যোগিনীতন্ত্র' অসমৰ সামাজিক আৰু সাংস্কৃতিক ইতিহাস অধ্যয়নৰ কাৰণে এখন অপৰিহার্য গ্রন্থ। গ্রন্থখনত কামৰূপক চাৰি ভাগত ভাগ কৰিছে- ৰত্নপীঠ, কামপীঠ, স্বর্ণপীঠ আৰু সৌমাৰপীঠ। প্রাচীন অসমৰ শাক্ত আৰু শৈৱ ধর্মীয় পৰম্পৰাই গা কৰি উঠা প্রত্যক্ষ হয়। অন্যান্য বিষয়ৰ লগতে 'যোগিনীতন্ত্র'ত কোঁচসকলৰ প্রথম ৰজা বিশ্বসিংহৰ ক্ষমতা লাভ, কোঁচ আৰু আহোমসকলৰ সংঘাতৰ কথা উল্লেখ আছে।

৯.৪ পুৰাণ সাহিত্য

মধ্যযুগত ৰচিত **'কালিকাপুৰাণ'** অষ্টাদশ উপপুৰাণৰ ভিতৰত অন্যতম। নব্বৈটা অধ্যায়যুক্ত গ্রন্থখনত শাক্তধর্মৰ মতবাদ, দর্শন আদিৰ আলোচনা পোৱা যায়। পুৰাণখনত বিভিন্ন অধ্যায়ত শক্তি মাহাত্ম্য বিশেষভাৱে বর্ণিত হৈছে। সকলো কাব্যিক গুণেৰে মণ্ডিত কাব্যখনত কামাখ্যাদেৱী আৰু তেওঁৰ বিভিন্ন ৰূপৰ মাহাত্ম্য তথা অর্চনাৰ বিধি উপস্থাপন কৰা হৈছে। কামৰূপৰ নদ-নদী, মঠ-মন্দিৰ, তীর্থস্থান প্রভৃতিৰ বর্ণনাৰে সমৃদ্ধ এইখন পুৰাণ। কালিকা পুৰাণৰ মতে, প্রাচীন কামৰূপৰ দীঘ এশ যোজন আৰু প্রস্থ ত্রিশ যোজন, ইয়াৰ সীমা পূৱে দিক্কৰ বা দিক্রং নদী আৰু পশ্চিমে কৰতোয়া নদী পর্যন্ত বিস্তৃত। **স্বল্পমৎস্যপুৰাণ** নামৰ উপপুৰাণখন কামৰূপতে ৰচিত হৈছিল। **বিষ্ণুধর্মোত্তৰপুৰাণ** আৰু **ধর্মপুৰাণ** আনুমানিক খ্রীষ্টীয় ত্রয়োদশ শতিকাত কামৰূপত ৰচনা হয়।

জানি থোৱা ভাল

পুৰাণ ঃ

'ঋগ্বেদ', 'অমৰকোষ', 'বায়ুপুৰাণ', 'মৎস্যপুৰাণ' আদিত পুৰাণ শব্দটো প্ৰাচীন অৰ্থত ব্যৱহৃত হৈছে। অমৰ সিংহই অমৰকোষত পুৰাণ শব্দই পুৰণি আখ্যানকে বুজায় বুলি উল্লেখ কৰিছে। পুৰাণৰ সংখ্যা অষ্টাদশ বুলি 'দেৱী ভাগৱত'ত উল্লেখ পোৱা যায়। সেইবোৰ হ'ল— ব্ৰহ্ম, পদ্ম, বিষ্ণু, বায়ু, ভাগবৎ, নাৰদীয়, মাৰ্কণ্ডেয়, অগ্নি, ভৱিষ্য, ব্ৰহ্মবৈৱৰ্ত, বৰাহ, লিংগ, স্কন্দ, বামন, কূৰ্ম, মৎস্য, গৰুড় আৰু ব্ৰহ্মাণ্ড। 'মৎস্যপুৰাণ' অনুসৰি পুৰাণৰ পঞ্চ লক্ষণ হ'ল- প্ৰাথমিক সৃষ্টি, সংহাৰ আৰু জগতৰ পুনৰ্সৃষ্টি, দেৱতা আৰু ঋষি-মুনিসকলৰ বংশাৱলী, মন্বন্তৰ (একোজন মনুৰ সময়) আৰু ৰাজবংশবোৰৰ আখ্যান-উপাখ্যানবোৰ।

সৰ্গশ্চ প্ৰতিসৰ্গশ্চ বংশো মন্বন্তৰানি চ।
বংশানুচৰিতং চৈৱ পুৰাণং পঞ্চলক্ষণম্।। (মৎসপুৰাণ, ৫৩/৬৪)

ভাৰতীয় সভ্যতা-সংস্কৃতিত পুৰাণসমূহৰ অতি উচ্চ স্থান পৰিলক্ষিত হয়। মনুই তেওঁৰ 'মনুস্মৃতি'ত বেদ আৰু পুৰাণক সমস্থান দি বেদৰ দৰে পুৰাণৰ পঠন আৰু শ্ৰৱণ পুণ্য বুলি উল্লেখ কৰিছে। (মনুস্মৃতি, ৩/২৩২)

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ প্ৰাচীন অসমত ৰচিত উল্লেখযোগ্য স্মৃতিশাস্ত্ৰ তিনিখনৰ নাম লিখক।

.....

প্ৰশ্ন নং ২ ঃ দামোদৰ মিশ্ৰৰ দ্বাৰা ৰচিত মধ্যযুগৰ স্মৃতিশাস্ত্ৰখনৰ নাম লিখক।

.....

প্ৰশ্ন নং ৩ ঃ 'যোগিনীতন্ত্ৰ' নামৰ তন্ত্ৰপুথিখন কোন দুটা ভাগত বিভক্ত হৈছে?

.....

প্ৰশ্ন নং ৪ ঃ 'যোগিনীতন্ত্ৰ'ত কামৰূপক কি কি চাৰিটা ভাগত বিভক্ত কৰিছে?

.....

প্ৰশ্ন নং ৫ ঃ মধ্যযুগত অসমত ৰচিত এখন উল্লেখযোগ্য পুৰাণৰ নাম লিখক।

.....

৯.৫ নাটক

সংস্কৃত নাট্য সাহিত্যৰ সৰ্বাত্মক প্ৰেৰণা হ'ল ৰামায়ণ, মহাভাৰত আৰু পুৰাণসমূহ। মহাভাৰতৰ উদ্যোগ পৰ্বৰ ওপৰত বিদ্যাপঞ্চাননে স্বৰ্গদেউ প্ৰমত্ত সিংহৰ পৃষ্ঠপোষকতাত **শ্ৰীকৃষ্ণপ্ৰয়াণম্** নামৰ সংস্কৃত নাটক ৰচনা কৰে। আহোম নৃপতি লক্ষ্মী সিংহৰ পৃষ্ঠপোষকতাত ধৰ্মদেৱ গোস্বামীয়ে **ধৰ্মোদয়** নামৰ সংস্কৃত প্ৰতীকাত্মক নাটক প্ৰণয়ন কৰে। নাটখনৰ বিষয়বস্তু মোৱামৰীয়া বিদ্ৰোহ, স্বৰ্গদেউ গৌৰীনাথ সিংহক ধৰ্মাৱতাৰ ৰূপে অংকিত কৰি মোৱামৰীয়াবিলাকক পাপৰ প্ৰতীক ৰূপে কল্পনা কৰা হৈছে। প্ৰতীকাত্মক এই নাটত ধৰ্মৰ জয়, অধৰ্মৰ পৰাজয় সূচিত হৈছে। শ্ৰীকৃষ্ণমিশ্ৰৰ প্ৰবোধচন্দ্ৰোদয় নাটৰ আৰ্হিত নাটখন ৰচিত হৈছে। সংস্কৃত নাটক আৰু অংকীয়া নাটৰ

উপাদানৰ সংমিশ্রণত কবিচন্দ্র দ্বিজে স্বর্গদেউ শিৱসিংহৰ প্রেৰণাত ছটা অংকযুক্ত **কামকুমাৰহৰণ**, গৌৰীকান্ত দ্বিজে স্বর্গদেউ কমলেশ্বৰ সিংহৰ উদ্যোগত **বিঘ্নেশজন্মোদয়**, দীনদ্বিজে **শঙ্খচূড়বধ** ৰচনা কৰে। **কামকুমাৰহৰণ**ৰ বিষয়বস্তু হৰিবংশ আৰু ভাগৱতপুৰাণৰ পৰা লোৱা হৈছে, বিঘ্নেশজন্মেদয়ৰ বিষয়বস্তু ব্রহ্মবৈৱর্ত্তপুৰাণৰ পৰা গ্রহণ কৰা হৈছে। শংখচূড়বধৰ বিষয়বস্তু ব্রহ্মবৈৱর্ত্তপুৰাণৰ কাহিনীৰ আধাৰত বর্ণনা কৰা হৈছে। কাব্যখনত অসমীয়া গীত সংযোজন কৰা হৈছে।

জানি থোৱা ভাল

সংস্কৃত নাটক ঃ

আলংকাৰিক বিশ্বনাথে দৃশ্যকাব্যক ৰূপক আৰু উপৰূপক নামে দুটা ভাগত ভাগ কৰিছে। ৰূপক দহ প্রকাৰৰ- নাটক, প্রকৰণ, ভাণ, ব্যায়োগ, সমৱকাৰ, ডিম, ঈহামৃগ, অঙ্ক, বীথী আৰু প্রহসন। ভৰত মুনিয়ে নাটকক 'লোকবৃত্তানুকৰণ' বুলি আখ্যা দিছে অর্থাৎ লোকবৃত্ত অনুকৰেণই নাটক। লোকবৃত্ত বা মানুহৰ জীৱনৰ ঘটনাক অভিনয়ৰ যোগেদি উপস্থাপন কৰিব পাৰিলেহে নাটকৰ পূর্ণৰস উপলব্ধি কৰিব পৰা যায়। দশৰূপকৰ প্রণেতা ধনঞ্জয়ৰ মতে অৱস্থাৰ অনুকৰণেই নাটক (অৱস্থানুকৃতিনাট্যম্)। বিশ্বনাথৰ মতে নাটকখন এটা প্রসিদ্ধ কাহিনীৰ ওপৰত আধাৰিত হ'ব লাগিব আৰু তাত পাঁচটা সন্ধি থাকিব লাগে। যেনে— মুখ, প্রতিমুখ, গর্ভ, বিমর্শ আৰু নির্বহণ। নাটকৰ অংকৰ সংখ্যা পাঁচটাৰ পৰা দহটাৰ ভিতৰত সীমিত হ'ব লাগে। নাটকৰ নায়কজন দিব্য (দেৱগুণসম্পন্ন) অথবা দিব্যাদিব্য (দেৱগুণসম্পন্ন হ'লেও মানৱৰূপে প্রতিভাত), ইতিহাস প্রসিদ্ধ বংশত জন্ম গ্রহণ কৰা, ধীৰ আৰু উদাত্ত ৰাজর্ষি গুণযুক্ত ব্যক্তি হ'ব লাগিব। শৃংগাৰ অথবা বীৰ ৰসৰ যিকোনো এটা নাটকৰ প্রধান ৰস আৰু অন্য ৰসসমূহ অপ্রধান হিচাপে থাকিব লাগিব। (সাহিত্য-দর্পণ, ৬/৭-১০)

প্রতীকাত্মক নাটক ঃ

প্রতীকাত্মক নাটকৰ লক্ষণ সংস্কৃত অলংকাৰ শাস্ত্রত উপলব্ধ নহয় যদিও নির্জীৱ পদার্থৰ ওপৰত জৈৱিক গুণ আৰোপণেই প্রতীকধর্মী নাটকৰ মূল বৈশিষ্ট্য বুলি ক'ব পাৰি। এনেধৰণৰ নাটকত মানুহৰ চিত্তবৃত্তিসমূহক চৰিত্র হিচাপে উপস্থাপন কৰা হয়। সংস্কৃত প্রতীকধর্মী নাটকৰ ভিতৰত শ্রীকৃষ্ণমিশ্রৰ 'প্রবোধচন্দ্রোদয়ম্' সবাতোকৈ জনপ্রিয়। নাটকখনত অংকিত প্রতীকাত্মক চৰিত্রসমূহৰ যোগেদি মানৱ চিত্তৰ কু-প্রবৃত্তিসমূহৰ অসাৰতা প্রতিপন্ন হৈছে।

৯.৬ ব্যাকৰণ

প্রাচীন অসমত ষড় বেদাঙ্গৰ অন্যতম ব্যাকৰণৰ চর্চা হৈছিল। পুৰুষোত্তম বিদ্যাবাগীশে আঠোটা অধ্যায়ত **প্রয়োগৰত্নমালা** ব্যাকৰণ ৰচনা কৰে। পুৰুষোত্তম বিদ্যাবাগীশৰ পৃষ্ঠপোষক আছিল কোঁচ ৰজা নৰনাৰায়ণ। অসমত প্রয়োগৰত্নমালা ব্যাকৰণৰ যে ব্যাপক চর্চা হৈছিল তাক গ্রন্থখনৰ টীকাসমূহৰ পৰা জানিব পাৰি। তাৰ ভিতৰত চন্দ্রশেখৰ ভট্টাচার্যৰ 'চন্দ্রশেখৰ টীকা', জীৱেশ্বৰ ভট্টার্চাৰ 'ৰত্নমালা পঞ্জিকা', মহেন্দ্র ভট্টাচার্যৰ 'ৰত্নমালা প্রদীপিকা টীকা' উল্লেখযোগ্য। নৰনাৰায়ণৰ আদেশমতে মন্দবুদ্ধিৰ শিক্ষার্থীসকলৰ বাবে এই ব্যাকৰণখন অতি সৰলভাৱে ৰচনা কৰিছিল। পাণিনিৰ অষ্টাধ্যায়ী ব্যাকৰণ অধ্যয়ন কৰি প্রণয়ন কৰিলেও ইয়াত যথেষ্ট মৌলিকতা আছে। গ্রন্থখনত সংজ্ঞা, সন্ধি, কৃৎ, তদ্ধিত প্রকৰণাদি বর্ণিত হৈছে।

৯.৭ কাব্য

এতিয়া আপুনি অসমত সংস্কৃতত ৰচিত বিভিন্ন কাব্যৰ বিষয়ে থুলমুলভাৱে জানিব পাৰিব। প্ৰথমেই শ্ৰীকৃষ্ণলীলামৃতম্, সতী জয়মতী, শ্লোকমালা, পতাকান্যায়, প্ৰকামকামৰূপম্, অবিনাশি, কৰিকৌতূহলম্, প্ৰশস্তিমূলক কাব্য, ব্যঞ্জনাপ্ৰপঞ্চসমীক্ষা আদি কেইখনমান উল্লেখযোগ্য কাব্যৰ বিষয়ে জানিব পাৰিব।

৯.৭.১ শ্ৰীকৃষ্ণলীলামৃতম্

অসমৰ সংস্কৃত ক্ষেত্ৰখনক সমৃদ্ধ কৰি থৈ যোৱা আধুনিক সংস্কৃত পণ্ডিতসকলৰ অন্যতম বৈকুণ্ঠনাথ চক্ৰৱৰ্ত্তীয়ে **শ্ৰীকৃষ্ণলীলামৃতম্** নামৰ মহাকাব্য ৰচনা কৰে। ভাগৱতপুৰাণৰ দশম স্কন্ধৰ অন্তৰ্গত পঞ্চমৰ পৰা তেত্ৰিছ অধ্যায়লৈ পৰিব্যাপ্ত হৈ থকা বিষয়বস্তু এই কাব্যখনত সন্নিৱিষ্ট কৰা হৈছে। প্ৰধানকৈ তোটক ছন্দত ৰচিত কাব্যখন শ্ৰীকৃষ্ণৰ জন্মবৃত্তান্তেৰে আৰম্ভ হৈছে আৰু ৰাসক্ৰীড়াৰে সমাপ্ত হৈছে। কাব্যখনৰ অৱতৰণিকাত কবিয়ে ভগৱান শ্ৰীকৃষ্ণৰ প্ৰতি প্ৰণিপাত জনাই তেওঁৰ অনুগ্ৰহ কামনা কৰিছে। ভগৱান কৃষ্ণই বিভিন্ন সময়ত বিভিন্ন ৰূপ গ্ৰহণ কৰাৰ বৰ্ণনা দি কবিয়ে অন্য সকলো দেৱতাৰ ওপৰত তেওঁৰ শ্ৰেষ্ঠত্ব প্ৰতিপাদন কৰিছে। কাব্যখনৰ শেষৰ অংশত ৰাসলীলাৰ তাৎপৰ্য প্ৰতিপাদন কৰি কোৱা হৈছে যে যিসকল ক্ষুধাৰ্ত্ত, দৰিদ্ৰ, ত্ৰাসিত ব্যক্তিয়ে কৃষ্ণক অন্তঃকৰণেৰে ভক্তি কৰে তেওঁলোকে জীৱনত কোনোধৰণৰ কু-পৰিণাম ভোগ কৰিবলগীয়া নহয়। কাব্যখনৰ ভাষা অতি প্ৰাঞ্জল আৰু সহজে বোধগম্য। কাব্যখনৰ এনে বৈশিষ্ট্যই প্ৰসাদগুণ সৃষ্টিত অধিক অৰিহণা যোগাইছে। কেতিয়াবা একেটা শব্দই একেটা অৰ্থত একাধিকবাৰ প্ৰয়োগ হৈছে। ফলত বৰ্ণনাই চমৎকাৰিতা লাভ কৰিছে। কাব্যখনত ভাগৱতপুৰাণ, গীতগোবিন্দ, নৈষধচৰিত প্ৰভৃতি কাব্যৰ প্ৰভাৱ স্পষ্ট।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ 'ধৰ্মোদয়' নামৰ সংস্কৃত প্ৰতীকাত্মক নাটকখন কোনে প্ৰণয়ন কৰে?

.....

প্ৰশ্ন নং ৭ ঃ 'বিয়েশজন্মোদয়'ৰ বিষয়বস্তু ক'ৰ পৰা গ্ৰহণ কৰা হৈছে?

.....

প্ৰশ্ন নং ৮ ঃ পুৰুষোত্তম বিদ্যাবাগীশৰ পৃষ্ঠপোষক ৰজাজন কোন?

.....

প্ৰশ্ন নং ৯ ঃ 'প্ৰয়োগৰত্নমালা' ব্যাকৰণৰ এটা টীকাৰ নাম লিখক।

.....

প্ৰশ্ন নং ১০ ঃ 'শ্ৰীকৃষ্ণলীলামৃতম্' কাব্যখন প্ৰধানকৈ কোনটো ছন্দত ৰচিত হৈছে?

.....

৯.৭.২ সতী জয়মতী

নলবাৰী জিলাৰ কৈঠালকুছিত ১৯০২ চনত জন্ম গ্ৰহণ কৰা ভৱদেৱ ভাগৱতীৰ কাব্য-মনীষাক সমৃদ্ধ কৰা কাব্যখন হ'ল **সতী জয়মতী**। তিনিটা প্ৰৱাহত বিভক্ত কাব্যখন মধ্যযুগৰ অসমৰ ইতিহাসৰ এটা অৱিস্মৰণীয়

ঘটনাৰ আধাৰত ৰচিত। জেৰেঙা পথাৰত স্বামীৰ মংগলৰ বাবে জীৱন ত্যাগ কৰা মহাসতী জয়মতীক কেন্দ্ৰ কৰিয়েই কাব্যখনৰ বিষয়বস্তু গঢ় লৈছে। প্ৰথম প্ৰৱাহত প্ৰাচীন কামৰূপৰ বশিষ্ঠাশ্ৰম, কামাখ্যা শক্তিপীঠ তথা এই পুণ্যভূমিৰ সুযোগ্য সন্তান ভগদত্ত, নৰক, চিলাৰায়, লাচিত বৰফুকন, চুকাফা, শংকৰদেৱ, হৰিদেৱ আদিৰ বৰ্ণনা, দ্বিতীয় প্ৰবাহত গদাপাণি আৰু জয়মতীৰ যুগ্মজীৱনৰ বৰ্ণনা আৰু তৃতীয় প্ৰবাহত জয়মতীৰ আত্মাহুতিৰ বৰ্ণনাই মুখ্য বৰ্ণনীয় বিষয়। কাব্যখনৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় প্ৰবাহত যথাক্ৰমে মালিনী, মন্দাক্ৰান্তা আৰু বংশস্থবিল ছন্দৰ প্ৰয়োগ কৰিছে। আনহাতে প্ৰথম, দ্বিতীয় আৰু তৃতীয় প্ৰৱাহৰ শেষৰ শ্লোকটো যথাক্ৰমে স্ৰগ্ধৰা, শার্দূলবিক্রীড়িত আৰু লীলাখেল ছন্দত ৰচিত হৈছে। অনুপ্ৰাস, যমক, উপমা, অপহ্নুতি, অর্থান্তৰন্যাস আদি অলংকাৰৰ সুপ্ৰয়োগে কাব্যখনৰ কাব্যিক সৌষ্ঠৱ বৃদ্ধি কৰিছে।

অপহ্নুতি অলংকাৰ ঃ

অপহ্নৱ মানে গোপন কৰা। প্ৰকৃত বস্তুটোক (উপমেয়ক) গোপন কৰি বা প্ৰতিষেধ কৰি তাৰ ঠাইত অন্য এক অপ্ৰকৃত বস্তুক (উপমানক) স্থাপন কৰিলে অপহ্নুতি অলংকাৰ হয়। উপমেয়ক প্ৰত্যক্ষ বা পৰোক্ষভাবে প্ৰত্যাখ্যান কৰি উপমানৰ সৌন্দৰ্য বঢ়াই তোলাই অপহ্নুতি অলংকাৰৰ বৈশিষ্ট্য।

৯.৭.৩ শ্লোকমালা

ভৱদেৱ ভাগৱতীৰ অনবদ্য কৃতি **শ্লোকমালা** হ'ল পদ্যাত্মক ৰচনা। ভিন্নধর্মী বিষয়েৰে পৰিপুষ্ট কাব্যখনত আৰম্ভণিতে কবিয়ে মহামানৰ মহাত্মা গান্ধীৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। কবিয়ে মত পোষণ কৰিছে যে যিসকলে গান্ধীৰ নীতি-আদর্শক অনুসৰণ কৰে তেওঁলোকেহে পৃথিৱীত সুখ ভোগ কৰিব পাৰে। কবিয়ে ভাৰতীয় সংস্কৃতিৰ ধাৰক আৰু বাহক সংস্কৃত ভাষাৰ জয়গান গাইছে। কাব্যখনত কবিয়ে তেওঁৰ জন্মভূমিৰ প্ৰতি গভীৰ প্ৰেম চাৰিটা স্তোত্ৰৰ জৰিয়তে ব্যক্ত কৰিছে। ভাৰতমাতাৰ সু-সন্তান ড০ ৰাজেন্দ্ৰ প্ৰসাদ, জৱাহৰলাল নেহৰু, বিজয়লক্ষ্মী পণ্ডিত আদিৰ নেতৃত্বক শ্ৰদ্ধাৰে সোঁৱৰণ কৰিছে। বিদ্যাৰ অপাৰ মহিমা কবিয়ে সুন্দৰকৈ বর্ণনা কৰিছে। কাব্যখনৰ সর্বমুঠ ২২০টা শ্লোকৰ সৰহ সংখ্যক শ্লোকেই অনুষ্টুপ্ ছন্দত বিৰচিত। সৰল ভাষা, দীর্ঘ সমাসৰ অনুপস্থিতি, সপ্তমী বিভক্তিযুক্ত শব্দৰ সঘন প্ৰয়োগ কাব্যখনৰ বৈশিষ্ট্য।

৯.৭.৪ পতাকান্নায়

অসমৰ সংস্কৃত ক্ষেত্ৰখনক সমৃদ্ধ কৰি থৈ যোৱা সংস্কৃত পণ্ডিতৰ ভিতৰত অন্যতম আচার্য্য মনোৰঞ্জন শাস্ত্ৰী দৰং জিলাৰ ভেৰুৰাত ১৯১১ চনত জন্ম গ্ৰহণ কৰে। তেওঁৰ দ্বাৰা বিৰচিত **পতাকান্নায়** নামৰ কাব্যখনত ভাৰতবর্ষৰ ৰাষ্ট্ৰীয় প্ৰতীক আৰু জাতীয় পতাকাৰ দার্শনিক তাৎপর্য ছন্দৱদ্ধ ৰূপত বর্ণনা কৰিছে। কাব্যখন পূর্বার্দ্ধ আৰু উত্তৰার্দ্ধ নামে দুটা ভাগত বিভক্ত হৈছে। 'জনমনোৰঞ্জনী' নামৰ কবিৰ স্বৰচিত টীকা সন্নিৱিষ্ট কাব্যখনত ৰাষ্ট্ৰীয় প্ৰতীক অশোক চক্ৰত খোদিত 'সত্যমেৱ জয়তে' কথাষাৰৰ দার্শনিক ব্যাখ্যা আগবঢ়াইছে। কবিৰ মতে **'মুণ্ডকোপনিষদ'ত** উপলব্ধ এই কথাষাৰে বেদ-উপনিষদ আশ্রিত ভাৰতীয় সমাজত থকা সত্য নিষ্ঠতাৰ ধাৰণাক প্ৰতিফলিত কৰে। কাব্যখনৰ জৰিয়তে ভাৰতীয় দর্শনৰ ওপৰত কবিৰ গভীৰ জ্ঞানৰ পৰিচয় পোৱা যায়। কাব্যখনত মহাভাৰত, মুণ্ডকোপনিষদ, মৎস্যপুৰাণ, শ্ৰীমদ্ভগবদ্ গীতা প্ৰভৃতি শাস্ত্ৰৰ প্ৰত্যক্ষ তথা পৰোক্ষ প্ৰভাৰ পৰা দেখিবলৈ পোৱা যায়। মুঠ ১৭১টা শ্লোকযুক্ত কাব্যখনত অনুষ্টুপ্, ইন্দ্ৰবংশা, মালিনী, স্ৰগ্ধৰা আদি ছন্দ প্ৰয়োগ হোৱা দেখিবলৈ পোৱা যায়।

জানি থোৱা ভাল

মুণ্ডক উপনিষদ ঃ

মুণ্ডক অথর্ৱবেদৰ তিনিখন উপনিষদৰ অন্যতম। ইয়াত ঋষি অঙ্গিৰসে তেওঁৰ শিষ্য শৌনকৰ প্ৰতি আগবঢ়োৱা প্ৰবচনসমূহ লিপিবদ্ধ কৰা হৈছে। এইখন উপনিষদত তিনিটা মুণ্ডক (অধ্যায়) আছে আৰু প্ৰত্যেক মুণ্ডকত দুটাকৈ খণ্ড আছে। মুণ্ডক উপনিষদত বিদ্যা আৰু অপৰা বিদ্যাৰ লক্ষণ, উদ্দেশ্য আৰু ফল, পৰমাত্মাৰ স্বৰূপ, জীৱাত্মা আৰু পৰমাত্মাৰ ভেদাভেদ সম্বন্ধে আলোচনা কৰা হৈছে। 'সত্যমেৱ জয়তে' এই উক্তিটো মুণ্ডকোপনিষদৰ তৃতীয় মুণ্ডকত পোৱা যায়।

৯.৭.৫ প্ৰকামকামৰূপম্

বিদগ্ধ সংস্কৃত পণ্ডিত আচার্য্য মনোৰঞ্জন শাস্ত্রীয়ে নটা উচ্ছ্বাসযুক্ত **প্ৰকামকামৰূপম্** নামে সংস্কৃত কাব্য প্ৰণয়ন কৰে। সৰ্বমুঠ ৩৭৬টা শ্লোক সন্নিৱিষ্ট কাব্যখনত কবিয়ে প্ৰাচীন কামৰূপৰ নাম-মাহাত্ম্য বৰ্ণনা কৰিছে। সেই সময়ৰ সামাজিক পৰিবেশৰ চিত্ৰ দাঙি ধৰি কবিয়ে কৈছে যে কামৰূপৰ নাৰীসকল আছিল মধু�ৰভাষী, সহনশীল, সজ আচাৰ-ব্যৱহাৰযুক্ত তথা পুৰুষসকল সুন্দৰ, ধার্মিক তথা পৰিশ্ৰমী। কাব্যখনত কামৰূপৰ বৌদ্ধ দার্শনিক আচার্য ধর্মকীর্তি, কুমাৰিলভট্ট, নীলাম্বৰাচার্য, পুৰুষোত্তম বিদ্যাবাগীশ প্ৰভৃতি প্ৰসিদ্ধ পণ্ডিতৰ গৰিমা কীর্ত্তন কৰিছে। কাব্যখনত কামৰূপৰ চহকী সাংস্কৃতিক ঐতিহ্যৰ পৰিচয় পোৱা যায়। কামাখ্যা, হয়গ্ৰীৱ মাধৱ, পোৱা-মক্কা আদি তীর্থস্থানে ধর্মীয় ঐক্য-সংহতি সাধনত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছে। নৱনাৰায়ণ, চিলাৰায়, ভাস্কৰৱর্মা প্ৰভৃতি অসমৰ নৃপতিসকলৰ গৌৰৱ গাথা বর্ণনাৰ দ্বাৰা তদানীন্তন কালৰ ৰাজনৈতিক পৰিবেশৰ পৰিচয় পোৱা যায়। ৩৭৬টা শ্লোকত ৰচিত কাব্যখন অনুপ্রাস, উপমা, অর্থান্তৰন্যাস আদি অলংকাৰেৰে সমৃদ্ধ হৈছে।

জানি থোৱা ভাল

উপমা অলংকাৰ ঃ

উপমা শব্দৰ অর্থ তুলনা। একে বাক্যতে বিৰুদ্ধধর্মৰ্বর্জিত দুটা বস্তুৰ মাজত যদি সাদৃশ্য কথিত হয় তেন্তে তাক উপমা অলংকাৰ বোলা হয়। (সাম্যং বাচ্যমবৈধর্ম্যং বাক্যৈক্য উপমা দ্বয়োঃ — সাহিত্য-দর্পণ)। সাদৃশ্যমূলক অলংকাৰসমূহৰ ভিতৰত উপমা জননী স্বৰূপা। ৰাজশেখৰে উপমাক 'অলংকাৰশিৰোৰত্ন' আখ্যা দিছে—

অলংকাৰশিৰোৰত্নং সর্বস্বং কাব্যসম্পদাম্।
উপমা কবিবংশস্য মাতৈবেতি মতির্মম।।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১১ ঃ 'সতী জয়মতী' কাব্যখনৰ কবি কোন?

.....

প্ৰশ্ন নং ১২ ঃ 'শ্লোকমালা' কাব্যখনত সৰ্বমুঠ কিমানটা শ্লোক আছে?

.....

প্ৰশ্ন নং ১৩ ঃ 'জনমনোৰঞ্জনী' নামৰ টীকা কোনে ৰচনা কৰিছিল?

.....

প্ৰশ্ন নং ১৪ ঃ 'প্ৰকামকামৰূপম্'ত কেইটা উচ্ছ্বাস আছে?

.....

৯.৭.৬ অবিনাশি

প্ৰাচ্যতত্ত্ববিদ, বিচক্ষণ পণ্ডিত ড০ বিশ্বনাৰায়ণ শাস্ত্ৰীৰ ১৯১৮ চনত জন্ম হৈছিল লখিমপুৰ জিলাৰ পাণবাৰীত। তেওঁ **'অবিনাশি'** নামে এখন সংস্কৃত ঐতিহাসিক উপন্যাস ৰচনা কৰে। খ্ৰীষ্টীয় সপ্তম শতিকাৰ প্ৰাগ্‌জ্যোতিষৰ ৰজা ভাস্কৰবৰ্মাই থানেশ্বৰৰ ৰজা হৰ্ষবৰ্ধনৰ সৈতে মিত্ৰতা কৰি গৌড়ৰ নৰাৰ শশাংকৰ বিৰুদ্ধে কৰা যৌথ অভিযানেই কাব্যখনৰ ঐতিহাসিক পটভূমি। ভাস্কৰবৰ্মা আৰু মহাকাল মন্দিৰত দেৱদাসীৰূপে সমৰ্পিতা দেৱস্বামীৰ পালিতা কন্যা অপূৰ্ব সুন্দৰী মাধৰীৰ প্ৰণয় কাহিনী কাব্যখনৰ মুখ্য বিষয়বস্তু। কাব্যখনৰ মুখ্য ৰস **শৃংগাৰ** যদিও হাস্য, **কৰুণ** আদি অপ্ৰধান ৰসো প্ৰয়োগ হোৱা দেখা যায়। ভাস, কালিদাস, ভাৰবি আদি প্ৰাচীন সংস্কৃত কবিসকলৰ আংশিক প্ৰভাৱ কাব্যখনত পৰিলক্ষিত হয়। এই উপন্যাসখনে ১৯৮৭ চনত সংস্কৃত গ্ৰন্থ শিতানত সাহিত্য অকাডেমি বঁটা লাভ কৰে।

জানি থোৱা ভাল

শৃংগাৰ ৰস ঃ

ৰস-পিপাসুসকলৰ মাজত শৃংগাৰৰসে সদায় আদৰ পাই আহিছে। শৃংগাৰ ৰসৰ স্থায়ীভাৱ হ'ল ৰতি। মিলনৰ কাৰণে স্ত্ৰী-পুৰুষৰ পৰস্পৰৰ যি প্ৰৱল আসক্তি জন্মে তাকে শৃংগাৰ বোলে। শৃংগাৰ ৰস দুই প্ৰকাৰৰ— সম্ভোগ আৰু বিপ্ৰলম্ভ শৃংগাৰ।*

কৰুণ ৰস

কৰুণ ৰসৰ স্থায়ীভাৱ হ'ল শোক। ধনঞ্জয়ৰ মতে ঈপ্সিত বস্তুৰ বিনাশ আৰু অনীপ্সিত বস্তুৰ প্ৰাপ্তিয়েই দৰ্শকৰ অন্তৰত শোকৰ সৃষ্টি কৰে (ইষ্টনাশাদনিষ্টাপ্তৌ শোকাত্মা কৰুণোহনুমতম্- দশৰূপক, ৪/৮১)। বিশ্বনাথ কবিৰাজেও ধনঞ্জয়ৰ মতবাদক সমৰ্থন কৰা দেখা যায় (ইষ্টনাশাদনিষ্টাপ্তেঃ কৰুণাখ্যো ৰসো ভৱেৎ - সাহিত্য-দৰ্পণ, ৩/২২২)। প্ৰসিদ্ধ আলংকাৰিক জগন্নাথৰ মতে পুত্ৰৰ মৃত্যু আৰু বিচ্ছেদে ব্যগ্ৰতাৰ সৃষ্টি কৰে আৰু ইয়াকে শোক বুলি কোৱা হয় (পুত্ৰাদিবিয়োগমৰণাদিজন্মা বৈক্লবাখ্যাশ্চিত্ত বৃত্তিবিশেষঃ শোকঃ - ৰসগংগাধৰ, পৃ. ১৪১)

৯.৭.৭ কৰিকৌতূহলম্

নলবাৰী জিলাৰ বনগাঁওৰ বটুনাথ চক্ৰৱৰ্ত্তীয়ে **কৰিকৌতূহলম্** নামৰ ১০৩টা **প্ৰহেলিকা** (সাঁথৰ) যুক্ত ছন্দৱদ্ধ কাব্য ৰচনা কৰে। কাব্যখনৰ আৰম্ভণিতে তিনিটা মংগলাচৰণশ্লোকত শিৱ-পাৰ্বতীৰ স্তুতি কৰা হৈছে। কাব্যখনত অনুপ্ৰাস, যমক আদি শব্দালংকাৰৰ সুপ্ৰয়োগ প্ৰত্যক্ষ কৰিব পাৰি। কাব্যখনত মুঠ ১৮টা সমবৃত্তীয় ছন্দৰ প্ৰয়োগ দেখিবলৈ পোৱা যায়।

জানি থোৱা ভাল

প্ৰহেলিকা ঃ

কোনো এক গূঢ়ার্থক কথা যিটো অনুমানৰ দ্বাৰাইহে বোধগম্য হয় তাকে প্ৰহেলিকা আখ্যা দিব পাৰি। বিশ্বনাথ কবিৰাজে সাহিত্য-দৰ্পণত প্ৰহেলিকাক অলংকাৰৰ মৰ্য্যাদা দিবলৈ অস্বীকাৰ কৰিছে। তেওঁৰ মতে অলংকাৰ ৰসৰ উপকাৰক কিন্তু প্ৰহেলিকা ৰসৰ পৰিপন্থী। (ৰসস্য পৰিপন্থিত্বান্নালংকাৰঃ প্ৰহেলিকা। উক্তিবৈচিত্র্যমাত্রং সা চ্যুতদত্তাক্ষৰাদিকা।।

সাহিত্য-দৰ্পণ, ১০/১৩

৯.৭.৮ প্ৰশস্তিমূলক কাব্য

অসমত স্বতন্ত্ৰ *প্ৰশস্তিমূলক* কাব্যৰ প্ৰণয়নৰ ক্ষেত্ৰত অধ্যাপক মুকুন্দ মাধৱ শৰ্মাৰ **'স্তুতিপ্ৰশস্তিমঞ্জৰী'** উল্লেখযোগ্য। সৰল সংস্কৃত ভাষাত প্ৰণয়ন কৰা কাব্যখনত সন্নিৱিষ্ট প্ৰশস্তিবোৰক চাৰিটা ভাগত ভগাব পাৰি— দেৱ-দেৱী বিষয়ক, মহাপুৰুষ তথা বিশিষ্ট ব্যক্তি বিষয়ক, অনুষ্ঠান বিষয়ক আৰু অন্যান্য সানমিহলি প্ৰশস্তি। কাব্যখনত স্বকীয় কৰ্মক্ষেত্ৰত প্ৰতিভাৰ পৰিচয় দিয়া অসমকে ধৰি ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ ব্যক্তিবিশেষৰ প্ৰশস্তি আছে। কাব্যখনৰ গদ্য আৰু পদ্য উভয়বিধ প্ৰশস্তিতে অৰ্থগৌৰৱ তথা প্ৰকাশৰ সাৱলীলতা প্ৰত্যক্ষ কৰিব পাৰি। ড০ ৰবীন্দ্ৰ নাথ শৰ্মাৰ **'প্ৰশস্তিমালিকা'** প্ৰশস্তি কাব্যৰ এক সুন্দৰ নিদৰ্শন। সৰ্বমুঠ বত্ৰিশটা সংস্কৃত প্ৰশস্তি থকা কাব্যখন প্ৰধানকৈ অনুষ্টুপ ছন্দত বিৰচিত। যথার্থ অৰ্থবোধৰ শব্দ চয়নেৰে আৰু ভাৱৰ স্পষ্টতাৰে মহীয়ান উক্ত কাব্য। অধ্যাপক উমাকান্ত দেৱ শৰ্মা-শাস্ত্ৰী-তৰ্ক-ব্যাকৰণ-তীৰ্থৰৰ ৰচিত 'প্ৰশস্তি-মঞ্জৰী' (২০০৬) এখন উল্লেখযোগ্য প্ৰশস্তি কাব্য।

জানি থোৱা ভাল

প্ৰশস্তিমূলক কাব্য ঃ

প্ৰ-পূৰ্বক শংখ্ ধাতুত ক্তিন্ প্ৰত্যয় যোগ হৈ 'প্ৰশস্তি' শব্দটো নিষ্পন্ন হৈছে। প্ৰশস্যজনৰ প্ৰশংসা বা স্তুতি গদ্য বা পদ্যৰ মাধ্যমত যি কাব্যত কৰা হয় তাকে প্ৰশস্তিমূলক কাব্য বোলে। প্ৰাচীন কালৰে পৰা শিলালিপি আৰু তাম্ৰলিপিত সমুদ্ৰগুপ্ত, ভাস্কৰবৰ্মা প্ৰভৃতি ৰজাৰ প্ৰশস্তি পোৱা যায়।

৯.৭.৯ ব্যঞ্জনাপ্ৰপঞ্চসমীক্ষা

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য অধ্যাপক মুকুন্দ মাধৱ শৰ্মাই তুলনাত্মক প্ৰতীকবাদৰ ওপৰত **'ব্যঞ্জনাপ্ৰপঞ্চসমীক্ষা'** প্ৰণয়ন কৰে। ছটা অধ্যায়যুক্ত গ্ৰন্থখনৰ প্ৰথম তিনিটা অধ্যায়ৰ নামকৰণ পূৰ্বমীমাংসা, পিছৰ তিনিটা অধ্যায়ৰ নামকৰণ উত্তৰমীমাংসা কৰা হৈছে। গ্ৰন্থকাৰে অলংকাৰ শাস্ত্ৰ, ব্যাকৰণশাস্ত্ৰ তথা ন্যায়দৰ্শন আদিত ব্যঞ্জনা নামৰ শব্দ শক্তিৰ উৎস বিচাৰ কৰাৰ লগতে কেতবোৰ অৰ্থালংকাৰৰ লগত ব্যঞ্জনাৰ নিকট সম্পৰ্ক উদাহৰণ সহ উপস্থাপন কৰিছে।

৯.৭.১০ অনূদিত কাব্য

বিশ্বকবি ৰবীন্দ্রনাথ ঠাকুৰৰ 'গীতাঞ্জলী' কাব্যখনৰ সংস্কৃত ভাষাত **গীতাঞ্জলী-সংস্কৃতম্** নামে ছন্দৰদ্ধ ৰূপত অনুবাদ কৰে অধ্যাপক কামিনী কুমাৰ অধিকাৰীয়ে। অনূদিত কাব্যখনে ভাৰতবৰ্ষৰ তদানীন্তন প্রসিদ্ধ পণ্ডিতসকলৰ দৃষ্টি আকর্ষণ কৰিবলৈ সক্ষম হৈছিল। যথার্থ শব্দ নির্বাচন কৰি স্বকীয় ভাৱক প্রকাশ কৰাত অনুবাদক সফল হৈছে। বিহগী কবি ৰঘুনাথ চৌধাৰীৰ 'কেতেকী' নামৰ কাব্যখন মনোৰঞ্জন শাস্ত্রীয়ে সংস্কৃত ভাষালৈ অনুবাদ কৰে। **কেতকী কাব্যম্** নামেৰে প্রসিদ্ধ অনূদিত কাব্যখনত পাঁচটা তৰংগ আছে। কাব্যখনত কেতবোৰ অসমীয়া শব্দৰ সংস্কৃতকৰণ মনকৰিবলগীয়া। সংস্কৃত শব্দসম্ভাৰৰ সুচাৰুপ্রয়োগ কাব্যখনৰ উল্লেখযোগ্য দিশ। ৰঘুনাথ চৌধাৰীৰ **নৱমল্লিকা** গ্রন্থখন একে নামেৰে সংস্কৃত ভাষালৈ পণ্ডিত বিপিন চন্দ্র গোস্বামীয়ে অনুবাদ কৰে। ৰঘুনাথ চৌধাৰীৰ নৱমল্লিকাত সন্নিৱিষ্ট নটা গল্পৰ সৰল আৰু মনোগ্রাহী সংস্কৃত **অনুবাদ** দেখিবলৈ পোৱা যায়। কাব্যখনত মুক্তক, চূর্ণক, বৃত্তগন্ধি ইত্যাদি সংস্কৃত গদ্যৰ প্রয়োগ পৰিলক্ষিত হয়। অধ্যাপক দীপক কুমাৰ শর্মাই কুমাৰ ভাস্কৰ বর্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়ৰ উপাচার্য পদত কার্যনির্বাহ কৰি থকা সময়তে পয়ষষ্ঠিজন কবিৰ এশটা অসমীয়া পদ্যৰ সংস্কৃত অনুবাদ কৰে **অসমা বাঙ্মঞ্জৰী** নামৰ গ্রন্থখনত। অসমীয়া কবিতাৰ ৰস-ভাৱ বিষয়ে সংস্কৃত কাব্যৰস পিপাসুসকলক কিছু আভাস দিয়াই গ্রন্থকাৰৰ উদ্দেশ্য। কাব্যখনত অধ্যাপক শর্মাৰ কবিপ্রতিভা তথা অসমীয়া আৰু সংস্কৃত ভাষাজ্ঞানৰ নিপুণতা প্রকাশিত হৈছে।

জানি থোৱা ভাল

অনুবাদ ঃ

এটা ভাষাৰ ৰচনা আন এটা ভাষালৈ ৰূপান্তৰিত কৰাকে সাধাৰণ অর্থত 'অনুবাদ' আখ্যা দিয়া হয়। বিশ্বৰ সকলো অঞ্চলৰ সকলো ৰচনা মূল উৎস ভাষাত হৃদয়ংগম কৰাতো সম্ভৱ নহয়। বিশ্বৰ অন্য সাহিত্যৰ সম্ভেদ অথবা ৰসাস্বাদন কৰিবৰ বাবে অনুবাদৰ প্রয়োজন হয়। অনুবাদকৰ উৎস ভাষা (source language) আৰু লক্ষ্য ভাষাৰ (target language) ওপৰত গভীৰ ব্যুৎপত্তি থাকিলেহে অনুবাদ শুদ্ধ আৰু সম্পূর্ণ হয়। সাম্প্রতিক সময়ত অনুবাদ কলাৰ গুৰুত্ব বাঢ়ি অহা পৰিলক্ষিত হৈছে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১৫ ঃ অসমত ৰচিত সংস্কৃত উপন্যাসখনৰ নাম লিখা।

.....

প্রশ্ন নং ১৬ ঃ 'কৰিকৌতূহলম্' কাব্যখন কোনে ৰচনা কৰে?

.....

প্রশ্ন নং ১৭ ঃ 'প্রশস্তিমালিকা'ত সর্বমুঠ কেইটা সংস্কৃত প্রশস্তি আছে?

.....

প্রশ্ন নং ১৮ ঃ অধ্যাপক মুকুন্দ মাধৱ শর্মাৰ তুলনাত্মক প্রতীকবাদৰ ওপৰত ৰচিত গ্রন্থখনৰ নাম লিখক।

.....

প্রশ্ন নং ১৯ ঃ 'গীতাঞ্জলী'ৰ ৰচক কোন?

.....

প্রশ্ন নং ২০ ঃ ৰঘুনাথ চৌধাৰীৰ 'নৱমল্লিকা' গ্রন্থখন সংস্কৃত ভাষালৈ কোনে অনুবাদ কৰে?

.....

৯.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- প্রাচীন অসমৰ সংস্কৃত ভাষা-সাহিত্যৰ বিষয়ে জানিব পাৰিলে।
- অসমৰ প্রসিদ্ধ সংস্কৃত কবিসকলৰ কাব্যৰ বিষয়ে অৱগত হ'ল।
- আধুনিক ভাৰতীয় ভাষাৰ পৰা সংস্কৃতলৈ অনূদিত কাব্যসমূহৰ বিষয়ে ধাৰণা লাভ কৰিলে।
- অসমৰ সংস্কৃত চর্চাৰ পৰিৱেশৰ বিষয়ে জ্ঞান লাভ কৰিলে।

৯.৯ অধিক জানিবলৈ

১) গোস্বামী, মালিনী (১৯৯৮); *অসমত সংস্কৃত চর্চাৰ ইতিহাস,* যোৰহাট, অসম সাহিত্য সভা।

২) শর্মা, দীপক কুমাৰ (২০০৩); *অপাৰে কাব্যসংসাৰে,* নলবাৰী, কিতাপ ঘৰ।

৩) শর্মা, সত্যেন্দ্রনাথ (১৯৬২); *ৰূপকত্রয়ম্,* যোৰহাট, অসম সাহিত্য সভা।

৪) গোস্বামী (ড°) ভাৰতী, বুজৰবৰুৱা, (ড°) কল্পিতা, (২০১২), *লৌহিত্য তীৰত সংস্কৃত চর্চা,* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৫) Barpujari, H. K. (1990); *The Comprehensive History of Assam*, Guwahati, Publication Board of Assam.

৬) Barua, B. K. (1969); *A Cultural History of Assam*, Vol. I, Guwahati, Bina Library.

৭) Barua, K. L. (1988); *Early History of Kamrupa*, Guwahati, Lawyers Book Stall.

৮) Shastri, B. N. (1998); *Sanskrit in Assam Through the Ages*, New Delhi, Rastriya Sanskrit Sansthan.

৯.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ প্রাচীন অসমত ৰচিত উল্লেখযোগ্য স্মৃতিশাস্ত্র তিনিখন হ'ল - 'ধৱলসংগ্রহ', 'স্মৃতিসমুচ্চয়', 'অন্ধ্রুকসংহিতা'।

২ নং প্রশ্নৰ উত্তৰ ঃ দামোদৰমিশ্রৰ দ্বাৰা ৰচিত মধ্যযুগৰ স্মৃতিশাস্ত্রখন হ'ল 'গংগাজল'।

৩ নং প্রশ্নৰ উত্তৰ ঃ 'যোগিনীতন্ত্র' নামৰ তন্ত্রপুথিখন পূর্বখণ্ড আৰু উত্তৰখণ্ড নামে দুটা ভাগত বিভক্ত হৈছে।

৪ নং প্রশ্নৰ উত্তৰ ঃ 'যোগিনীতন্ত্র'ত কামৰূপক ৰত্নপীঠ, কামপীঠ, স্বর্ণপীঠ আৰু সৌমাৰপীঠ এই চাৰিটা ভাগত বিভক্ত কৰিছে।

৫ নং প্রশ্নৰ উত্তৰ ঃ মধ্যযুগত অসমত ৰচিত এখন উল্লেখযোগ্য পুৰাণৰ নাম হ'ল কালিকা পুৰাণ।

৬ নং প্রশ্নৰ উত্তৰ ঃ 'ধর্মোদয়' নামৰ সংস্কৃত প্রতীকাত্মক নাটকখন ধর্মদেৱ গোস্বামীয়ে প্রণয়ন কৰে।

৭ নং প্রশ্নৰ উত্তৰ ঃ 'বিঘ্নেশজন্মোদয়'ৰ বিষয়বস্তু ব্রহ্মবৈৱর্ত্ত পুৰাণৰ পৰা গ্রহণ কৰা হৈছে।

৮ নং প্রশ্নৰ উত্তৰ ঃ পুৰুষোত্তম বিদ্যাবাগীশৰ পৃষ্ঠপোষক ৰজাজন হ'ল নৰনাৰায়ণ।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰয়োগৰত্নমালা ব্যাকৰণৰ এটা টীকাৰ নাম চন্দ্ৰশেখৰ টীকা।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ 'শ্ৰীকৃষ্ণলীলামৃতম্' কাব্যখন প্ৰধানকৈ তোটক ছন্দত ৰচিত হৈছে।

১১ নং প্ৰশ্নৰ উত্তৰ ঃ 'সতী জয়মতী' কাব্যখনৰ কবি হ'ল ভৱদেৱ ভাগৱতী।

১২ নং প্ৰশ্নৰ উত্তৰ ঃ 'শ্লোকমালা' কাব্যখনত সৰ্বমুঠ ২২০ টা শ্লোক আছে।

১৩ নং প্ৰশ্নৰ উত্তৰ ঃ জনমনোৰঞ্জনী' নামৰ টীকা মনোৰঞ্জন শাস্ত্ৰীয়ে ৰচনা কৰিছিল।

১৪ নং প্ৰশ্নৰ উত্তৰ ঃ 'প্ৰকামকামৰূপম্'ত নটা উচ্ছ্বাস আছে।

১৫ নং প্ৰশ্নৰ উত্তৰ ঃ অসমত ৰচিত সংস্কৃত উপন্যাসখন হ'ল 'অবিনাশি'।

১৬ নং প্ৰশ্নৰ উত্তৰ ঃ 'কৱিকৌতূহলম্' কাব্যখন বটুনাথ চক্ৰৱৰ্ত্তীয়ে ৰচনা কৰে।

১৭ নং প্ৰশ্নৰ উত্তৰ ঃ 'প্ৰশস্তিমালিকা'ত সৰ্বমুঠ বত্ৰিশটা সংস্কৃত প্ৰশস্তি আছে।

১৮ নং প্ৰশ্নৰ উত্তৰ ঃ অধ্যাপক মুকুন্দ মাধৱ শৰ্মাৰ তুলনাত্মক প্ৰতীকবাদৰ ওপৰত ৰচিত গ্ৰন্থখনৰ নাম হ'ল 'ব্যঞ্জনাপ্ৰপঞ্চসমীক্ষা'।

১৯ নং প্ৰশ্নৰ উত্তৰ ঃ 'গীতাঞ্জলী'ৰ ৰচক হ'ল ৰবীন্দ্ৰনাথ ঠাকুৰ।

২০ নং প্ৰশ্নৰ উত্তৰ ঃ ৰঘুনাথ চৌধাৰীৰ 'নৱমল্লিকা' গ্ৰন্থখন সংস্কৃত ভাষালৈ অনুবাদ কৰে পণ্ডিত বিপিন চন্দ্ৰ গোস্বামীয়ে।

? ৯.১১ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ অসমত সংস্কৃত চৰ্চাৰ ঐতিহ্যৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন ২ ঃ প্ৰাচীন আৰু মধ্যযুগৰ অসমত স্মৃতিশাস্ত্ৰ চৰ্চাৰ বিষয়ে চমুকৈ লিখক।

(খ) চুটি প্ৰশ্ন (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ অসমৰ তন্ত্ৰ সাহিত্যত যোগিনীতন্ত্ৰৰ স্থান চমুকৈ লিখক।

প্ৰশ্ন ২ ঃ 'সতী জয়মতী' কাব্যখনৰ বিষয়বস্তু চমুকৈ বৰ্ণনা দিয়ক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ আচাৰ্য্য মনোৰঞ্জন শাস্ত্ৰীৰ 'প্ৰকামকামৰূপম্' নামৰ কাব্যখনৰ সংক্ষিপ্ত পৰিচয় দাঙি ধৰক।

প্ৰশ্ন ২ ঃ অসমত আধুনিক ভাৰতীয় ভাষাৰ পৰা সংস্কৃতলৈ অনূদিত কাব্যসমূহৰ বিষয়ে এটি বহলাই লিখক।

*** ***** ***

অধ্যায় ১০ঃ অসমত সংস্কৃত-চর্চা (শংকৰোত্তৰ কালৰ পৰা বর্তমানলৈ)

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য

১০.২ পৰিচয়

১০.৩ অসমত সংস্কৃত চর্চা

১০.৪ ধীৰেশ্বৰাচার্য

১০.৪.১ বৃত্তমঞ্জুৰী

১০.৫ ভৱদেৱ ভাগৱতী

১০.৫.১ সতী জয়মতী

১০.৫.২ শ্লোকমালা

১০.৬ আচার্য মনোৰঞ্জন শাস্ত্রী

১০.৭ বিপিন চন্দ্র গোস্বামী

১০.৮ আনন্দৰাম বৰুৱা

১০.৯ কৃষ্ণকান্ত সন্দিকৈ

১০.১০ যোগীৰাজ বসু

১০.১১ ড° বিশ্বনাৰায়ণ শাস্ত্রী

১০.১২ ড° মুকুন্দ মাধৱ শর্মা

১০.১৩ আন আন পণ্ডিতসকল- জীৱেশ্বৰ দেৱ গোস্বামী, বৈকুণ্ঠনাথ চক্রৱর্তী, ড° ৰাজেন্দ্র নাথ শর্মা ইত্যাদি।

১০.১৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১০.১৫ অধিক জানিবলৈ

১০.১৬ অগ্রগতিৰ খতিয়ান

১০.১৭ আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- অসমত সংস্কৃত চর্চাৰ বিষয়ে জানিব পাৰিব
- ভাৰতবর্ষত সংস্কৃত চর্চাৰ ক্ষেত্রত অসমৰ অৱদান সম্পর্কে অৱগত হ'ব পাৰিব
- উত্তৰ শংকৰীযুগৰ উল্লেখযোগ্য কেইজনমান অসমৰ সংস্কৃত পণ্ডিতৰ বিষয়ে জানিব পাৰিব
- উত্তৰ শংকৰীযুগৰ অসমৰ কেইজনমান উল্লেখযোগ্য সংস্কৃত পণ্ডিতৰ অৱদান সম্পর্কে অৱগত হ'ব পাৰিব।

১০.২ পৰিচয়

ভাৰতবর্ষৰ পূৱ প্রান্তত অৱস্থিত অসমদেশ প্রাচীনকালত প্রাগজ্যোতিষ আৰু কামৰূপ নামেৰে প্রসিদ্ধ

আছিল। লৌহিত্য নদৰ পাৰত অৱস্থিত এই দেশৰ সীমা নিৰূপণ কৰি যোগিনী তন্ত্রই কৈছে- 'কৰতোয়া নদীৰ পৰা দিক্কৰবাসিনী পর্যন্ত কামৰূপ ৰাজ্য। উত্তৰফালে কাঞ্চনজংঘা, পশ্চিমে কৰতোয়া নদী, পূৱে তীর্থশ্রেষ্ঠা দিক্ষুনদী আৰু দক্ষিণে ব্রহ্মপুত্র আৰু নাক্ষা নদীৰ সংগম স্থানলৈকে বিস্তৃত এই ভূভাগ কামৰূপ বুলি সকলো শাস্ত্রতে প্রসিদ্ধ।' পাগঐতিহাসিক কালৰে পৰা অসম ৰাজ্যত সংস্কৃত ভাষা-সাহিত্যৰ অনুশীলন আৰু চর্চা হৈ আহিছে। প্রাচীন অসমত ৰচিত নানা তাম্রলেখ-শিলা-লেখসমূহৰ যোগেদি অসমত সংস্কৃত ভাষা সাহিত্যই বিকাশ লাভ কৰি সংস্কৃত চর্চাৰ চহকী ঐহিত্যৰ স্বাক্ষৰ বহন কৰিছে। মধ্যযুগৰ অসমৰ স্বচ্ছল ৰাজনৈতিক, সামাজিক আৰু বৌদ্ধিক পটভূমিত সংস্কৃত ভাষা সাহিত্যই বিকাশ লাভ কৰিবলৈ সুচল পাইছিল। এই সময়ছোৱাত নৱবৈষ্ণৱ আন্দোলনে অসমৰ আধ্যাত্মিক, বৌদ্ধিক, সাংস্কৃতিক দিশত গভীৰ প্রভাৱ পোলাইছিল। ইয়াণ্ডাবু সন্ধিৰ পিছত অসমত কেইটিমান প্রতিভা অংকুৰিত হৈছিল আৰু বিভিন্ন প্রতিকূলতাক নেওচি শেষত বিশাল মহীৰূহৰূপে নিজকে প্রতিষ্ঠা কৰিব পাৰিছিল।

এই অধ্যায়টিত মহাপুৰুষ শ্রীমন্ত শংকৰদেৱৰ পিছৰ পৰা বর্তমানৈকে অসমত সংস্কৃতৰ যি চর্চা হৈছিল, তাৰ এচি পৰিচয় লাভ কৰিব। অধ্যাটো অধ্যয়ন কৰি আপুনি উত্তৰ শংকৰীযুগৰ অসমৰ সংস্কৃত পণ্ডিতসকলৰ বিষয়ে লগতে তেওঁলোকৰ অৱদানৰ বিষয়ে সম্যক জ্ঞান লাভ কৰিব।

১০.৩ অসমত সংস্কৃত চর্চা

'পাঠামি সংস্কৃতং নিত্যং ৱদামি সংস্কৃতং সদা।
ধ্যায়ামি সংস্কৃতং সম্যগ্ ৱন্দে সংস্কৃত-মাতৰম।।'

প্রাচীন ভাষাসমূহৰ অন্যতম সংস্কৃত ভাষা। ভাৰতবর্ষৰ দুই প্রতিষ্ঠা-সংস্কৃত আৰু সংস্কৃতি। এই প্রসিদ্ধ প্রবচন মতে, ভাৰতীয় ভাষাসমূহত সংস্কৃতৰ বিশিষ্ট স্থান আছে। দেৱভাষা, সুৰভাৰতী ইত্যাদি সংজ্ঞাৰেও এই ভাষা সুপ্রসিদ্ধ। সকলো ভাৰতীৰে ভাষা সংস্কৃত। সংস্কৃত ভাষা অবিহনে ভাৰতীয়তা কল্পনা কৰা নহয়। এই ভাষা সকলো ভাষাৰ জননী। সমগ্র ভাৰতবর্ষখনেই সংস্কৃত ভাষাৰ ক্ষেত্র। যিহেতু ভাৰতবর্ষৰ প্রসিদ্ধ বেদাদি শাস্ত্র সংস্কৃত ভাষাতেই লিখা আছে। গতিকে, বেদ, গীতা আদি শাস্ত্রক বাদ দি ভাৰতীয়তা সম্ভৱ নহয়। সেয়েহে শুনা যায়-

'বিনা বেদং বিনা গীতাং বিনা ৰামায়ণীং কথাম্।
বিনা কবিং কালিদাসং কূত্র স্যাদ্ ভাৰতীয়তা।।'

অর্থাৎ বেদ অবিহনে, গীতা অবিহনে, ৰামায়ণৰ কথা অবিহনে, কবি কালিদাস অবিহনে, ভাৰতীয়তা কিদৰে সম্ভন হ'ব পাৰে? এই সংস্কৃত ভাষাত যিহেতু সকলো ভাৰতীয় ভাষাই বর্তি আছে অর্থাৎ এই সংস্কৃত ভাষা সমস্ত ভাৰতীয় ভাষাৰ মূল। এই বিষয়ে এক প্রসিদ্ধ উক্তি পোৱা যায়- 'ৱযং তদ্ ভাৰতং নাম ভাৰতী তত্র সংস্কৃতম্।' অসমীয়া ভাষাৰো মূল সংস্কৃত ভাষা। সংস্কৃত কেৱল ভাষাই নহয় ই ভাৰতীয়সকলৰ জীৱন বুলি ক'ব পাৰি। অসমীয়া ভাষাৰ ভালদৰে জ্ঞানলাভ কৰিবলৈ সংস্কৃতৰ জ্ঞান প্রয়োজন।

আমাৰ ৰাজ্যত সংস্কৃত ভাষা-চর্চাৰ ঐহিহ্য সুপ্রাচীন। কেতিয়াবা পৰা অসম ৰাজ্যত সংস্কৃতৰ অধ্যয়ন প্রচলিত হৈ আছিল সেই কথা সঠিকভাৱে কোৱা সম্ভৱ নহয়। আর্যসকল আছিল অসমত সংস্কৃত চর্চাৰ বাটকটীয়া। ভাষা-সাহিত্য, ধর্ম-সংস্কৃতি আদি ক্ষেত্রত এওঁলোকে পালন কৰিছিল এক বৃহৎ ভূমিকা। থলুৱা অধিবাসীসকলক বিভিন্ন বিভিন্ন বিষয়ৰ জ্ঞান দিয়াৰ লগতে তেওঁলোকক উন্নত ৰীতি-নীতি শিকাই তেওঁলোকৰ জীৱন-যাত্রৰ মান ওপৰলৈ নিয়াত এই আর্যমূলীয় লোকসকলৰ অৰিহণা প্রচুৰ। এওঁলোকেই অসমত সংস্কৃতায়ন প্রক্রিয়াৰ প্রৱর্তক। সপ্তম খ্রীষ্টাব্দত প্রাগজ্যোতিষপুৰৰ ৰজাৰ তাম্রলিপি অথবা শিলালিপিৰ পৰা প্রমাণ পোৱা যায় যে সেই সময়ত

সংস্কৃত ভাষাৰ প্ৰচলন আছিল।

মধ্যযুগীয় অসমত সংস্কৃতৰ ভাল চর্চা হৈছিল কোচ ৰাজ্যত- মহাৰাজ নৰনাৰয়ণৰ দিনত। নৰনাৰায়ণ-চিলাৰায় দুয়ো সংস্কৃত ভাষাত সুপণ্ডিত আছিল। দুয়ো কাশীলৈ গৈ সংস্কৃত অধ্যয়ন কৰিছিল। চিলাৰায়ৰ যুদ্ধনেপুণ্য ইতিহাস প্ৰসিদ্ধ। কিন্তু এই চিলাৰায়ই ৰচনা কৰিছিল জয়দেৱৰ গীতগোৱিন্দৰ সাৰৱতী নামৰ এখন টীকা গ্ৰন্থ। স্বাভাৱতে নৰনাৰয়ণৰ ৰাজসভাত সমবেত হৈছিল অনেক সংস্কৃত পণ্ডিত। পুৰুষোত্তম বিদ্যাৱাগীশ, ৰাম সৰস্বতী, ৰত্নাকৰ কন্দলী আৰু শংকৰদেৱৰ দৰে লোকে তেওঁৰ ৰাজসভা শুৱনি কৰিছিল। পুৰুষোত্তম বিদ্যাৱাগীশ আছিল সুখাপাঠ্য সংস্কৃত ব্যাকৰণ প্ৰয়োগ ৰত্নমালাৰ ৰচক। তেওঁ শব্দভেদ প্ৰকাশ, উষ্মভেদ প্ৰকাশ আৰু অংকুৰাৱলী কোষ নামৰ শব্দশাস্ত্ৰৰ তিনিখন গ্ৰন্থত প্ৰণয়ন কৰিছিল। নৰনাৰায়ণে তেওঁক 'মহামহোপাধ্যায়' বিভূষা প্ৰদান কৰিছল। নৰনাৰায়ণ ৰজাৰ সভাকবি ৰত্নাকৰ কন্দলীয়ে চিলাৰায়ৰ অনুৰোধত সাৰদীপিকা নামৰ সংস্কৃতৰ এখন টীকা গ্ৰন্থ ৰচনা কৰিছিল। পীতাম্বৰ সিদ্ধান্তৱাগীলৈ জ্যোতিষৰ গ্ৰন্থ লিখাৰ উপৰি ধর্মীয় বিধি-বিধান সম্পর্কীয় ওঠৰখন গ্ৰন্থ ৰচনা কৰিছিল বুলি জনা যায়। কামৰূপত ৰচিত প্ৰাচীনতম পুৰাণ হ'ল কালিকা পুৰাণ। ইয়াৰ ৰচনা কাল দশম শতিকা বুলি কোৱা হয়। প্ৰাক্ বৈষ্ণল যুগৰ কবি মাধৱ কন্দলীয়ে অসমীয়া ভাষালৈ ৰামায়ণ অনুবাদ কৰাৰ আগতেই সীমাংসা মুর্ধণ্য কুমাৰিল ভট্ট আৰু ধর্মকীর্তি আদি দার্শনিকসকলে তেওঁলোকৰ ৰচিত গ্ৰন্থৰে অসমত সংস্কৃত চর্চাত অৱদান আগবঢ়াইছে। নৱ-বৈষ্ণৱ ধর্মৰ প্ৰৱর্তক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, মাধৱদেৱ, হৰিদেৱ আৰু দামোদৰদেৱ আৰু দামোদৰদেৱৰ শিষ্য ভট্টদেৱ প্ৰভৃতি বৈষ্ণৱ ধর্মগুৰুসকলে সংস্কৃত ভাষাৰ গ্ৰন্থবোৰকে আধাৰ হিচাপে লৈছিল আৰু এইদৰে সংস্কৃতৰ পৰম্পৰা ৰক্ষাত সহায় কৰিছিল। বৈকুণ্ঠ নাথ ভাগৱত ভট্টাচার্য ওৰফে ভট্টদেবে সংস্কৃতৰ বিভিন্ন শ্লোক সংগ্ৰহ কৰি লিখি উলিয়াইছিল ভক্তি বিৱেক। ভাগৱতাধিকৰণ আৰু ভক্তিসাৰ নামৰ ছখন সংস্কৃত পুথিও তেওঁৰ নামত পোৱা যায়।

অসম ৰাজ্যত সংস্কৃত শিক্ষণৰ দুটা পদ্ধতি প্ৰচলিত আছে। এটা হ'ল - প্ৰাচীন পদ্ধতি, যিটো পদ্ধতিত প্ৰৱেশিকা, মধ্যমা, শাস্ত্ৰাদিৰ পৰীক্ষাসমূহৰ বাবে পাঠ্যগ্ৰন্থসমূহৰ পাঠদান কৰা হয়। এই পদ্ধতি কেৱল সংস্কৃত পাঠশালাতহে প্ৰচলিত আছে। প্ৰাচীন কালত অসম ৰাজ্যত সংস্কৃত পাঠাশালাতো অধ্যয়ন আৰু অধ্যাপনাৰ ব্যৱস্থা আছিল। সেই সমস্ত পাঠাশালা সমূহত বেদ, কাব্য, স্মৃতি, দর্শন, ব্যাকৰণাদি শাস্ত্ৰৰ পাঠদানৰ ব্যৱস্থা আছিল। এই সমস্ত শাস্ত্ৰসমূহৰ ভিতৰত প্ৰথমতে ব্যাকৰণৰ পাঠদানৰ ব্যৱস্থা আছিল।

জানি থোৱা ভাল

সংস্কৃত পাঠশালা ঃ অসম সংস্কৃত টোল ৮১ খন আছে। বর্তমান এইটোলসমূহ অসম সংস্কৃত বোর্ডৰ অধীনত পৰিচালিত হৈ আছে। ইয়াৰ কার্য্যালয় গুৱাহাটীৰ কাহিলীপাৰাত অৱস্থিত।

আন এটা পদ্ধতি নতুন, যিটো পদ্ধতি অনুসৰি সকলো বিশ্ববিদ্যালয় আৰু মাধ্যমিক শিক্ষা পৰিষদসমূহত সংস্কৃত শিক্ষাৰ ব্যৱস্থা আছে আৰু ছাত্ৰসকলে মাধ্যমিক, স্নাতক, স্নাতকোত্তৰ শ্ৰেণীত সংস্কৃত অধ্যয়ন কৰিব পাৰে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ সংস্কৃতৰ শিক্ষণৰ পদ্ধতি কেইটা আৰু কি কি?

.....

.....

প্রশ্ন নং ২ ঃ সংস্কৃত পাঠশালাসমূহত কি বিষয়ৰ পাঠদানৰ ব্যৱস্থা আছিল?

.....

.....

১৯২৩ চনত সেই সময়ৰ অসম চৰকাৰে অবিভক্ত অসমৰ শ্রীহট্ট (চিলেট) ও এখন সংস্কৃত মহাবিদ্যালয় স্থাপন কৰে। যথার্থত নামত এই মহাবিদ্যালয়খন সংস্কৃত টোল বা পাঠশালাহে। তাৰ পাঠ্যক্রম বংগদেশৰ সংস্কৃত বোর্ডৰ পাঠ্যক্রমহে আছিল আৰু পৰীক্ষা আদিত সেই বংগীয় বোর্ড বা পৰিষদৰ পাঠ্যক্রমহে আছিল। ইয়াৰ পিছত ১৯২৬ চনক অসম সংস্কৃত বোর্ড শ্রীহট্টত স্থাপন কৰা হয়। এই বোর্ডৰ অধীনত সংস্কৃত টোল বা পাঠশালা কিছুমান আছিল আৰু সেইবিলাকৰ বাবে পাঠ্যক্রম প্রস্তুত কৰিছিল অসম সংস্কৃত বোর্ডে। পৰীক্ষাসমূহ পৰিচালনা কৰি উপাধিও প্রদান কৰিছিল অসম সংস্কৃত বোর্ডে। সংস্কৃত ব্যাকৰণ, কাব্য, দর্শন, স্মৃতি-শাস্ত্র আৰু জ্যোতিষ আদি বিষয়ৰ অধ্যয়ন- অধ্যাপনা কৰা এই টোলসমূহ ঘাইকৈ আৱাসিক আৰু শিক্ষক প্রশিক্ষণ বিষয়ক আছিল। বোর্ডৰ তৰফৰ পৰা সামান্য অর্থিক সাহায্য দিয়া হৈছিল।

জানি থোৱা ভাল

অসম সংস্কৃত বোর্ডৰ অধীনত ৮১ খন সংস্কৃত টোল আছে য'ত পৰম্পৰাগতভাৱে সংস্কৃত শিকোৱা হৈছিল। ইয়াৰ অধীনত আকৌ ৫ খন পালিটোল আছে, য'ত পালি ভাষাৰ শিক্ষাদান কৰা হয়। বর্তমান ইয়াৰ কার্যলয় গুৱাহাটী কাহিলীপাৰাত অৱস্থিত।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ অসম সংস্কৃত বোর্ড কিমান চনত স্থাপন কৰা হৈছিল?

.....

.....

প্রশ্ন নং ২ ঃ অসম সংস্কৃত বোর্ড ক'ত স্থাপন কৰা হৈছিল?

.....

.....

১৯৩৮ চনত স্থানীয় উৎসাহী লোকৰ প্রচেষ্টাত নলবাৰীত সংস্কৃত কলেজ নামেৰে এখন কলেজ স্থাপন হয়। ই অসম চৰকাৰৰ পৰা আর্থিক অনুদানৰ অন্তর্ভুক্ত। এই কলেজখন সংস্কৃত বোর্ডৰ অধীনত। এই বোর্ডৰ পাঠ্যক্রম ইয়াত প্রচলিত। ঊনৈশ শতিকাৰ শেহত আৰু বিংশ শতিকাত অসমত প্রাচীন পদ্ধতিৰে চলা টোলসমূহে সংস্কৃত চর্চাৰ ক্ষেত্রত এক মহৎ অৱদান আগবঢ়াইছে। বর্তমান এই টোলসমূহৰ সংখ্যা ১৮০ খন হৈছে। তাৰ ভিতৰত ১০০ খন প্রাদেশীকৃত টোল।

শংকৰদেৱৰ পিছৰ সময়ছোৱাত যিসকল পণ্ডিতে অসমত সংস্কৃতৰ চর্চাৰ ক্ষেত্রত উল্লেখযোগ্য বৰঙণি আগবঢ়াইছে তেওঁলোকৰ ভিতৰত উল্লেখযোগ্য কেইজনমানৰ বৰঙনি আগবঢ়াইছে তেওঁলোকৰ ভিতৰত উল্লেখযোগ্য কেইজনমানৰ বিষয়ে তলত চমুকৈ আভাস দিয়া হ'ল।

১০.৪ ধীৰেশ্বৰাচার্য

অসাধাৰণ পাণ্ডিত্য আৰু কবি প্রতিভাৰে ধীৰেশ্বৰাচার্যই সর্বভাৰতীয় সুধীসমাজত অসমৰ মান বঢ়াইছিল। তেখেত সংস্কৃত সাহিত্যৰ এক উজ্জ্বল নক্ষত্র আছিল। তেখেতৰ জন্ম আৰু কর্মজীৱনৰ স্থান আৰু কাল আছিল ঊনৈশ আৰু কুৰি শতিকাৰ অসম। তেওঁৰ পিতৃ আছিল কেশৰাচার্য। তেখেতো অগাধ পণ্ডিত আছিল। ১৮৫১ চনত আঠঘৰীয়াত ধীৰেশ্বৰাচার্যৰ জন্ম হয়। তেওঁৰ মাতৃৰ নাম আছিল চন্দ্রপ্রভাদেৱী। চন্দ্রপ্রভা দেৱীৰ আন এটা নাম আছিল দূর্গেশ্বৰী। ধীৰেশ্বৰাচার্যই বৃত্তমঞ্জুৰী নামৰ এখন গ্রন্থ ৰচনা কৰিছিল। এই গ্রন্থখন ছন্দোবিষয়ক। ছন্দঃ বিষয়ত ধীৰেশ্বৰাচার্যৰ নিপুণতা সুপ্রসিদ্ধ আছিল। শুনিবলৈ পোৱা যায় যে কলিকতা নগৰীত কোনো এখন সভাত ভুজঙ্গ প্রয়াত ছন্দত তেওঁ নিজৰ ভাষণ প্রদান কৰিছিল তেওঁৰ তেনেকুৱা প্রতিজ্ঞা আছিল। সেয়েহে শুনিবলৈ পোৱা যায় -

‘অমুষ্যাং সভায়াং মমৈষা প্রতিজ্ঞা।
ভুজঙ্গপ্রয়াতং বিনা বাঙ্ ন বাচ্যা।’

অর্থাৎ এই সভাত মোৰ এইটোৱে প্রতিজ্ঞা যে ভুজঙ্গপ্রাত ছন্দ আবিহনে অন্য বাক্য প্রয়োগ নকৰোঁ।’ এই পদ্যটো ভুজঙ্গপ্রয়াত ছন্দতেই অভিহিত কৰা হৈছে। এওঁ আশু কবি নামেৰেও খ্যাত।

জানি থোৱা ভাল

ভুজঙ্গপ্রয়াত এবিধ ছন্দৰ নাম। ই সমবৃত্তৰ অন্তর্গত অবিধ ছন্দ। ইয়াৰ প্রত্যেক পাদতে ১২ টাকৈ অক্ষৰ আছে। ইয়াৰ সংজ্ঞা এনেধৰণৰ ‘ভুজঙ্গপ্রয়াতং চতুর্ভির্যকাৰৈঃ (প্রত্যেক পাদতে চাৰিটাকৈ ...গণ থাকে)

বৃত্তমঞ্জুৰীৰ উপৰিও মহামহোপাধ্যায় ধীৰেশ্বৰাচার্যই অনেক প্রশস্তি আৰু স্তোত্র ৰচনা কৰে। ৰাজপ্রশস্তি, আনন্দ সংগীত, ৰাধিকা কলংক্যঞ্জনকাব্য, শোকহর্ষ প্রকাশ, লীলামঞ্জুৰী আদি তেওঁৰ ৰচিত কাব্য। তদুপৰি তেওঁ ৰত্নমালা ব্যাকৰণৰ টীকা, ধাতুপাঠ আদি ৰচনা কৰে। স্তোত্রমঞ্জুৰী আৰু বৃহৎশ্রুতবোধ নামৰ গ্রন্থ দুখন বিখ্যাত আৰু বহুলভাৱে সমাদৃত আছিল।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ঃ ধীৰেশ্বৰাচার্যক কোন চনত জন্ম হৈছিল?

.....

.....

প্রশ্ন নং ৬ঃ ধীৰেশ্বৰাচার্যৰ দ্বাৰা ৰচিত আন আন গ্রন্থবোৰৰ নাম লিখক।

.....

.....

প্রশ্ন নং ৭ঃ ধীৰেশ্বৰাচার্যৰ দ্বাৰা ৰচিত আন আন গ্রন্থবোৰৰ নাম লিখক।

.....

.....

পণ্ডিত মহামহোপাধ্যায় ধীৰেশ্বৰাচার্যই সেই সময়ৰ অসমৰ পণ্ডিত আৰু বিদ্বৎ সমাজৰ কেইবাজনো গুণী-জ্ঞানী ব্যক্তিৰ সৈতে লগলাগি কামৰূপ অনুসন্ধান সমিতি গঠন কৰিছিল। ৰাইজে তেওঁক প্ৰথম সভাপতি অর্থাৎ প্রতিষ্ঠাপক সভাপতি পাতি সন্মান যাচিছিল। আজিও গুৱাহাটীৰ প্রাণকেন্দ্র আমবাৰীত ৰাজ্যিক সংগ্রহালয়ৰ চৌহদত সেই অনুষ্ঠানটো চলি আছে। তেখেতে শোকপ্রকাশ আৰু আচার্যই ৰচনা কৰি থৈ যোৱা গোপালাষ্টক, পৰমেশ্বৰাষ্টক, শিৱস্তুতি, কামাখ্যাষ্টক আদি ভক্তিমূলক স্তোত্রবোৰ লয়াত্মক আৰু অলংকাৰ বহুল। আচার্যগৰাকীৰ এখন উল্লেখযোগ্য গ্রন্থ হ'ল শ্রীধৰ কন্দলীৰ কানখোৱা কাব্যৰ সংস্কৃত অনুবাদ। শ্লোক ৰচনাত এখেতৰ বিশেষ বুৎপত্তি আছিল। সংস্কৃত ছন্দক শ্লোক ৰচি অনর্গল মাতি যাব পাৰিছিল। সেই সময়ৰ বিদ্বৎ সমাজৰ বহুতে তেওঁক 'দ্বিতীয় কালিদাস' বুলি সন্মান কৰিছিল। খ্রীষ্টব্দত (১৩ ২৬ বংগাব্দৰ ৬ কাতি শনিবাৰে) নিশা ন'মান বজাত নলবাৰীৰ আঠঘৰীয়ীত মহামহোপাধ্যায় ধীৰেশ্বৰাচার্যৰ লোকান্তৰ ঘটে।

১০.৪.১ বৃত্তমঞ্জুৰী

ধীৰেশ্বৰাচার্যই আউনী আটী সত্রৰ অধ্যাপক হিচাপে কামত যোগদা কৰাৰ সময়তে মহাকবি কালিদাসৰ সৃষ্টি বুলি জনাজাত শ্রুতবোধৰ ব্যাকৰণ আৰু ছন্দৰ ভুল বিলাক আঙুলিয়াই দিছিল। তাকে দেখি সেই সময়ৰ আউনীআটী সত্রৰ সত্রাধিকাৰ দত্তদেৱ গোস্বামীয়ে শ্রুতবোধৰ ছন্দৰ আর্হিত এখন গ্রন্থ ৰচনা কৰবলৈ অনুৰোধ জনায়। সেই অনুৰোধমর্মে তেওঁ 'বৃহৎ শ্রুতবোধ' গ্রন্থ ৰচনা কৰে। পিছৰ কালত এই গ্রন্থখন পাবলৈ নাইকিয়া হৈ পৰে। গতিকে পুনৰ দত্তদেৱ গোস্বামীৰ অনুৰোধ মর্মে বৃহৎ শ্রুতবোধত থকা কিছুমান স্বৰচিত শ্লোক পুনৰুদ্ধাৰ কৰি সুকীয়াকৈ 'বৃত্তমঞ্জৰী' নামৰ গ্রন্থ ৰচনা কৰে।

জানি থোৱা ভাল

১৮৮২ খ্রীষ্টাব্দত কলিকতাৰ পৰা এই গ্রন্থখন প্রথমবাৰৰ বাবে প্রকাশিত হৈছিল। ১৯৬১ চনত অসম চৰকাৰ বুৰঞ্জী আৰু পু�ৰাতত্ত্ব বিভাগে সম্পূর্ণ বৃত্তমঞ্জৰী গ্রন্থখন প্রকাস কৰি উলিয়ায়।

'বৃত্তমঞ্জৰী' পদটি 'বৃত্ত' আৰু 'মঞ্জৰী' - এই দুটা শব্দেৰে গঠিত হৈছে 'বৃত্ত' ধাতুৰ পৰা 'বৃত্ত' শব্দটিৰ সৃষ্টি হৈছে। 'বৃত্ত' শব্দটোৱে সংস্কৃত সাহিত্যৰ সকলোবোৰ ছন্দকেই সামগ্রিকভাৱে বুজায়। 'মঞ্জৰী' শব্দটোৱে পুষ্পবিন্যাসক বুজায়। গতিকে 'বৃত্তমঞ্জৰী' শব্দটোৱে ফুলৰ মঞ্জৰীৰ লেখীয়াকৈ বৃত্তৰ মঞ্জৰী অর্থাৎ ছন্দৰ সমষ্টিক বুজাইছে।

বৃত্তমঞ্জৰী সাতটা স্তৱকত বিভক্ত। প্রথম স্তৱকত কবিয়ে উপাস্য দেৱতাক বন্দনা কৰিছে, লগতে পিতৃ-মাতৃ বন্দনা বন্দনা, গোত্রপ্রৱর্তক বন্দনা আৰু কবিবংশ বর্ণনা কৰি আত্ম পৰিচয় দিছে। দ্বিতীয় স্তৱকত তেওঁ অতি মনোগ্রাহীকৈ চাৰি পাহি 'কুসুম'ত ক্রমে গুৰু লঘু সংজ্ঞা, পৰিভাষা, যতিভেদ আৰু সামান্য সংজ্ঞাৰ পৰিচয় দিছে। তৃতীয় স্তৱকত তেওঁ একাক্ষৰী উক্থাৰ পৰা আৰম্ভ কৰি পঞ্চচাত্বাৰিশাক্ষীৰ দণ্ডকলৈকে সমবৃত্ত, পঞ্চম স্তৱকত বিষম বৃত্তবোৰ সৈতে ছয় প্রকাৰ অর্ধসমবৃত্তবো বর্ণনা দিছে। ষষ্ঠ স্তৱকৰ তেওঁ ৰচনা কৰিছিল ছয় পাহি কুসুমেৰে। তাত ক্রমান্বয়ে গণ, আর্য, বৈতালীয়, মাত্রাসমক, দোহা, ৰণ্ডম স্তৱকত বিবিধ বর্ণ আৰু মাত্রা প্রস্তাৱৰ বিৱৰণ দিছে।

১০.৫ ভৱদেৱ ভাগৱতী

ভৱদেৱ ভাগৱতীৰ জন্ম নলবাৰীৰ কৈঠালকুছি গাঁওত ১৯০২ চনৰ ২৭ জানুৱাৰীত হৈছিল। তেখেতৰ মাতৃৰ নাম আছিল মহেশ্বৰী দেৱী আৰু তেখেতৰ পিতৃৰ নাম আছিল বলভদ্র ভাগৱতী। তেওঁ নলবাৰী জিলাৰ

চামতা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সংস্কৃত শিক্ষক আছিল। ১৯৮২ চনত ভাগৱতীদেৱে ৰাষ্ট্রপতিৰ পৰা জন্মানজনক 'চার্টিফিকেট অব অনাৰ' লাভ কৰে। ১৯৮৮ চনৰ ১৯ জুলাই তাৰিখে তেখেতে ইহলীলা সম্বৰণ কৰে। সংস্কৃত শ্লোকৰচনাত ভৱদেৰ ভাগৱতীদেৱৰ নিপুণতা আছিল। ভাগৱতী মহোদয়ৰ স্মৃতি, দর্শন, ব্যাকৰণ শাস্ত্রসমূহত নিপুণ আছিল। ভাগৱতীদেৱে সপ্তম আৰু অষ্টম শ্রেণীৰ ছাত্র-ছাত্রীৰ বাবে 'কথাকুসুমম' নামেৰে সংস্কৃত পাঠ্যপুথি এখন লিখি উলিয়ায়। তেখেতে মহাভাৰতৰ ১৩০০ শ্লোক অসমীয়া গদ্যত অনুবাদ কৰে। তেওঁৰ গ্রন্থসমূহৰ ভিতৰত 'সতী জয়মতী' এখন সুপ্রসিদ্ধ খণ্ডকাব্য। মধ্যযুগীয় অসম ৰাজ্যৰ ঐতিহাসিক ঘটনাক অৱলম্বন কৰি জয়মতী কাব্য ৰচনা কৰে। শ্লোকমালা নামেৰে অইন এখন পদ্য গ্রন্থ ভৱদেৱৰ দ্বাৰা ৰচনা কৰা হৈছে। ইয়াত তেখেতে মহাত্মা গান্ধীকে আদি কৰি অসমৰ বিভিন্ন পণ্ডিতৰ বিষয়ে ভক্তিসহকাৰে লিখিছে। তেখেতে 'নূতনং নাটকম্' নামক এখন চুটি নাটকো ৰচনা কৰে। এইখন অসমীয়া আৰু সংস্কৃত দুয়োটা ভাষাতে ৰচিত হৈছে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১০ ঃ ভৱদেৱ ভাগৱতীদেৱৰ জন্ম ক'ত কেতিয়া হৈছিল?

.....

.....

প্রশ্ন নং ১১ ঃ ভাগৱতীদেৱে ৰাষ্ট্রপতিৰ পৰা কি লাভ কৰিছিল?

.....

.....

১০.৫.১ সতী জয়মতী

'সতী জয়মতী' এখন খণ্ডকাব্য। ইয়াৰ ৰচক ভৱদেৱ ভাগৱতী। ইয়াত ১০০ টা শ্লোক আছে। ইয়াত সতী জয়মতীৰ গৌৰৱ গাথা বর্ণিত হৈছে। জয়মতীৰ স্বামী গদাপাণি। গদাপাণি ৰজা গোবৰৰ যুৱক পুত্র।
এইখণ্ড কাব্যখন তিনিটা প্রবাহত বিভক্ত। প্রথম প্রবাহত আছে সৰস্বতী বন্দনা, কামৰূপ ৰাজ্যৰ বর্ণনা, আহোম ৰাজ বংশৰ উৎপত্তিৰ বর্ণনা, আহোম নৃপতি চুকাফাৰ কার্যাৱলী আৰু অসমৰ গৌৰৱৰ কথা। প্রথম প্রবাহত ২৭ টা শ্লোক আছে।

দ্বিতীয় প্রবাহত ৩১ টা শ্লোক আছে। ইয়াত তৎকালীন ৰাজনৈতিক অৱস্থা আৰু গদাপাণিৰ কথা, সতী জয়মতীৰ গুণাৱলীৰ কথা, তেওঁৰ গদাপাণিৰ সৈতে বিয়াৰ কথা। তেওঁলোকৰ সন্তানৰ জন্ম কথা তেওঁলোকৰ দাম্পত্য জীৱনৰ কথাৰ বর্ণনা আছে।

তৃতীয় প্রবাহত ৪২ টা শ্লোক আছে। এইটো প্রবাহত অসমৰ ৰাজনৈতিক অস্থিৰতাৰ কথা, চুলিকফাৰ সিংহাসন লাভৰ কথা, ৰাজপৰিয়ালৰ সন্তানসকলক হত্যাৰ কথা, জয়মতী আৰু তেওঁৰ পুত্রসকলৰ পৰা গদাপাণিৰ বিদায়ৰ কথা, জয়মতী আৰু তেওঁক শাস্তি প্রদানৰ কথা, ছদ্মবেশী গদাপাণিৰ মতে জয়মতীৰ কথোপকথনৰ কথা, জয়মতীৰ মৃত্যু আৰু অনেক কথাৰ বর্ণনা আছে।

সতীজয়মতী এখম সুন্দৰ খণ্ডকাব্য। ইয়াত নায়ক আৰু নায়িকা আদর্শ চৰিত্র হিচাপে চিত্রিত হৈছে। নায়িকা জয়মতী স্বামী গদাপাণিৰ নিৰাপত্তাৰ কাৰণে নিজৰ জীৱন বিসর্জন দিয়ে। এই গদাপাণি পৰৱর্তী কালত ৰজা হয় আৰু ৰাজ্যত স্থিতাৱস্থা আনে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১২ ঃ সতী জয়মতী কাব্যত কিনানটা শ্লোক আছে?

.....

.....

প্রশ্ন নং ১৩ ঃ সতী জয়মতী কাব্যখন কেইটা প্রবাহত বিভক্ত?

.....

.....

প্রশ্ন নং ১৪ ঃ প্রত্যেকটো প্রবাহত কেইটা কেইটা শ্লোক আছে?

.....

.....

১০.৫.২ শ্লোকমালা

ভৱদেৱ ভাগৱতীৰ দ্বাৰা ৰচিত শ্লোকমালা হৈছে এটি পদ্যাত্মক ৰচনা। কাব্যখনৰ আৰম্ভণিতে ভাগৱতী দেৱে মহাত্মা গান্ধীৰ প্রতি গভীৰ শ্রদ্ধাঞ্জলী জ্ঞাপন কৰছে। ভাগৱতীদেৱৰ মতে তেওঁলোকেহে পৃথিৱীত সুখ-ভোগ কৰিব পাৰে। ইয়াত কবিয়ে ভাৰতীয় সংস্কৃতিৰ ধাৰক আৰু বাহক সংস্কৃত ভাষাৰ জয় গান গাইছে। ইয়াত তেওঁৰ জন্মভূমিৰ প্রতি থকা গভীৰ প্রেম ব্যক্ত কৰিছে। কাব্যখনত সর্বমুঠ ২২০ টা শ্লোক আছে। ইয়াৰ সৰহ সংখ্যক শ্লোকেই অনুষ্টুৰ ছন্দত বিৰচিত।

১০.৬ আচার্য মনোৰঞ্জন শাস্ত্রী

অসমৰাজ্যত সংস্কৃত চর্চাৰ কাৰণে উল্লেখযোগ্য আন এগৰাকী পণ্ডিত আছিল আচার্য মনোৰঞ্জন শাস্ত্রী। তেওঁৰ জন্ম মঙ্গলদৈৰ ভেৰুৱা গাঁওত ১৯১১ চনত হৈছিল। তেওঁ নলবাৰী সংস্কৃত মহাবিদ্যালয়ৰ অধ্যক্ষ আছিল। তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়তো সংস্কৃত বিভাগত কিছুদিন অধ্যাপনা কৰিছিল। শাস্ত্রী মহোদয়ৰ বিভিন্ন শাস্ত্রত বিৰাট পাণ্ডিত্য আছিল। মনোৰঞ্জন শাস্ত্রী মহোদয়ৰ কবিত্ব প্রতিভাৰ কাৰণে তেওঁৰ কৃতিত্বসমূহত বৈচিত্র্য দেখিবলৈ পোৱা যায়। তেওঁৰ প্রতিভাৰ চানেকী গ্রন্থসমূহ হ'ল - (শাস্ত্রকাব্য), উতঙ্কভৈক্ষম্ (দৃশ্যকাব্য), প্রকামকামৰূপম্ (খণ্ডকাব্য)। তেওঁ কাব্য, স্মৃতি, দর্শন, ব্যাকৰণ আদি গ্রন্থসমূহত মহান পণ্ডিত আছিল।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১৫ ঃ আচার্য মনোৰঞ্জন শাস্ত্রীৰ জন্ম ক'ত কেতিয়া হৈছিল?

.....

.....

প্রশ্ন নং ১৬ ঃ আচার্য মনোৰঞ্জন শাস্ত্রীৰ দ্বৰা ৰচিত গ্রন্থসমূহৰ নাম লিখক।

.....

.....

১০.৭ বিপিন চন্দ্র গোস্বামী

অসমত সংস্কৃত চর্চাৰ ক্ষেত্রত আন এগৰাকী অন্যতম বিদ্বান চন্দ্র গোস্বামী। তেওঁ ১৯১১ চনত নলবাৰী জিলাৰ নলবাৰী সত্রত জন্ম গ্রহণ কৰিছিল। তেওঁ গুৱাহাটীৰ পানবজাৰত থকা মুনিকুলাশ্রম বেদবিদ্যালয়ৰ অধ্যক্ষ আছিল। তেওঁ গুৱাহাটী বিশ্ববিদ্যালয় সংস্কৃত বিভাগৰ প্রবক্তা আছিল। সৰল সংস্কৃত ভাষণ দানত এওঁৰ বৰ কৌশল আছিল। 'নবমল্লিকা' নামেৰে অসমীয়া কাব্যৰ তেওঁ সংস্কৃত ভাষাত অনুবাদ কৰিছিল। বেদ, কাব্য, ব্যাকৰণতো তেওঁৰ পাণ্ডিত্য আছিল।

১০.৮ আনন্দৰাম বৰুৱা

আধুনিক শিক্ষামাধ্যমেৰে শিক্ষিত সংস্কৃত পণ্ডিতসকলৰ ভিতৰত আনন্দৰাম বৰুৱা সুপ্রসিদ্ধ আৰু অন্যতম ব্যক্তি। তেওঁ ১৫৫০ চনত উত্তৰ গুৱাহাটীত জন্ম গ্রহণ কৰিছিল। তেওঁ আন্তর্জাতিক খ্যাতিসম্পন্ন বিখ্যাত সংস্কৃত ভাষা চর্চাচ মহৎ কার্য সাধন কৰে। তেওঁ মহাবীৰ চৰিত নাটকৰ ওপৰত জানকীৰাম ভাষ্য ৰচনা কৰে। তেওঁৰ ধাতুবৃত্তিসাৰ, ধাতুকোষ আৰু নামলিঙ্গানুশাসন আদি উল্লেখনীয় ভাষ্য গ্রন্থ। তেওঁ অসমৰ প্রথম স্নাতক আৰু আই.ছি.এছ বিষয়া আছিল। তেওঁ এজন দক্ষ প্রশাসক আছিল। ইংৰাজী ভাষাতো তেওঁ সংস্কৃত বিষয়ৰ গ্রন্থ ৰচনা কৰিছে। ইংৰাজী ভাষা সাহিত্যৰ প্রতি তেওঁৰ অৱদান উল্লেখনীয় আৰু প্রশংসনীয়।

১০.৯ কৃষ্ণকান্ত সন্দিকৈ

প্রাচ্য বিদ্যার্ণৰ কৃষ্ণকান্ত সন্দিকৈ অন্যতম সংস্কৃত পণ্ডিত আছিল। তেৱোঁ মহান সংস্কৃতক। যদিও সংস্কৃত ভাষাত গ্রন্থৰচনা কৰা নাছিল তথাপিও ইংৰাজী ভাষাত সংস্কৃত গ্রন্থৰ অনুবাদ কৰে। কবি শ্রীহর্ষই ৰচনা কৰা নৈষধ চৰিত কাব্যৰ ইংৰাজী ভাষাৰ অনুবাদ অতি সুপ্রসিদ্ধ। তাত তেওঁ এটি গভীৰ সমালোচনামূলক ভূমিকাও লিখে। তেওঁ আন্তর্জাতিক খ্যাতিসম্পন্ন সংস্কৃত পণ্ডিত আছিল। তেওঁ অসম সাহিত্য সভা আৰু অল ইণ্ডিয়া অপিয়েণ্টেন কন্‌ফাৰেন্সৰ (সর্বভাৰতীয় পূর্বদেশীয় মহাসভাৰ) সভাপতি আছিল।তেওঁ ১৮৯৮ চনত যোৰহাটত জন্ম গ্রহণ কৰিছিল।

১০.১০ যোগীৰাজ বসু

যোগীৰাজ বসু (১৯১১-১৯৭৬) অসমত সংস্কৃত চর্চাৰ ক্ষেত্রত আন এটি স্মৰণীৰ নাম। বেদ আৰু বেদান্তত ব্যুৎপত্তি থকা এইজন পণ্ডিতে বেদৰ পৰিচয় (অসমীয়া আৰু বাংলা), Studies in vedic culture, Ancient Indin culture and civilisation of the Vedic age, India in the age of the Brahmanas, বেদান্ত দর্শন আদি কৰি দহখন গ্রন্থ ৰচনা কৰি থৈ যায়।

১০.১১ ড° বিশ্বনাৰায়ণ শাস্ত্র

অসমত সংস্কৃত চর্চা আৰু প্রসাৰৰ ক্ষেত্রত যিসকল ব্যক্তিয়ে অগ্রণী ভূমিকা লৈছিল, সেইসকল ভিতৰত ড° বিশ্বনাৰায়ণ শাস্ত্রী অন্যতম। তেখেতৰ জন্ম হৈছিল ১৮৯৮ চনত ১১ আগষ্টত লখিমপুৰ জিলাৰ নাৰায়ণপুৰৰ অন্তর্গত আঁহতগুৰিৰ পাণবাৰী গাঁৱত। পিতৃ আছিল স্বর্গীয় বেণীকান্ত গোস্বামী আৰু মাতৃ স্বর্গীয় ৰূপদা দেৱী।

তেওঁ আন্তর্জাতিক খ্যাতনামা পণ্ডিত আছিল। শাস্ত্রীদেৱে "The concept and development of Samavaya in Nyayavaisesika philospgy" - এই গৱেষণা গ্রন্থৰ বাবে ডি.লিট. উপাধি লাভ কৰে। তেখেতৰ এই গৱেষণা গ্রন্থৰ মুদ্রিত ৰূপ হ'ল - Samabaya faundation, of Nyayavaisesika philo Philosophy." তেওঁ ভাৰতবর্ষৰ ৰাষ্ট্রপতিৰ পৰা সন্মানীয় প্রমাণ-পত্র লাভ কৰিছিল আৰু তেওঁৰ ঐতিহাসিক উপন্যাস 'অবিনাশি' ৰচনা কৰি সাহিত্য একাডেমী বঁটা লাভ কৰিছিল। তেওঁলোক সভাৰ সদস্য আছিল। সংস্কৃত ভাষাত ভাষণ দানত তেওঁ বৰ নিপুণ আছিল। তেওঁৰ আন এখন গ্রন্থ হ'ল - "Mimamsa Philosophy and Kumarila Bhatta.' শাস্ত্রীদেৱৰ দ্বাৰা ইংৰাজীত ৰচিত আন এখন গ্রন্থ হ'ল, 'Sanskrit studies in Assam through the ages.' এনে এক বিৰল ব্যক্তিত্বৰ গৰাকীৰ কর্মৰাজি বর্তমান আৰু ভৱিষ্যতৰ পুৰুষৰ বাবে আদর্শস্বৰূপ।

১০.১২ ড° মুকুন্দ মাধৱ শর্মা

অসমৰ সাৰস্বত ক্ষেত্রৰ আন এক প্রতিভা মুকুন্দ মাধৱ শর্মাৰ অৱদান এই প্রসঙ্গত উল্লেখনীয়। তেওঁ ডিব্রুগড় জিলাত ১৯৩৩ চনত জন্ম গ্রহণ কৰে। তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগৰ মুৰব্বী অধ্যাপক আছিল। তেওঁ ভাৰতবর্ষৰ ৰাষ্ট্রপতিৰ পৰা সন্মানীয় প্রমাণ পত্রেৰে বিভূষিত। সংস্কৃত চর্চাৰ ক্ষেত্রত তেখেতৰ ব্যঞ্জনাপ্রপঞ্চ সমীক্ষা এটি মাইলৰ খুটি। এই গ্রন্থখনৰ বাবে তেওঁক কলিকতা বিশ্ববিদ্যালয় ১৯৭০ চনত ডি. লিট. উপাধি প্রদান কৰে। 'সংস্কৃত বাণী প্রকশ' আৰু 'সংস্কৃত বাণী মঞ্জৰী' নামৰ দুখন পাঠ্যপুথিত শর্মাই স্কুলীয়া ছাত্রৰ বাবে সৰল সংস্কৃতত সাহিত্য, বিজ্ঞান আদি বিভিন্ন বিষয়ৰ চমু ৰচনা আগবঢ়াইছে। সংস্কৃত প্রশস্তি কাব্যৰ ক্ষেত্রত শর্মাৰ প্রশাস্তপদ্যমঞ্জৰী এটি সুন্দৰ সংযোজন।

১০.১৩ আন আন পণ্ডিতসকল

অসমত ওপজা কেইজনমান মহামনীষীৰ নাম নোলোৱাকৈ অসমত চর্চাৰ কথা সম্পূর্ণ কৰিব নোৱাৰি। এইসকল অনন্য সাধাৰণ সংস্কৃত প্রতিভাৰ ভিতৰত পণ্ডিত জীৱেশ্বৰ দেৱ গোস্বামী আছিল অন্যতম। তেওঁ লিখা গ্রন্থসমূহ হ'ল - মনোহৰ পদ্যমালা, জীৱেশ্বৰতত্ত্ব, ভক্তিবিবেকৰ টীকা আৰু অনুবাদ, নিত্যকর্ম পদ্ধতি, জ্যোতিষ চিন্তামণি, হাস্যৰস তৰংগ নাটক, শ্রীমদ্দামোদবীয় দর্শনম্, মুমূর্ষু গাথা, শব্দর্থ বিচাৰ, সংস্কৃত ভাষা লিখা।

অসমৰ সংস্কৃত ক্ষেত্রসনক উর্বৰ কৰি থৈ যোৱা বহুকেইগৰাকী আধুনিক সংস্কৃত পণ্ডিতৰ ভিতৰত বৈকুণ্ঠনাস চক্রৱর্তী। তেওঁৰ 'শ্রীকৃষ্ণলীলামৃতম্' নামৰ কাব্যখন ১৯৬১ চনত প্রকাশিত হয়। নটা প্রবাহযুক্ত এই মহাকাব্যখনত সর্বমুঠ ৫৯৮ টা সংস্কৃত শ্লোক আছে। এইখন এখন উৎকৃষ্ট কাব্যিক গুণসম্পন্ন কাব্য।

অসমত সংস্কৃত চর্চাৰ ক্ষেত্রখনক উর্বৰ কৰা আন এজন পণ্ডিত হৈছে - ড° ৰাজেন্দ্র নাথ শর্মা গুৱাহাটী বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগৰ অৱসৰপ্রাপ্ত অধ্যাপক আৰু বিভাগীয় প্রধান। তেখেতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্রথম ডি.লিট্. উপাধিপ্রাপ্তি ব্যক্তি। তেখেতে ৰাষ্ট্রপতিৰ সন্মান চার্টিফিকেট অব অ'নাৰ লাভ কৰে। কেবাখনো প্রকাশিত গৱেষণা পত্র আৰু গ্রন্থৰ লেখক ড° শর্মাই ২০০১ চনত হাঙ্গেৰীৰ বুডাপেষ্টত বিশ্ববিদ্যালয় অনুদান আয়োগৰ সাংস্কৃতিক বিনিময় কার্যক্রমত Visiting, Professor হিচাপে দর্শন আৰু ব্যাকৰণৰ ওপৰত বক্তৃত প্রদান কৰিছিল। ১৯৯১ চনৰ পৰা ২০০০ চনলৈ দহ বছৰ ধৰি লোকভাষা প্রচাৰ সমিতিৰ অসম শাখাৰ সভাপতি হিচাপে কার্যনির্বাহ কৰি সমগ্র অসমতে সংস্কৃত ভাষাৰ প্রচাৰ আৰু প্রসাৰেৰে সংস্কৃতৰ এক বতাৰণৰ সৃষ্টি কৰে। কেবাখনো আন্তঃৰাষ্ট্রীয় আলোচনাচক্র আৰু সন্মিলনত যোগদান কৰা ড° শর্মা নানা অনুষ্ঠানৰ সৈতেও জড়িত হৈ

আছে। তেওঁৰ গ্ৰন্থসমূহ হ'ল - শালিক নাথ মিশ্ৰৰ বাক্যার্থ মাতৃকা (ইংৰাজী অনুবাদ), মীমাংসা থিঅ'ৰি অব্ মিনিং, ভাৰ্বেল নোলেজ হ'ল প্ৰাভাকৰ মীমাংসা, পূৰ্বোত্তৰপ্ৰান্তে সংস্কৃতম্ একং মূল্যানম্ (সম্পাদিত), মীমাংসা নয়চন্দ্ৰিকা, নিৰন্ধকুসুমাঞ্জিলি, ভাৰতীয়দর্শন কাৰিকাৱলী ইত্যাদি।

তদুপৰি ভালেকেইজন গৱেষকৰ গৱেষণামূলক প্ৰবন্ধ বিভিন্ন ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় সংস্কৃত পত্ৰিকাত বর্তমানো প্ৰকাশ পাই আছে। সেইসকলৰ ভিতৰত অশোক কুমাৰ গোস্বামী, অপূর্ব চন্দ্ৰ বৰঠাকুৰীয়া, মৈত্ৰেৰী বৰা, সুজাতা পুৰকায়স্থ, মুক্তা বিশ্বাস, হিৰণ শর্মা, নলিনী দেৱী মিশ্ৰস উপমা বর্মন ডেকা, দীপক কুমাৰ শর্মা, মঞ্জুলা দেৱী, জগদীশ শর্মা, সুৰেশ চন্দ্ৰ বৰা, সুদেষ্ণা ভট্টাচার্য, শ্ৰুতিধাৰা চক্ৰৱর্তী, কামেশ্বৰ শুক্লা, বিনিমা বুজৰবৰুৱা, মালিনী গোস্বামী, ভাৰতী গোস্বামী আদিৰ গৱেষণা প্ৰবন্ধই অসমত সংস্কৃত চর্চাৰ পৰম্পৰা যে অব্যাহত আছে তাক প্ৰমাণ কৰিছে।

সামগ্ৰিকভাৱে অসমত সংস্কৃতৰ স্থিতি ভাৰতবর্ষৰ কিছুমান ৰাজ্যত তুলনাত বেয়া বুলিব নোৱাৰি। সংস্কৃত ভাষা স্বকীয় মহিমাৰে সদায় চলি থাকিব। সেয়েহে কোৱা হয় -

'যাৱদ্ ভাৰতবর্ষং স্যাদ্ যাৱদ্ বিন্ধ্যাহিমাচলৌ
যাৱদ্ গংগা চ গোগা চ তাৱদেৱ হি সংস্কৃতম্।।'

১০.১৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ ঃ

- অসমত সংস্কৃত চর্চাৰ বিষয়ে জ্ঞান লাভ কৰিলে।
- উত্তৰ শংকৰীযুগৰ অসমৰ উল্লেখযোগ্য পণ্ডিতসকলৰ বিষয়ে আভাস লাভ কৰিলে।
- তেওঁলোকৰ অৱদান সম্পর্কে জ্ঞান লাভ কৰিলে।

১০.১৫ অধিক জানিবলৈ

১) গোস্বামী, মালিনী (১৯৯৮), অসমত সংস্কৃত চর্চাৰ ইতিহাস, যোৰহাট, অসম সাহিত্য সভা।
২) গোস্বামী (ড°) ভাৰতী, বুজৰবৰুৱা (ড°) কল্পিতা, (২০১২), লৌহিত্য তীৰত সংস্কৃত চর্চা, গুৱাহাটী ঃ চন্দ্ৰপ্ৰকাশ।
৩) শর্মা (ড°) ৰাজেন্দ্ৰ নাথ, অসম ৰাজ্যে সংস্কৃত চর্চা।

১০.১৬ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ সংস্কৃতৰ শিক্ষাণৰ পদ্ধতি দুটা আৰু সেইকেইটা হ'ল- প্ৰাচীন পদ্ধতি আৰু নতুন পদ্ধতি।

২ নং প্ৰশ্নৰ উত্তৰ ঃ সংস্কৃত পাঠাশালাসমূহত বেদ, কাব্য, স্মৃতি, দর্শন, ব্যাকৰণাদি শাস্ত্ৰৰ পাঠদানৰ ব্যৱস্থা আছিল। এই সমস্ত শাস্ত্ৰসমূহৰ ভিতৰত প্ৰথমতে ব্যাকৰণৰ পাঠাদানৰ ব্যৱস্থা আছিল।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ অসম সংস্কৃত বোর্ড ১৯২৬ চনত স্থাপন কৰা হৈছিল।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ অসম সংস্কৃত বোর্ড অসমৰ শ্ৰীহট্ট নামৰ ঠাইত স্থাপন কৰা হৈছিল।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ধীৰেশ্বৰাচার্যৰ ১৮৫১ চনত জন্ম হৈছিল।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ ধীৰেশ্বৰাচার্যৰ ছান্দোবিষয়ক বিখ্যাত গ্ৰন্থখনৰ নাম হ'ল - বৃত্তমঞ্জৰী।

৭ নং প্রশ্নৰ উত্তৰ ঃ ধীৰেশ্বৰাচার্যৰ দ্বাৰা ৰচিত আন আন গ্রন্থবোৰৰ নান হ'ল - ৰাজপ্রশস্তি, আনন্দ সংগীত, ৰাধিকা কলংকভঞ্জন কাব্য, শোকহর্ষ প্রকাশ, লীলামঞ্জৰী, স্তোত্রমঞ্জৰী, বৃহৎশ্রুতবোধ ইত্যাদি।

৮ নং প্রশ্নৰ উত্তৰ ঃ 'বৃত্তমঞ্জৰী' পদটি 'বৃত্ত' আৰু 'মঞ্জৰী' - এই দুটা শব্দেৰে গঠিত হৈছে।

৯ নং প্রশ্নৰ উত্তৰ ঃ বৃত্তমঞ্জৰীত সাতটা স্তৰক আছে।

১০ নং প্রশ্নৰ উত্তৰ ঃ ভৰদেৱ ভাগৰতীদেৱৰ জন্ম নলবাৰীৰ কৈঠালকুছি গাঁওত ১৯০২ চনৰ ২৭ জানুৱাৰীত হৈছিল।

১১ নং প্রশ্নৰ উত্তৰ ঃ ভাগৰতীদেৱে ৰাষ্ট্রপতিৰ পৰা সন্মানজনক 'ছার্টিফিকেট অব অনাৰ' লাভ কৰিছিল।

১২ নং প্রশ্নৰ উত্তৰ ঃ সতী জয়মতী কাব্যত ১০০ টা শ্লোক আছে।

১৩ নং প্রশ্নৰ উত্তৰ ঃ সতী জয়মতী কাব্যখন তিনিটা প্রবাহত বিভক্ত।

১৪ নং প্রশ্নৰ উত্তৰ ঃ প্রথম প্রবাহত ২৭ টা, দ্বিতীয় প্রবাহত ৩১ টা আৰু তৃতীয় প্রবাহত ৪২ টা শ্লোক আছে।

১৫ নং প্রশ্নৰ উত্তৰ ঃ আচার্য মনোৰঞ্জনশাস্ত্রীৰ জন্ম মঙ্গলদৈৰ ভেৰুৱাগাঁওত ১৯৯১ চনত হৈছিল।

১৬ নং প্রশ্নৰ উত্তৰ ঃ আচার্য মনোৰঞ্জন শাস্ত্রীৰ দ্বাৰা ৰচিত গ্রন্থসমূহ হ'ল - কেতেকীকাব্যম্, পতাকান্যায়ঃ, উতঙ্কভৈক্ষম্, প্রকামকামৰূপম্।

? ১০.১৭ আৰ্হি প্রশ্ন

প্রশ্ন নং ১ ঃ অসমত সংস্কৃত চর্চাৰ বিষয়ে লিখক।

প্রশ্ন নং ২ ঃ শংকৰদেৱৰ পিছৰ সময়ছোৱাত অসমত সংস্কৃত চর্চা কৰা উল্লেখযোগ্য পণ্ডিতসকল চমু পৰিচয় দিয়ক।

প্রশ্ন নং ৩ ঃ শংকৰদেৱৰ পিছৰ সময়ছোৱাত অসমত সংস্কৃত চর্চা কৰা উল্লেখযোগ্য পণ্ডিতসকলৰ অৱদান সম্পর্কে লিখক।

প্রশ্ন নং ৪ ঃ বৃত্তমঞ্জৰীৰ বিষয়ে চমুকৈ লিখক।

প্রশ্ন নং ৫ ঃ সতী জয়মতীৰ বিষয়ে চমুকৈ লিখক।

প্রশ্ন নং ৬ ঃ শ্লোকমালাৰ বিষয়ে চমুকৈ লিখক।

*** ***** ***

অধ্যায় ১১ঃ লীলাৱতী (সাধাৰণ অধ্যয়ন)

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য

১১.২ পৰিচয়

১১.৩ প্ৰাচীন ভাৰতৰ গণিত-চৰ্চাৰ নিদৰ্শন

  ১১.৩.১ শুল্বসূত্ৰ

  ১১.৩.২ বাক্শালী পাণ্ডুলিপি

  ১১.৩.৩ সিদ্ধান্ত জ্যোতিষ

১১.৪ প্ৰাচীন ভাৰতত সংখ্যা-লিখন পদ্ধতি

১১.৫ প্ৰাচীন ভাৰতৰ কেইজনমান প্ৰতিভাধৰ গণিতজ্ঞ

  ১১.৫.১ আৰ্য্যভট

  ১১.৫.২ বৰাহমিহিৰ

  ১১.৫.৩ ব্ৰহ্মগুপ্ত

  ১১.৫.৪ শ্ৰীধৰাচাৰ্য্য

  ১১.৫.৫ মহাবীৰাচাৰ্য্য

  ১১.৫.৬ ভাস্কৰাচাৰ্য্য

১১.৬ ভাস্কৰাচাৰ্য্যৰ লীলাৱতী

১১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১১.৮ অধিক জানিবলৈ

১১.৯ অগ্ৰগতিৰ খতিয়ান

১১.১০ আৰ্হি প্ৰশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- প্ৰাচীন ভাৰতৰ গণিত-চৰ্চাৰ কেইটামান নিদৰ্শন দেখিবলৈ পাব
- প্ৰাচীন ভাৰতত কেনে ধৰণে সংখ্যা লিখা হৈছিল, সেই বিষয়ে জানিব পাৰিব
- আৰ্য্যভট, বৰাহমিহিৰ, ব্ৰহ্মগুপ্ত, শ্ৰীধৰাচাৰ্য্য, মহাবীৰাচাৰ্য আৰু ভাস্কৰাচাৰ্য— প্ৰাচীন ভাৰতৰ এই ছয়জন বিদগ্ধ গণিতজ্ঞৰ বিষয়ে জানিবলৈ সমৰ্থ হ'ব
- ভাস্কৰাচাৰ্য্যৰ জীৱনৰ কীৰ্তিস্তম্ভ লীলাৱতী নামৰ পাটীগণিতৰ পুথিখনৰ বিষয়ে এটা আভাস পাব।

১১.২ পৰিচয়

আপুনি বোধ কৰোঁ জানে যে প্ৰাচীন ভাৰতীয় মনীষীসকলে গণিতত বিশেষ গুৰুত্ব আৰোপ কৰিছিল। এই অধ্যায়ত প্ৰাচীন ভাৰতত গণিত-চৰ্চা সম্বন্ধে থূলমূলকৈ কোৱা হৈছে। শুল্বসূত্ৰসমূহত জ্যামিতিৰ চৰ্চা হৈছিল। বাক্শালীৰ পাণ্ডুলিপিৰ পৰা গম পোৱা যায় যে প্ৰাচীন ভাৰতত গণিতক বিশেষ প্ৰাধান্য দিয়া হৈছিল। খ্ৰিষ্টজন্মৰ

প্ৰায় তেৰশ পঞ্চাশ বছৰ আগেয়ে লগধে ৱেদাংগ-জ্যোতিষ ৰচনা কৰে। তাত কোৱা হৈছে যে ময়ূৰৰ শিখাৰ দৰে, সাপৰ মূৰৰ মনিৰ দৰে ৱেদাংগ শাস্ত্ৰসমূহৰ শীৰ্ষত গণিতৰ অৱস্থিতি। তদনুৰূপে বাক্‌শালী পাণ্ডুলিপিতো গণিতক উচ্চ প্ৰশংসা কৰা হৈছে। সিদ্ধান্ত-জ্যোতিষসমূহত জ্যোতিবিদ্যা চৰ্চাৰ নিদৰ্শন দেখিবলৈ পোৱা যায়।

শূন্যৰ আৱিষ্কাৰ আৰু দশমিক স্থানীয় মান পদ্ধতিৰ সহায়ত সংখ্যা লিখাৰ উপায় ভাৰতীয় মনীষীৰ বিশ্ববন্দিত কীৰ্তি। তদুপৰি ভাৰতত শব্দ-সংখ্যাকৰ প্ৰচলন আছিল।

খ্ৰিষ্টীয় পঞ্চম শতিকাৰ পৰা দ্বাদশ শতিকাৰ ভিতৰত ভাৰতবৰ্ষত কেইজনমান কৃতিপ্ৰদ গণিতজ্ঞৰ জন্ম হয়। আৰ্য্যভট, বৰাহ মিহিৰ, ব্ৰহ্মগুপ্ত, শ্ৰীধৰাচাৰ্য্য, মহাবীৰাচাৰ্য্য আৰু ভাস্কৰাচাৰ্য্য আছিল অপ্ৰতিম গাণিতিক প্ৰতিভাৰ অধিকাৰী।

ভাস্কৰাচাৰ্য্যৰ লীলাৱতী আছিল অতি জনপ্ৰিয়। ই মূলতঃ পাটীগণিতৰ পুথি। ইয়াত ভাস্কৰাচাৰ্য্যৰ কাব্যিক আৰু গাণিতিক নিপুণতা প্ৰকাশ পাইছে।

১১.৩ প্ৰাচীন ভাৰতৰ গণিত-চৰ্চাৰ নিদৰ্শন


এতিয়া আপুনি প্ৰাচীন ভাৰতৰ গণিত-চৰ্চাৰ কিছুমান নিৰ্দশন দেখিবলৈ পাব। সেইবোৰৰ ভিতৰত উল্লেখযোগ্য হৈছে— শুল্বসূত্ৰ, বাক্‌শালী পাণ্ডুলিপি আৰু সিদ্ধান্ত জ্যোতিষ। এইসমূহৰ বিষয়ে তলত আলোচনা কৰা হৈছে।

১১.৩.১ শুল্বসূত্ৰ


আপুনি বোধ হয় জানে যে বিভিন্ন বেদ অধ্যয়নৰ বাবে বেদাংগৰ জ্ঞান অপৰিহাৰ্য্য। বেদাংগ ছয় প্ৰকাৰৰ, — শিক্ষা, কল্প, ব্যাকৰণ, নিৰুক্ত, ছন্দস্ আৰু জ্যোতিষ। শ্ৰৌতসূত্ৰ কল্পসূত্ৰৰ অন্তৰ্গত। শ্ৰৌতসূত্ৰৰ অন্যতম শাখা হ'ল শুল্বসূত্ৰ। শুল্বসূত্ৰসমূহত জ্যামিতিৰ বিষয়েও আলোচনা কৰা হৈছে।

ভাৰতবৰ্ষত জ্যামিতি-চৰ্চা জড়িত হৈ আছিল ধৰ্মীয় আচাৰ-অনুষ্ঠানৰ লগত। যাগ-যজ্ঞ আদি সুচাৰুৰূপে সম্পূৰ্ণ কৰিবলৈ বিভিন্ন প্ৰকাৰৰ বেদী নিৰ্মাণ কৰা হৈছিল। এই বেদীসমূহৰ প্ৰতিটোৱেই আছিল একো একোটাহঁত সুষম জ্যামিতীয় চিত্ৰ।


যজ্ঞ মুখ্যতঃ দুই প্ৰকাৰৰ, নিত্য অগ্নি আৰু কাম্য অগ্নি। নিত্য অগ্নিৰ ভিতৰত প্ৰধান তিনিবিধ হ'ল গাৰ্হপত্য, আহৱনীয়, দক্ষিণ। শুল্বসূত্ৰসমূহত পোৱা যায় যে গাৰ্হপত্য অগ্নিৰ বেদী বৰ্গাকাৰ। অৱশ্যে আন এটা পন্থীৰ মতে এই বেদী বৃত্তাকাৰ। আহৱনীয় অগ্নিৰ বেদী সদায় বৰ্গাকাৰ আৰু দক্ষিণ অগ্নিৰ বেদী সদায় অৰ্ধবৃত্তাকাৰ। মন কৰিবলগীয়া কথা এয়ে যে আকৃতি যিয়েই নহওক, কালি সদায় সমপৰিমাণৰ হ'ব লাগিছিল। মাপৰ একক আছিল ব্যাম। প্ৰত্যেক ক্ষেত্ৰতে কালি এক বৰ্গ ব্যাম। (১ ব্যাম =৯৬ আঙুলি)



বৃত্ত



বৰ্গ



ট্রেপিজিয়াম অর্ধবৃত্ত

চিত্র ৩.১

মহাবেদী বা সৌমিকীবেদীৰ আকাৰ আছিল সমদ্বিবাহু ট্রেপিজিয়াম। সৌত্রামনী বেদীৰ আকাৰো আছিল সমদ্বিবাহু ট্রেপিজিয়াম। ইয়াৰ কালি = মহাবেদীৰ কালিৰ এক- তৃতীয়াংশ। পৈতৃকী বেদীৰ আকাৰো সমদ্বিবাহু ট্রেপিজিয়াম। ইয়াৰ কালি = সৌত্রামনী বেদীৰ কালিৰ এক-নৱমাংশ।

নিঃসন্দেহে এই বেদীসমূহ অকংনৰ বাবে সূক্ষ্ম জ্যামিতীয় জ্ঞানৰ প্রয়োজন আছিল। শূল্বসূত্রসমূহত সূত্রৰ আকাৰত জ্যামিতীয় উপপাদ্য, সম্পাদ্য, অনুমিতি আদি নিহিত হৈ আছে। ড° বিভূতিভূষণ দত্তই সাতখন শুল্বসূত্র উদ্ধাৰ হোৱাৰ কথা কৈছে। সেইকেইখন হ'ল, — বৌধায়ন, আপস্তম্ব, কাত্যায়ন, মানৱ, মৈত্রায়ণ, বাৰাহ আৰু বা ধূলৰ শূল্বসূত্র।

১১.৩.২ বাক্‌শালী পাণ্ডুলিপি

অতীতৰ ভাৰতবর্ষত যে উচ্চ স্তৰৰ গণিতৰ চর্চা হৈছিল, বাক্‌শালীৰ পাণ্ডুলিপিৰ আৱিষ্কাৰ তাৰ উজ্জ্বল চানেকি। তাহানিৰ উত্তৰ-পশ্চিম সীমান্ত প্রদেশৰ অন্তর্গত মাৰদান চহৰৰ ওচৰৰ (বর্তমান পাকিস্তানৰ অন্তর্গত) বাক্‌শালী গাঁওখন মুখাম নৈৰ পাৰত অৱস্থিত। সেইখন গাঁৱৰে এজন খেতিয়কে মাটি খান্দোতে ভূর্জপত্রত লিখা এখন পুৰণি পুথি পায়। এই ঘটনা ঊনবিংশ শতিকাৰ শেহভাগৰ। সেই প্রাচীন পুথিখনৰ বিষয়বস্তু হ'ল গণিত। ড° জর্জ ৰুষ্টিক কেয়ে (G R Kaye) পুথিখন সম্পাদনা কৰি উলিয়ায় আৰু ই প্রথম প্রকাশ পায় ১৯২৭ চনত। ইয়াৰ পুনৰ মুদ্রণ হয় ১৯৮১ চনত।

পুথিখনত সন্নিৱিষ্ট হোৱা প্রধান বিষয়সমূহ হ'ল,— ৰৈখিক সমীকৰণ সম্বন্ধীয় অংক, অনির্ণেয় সমীকৰণ, সমান্তৰ আৰু গুণোত্তৰ শ্রেণী, দ্বিঘাত সমীকৰণ, বর্গমূলৰ আসন্নমান, ত্রৈৰাশিক, আয়-ব্যয় আৰু লাভ-ক্ষতি সম্পর্কীয় অংক, পৰিমিতি ইত্যাদি। গণিতৰ প্রশ্ন সমাধান কৰাৰ বাবে লেখকে পাঁচোটা বিভিন্ন পর্যায়ৰ কথা কৈছে, (১) সূত্রম, (২) উদাহৰণম্, (৩) স্থাপনম্, (৪) কৰণম্, (৫) প্রত্যয়ম্। এই পাঁচটা ঢাপ পাৰ হৈ গ'লেহে প্রশ্ন এটাৰ সদুত্তৰ আশা কৰিব পাৰি।

ৱেদাংগ-জ্যোতিষত কৰাৰ দৰে **বাক্‌শালী পাণ্ডুলিপিতো** গণিতৰ উচ্চ প্রশংসা কৰা হৈছে,— সকলো শাস্ত্রৰ ভিতৰত গণিতৰ অৱস্থান শীর্ষত (সর্ৱেষামের শাস্ত্রানাং গণিতং মূর্ধ্নি তিষ্ঠতি)।

১১.৩.৩ সিদ্ধান্ত-জ্যোতিষ

আনুমানিক এশৰ পৰা ৫০০ খ্রীষ্টাব্দৰ ভিতৰত বিভিন্ন **সিদ্ধান্ত-জ্যোতিষ** ৰচিত হয়। সমৰেন্দ্রনাথ সেনে তেখেতৰ **বিজ্ঞানেৰ ইতিহাস** নামৰ কিতাপখনত এনেদৰে লেখিছে,— 'সিদ্ধান্ত বুলি ক'লে জ্যোতিষীয় গ্রন্থ বিশেষক নুবুজায়, উচ্চ পর্যায়ৰ যিকোনো জ্যোতিষীয় গ্রন্থকে হিন্দুসকলে এই সাধাৰণ নামেৰে অভিহিত কৰিছিল।

সিদ্ধান্ত শব্দৰ অর্থ মীমাংসা, অর্থাৎ জ্যোতিষীয় সমস্যাৰ চৰম মীমাংসা। বিভিন্ন প্ৰাচীন জ্যোতির্বিদ আৰু টীকাকাৰসকলৰ ৰচনাৰ পৰা আমি অন্ততঃ ১৮খন সিদ্ধান্তৰ উল্লেখ পাওঁ— সূর্য-সিদ্ধান্ত, পৈতামহ-সিদ্ধান্ত, ব্যাস-সিদ্ধান্ত, বসিষ্ঠ-সিদ্ধান্ত, অত্রি-সিদ্ধান্ত, পৰাশৰ-সিদ্ধান্ত, কাশ্যপ-সিদ্ধান্ত, নাৰদ-সিদ্ধান্ত, গর্গ-সিদ্ধান্ত, মৰীচি-সিদ্ধান্ত, মনু-সিদ্ধান্ত, অংগিৰা-সিদ্ধান্ত, লোমশ (ৰোমক)-সিদ্ধান্ত, পৌলিশ-সিদ্ধান্ত, চ্যৱন-সিদ্ধান্ত, যৱন-সিদ্ধান্ত, ভৃগু-সিদ্ধান্ত, শৌনক-সিদ্ধান্ত।'

(**বিজ্ঞানেৰ ইতিহাস**, দ্বিতীয় খণ্ড, ১৯৫৮)।

মন কৰিবলগীয়া যে এই ওঠৰখন সিদ্ধান্তৰ দুখনৰ নাম অ-ভাৰতীয়, — ৰোমক আৰু পৌলিশ। উল্লেখ কৰিব পাৰি যে আলেকজেণ্ডাৰৰ ভাৰত আক্ৰমণৰ পাছত গ্ৰিছৰ লগত আদান-প্ৰদান হয়। সংস্কৃতত যিটো জ্যামিত্রম্, গ্ৰিকত সেইটো diametron আৰবী ভাষালৈ ভাৰতীয় গণিত আৰু জ্যোতির্বিজ্ঞানৰ কিতাপবোৰ অনুদিত হৈছিল। ছিৰীয় জ্যোতিবিজ্ঞানীসকলে ভাৰতীয় জ্যোতির্বিজ্ঞানীসকলক সন্মানৰ চকুৰে চাইছিল। বাগ্‌দাদৰ খলিফাৰ ৰাজ সভাত ভাৰতীয় জ্যোতিবিজ্ঞানী আছিল।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ নিত্য অগ্নিৰ ভিতৰত প্ৰধান তিনিবিধ কি কি?

.....

.....

প্ৰশ্ন নং ২ঃ বেদাংগ-জ্যোতিষৰ ৰচক কোন?

.....

প্ৰশ্ন নং ৩ঃ বেদাংগ কেই প্ৰকাৰৰ আৰু কি কি?

.....

প্ৰশ্ন নং ৪ঃ আহৱনীয় অগ্নিৰ বেদীৰ আকাৰ কেনেকুৱা?

.....

প্ৰশ্ন নং ৫ঃ দক্ষিণ অগ্নিৰ বেদীৰ আকাৰ কেনেকুৱা?

.....

প্ৰশ্ন নং ৬ঃ খালি ঠাই পূৰণ কৰক।

১ ব্যাম = ... আঙুলি।

১১.৪ প্ৰাচীন ভাৰতত সংখ্যা-লিখন পদ্ধতি

দশমিক স্থানীয়-মান পদ্ধতি ঃ আপুনি বোধ হয় জানে যে সমগ্ৰ বিশ্বত আজি যি পদ্ধতিত সংখ্যা লিখা হয়, সেই পদ্ধতিৰ নাম দশমিক স্থানীয়-মান পদ্ধতি (Decimal Place Value System) বা সংক্ষেপে দশমিক পদ্ধতি (Decimal System)। ০, ১, ২, ৩, ৪, ৫, ৬, ৭, ৮, ৯ — এই দহোটা অংকৰ (digit) সহায়ত আমি যিকোনো সংখ্যা লিখিব পাৰোঁ। এই পদ্ধতিত অংক এটাৰ দুটামান — পৰম-মান (face-value) আৰু স্থান-মান (place-value)। উদাহৰণস্বৰূপে ২৩৯৪ সংখ্যাটোৰ ২ অংকটোৰ পৰম-মান ২, স্থান-মান ২০০০; সেইদৰে ৩-ৰ পৰম-মান ৩, স্থান-মান ৩০০; ৯-ৰ পৰম-মান ৯, স্থান-মান ৯০; ৪ৰ পৰম-মান ৪, স্থান-মান ৪।

শূন্যৰ আৱিষ্কাৰ আৰু দশমিক স্থানীয় মান পদ্ধতিৰ সহায়ত সংখ্যা লিখাৰ এই উপায় প্ৰাচীন ভাৰতীয় মনীষীৰ সুবিখ্যাত কীৰ্তি। এই পদ্ধতি ইমান সহজ-সৰল আৰু সৰুৰেপৰা আমি ইয়াৰ লগত ইমানেই অভ্যস্ত যে ইয়াৰ আৱিষ্কাৰৰ কাৰণে যে অতীতৰ ভাৰতীয় গণিতজ্ঞসকলে নিৰলস সাধনা কৰিব লগীয়া হৈছিল, তাক আমি সতকাই ভাবিবলৈ টান পাওঁ। ফ্ৰান্সৰ গণিতজ্ঞ, দাৰ্শনিক পিয়েৰ ছাইমঁ দ্য লাপ্লাছে (১৭৪৯-১৮২৭) এই পদ্ধতিৰ বিষয়ে সোণসেৰীয়া মন্তব্য কৰিছে।

ভাৰতবৰ্ষৰ পৰা এই পদ্ধতি আৰবত প্ৰৱেশ কৰে। ইউৰোপত দশমিক স্থানীয়-মান পদ্ধতিৰ প্ৰৱৰ্তন হয় দ্বাদশ-ত্ৰয়োদশ শতিকাত।

বেদ, পুৰাণ, ৰামায়ণ আদিত দশমিক স্থানীয়-মান পদ্ধতিত লিখা সংখ্যাৰ ব্যৱহাৰ দেখিবলৈ পোৱা যায়। উদাহৰণস্বৰূপে শুক্লযজুৰ্বেদ সংহিতাৰ সপ্তদশ অধ্যায়ৰ দ্বিতীয় মন্ত্ৰটোত এক, দহ, শত, সহস্ৰ, অযুত, নিযুত, প্ৰযুত, অৰ্বুদ, ন্যৰ্বুদ, সমুদ্ৰ, মধ্য, অন্ত্য, পৰাৰ্দ্ধ আদি বৃহৎ সংখ্যাৰ উল্লেখ পোৱা যায়। আপুনি পৰৱৰ্তী অধ্যায়ত এই সংখ্যাবোৰৰ বিষয়ে বিশদভাৱে জানিব পাৰিব।

ভাৰতীয় মনীষীয়ে যেতিয়া ডাঙৰ ডাঙৰ সংখ্যাৰ ধাৰণা কৰিছিল, সেই সময়ত পৃথিৱীৰ বিভিন্ন স্থানত সংখ্যা সম্বন্ধে ধাৰণা আছিল ঃ এক, দুই, তিনি আৰু বহুতো। নিঃসন্দেহে দশমিক স্থানীয়-মান পদ্ধতি প্ৰাচীন ভাৰতীয়ৰ অবিনশ্বৰ কীৰ্তি।

গ্ৰিক গণিতজ্ঞ আৰ্কিমিডিছৰ দৰে ক্ষুৰধাৰ প্ৰতিভাৰ অধিকাৰী ব্যক্তি এজনে শূন্য তথা দশমিক স্থানীয়-মান পদ্ধতি আৱিষ্কাৰ কৰিব নোৱৰাৰ বাবে খেদ প্ৰকাশ কৰি গণিতৰ 'যুৱৰাজ' গাউছে কৈছে যে 'গণিতৰ ইতিহাসত ইয়াতকৈ দুখজনক কথা আৰু নাই'।

শব্দ-সংখ্যাক ঃ দশমিক স্থানীয়-মান পদ্ধতিৰ উপৰিও প্ৰাচীন ভাৰতত শব্দ-সংখ্যাকৰ (word-numerals) প্ৰচলন আছিল। এই পদ্ধতিত বস্তু, প্ৰাণীৰ নাম বা ধাৰণা বিশেষৰ দ্বাৰা অংক (বা সংখ্যা) বুজোৱা হৈছিল।

> ⓘ আপুনি ইতিমধ্যে জানিব পাৰিছে যে ০, ১, ২, ৩, ৪, ৫, ৬, ৭, ৮, ৯,— এই দহটা হ'ল অংক। এই অংককেইটাৰ সহায়েৰে আমি সংখ্যা লিখোঁ। উদাহৰণস্বৰূপে ২৫৯৩ সংখ্যাটো চাৰিটা অংকেৰে গঠিত। এককৰ অংক ৩, দহকৰ অংক ৯, শতকৰ অংক ৫, হাজাৰৰ অংক ২।

খ, গগন, আকাশ আদি শব্দই শূন্য বুজায়। বহু ঠাইত পূৰ্ণ শব্দৰ দ্বাৰা শূন্য বুজোৱা হৈছে।

চন্দ্ৰ, শশী, হিমাংশু, মহী, পৃথ্বী, গো, বসুন্ধৰা আদি শব্দই এক বুজায়। অক্ষি, নেত্ৰ, লোচন, কৰ, কৰ্ণ, পক্ষ আদি শব্দই দুই বুজায়।

ৰাম শব্দই তিনি বুজায়, কিয়নো শাস্ত্ৰত তিনিজন ৰামৰ কথা পোৱা যায়, পৰশুৰাম, হলিৰাম, শ্ৰীৰাম। গুণ শব্দয়ো তিনি বুজায়, কাৰণ গুণ তিনিটা,— সত্ত্ব, ৰজস্, তমস্। বেদত তিনিবিধ অগ্নিৰ উল্লেখ আছে, — গাৰ্হপত্য, আহৱনীয়, দক্ষিণ। সেয়ে অগ্নি শব্দই তিনি বুজায়।

বেদ চাৰিখন (ঋক্, যজুঃ, সাম আৰু অথৰ্ব), বৰ্ণ চাৰিটা (ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰ), যুগ চাৰিটা (কৃত বা সত্য, ত্ৰেতা, দ্বাপৰ, কলি)। সেয়ে বেদ, বৰ্ণ, যুগ শব্দই চাৰি বুজায়।

বাণ, শৰ, ইষু শব্দই পাঁচ বুজায় কিয়নো কামদেৱৰ পাঁচডাল শৰ আছে বুলি কোৱা হয়,— উন্মাদন, তাপন, শোষণ, মন্মোহন আৰু স্তম্ভন। পৃথিৱী, আকাশ, জুই, বায়ু আৰু পানী,— এয়া পঞ্চভূত। সেয়ে মহাভূত শব্দই পাঁচ বুজায়।

ঋতু ছটা (গ্ৰীষ্ম, বৰ্ষা, শৰৎ, হেমন্ত, শীত আৰু বসন্ত)। প্ৰধান আস্বাদ বা ৰস ছবিধ (কটু, অম্ল, মধুৰ, লৱণ, তিক্ত, কষায়)। সেয়ে ঋতু শব্দই, ৰস শব্দই ছয় বুজায়।

এইদৰে, বিভিন্ন অংক/সংখ্যাৰ বাবে বিভিন্ন শব্দ ব্যৱহাৰ কৰা হৈছিল।

আপুনি উত্তৰ গুৱাহাটীলৈ গৈছেনে? উত্তৰ গুৱাহাটীৰ কানাইবৰশী শিলালিপি এনেধৰণৰ,— শাকে তুৰগয়ুগ্মেশে মধুমাসত্রয়োদশে/কামৰূপং সমাগত্য তুৰষ্কাঃ ক্ষয়মায়য়ুঃ। অর্থাৎ ১১২৭ শকৰ চ'ত মাহৰ ১৩ দিনৰ দিনা কামৰূপলৈ আহি তুৰস্কবিলাক ধ্বংসপ্রাপ্ত হ'ল।

এই শিলালিপিত শব্দ-সংখ্যাকৰ ব্যৱহাৰ কৰা হৈছে। পৌৰাণিক শাস্ত্রত সূর্যৰ ৰথখন সাতোটা ঘোঁৰাই টানি নিয়ে বুলি কোৱা হয়। তুৰগ শব্দৰ অর্থ ঘোঁৰা। সেয়ে তুৰগই সাত বুজায়।

যুগ্ম শব্দই দুই বুজায়। ঈশ্বৰ, ঈশ, ৰুদ্র আদি শব্দই এঘাৰ বুজায়। দশমিক স্থানীয়-মান পদ্ধতিৰ লগত সামঞ্জস্য ৰাখি পোনতে এককৰ স্থান, পিছত দহকৰ স্থান, ... লিখা হয় (অংকানাং ৱামতো গতিঃ)। সেয়ে তুৰগয়ুগ্মেশৰ অর্থ ১১২৭।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ঃ খ যুগৰ অনুৰূপ সংখ্যাটো কি?

.....

প্রশ্ন নং ৮ঃ বাণবাণবেদৰ অনুৰূপ সংখ্যাটো কি?

.....

প্রশ্ন নং ৯ঃ ৰসগুণৰ অনুৰূপ সংখ্যাটো কি?

.....

প্রশ্ন নং ১০ঃ ৱামবাণ ঋতুৰ অনুৰূপ সংখ্যাটো কি?

.....

প্রশ্ন নং ১১ঃ গগনকৰ অগ্নিৰ অনুৰূপ সংখ্যাটো কি?

.....

১১.৫ প্রাচীন ভাৰতৰ কেইজনমান প্রতিভাধৰ গণিতজ্ঞ

গণিতৰ ইতিহাস বেত্তাসকলে খ্রিষ্টীয় পঞ্চম শতিকাৰ পৰা দ্বাদশ শতিকালৈ,— এই কালছোৱাক ভাৰতত গণিত-চর্চাৰ সোণালী-যুগ আখ্যা দিছে। এই সময়ছোৱাত ভাৰতভূমিত আবির্ভাৱ হৈছিল কেবাজনো প্রতিভাধৰ গণিতজ্ঞৰ। এওঁলোকৰ কৃতি অকল ভাৰততেই সীমাৱদ্ধ নাছিল, বিদেশতো স্বীকৃত হৈছিল। আর্য্যভট, বৰাহ মিহিৰ, ব্রহ্মগুপ্ত, শ্রীধৰাচার্য্য, মহাবীৰ চার্য্য আৰু ভাস্কৰাচার্য্য,— এই কেইজন দক্ষ গণিতজ্ঞৰ গাণিতিক প্রতিভাই আমাক বিস্ময়-বিমুগ্ধ কৰে। তলত এই ছয়জন ক্ষুৰধাৰ গণিতজ্ঞৰ জীৱন আৰু কৃতিৰ চমু আভাস দিয়া হ'ল।

আর্য্যভট ঃ আর্য্যভটৰ জন্ম ৪৭৬ খ্রিষ্টাব্দত, বর্তমান বিহাৰৰ অন্তর্গত কুসুমপুৰত। আর্য্যভটীয় আর্য্যভটৰ জীৱনৰ কীর্তিস্তম্ভ। আর্য্যভট তীক্ষ্ণ গণিতজ্ঞ। মাত্র একুৰি তিনি বছৰ বয়সতে আর্য্যভটীয়ৰ লেখীয়া মৌলিক পুথিৰচনা কৰিবলৈতেওঁ সক্ষম হয়। আৰবী ভাষাত আার্য্যভটীয়ৰ নাম হ'ল আৰযেহিৰ।

আর্য্যভটীয় গণিত আৰু জ্যোতির্বিজ্ঞান বিষয়ক গ্রন্থ। ইয়াত মুঠতে ১২১টা শ্লোক আছে। পুথিখন চাৰিটা পাদত বিভক্ত, — গীতিকা-পাদ, গণিত-পাদ, কালক্রিয়া-পাদ আৰুগোল-পাদ। গীতিকা-পাদত তেৰটা শ্লোক আছে। ইয়াৰ প্রথমটো ঈশ্বৰ-বন্দনা, দ্বিতীয়টোত পৰিভাষা আছে আৰু অন্তিমটো আত্মপৰিচয়মূলক। সেয়ে গীতিকা-পাদৰ নাম দশ-গীতিকা। দশ-গীতিকাত আর্য্যভটে বর্ণ-সংখ্যাকৰ ব্যৱহাৰ কৰে। আর্য্যভটীয়ত আর্য্যভটে পাটীগণিত, জ্যামিতি, ত্রিকোণমিতি, আহ্নিক গতি, বার্ষিক গতি ইত্যাদিৰ বিষয়ে আলোচনা কৰিছে। তদানীন্তন ভাৰতীয়

গাণিতিক সমাজৰ আর্য্যভট আছিল মধ্যমান। তেওঁৰ শিষ্য-প্রশিষ্যসকলে আর্য্যভটীয় গোষ্ঠীৰ জন্ম দিছিল।

ৰাহুৰ কাহিনী নস্যাৎ কৰি আর্য্যভটই চন্দ্রগ্রহণ আৰু সূর্যগ্রহণৰ প্রকৃত ব্যাখ্যা দিয়ে। তেওঁ কৈছিল যে পৃথিৱী গোলাকাৰ।

ⓘ ৰৱজনা প্লিনি (Pling the Elder) আছিল এজন বিদগ্ধ ৰোমান পণ্ডিত। তেওঁৰ বিশাল Natural History প্রাচীন বৈজ্ঞানিক জ্ঞানৰ আকৰ। সৰুজনা প্লিনি (Pling the Younger) ৰৱজনা প্লিনিৰ ভতিজাক। তেওঁ ছিনেটৰ আৰু লেখক। সমৰেন্দ্র নাথ যেনে নিশ্চয় ৰৱজনা প্লিনিৰ লগত ৰৰাহ মিহিৰৰ তুলনা কৰিছে।

ৰৰাহ মিহিৰ ঃ ৰৰাহ মিহিৰ আছিল অৱন্তীৰ অধিবাসী। তেওঁৰ জন্ম আনুমানিক ৫০৫ খ্রীষ্টাব্দত আৰু মৃত্যু ৫৮৭ খ্রীষ্টাব্দত। তেওঁৰ পিতৃ আদিত্য দাস। তেৱোঁ আছিল এজন জ্যোতির্বিদ। ৰৰাহ মিহিৰ আছিল অগাধ পাণ্ডিত্যৰ অধিকাৰী, বিভিন্ন বিষয়ত তেওঁৰ দখল আছিল অবাধ। সমৰেন্দ্র নাথ সেন নামৰ বিজ্ঞানৰ ইতিহাস লেখকজনাই তেওঁক ভাৰতবর্ষৰ **প্লিনি** আখ্যা দিছে। পঞ্চসিদ্ধান্তিকা ৰৰাহ মিহিৰৰ যুগজয়ী কীর্তি। ৰৰাহমিহিৰৰ আন দুখন উল্লেখনীয় গ্রন্থ হ'ল **বৃহৎসংহিতা, বৃহজ্জাতক।**

ব্রহ্মগুপ্ত ঃ ব্রহ্মগুপ্ত সপ্তম শতিকাৰ এজন ক্ষুৰধাৰ গণিতজ্ঞ। তেওঁৰ জন্ম ৫৯৮ খ্রীষ্টাব্দত। তেওঁৰ পিতৃৰ নাম জিষ্ণু। আৰব সভ্যতা আৰু সংস্কৃতিলৈ ব্রহ্মগুপ্তৰ অসামান্য অৱদান আছে।

ব্রাহ্মস্ফুটসিদ্ধান্ত ব্রহ্মগুপ্তৰ জীৱনৰ যুগজয়ী কীর্তি। ত্রিছ বছৰ বয়সত ব্রহ্মগুপ্তই এই গ্রন্থখন ৰচনা কৰে। তেওঁৰ আনখন গ্রন্থ খণ্ডখাদ্যক। ইয়াৰ ৰচনা-কাল ৬৫৫ খ্রীষ্টাব্দ। জ্যামিতি, বীজগণিত, জ্যোতির্বিজ্ঞান ব্রহ্মগুপ্তই চর্চা কৰিছিল। ত্রিভুজৰ কালি, চক্রীয় চতুর্ভুজৰ কালি, একমাত্রাৰ অনির্ণেয় সমীকৰণ, সূর্যগ্রহণ, চন্দ্রগ্রহণ আদিৰ ব্যাখ্যা ব্রাহ্মস্ফুটসিদ্ধান্তত আছে। এই গ্রন্থখন আৰবী ভাষালৈ অনুদিত হয়। ইয়াৰ আৰবী নাম হ'ল ছিন্দহিন্দ বা হিন্দছিন্দ। খণ্ড খাদ্যকো আৰবীলৈ অনুদিত হয়। ইয়াৰ আৰবী নাম হ'ল আৰকন্দ বা অলর্কন্দ।

জ্যোতির্বিজ্ঞানত ব্যৱহৃত যন্ত্র-পাতিৰ বিষয়েও ব্রহ্মগুপ্তই আলোচনা কৰিছে। তেওঁ পূর্বসূৰীসকলৰ কিছুমান কামো সমালোচনা কৰিছে। ৰেদাংগৰ যুগ পদ্ধতিক তেওঁ সম্পূর্ণভাৱে উপেক্ষা কৰিছে।

শ্রীধৰাচার্য্য ঃ গণিতজ্ঞ শ্রীধৰ চার্য্যৰ নামৰ লগত মাধ্যমিক বিদ্যালয়ৰ বিদ্যার্থীসকলৰ পৰিচয় আছে। দ্বিঘাত সমীকৰণ সমাধানৰ এটা উপায় আচার্য শ্রীধৰে উলিয়ায়। এই পদ্ধতি মাধ্যমিক বিদ্যালয়ত শিকোৱা হয়।

গণিতৰ বুৰঞ্জী ৰচকসকলে শ্রীধৰাচার্য্য ৭৫০ চনৰ পৰা ৯১০ চনৰ ভিতৰত গণিতজ্ঞ বুলি মত প্রকাশ কৰিছে। পাটীগণিতসাৰ গ্রন্থ শ্রীধৰৰ ৰচনা। ই তিনিশ শ্লোকৰ সমষ্টি। সেই বাবে পুথিখন ত্রিশতিকা নামেও খ্যাত।

মহাবীৰাচার্য্য ঃ মহাবীৰাচার্য্য নৱম শতিকাৰ এজন জৈন গণিতজ্ঞ। ৮৫০ চনত তেওঁ গণিতসাৰ সংগ্রহ ৰচনা কৰে। পূর্বসূৰী গণিতজ্ঞসকলৰ কাম পৰিৱর্তন তথা পৰিৱর্ধন কৰি এক নিটোল ৰূপ দিয়াৰ চেষ্টা তেওঁ কৰিছিল। প্রাচীন ভাৰতীয় গণিতজ্ঞসকলে গণিতৰ উপৰি জ্যোতির্বিজ্ঞানো চর্চা কৰিছিল। আচার্য্য মহাবীৰেই বোধ কৰোঁ একমাত্র ব্যতিক্রম, যিজনে অকল মৌলিক গণিতৰ অধ্যয়নত নিজকে অহোৰাত্র ব্যস্ত ৰাখিছিল।

ভাস্কৰাচার্য্য ঃ ভাৰতৰ গণিতৰ ইতিহাসৰ ভাস্কৰাচার্য্য উজ্জ্বল ভাস্কৰ। গণিতৰ কেবাটাও শাখাত তেওঁ বৈপ্লৱিক কাম কৰিছে আৰু প্রত্যেক ক্ষেত্রতেই তেওঁ কৃতিত্বৰ স্বাক্ষৰ ৰাখি থৈ গৈছে।

দক্ষিণ ভাৰতৰ বিজ্জৰবিৰত (আজি-কালিৰ বিজাপুৰ) ভাস্কৰাচার্য্যৰ জন্ম হয় ১১১৪ খ্রীষ্টাব্দত। তেওঁ পিতৃ আছিল শাণ্ডিল্যগোত্রসম্ভূত মহেশ্বৰ। তেওঁ আছিল এজন প্রসিদ্ধ পণ্ডিত আৰু জ্যোতির্বিদ। পিতৃৰ ওচৰত তেওঁ প্রথমে শিক্ষা লাভ কৰে আৰু তাৰ পাছত উজ্জয়িনীতো শিক্ষা গ্রহণ কৰে।

সিদ্ধান্তশিৰোমণি ভাস্কৰাচার্য্যৰ জীৱৰ কীতি-স্তম্ভ। বাসনাভাষ্য তেওঁৰ আন এখন পুথি। ই

সিদ্ধান্তশিৰোমণিৰ ভাষ্যস্বৰূপ। কৰণকুতূহলত গ্ৰহ-গতি সম্বন্ধীয় কথা সন্নিৱিষ্ট কৰা হৈছে। সৰ্বতোভদ্রযন্ত্র নামে কাল-পৰিমাণ বিষয়ক আন এখন গ্রন্থতেওঁ ৰচনা কৰে। সিদ্ধান্তশিৰোমণিত ভাস্কৰাচার্য্যই নিজৰ পৰিচয় এইদৰে দিছে,— 'ৰসগুণপূর্ণমহী' শকাব্দত অর্থাৎ ১০৩৬ শকাব্দত মোৰ জন্ম আৰু 'ৰসগুণ' বছৰ বয়ত অর্থাৎ ৩৬ বছৰ বয়সত মই সিদ্ধান্তশিৰোমণি ৰচনা কৰোঁ।

গণিতত ভাস্কৰাচার্য্যৰ অসাধাৰণ ব্যুৎপত্তি আছিল। অনির্ণেয় সমীকৰণৰ সমাধানৰ ক্ষেত্রত তেওঁ কৃতিত্ব দেখুৱাইছিল। তেওঁৰ নিয়মটো চক্রৱাল পদ্ধতি বুলি পৰিচিত। পূর্বসূৰী ব্রহ্মগুপ্ত আৰু শ্রীপতিৰ সমাধান-প্রণালী আৰু ভাস্কৰাচার্য্যৰ স্বকীয় বৈশিষ্ট্য,— এই তিনিটাৰ সমন্বয়ত এই সমাধা-পদ্ধতিৰ উদ্ভৱ। মহাকর্ষণ তত্ত্ব ছাৰ আইজাক নিউটনৰ (১৬৪২ খ্রীষ্টাব্দ-১৭২৭ খ্রীষ্টাব্দ) বিশ্ববন্দিত কীর্তি। কিন্তু তাৰ কেবাশ বছৰ আগেয়ে ভাস্কৰাচার্য্যয়ো সেই বিষয়ে চিন্তা কৰিছিল বুলি সিদ্ধান্তশিৰোমণিৰ পৰা গম পোৱা যায়। গণিতৰ এটা শাখা কলনগণিত (calculas) আৰিষ্কাৰৰ কৃতিত্ব নিউটন আৰু গটফ্রিড্ উইলহেল্ম লাইবনিৎজক (১৬৪৬ খ্রীষ্টাব্দ-১৭১৬ খ্রীষ্টাব্দ) দিয়া হয়, কিন্তু কলনগণিত সম্বন্ধেও ভাস্কৰৰ ধাৰণা আছিল। ভাস্কৰে ত্রিকোণমিতিও চর্চা কৰিছিল। চি এন শ্রীনিবাস আয়েংগাৰ নামৰ এজন গণিতৰ ইতিহাসবিদে গভীৰ আক্ষেপেৰে কৈছে যে অবকলনগণিত চর্চাৰ দু�ৱাৰ ভাস্কৰে মুকলি কৰিলে যদিও পৰৱর্তী কালত ভাৰতবর্ষত ইয়াৰ চর্চা মুঠেও নহ'ল।

বিংশ শতিকাৰ অসাধাৰণ প্রতিভাধৰ ভাৰতীয় গণিতজ্ঞ শ্রীনিবাস ৰামানুজনক ভাস্কৰাচার্য্যৰ সুযোগ্য উত্তৰাধিকাৰী বুলি কোৱা হয়।

ভাস্কৰাচার্য্যৰ আত্ম-পৰিচয়মূলক শ্লোকটো ঃ

ৰসগুণ পূর্ণমহীসমশকনৃপসময়ে অভৱন্মমোৎপত্তিঃ।
ৰসগুণৱর্ষেণ সিদ্ধান্তশিৰোমণি ৰচিতঃ।।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১২ঃ আর্য্যভটে লিখা এখন গণিত আৰু জ্যোতির্বিজ্ঞান বিষয়ক গ্রন্থৰ নাম লিখক।

.....

প্রশ্ন নং ১৩ঃ পঞ্চসিদ্ধান্তিকা কোনে ৰচনা কৰে?

.....

প্রশ্ন নং ১৪ঃ ব্রাহ্মস্ফুটসিদ্ধান্ত কোনে ৰচনা কৰে?

.....

প্রশ্ন নং ১৫ঃ পাটীগণিতসাৰ কোনে ৰচনা কৰে?

.....

প্রশ্ন নং ১৬ঃ সিদ্ধান্তশিৰোমণি কোনে ৰচনা কৰে?

.....

১১.৬ ভাস্কৰাচার্য্যৰ লীলাৱতী

ভাস্কৰাচার্য্যৰ যুগজয়ী কীর্তি সিদ্ধান্তশিৰোমণি সংস্কৃত ভাষাত ৰচিত। ই চাৰিটা খণ্ডত বিভক্ত,— লীলাৱতী, বীজগণিত, গোলাধ্যায়, গ্রহগণিত। লীলাৱতীত মূলতঃ পাটীগণিতৰ বিষয়ে আলোচনা কৰা হৈছে।

লীলাৱতী কেবাটাও অধ্যায়ত বিভক্ত। অৱশ্যে এই বিভাজন ভাস্কৰাচার্য্যই কৰা নাই। উত্তৰ কালৰ টীকাকাৰসকলেহে কৰিছে। সেয়ে সংস্কৰণভেদে অধ্যায়ৰ সংখ্যা বেলেগ বেলেগ। কিছুমান সংস্কৰণত অধ্যায়-বিভাজনেই নাই।

অভীষ্ট দেৱতা গণেশক প্ৰণাম জনাই বিদ্বৎজনৰ বাবে পুথিখন আৰম্ভ কৰা হৈছে। পোনতেই মুদ্ৰাৰ একক, ওজনৰ একক, দৈর্ঘ্যৰ একক আদিৰ সংজ্ঞা দিয়া হৈছে। পিছত দশমিক স্থানীয়-মান পদ্ধতিৰ আভাস দিয়া হৈছে। আঠোটা প্ৰক্ৰিয়া (যোগ, বিয়োগ, পূ�ৰণ, হ�ৰণ, বর্গ, ঘন, বর্গমূল, ঘনমূল), ভগ্নাংশ, শূন্য, ত্ৰৈৰাশিক, মিশ্ৰণ, সুতকছা, শ্ৰেণী (সমান্তৰ আৰু গুণোত্তৰ), বিন্যাস আদি বিষয় সন্নিৱিষ্ট কৰা হৈছে। পাটীগণিতৰ উপৰিও জ্যামিতি আৰু পৰিমিতৰ বিষয়েও (যথা বৃত্তৰ কালি, গোলকৰ পৃষ্ঠকালি, গোলকৰ আয়তন, শংকুৰ আয়তন) আলোচনা কৰা হৈছে। এক মাত্ৰাৰ অনির্ণেয় সমীকৰণৰ সমাধানৰ (কুট্টক) বিষয়ে আলোচনা কৰা হৈছে।

লীলাৱতীয়ে সুধীমহলত বিপুল জনপ্ৰিয়তা অর্জন কৰিবলৈ সক্ষম হয়। মোগল সম্ৰাট জালাল-উদ্দিন মহম্মদ আকবৰৰ (১৫৪২ খ্ৰীষ্টাব্দ-১৬০৫ খ্ৰীষ্টাব্দ) নির্দেশত ফৈজীয়ে ১৫৮৭ খ্ৰীষ্টাব্দত লীলাৱতী ফার্ছী ভাষালৈ অনুবাদ কৰে। ইয়াতেই আমি লীলাৱতীৰ আঁৰৰ বহু-চর্চিত কাহিনী এটা পাওঁ।

কথিত আছে যে লীলাৱতী হ'ল ভাস্কৰাচার্য্যৰ জীয়াৰী। লীলাৱতীয়ে অকালতে বৈধব্য ব্ৰত গ্ৰহণ কৰিবলগীয়া হোৱাত শোকাৰিষ্ট পিতৃয়ে মনৰ বেজাৰ সহিব নোৱাৰি জীয়েকৰ নাম চিৰস্মৰণীয় কৰি ৰাখিবলৈ সিদ্ধান্ত শিৰোমণিৰ পাটীগণিত খণ্ডটোৰ লীলাৱতী বুলি নামকৰণ কৰিলে।

ইংৰাজী ভাষালৈ হেনৰি টমাছ ক'লব্ৰুকে (১৭৬৪ খ্ৰীষ্টাব্দ-১৮৩৭ খ্ৰীষ্টাব্দ) লীলাৱতী অনুবাদ কৰে। ইষ্ট ইণ্ডিয়া কোম্পানীৰ ৰাইটাৰৰ (writer) পদ লাভ কৰি ১৭৮৩ খ্ৰীষ্টাব্দত ভাৰতবর্ষলৈ অহা ক'লব্ৰুকৰ গণিত, সংস্কৃতত অগাধ ব্যুৎপত্তি আছিল। ক'লব্ৰুকৰ ভাঙনিয়ে ভাস্কৰাচার্যক বিশ্বৰ গণিতৰ দৰবাৰত প্ৰতিষ্ঠিত কৰাত সহায় কৰে।

কার্ল ৰেৰষ্ট্ৰাছ নামৰ ঊনবিংশ শতিকাৰ এজন গনিতজ্ঞ আছিল। তেখেতে কি কৈছিল জানেনে? তেখেতে কৈছিল বোলে যিজন গণিতজ্ঞৰ কবিসুলভ মনোবৃত্তি নাই, তেওঁ কেতিয়াও পূর্ণ গণিতজ্ঞ হ'ব নোৱাৰে। ভাস্কৰাচার্যৰ ক্ষেত্ৰত এই উক্তি সম্পূর্ণৰূপে প্ৰযোজ্য। তেওঁৰ অংকৰ ভাষা কবিতাৰ দৰে কোমল। লীলাৱতী তাৰ প্ৰকৃষ্ট উদাহৰণ।

ভাস্কৰাচার্যই গণিতৰ বিশালতা অনুভৱ কৰিব পাৰিছিল। তেওঁৰ মতে গণিত এখন সাগৰ,— গণিতার্ণৱ। লীলাৱতী গণিতার্ণৱৰ মহামূল্যৱান মুকুতা। লীলাৱতীৰ শতাধিক টীকা জনপ্ৰিয়তাৰ পৰিচায়ক। গণেশ্বৰ বুদ্ধিৱিলাসনী, ৰামকৃষ্ণ দেৱৰ মনোৰঞ্জন, শ্ৰীধৰমহাপাত্ৰৰ সর্বৱোধিনীব্যাখ্যা আদি উল্লেখযোগ্য টীকা।

১১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- প্ৰাচীন ভাৰতীয় মনীষীসকলে গণিতত বিশেষ গুৰুত্ব আৰোপ কৰিছিল আৰু গণিতক সকলো শাস্ত্ৰৰ ভিতৰত উচ্চ স্থান দিয়া হৈছিল,
- শুল্বসূত্ৰ, বাক্‌শালী পাণ্ডুলিপি, বেদাংগ-জ্যোতিষ প্ৰাচীন ভাৰতৰ গণিত-চর্চাৰ উজ্জ্বল দৃষ্টান্ত,
- শূন্যৰ আৱিষ্কাৰ আৰু দশমিক স্থানীয়-মান পদ্ধতি ভাৰতীয় মনীষীৰ অবিনশ্বৰ কীর্তি,
- দশমিক স্থানীয়-মান পদ্ধতিৰ উপৰিও প্ৰাচীন ভাৰতত শব্দ-সংখ্যাকৰ প্ৰচলন আছিল,
- আর্য্যভট, বৰাহ মিহিৰ, ব্ৰহ্মগুপ্ত, শ্ৰীধৰাচার্য্য, মহাবীৰাচার্য্য আৰু ভাস্কৰাচার্য প্ৰাচীন ভাৰতৰ বিদগ্ধ গণিতজ্ঞ,
- ভাস্কৰাচার্য্যৰ লীলাৱতী এখন জনপ্ৰিয় গণিতৰ পুথি।

১১.৮ অধিক জানিবলৈ

১) Dutta, Dr. B B, and Singh, Dr. A N; *History of Hindu Mathematics Parts I and II* (Asia Publishing House, 1962).

২) Dutta, Dr. B B : T*he Science of the Sulba* (University of Calcutta, 1932).

৩) Banerji, Haren Chandra, M. A., B. L.,*Colebrook'sTranslation of the Lilavati with notes*, (Thacker, Spink an Co. Calcutta, 1893).

৪) শর্মা, ডঃ দিলীপ, *অনূদিত ঃ লীলাৱতী* (অসম প্রকাশন পৰিষদ, ২০০৫)

১১.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ গার্হপত্য, আহৱনীয়, দক্ষিণ

২ নং প্রশ্নৰ উত্তৰঃ লগধ

৩ নং প্রশ্নৰ উত্তৰঃ ছয় প্রকাৰৰ,— শিক্ষা, কল্প, ব্যাকৰণ, নিৰুক্ত, ছন্দস্ আৰু জ্যোতিষ

৪ নং প্রশ্নৰ উত্তৰঃ বর্গাকাৰ

৫ নং প্রশ্নৰ উত্তৰঃ অর্ধবৃত্তাকাৰ

৬ নং প্রশ্নৰ উত্তৰঃ ১ ব্যাম = ৯৬ আঙুলি

৭ নং প্রশ্নৰ উত্তৰঃ ৪০ (খই শূন্য বুজায়, যুগ শব্দই চাৰি বুজায়)

৮ নং প্রশ্নৰ উত্তৰঃ ৪৫৫ (বাণ শব্দই পাঁচ বুজায়), বেদে চাৰি বুজায়)

৯ নং প্রশ্নৰ উত্তৰঃ ৩৬ (ৰস শব্দই ছয় বুজায়, গুণ শব্দই তিনি বুজায়)

১০ নং প্রশ্নৰ উত্তৰঃ ৬৫৩ (ৰাম শব্দই তিনি বুজায়, বাণে পাঁচ, ঋতুৱে ছয় বুজায়)

১১ নং প্রশ্নৰ উত্তৰঃ ৩২০ (গগনে শূন্য, কৰে দুই, অগ্নিয়ে তিনি বুজায়)

১২ নং প্রশ্নৰ উত্তৰঃ আর্য্যভটীয়

১৩ নং প্রশ্নৰ উত্তৰঃ বৰাহমিহিৰ

১৪ নং প্রশ্নৰ উত্তৰঃ ব্রহ্মগুপ্ত

১৫ নং প্রশ্নৰ উত্তৰঃ শ্রীধৰাচার্য্য

১৬ নং প্রশ্নৰ উত্তৰঃ ভাস্কৰাচার্য্য।

১১.১০ আৰ্হি প্রশ্ন

প্রশ্ন ১ঃ বাক্‌শালী পাণ্ডুলিপিৰ বিষয়ে থূলমূলকৈ লিখক।

প্রশ্ন ২ঃ প্রাচীন ভাৰতৰ দুজন প্রসিদ্ধ গণিতজ্ঞৰ বিষয়ে লিখক।

প্রশ্ন ৩ঃ লীলাৱতী কোনে ৰচনা কৰে? ইয়াত কিহৰ বিষয়ে আলোচনা কৰা হৈছে? পুথিখনৰ বিষয়-বস্তু সম্বন্ধে থূলমূলকৈ লিখক।

*** ***** ***

অধ্যায় ১২ঃ অবিনাশি

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য

১২.২ পৰিচয়

১২.৩ ৰচকৰ পৰিচয়

১২.৪ 'অবিনাশি'ৰ সাৰাংশ

১২.৪.১ ৰস প্ৰয়োগ

১২.৪.২ ছন্দ প্ৰয়োগ

১২.৪.৩ পূৰ্বৱৰ্তী কাব্যৰ প্ৰভাৱ

১২.৪.৪ 'অবিনাশি'ত প্ৰতিফলিত সামাজিক-সাংস্কৃতিক দিশ

১২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১২.৬ অধিক জানিবলৈ

১২.৭ অগ্ৰগতিৰ খতিয়ান

১২.৮ আৰ্হি প্ৰশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- অসমত সংস্কৃত চৰ্চাৰ পৰম্পৰা সম্পৰ্কে এটি চমু আভাস লাভ কৰিব
- 'অবিনাশি' কাব্যৰ ৰচকৰ বিষয়ে চমু আভাস পাব
- কাব্যখনৰ বিষয়বস্তুৰ লগত পৰিচিত হ'ব পাৰিব
- কাব্যখনত নিহিত ৰস, ছন্দ, পূৰ্বৱৰ্তী কাব্যৰ প্ৰভাৱ সম্পৰ্কে জানিব পাৰিব।

১২.২ পৰিচয়

প্ৰাচীন আৰু মধ্যযুগত প্ৰাগজ্যোতিষ-কামৰূপ নামেৰে প্ৰসিদ্ধ বৰ্তমানৰ অসম প্ৰদেশত সংস্কৃত চৰ্চাৰ সুদীৰ্ঘ তথা নিৰন্তৰ ধাৰা দেখিবলৈ পোৱা যায়। খ্ৰীষ্টীয় চতুৰ্থ শতিকাৰ পৰা ত্ৰয়োদশ শতিকালৈ অসমত বহুলভাবে সংস্কৃতৰ চৰ্চা হৈছিল। এই সময়ছোৱাত ৰাজকীয় পৃষ্ঠপোষকতাত সংস্কৃত ভাষাত তাম্ৰলিপি আৰু শিলালিপি ৰচনাৰ পৰম্পৰা দেখিবলৈ পোৱা যায়। প্ৰাচীন তাম্ৰলিপি আৰু শিলালিপিসমূহ উচ্চ কাব্যিক গুণসম্পন্ন হোৱাৰ উপৰি এইবোৰৰ মাজত নিহিত আছে ঐতিহাসিক তথ্য। স্মৃতি, জ্যোতিষ, পুৰাণ, তন্ত্ৰ, আয়ুৰ্বেদ, ব্যাকৰণ, ছন্দ আদি শাস্ত্ৰৰ অধ্যয়ন-অধ্যাপনাই অসমত সংস্কৃত চৰ্চাৰ চহকী ঐতিহ্যৰ স্বাক্ষৰ বহন কৰে। আহোমৰ ৰাজত্বকালত কবিসকলে কেইবাখনো সংস্কৃত নাটক প্ৰণয়ন কৰি নাট্য প্ৰতিভাৰ পৰিচয় দিছিল। সেই সময়ছোৱাত ৰচিত হোৱা নাটকসমূহৰ ভিতৰত কবিচন্দ্ৰ দ্বিজৰ কামকুমাৰহৰণ, গৌৰীকান্ত দ্বিজৰ বিঘ্নেশ জন্মোদয়, দীন দ্বিজৰ শংখচূড় বধ উল্লেখযোগ্য। কোচ ৰজা নৰনাৰায়ণৰ ৰাজত্বকালত পুৰুষোত্তম বিদ্যাবাগীশে 'প্ৰয়োগ ৰত্নমালা' নামৰ সংস্কৃত ব্যাকৰণ ৰচনা কৰে। শংকৰদেৱ, মাধৱদেৱ, হৰিদেৱ, দামোদৰদেৱ আদি নৱবৈষ্ণৱ আন্দোলনৰ প্ৰবক্তাসকলে

সংস্কৃত গ্ৰন্থক মূল আধাৰ হিচাপে লৈ সংস্কৃত ভাষা চৰ্চাৰ ধাৰা অব্যাহত ৰাখে। সপ্তদশ শতিকাত ষষ্ঠিকাদাসে চিত্তামোদকাব্য নামৰ সুন্দৰ কাব্য ৰচনা কৰে। ৰজা নৰনাৰায়ণৰ সভা কবি কৰ্ণপুৰে 'বৃত্তমালা' নামৰ এখন ছন্দবিষয়ক গ্ৰন্থ ৰচনা কৰে। পৰৱৰ্তী সময়ত ধীৰেশ্বৰাচাৰ্যই 'বৃত্তমঞ্জৰী' নামেৰে আন এখন একে ধৰণৰ গ্ৰন্থ প্ৰণয়ন কৰি ছন্দবিষয়ক এক প্ৰণালীবদ্ধ আলোচনা কৰি থৈ গৈছে। ইতিহাসে ঢুকি নোপোৱা দিনৰে পৰা চলি অহা সংস্কৃত চৰ্চা আজিও অসমত অব্যাহত আছে। অসমৰ সংস্কৃত ক্ষেত্ৰখনক উৰ্বৰ কৰি থৈ যোৱা বহুকেইগৰাকী আধুনিক সংস্কৃত পণ্ডিতৰ ভিতৰত ড° বিশ্বনাৰায়ণ শাস্ত্ৰী অন্যতম।

এই অধ্যায়টোত ড° বিশ্বনাৰায়ণ শাস্ত্ৰী ৰচিত 'অবিনাশী' উপন্যাসৰ বিষয়ে কিছু অধ্যয়ন কৰিব পাৰিব। অধ্যায়টো অধ্যয়ন কৰি আপুনি ড° শাস্ত্ৰীৰ পৰিচয়ৰ লগতে তথা 'অবিনাশী'ৰ সাহিত্য শাস্ত্ৰীয় দিশ যেনে— ৰস প্ৰয়োগ, ছন্দ প্ৰয়োগ, পূৰ্বৱৰ্তী কাব্যৰ প্ৰভাৱ ইত্যাদি বিষয়ে সম্যক জ্ঞান লাভ কৰিব।

১২.৩ ড° বিশ্বনাৰায়ণ শাস্ত্ৰীৰ পৰিচয়

বিংশ শতিকাত অসমত জন্মগ্ৰহণ কৰা বৈকুণ্ঠনাথ চক্ৰৱৰ্ত্তী (১৯০০), ভৱদেৱ ভাগৱতী (১৯০২), বিপিন চন্দ্ৰ গোস্বামী (১৯০৯), মনোৰঞ্জন শাস্ত্ৰী (১৯১১), মুকুন্দ মাধৱ শৰ্মা (১৯৩৪) আদি বৰেণ্য সংস্কৃত পণ্ডিতৰ ভিতৰত ড° বিশ্বনাৰায়ণ শাস্ত্ৰী আছিল অন্যতম। বেণীকান্ত গোস্বামীৰ ঔৰষত আৰু ৰূপহী দেৱীৰ গৰ্ভত এইগৰাকী মহান সংস্কৃত পণ্ডিতে লখিমপুৰ জিলাৰ পাণবাৰী গাঁৱত ১৯১৮ চনত জন্মগ্ৰহণ কৰে। ড° শাস্ত্ৰীয়ে লখিমপুৰৰ বিহপুৰীয়াত সংস্কৃত টোলত প্ৰথম শিক্ষা আৰম্ভ কৰিছিল। পিছত তেখেতে লখিমপুৰৰ পৰা আহি ১৯৩৮ চনত নতুনকৈ প্ৰতিষ্ঠা হোৱা নলবাৰী সংস্কৃত মহাবিদ্যালয়ত অধ্যয়ন কৰে। ইয়াৰ পিছত বিভিন্ন স্থানত সংস্কৃত অধ্যয়ন কৰি সাহিত্য শাস্ত্ৰী, ব্যাকৰণ শাস্ত্ৰী, মীমাংসা শাস্ত্ৰী আদি উপাধি লাভ কৰিছিল। মেট্ৰিক পৰীক্ষাৰ পৰা এম.এ পৰ্যন্ত সকলো শিক্ষা 'প্ৰাইভেট' কৈ গ্ৰহণ কৰি সুখ্যাতিৰে পৰীক্ষাত উত্তীৰ্ণ হয়। ছাত্ৰ অৱস্থাতে তেওঁ ভা�ৰত ত্যাগ আন্দোলনত জড়িত হৈ কা�ৰাবাসো খাটিছিল। গোলাঘাট, যোৰহাট আৰু শিৱসাগৰৰ চৰকাৰী বিদ্যালয়ত শিক্ষকতা কৰাৰ পিছত ১৯৫৩ চনত তেওঁ উত্তৰ লখিমপুৰ মহাবিদ্যালয়ৰ প্ৰথম গৰাকী স্থায়ী অধ্যক্ষ হিচাপে কাৰ্য সম্পাদন কৰিছিল। তেখেতে ১৯৫৮ চনত গঠন হোৱা অসম প্ৰকাশন পৰিষদৰ সচিব ৰূপে তেওঁ কাৰ্যনিৰ্বাহ কৰিছিল। তেখেত এগৰাকী বৰেণ্য সংস্কৃত পণ্ডিতৰ লগতে এজন বিচক্ষণ ৰাজনীতিবিদ আছিল। ১৯৬৬ আৰু ১৯৭১ চনত দুবাৰকৈ তেখেতে লখিমপুৰ লোকসভা সমষ্টিৰ পৰা সাংসদ হিচাপে নিৰ্বাচিত হৈছিল। ড° শাস্ত্ৰী একেধাৰে শিশু সাহিত্যিক, গ্ৰন্থ প্ৰণেতা, অনুবাদক তথা সমালোচক। তেওঁ সংস্কৃত, ইংৰাজী আৰু অসমীয়া— এই তিনিওটা ভাষাতে গ্ৰন্থ প্ৰণয়ন কৰিছিল। তেখেতৰ জীৱনৰ কীৰ্তিস্তম্ভ হ'ল 'অবিনাশি' নামৰ সংস্কৃত উপন্যাস। ১৯৮৬ চনত প্ৰকাশিত এইখন উপন্যাসৰ বাবে তেখেতে ১৯৮৭ চনত সংস্কৃত গ্ৰন্থ শিতানত সাহিত্য অকাডেমি বঁটা লাভ কৰে। তাৰোপৰি এই গ্ৰন্থখনৰ বাবে ভাৰতীয় ভাষা পৰিষদ বঁটা আৰু উত্তৰ প্ৰদেশ সংস্কৃত অকাডেমি বঁটাও লাভ কৰে। তেখেতৰ আন দুখন সংস্কৃত ভাষাত ৰচিত গ্ৰন্থ হৈছে 'হৃদয়সংবাদচয়নম্' তথা 'কালিকাপুৰাণে মূৰ্ত্তিবিনির্দেশঃ'। 'নৈৰ সাধু', 'সাগৰিকা' হৈছে তেখেতৰ শিশু সাহিত্যৰ নিদৰ্শন। 'সাহিত্য দৰ্পণ', 'কথাসৰিৎ সাগৰ' তেখেতৰ দুখন সংস্কৃতৰ পৰা অনুদিত গ্ৰন্থ। ইংৰাজী ভাষাত ৰচিত তেখেতৰ গ্ৰন্থসমূহ হ'ল 'Sanskrit in Assam Through the Ages', 'Anundoram Borooah', 'Samavaya foundation of Nyaya-Vaisesika Philosophy'. তেখেতৰ দ্বাৰা সম্পাদিত গ্ৰন্থ হ'ল— যোগিনীতন্ত্ৰ, কামাখ্যাতন্ত্ৰ, তীৰ্থকৌমুদী, কালিকা পুৰাণ ইত্যাদি। এইজনা মহান পণ্ডিতে ২০০২ চনৰ জুলাই মাহৰ ৯ তাৰিখে ইহলীলা সম্ভৰণ কৰে।

জানি থোৱা ভাল

বৈকুণ্ঠনাথ চক্রৱর্ত্তী ঃ

অসমৰ সংস্কৃত ক্ষেত্রখনক সমৃদ্ধ কৰি থৈ যোৱা বহুকেইগৰাকী আধুনিক সংস্কৃত পণ্ডিতৰ ভিতৰত বৈকুণ্ঠনাথ চক্রৱর্ত্তী অন্যতম। তেখেতে নলবাৰী জিলাৰ বনগাঁৱত জন্ম গ্রহণ কৰি অসমৰ বিভিন্ন স্থানত শিক্ষাগ্রহণ কৰে। ধুবুৰীৰ হৰিসভা সংস্কৃত চতুষ্পাঠীত অধ্যাপক হিচাপে কর্মজীৱন আৰম্ভ কৰে। ১৯৭২ চনত ধুবুৰীত অনুষ্ঠিত অসম সাহিত্য সভাৰ কবি সম্মিলনত তেখেতে সভাপতিত্ব কৰিছিল। তেখেতে 'শ্রীকৃষ্ণলীলামৃতম্' নামৰ সংস্কৃত মহাকাব্যখন ৰচনা কৰি সংস্কৃত সাহিত্যলৈ অৱদান আগবঢ়াই গৈছে।

ভৱদেৱ ভাগৱতী ঃ

ভৱদেৱ ভাগৱতী এজন মহান সংস্কৃত পণ্ডিত। তেখেতৰ জন্ম হৈছিল ১৯০২ চনৰ ২৭ জানুৱাৰীত বর্তমানৰ নলবাৰী জিলাৰ কৈঠালকুছি গাঁৱত। তেখেতে কেবাজনো প্রসিদ্ধ সংস্কৃত পণ্ডিতৰ অধীনত অধ্যয়ন কৰি বিভিন্ন শৈক্ষিক সংস্থাৰ পৰা ব্যাক�ৰণতীর্থ, বেদান্ততীর্থ প্রভৃতি উপাধি লাভ কৰে। তেখেতে নলবাৰী জিলাৰ চামতা হাইস্কুলত আৰু পৰৱর্তী সময়ত বেলশৰৰ গোবিন্দ মিশ্রাশ্রম টোলত শিক্ষকতা কৰিছিল। সংস্কৃত ভাষাত কেইবাখনো গ্রন্থ ৰচনা কৰাৰ উপৰিও তেখেতে কেবাখনো অসমীয়া গ্রন্থ প্রণয়ন কৰে। তেওঁৰ দ্বাৰা ৰচিত সংস্কৃত গ্রন্থসমূহ হ'ল সতী জয়মতী, শ্লোকমালা আৰু নূতনং নাটকম্। লীলা, ভেকোভাওনা আৰু সুখৰ সপোন হৈছে তেখেতৰ অসমীয়া ভাষাত ৰচিত গ্রন্থ। তেখেতে ১৯৮৮ চনত তেখেতে ইহলীলা সম্ৱৰণ কৰে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ 'অবিনাশি' গ্রন্থখনৰ ৰচক কোন?

.....

প্রশ্ন নং ২ ঃ ড° বিশ্বনাৰায়ণ শাস্ত্রীৰ জন্ম কেতিয়া হৈছিল?

.....

প্রশ্ন নং ৩ ঃ 'অবিনাশি' গ্রন্থখন কোন চনত প্রকাশিত হৈছিল?

.....

প্রশ্ন নং ৪ ঃ ড° বিশ্বনাৰায়ণ শাস্ত্রীৰ দ্বাৰা ইংৰাজী ভাষাত ৰচিত যিকোনো এখন গ্রন্থৰ নাম লিখা।

.....

১২.৪ 'অবিনাশি'ৰ সাৰাংশ

খ্রীষ্টীয় সপ্তম শতিকাৰ প্রাচীন প্রাগজ্যোতিষৰ ৰজা ভাস্কৰৱর্মাই শশাংকৰ গৌড় ৰাজ্য আক্রমণ কৰিবলৈ গৈ যুদ্ধত পৰাজয় বৰণ কৰিছিল আৰু গৌড় দেশত বন্দী হৈছিল। ভাস্কৰৱর্মাই বন্দীত্বৰ পৰা মুকলি হৈ উভতি আহোতে মহাকাল মন্দিৰত আশ্রয় লৈছিল আৰু তাতেই মহাকাল মন্দিৰত নৃত্য-গীতত নিপুণ দেৱদাসী মাধৱীৰ প্রেমত পৰিছিল। ভাস্কৰৱর্মা আৰু মাধৱীৰ প্রেমক অৱলম্বন কৰি 'অবিনাশী' উপন্যাসৰ কাহিনী নির্মাণ কৰা হৈছে। এইখন ঐতিহাসিক উপন্যাসত বর্ণিত ঘটনাৰ উৎস গ্রন্থ হিচাপে কিছুমান গ্রন্থৰ নাম ড° শাস্ত্রীয়ে উল্লেখ কৰিছে। সেইবোৰৰ ভিতৰত উল্লেখযোগ্য হ'ল — বাণভট্টৰ হর্ষচৰিত, দামোদৰগুপ্তৰ কুট্টনিমত, কলহনৰ ৰাজতৰংগিনী,

ভাস্কৰবর্মাৰ তাম্ৰলিপি আৰু কালিকা পুৰাণ।

উপন্যাসখনৰ কাহিনী আৰম্ভ হৈছে কৰতোয়া নদীৰ পাৰত অৱস্থিত মহাকাল মন্দিৰৰ বর্ণনাৰে। এদিনাখন বসুমিত্ৰ নামৰ ধনী বণিক এজনে বৃহৎ ধনৰ বিনিময়ত মহাকাল মন্দিৰৰ মুখ্য পুৰোহিত দেৱস্বামীৰ ওচৰত এজনী আঠ বছৰীয়া ছোৱালী বিক্ৰী কৰিলে। মন্দিৰত অপূৰ্ব সুন্দৰী যুৱতীগৰাকীক নৃত্য, গীত আৰু অন্যান্য কলাসমূহৰ অনুশীলনৰ ব্যৱস্থা কৰি দিয়া হ'ল। দেৱস্বামীয়ে মাধৱীক কেৱল মহাকালক উপাসনা কৰিবলৈ পৰামর্শ দি ক'লে যে মহাকালেই তেওঁৰ প্ৰেমিক, স্বামী তথা সর্বস্ব। দেৱস্বামীৰ মতে মহাকালৰ অনুগ্ৰহতহে স্বকীয় নৃত্য-কলা প্ৰদর্শনেৰে মাধৱীয়ে সমাজৰ উচ্চ শ্ৰেণীৰ ব্যক্তিসকলক সততে দৃষ্টি আকর্ষণ কৰিব পাৰিব। এনেকৈ কিছুবছৰ অতিবাহিত হোৱাত মাধৱী ভৰ যৌৱনপ্ৰাপ্ত হ'ল। ওঠৰ বছৰীয়া ৰূপহী গাভৰুত পৰিণত হ'ল। সেই সময়তে গৌড়ৰ নৰাৱ শশাংকই যুদ্ধত পৰাজয় বৰণ কৰা ভাস্কৰবর্মাক জ্যেষ্ঠ ভাতৃ সুপ্ৰতিস্থিতবর্মাৰ সৈতে বন্দী কৰিলে। পিছত দুয়ো বন্দীত্বৰ পৰা মুকলি হৈ মহাকাল মন্দিৰত আশ্ৰয় ল'লে। সেই মন্দিৰতে ভাস্কৰে মাধৱীক লগ পালে আৰু মাধৱীৰ আচাৰ-ব্যৱহাৰ তথা ৰূপ-লাৱণ্যত আকর্ষিত হ'ল। কালক্ৰমত ভাস্কৰ আৰু দেৱদাসী মাধৱী গভীৰ প্ৰেমত নিমজ্জিত হ'ল। দেৱস্বামীয়েও তেওঁলোকৰ পৰস্পৰ প্ৰণয়ৰ কথা জানিব পাৰি সন্মতি প্ৰদান কৰিলে। সেই সময়তে প্ৰমোদ নামৰ দূত এজন আহি ভাস্কৰৰ পিতৃ বিয়োগৰবার্তা দিলে। পিতৃ শোকত ব্যথিত হৈ দুয়ো ৰাজকুমাৰ ৰাজধানীলৈ উভতি গ'ল। কিন্তু ৰাজকীয় কার্যত অধিক মনোনিবেশ কৰাৰ ফলত ভাস্কৰে প্ৰিয়তমা মাধৱীৰ পৰা বহুদিন আঁতৰত থাকিব লগীয়া হ'ল। মাধৱীৰ বাবে এই বিচ্ছেদ অসহনীয় হ'বলৈ ধৰিলে। মাধৱীয়ে ধৰি ল'লে যে এই সকলো বিপর্যয়ৰ মূলতে হ'ল মহাকালৰ কোপদৃষ্টি। সমাজত সকলোৱে মাধৱীক ইতিকিং কৰিবলৈ ধৰিলে। অৱশেষত মাধৱীয়ে লুইতৰ বুকুত জাঁপ দি আত্মহত্যাৰ চেষ্টা চলায়। সেই সময়তেই কুৰঙ্গক নামৰ আন এজন দূতে যুদ্ধত ইতিমধ্যে গুৰুতৰভাবে আঘাতপ্ৰাপ্ত সুপ্ৰতিস্থিতবর্মাৰ মৃত্যুৰ বার্তা দিয়ে। জ্যেষ্ঠ ভ্ৰাতৃৰ শেষকৃত্য সম্পন্ন কৰি ভাস্কৰে যথাৰীতি নদীত স্নান কৰিবলৈ আহে। নদীত ওপঙি অহা এটি মহিলাৰ দেহ তেওঁ অনুসৰণ কৰে আৰু সেই সময়তে কিছুদূৰ আগুৱাই গৈ দেখিলে যে মাধৱী অচেতন হৈ পৰি আছে। ৰাজপ্ৰসাদলৈ আনি কিছু সময় পৰিচর্যা কৰাৰ পিছত মাধৱীয়ে চেতনা ঘূৰাই পালে আৰু দুয়োৰে পুনর্মিলন সম্ভৱ হ'ল।

কিন্তু ইয়াৰ পিছতো মাধৱীক বিপর্যয়ে এৰা নাছিল। ভাস্কৰে ৰাজকীয় দায়িত্ব সুচাৰুৰূপে পালন কৰিবলৈ পুনৰ প্ৰাগজ্যোতিষলৈ প্ৰত্যাগমন কৰিলে। ফলত মাধৱীৰ লগত আকৌ এবাৰ বিচ্ছেদ হ'ল। এদিন ভাস্কৰ হঠাৎ গুৰুতৰভাৱে অসুস্থ হ'ল আৰু মৃত্যুমুখত পৰিল। ভাস্কৰৰ আকস্মিক মৃত্যুয়ে মাধৱীক বাৰুকৈয়ে বিচলিত কৰিলে আৰু প্ৰিয়তমৰ চিতাগ্নিত নিজকে আত্মজাহ দিলে।

জানি থোৱা ভাল

হর্ষচৰিত ঃ

সংস্কৃত গদ্য সাহিত্যৰ উৎকৃষ্ট নিদর্শন হৈছে হর্ষচৰিত। সংস্কৃত গদ্য সাহিত্যৰ জনক তথা সম্ৰাট হর্ষবর্ধনৰ ৰাজসভাৰ পণ্ডিত বাণভট্টই 'হর্ষচৰিত' ৰচনা কৰে। এটি ঐতিহাসিক চৰিত্ৰক কেন্দ্ৰ কৰি ৰচনা কৰা আঠোটা উচ্ছ্বাসযুক্ত এই গ্ৰন্থখনত বাণভট্টৰ উৎকৃষ্ট কবি প্ৰতিভাৰ পৰিচয় পোৱা যায়। খ্ৰীষ্টীয় সপ্তম শতিকাৰ মাজভাগত ৰচনা কৰা উক্ত গ্ৰন্থখনত সেই সময়ৰ সামাজিক, ৰাজনৈতিক আৰু সাংস্কৃতিক আদি দিশসমূহ প্ৰতিফলিত হৈছে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ মহাকাল মন্দিৰ কোনখন নদীৰ পাৰত অৱস্থিত?

.....

প্রশ্ন নং ৬ ঃ মহাকাল মন্দিৰৰ মুখ্য পুৰোহিত কোন আছিল?

.....

প্রশ্ন নং ৭ ঃ ভাস্কৰৰ পিতৃ বিয়োগৰ বার্তা দিয়া দূতজনৰ নাম লিখক।

.....

প্রশ্ন নং ৮ ঃ ভাস্কৰৰ প্রিয়তমাৰ নাম কি?

.....

১২.৪.১ ৰস প্রয়োগ

'অবিনাশি'ত বিভিন্ন ধৰণৰ কাব্য ৰসৰ সুপ্রয়োগ দেখিবলৈ পোৱা যায়। উপন্যাসখনৰ মুখ্য ৰস হ'ল শৃংগাৰ। তাৰোপৰি কৰুণ, হাস্য আদি ৰসো অপ্রধান হিচাপে প্রয়োগ হোৱা দেখিবলৈ পোৱা যায়। শৃংগাৰৰসৰ দুয়োটা ধাৰা, সম্ভোগ আৰু বিপ্রলম্ভৰ 'অবিনাশি'ত অভিব্যক্ত হৈছে। গভীৰ প্রেমতনিমজ্জিত ভাস্কৰ আৰু মাধৱীৰ বার্তালাপত পৰস্পৰ আকর্ষণ, মিলনৰ প্রচেষ্টা, আলিংগনৰ ইচ্ছা আদি প্রকাশিত হৈছে। মাধৱীৰ অনুপম ৰূপ দেখি ভাস্কৰে যি ধৰণেৰে আচৰণ কৰিছে সেয়া সম্ভোগ শৃংগাৰৰসাত্মক। মাধৱী অবিহনে ভাস্কৰে নিজকে প্রাণহীন জীৱ বুলি গণ্য কৰিছে। মাধৱীয়ে লুইতৰ বুকুত জাঁপ দি আত্মহত্যাৰ ব্যর্থ চেষ্টা কৰোতে ভাস্কৰে যিধৰণেৰে সান্ত্বনা বাণী ব্যক্ত কৰিছিল তাতো সম্ভোগ শৃংগাৰ প্রতিফলিত হৈছে। গ্রন্থখনত ড° শাস্ত্রীয়ে ভাস্কৰ-মাধৱীৰ প্রেম বৃত্তান্তৰ লগতে মালতী আৰু মাধৱৰ প্রেম কাহিনী উপস্থাপন কৰিছে য'ত মাধৱৰ হাতৰ স্পর্শত মালতীৰ দেহ-মন পুলকিত হোৱাৰ বর্ণনা পোৱা যায়।

ভাস্কৰে ৰাজকীয় কার্যত অধিক মনোনিবেশ কৰাৰ ফলত আৰু বিভিন্ন প্রতিবন্ধকতাৰ বাবে ভাস্কৰ আৰু মাধৱীয়ে ইজনে সিজনৰ পৰা বহুদিন আঁতৰি থাকিব লগা হৈছিল। মাজে মাজে মাধৱীয়ে সপোনতে ভাস্কৰক আলিংগন কৰা বর্ণনা গ্রন্থখনত পোৱা যায়। প্রেমিক-প্রেমিকাৰ বিচ্ছেদিত অৱস্থাৰ এনেধৰণৰ বর্ণনাই বিপ্রলম্ভ শৃংগাৰ ৰসৰ উদ্রেক কৰে।

দেৱদাসী মাধৱীৰ গোটেই জীৱন বিষাদেৰে ভৰা। শৈশৱৰে পৰা মাধৱীয়ে জীৱনত বহু ঘাত-প্রতিঘাত আৰু প্রত্যাহ্বানৰ সন্মুখীন হৈ আহিছে। ভাগ্যয়ো যেন তেওঁক কেতিয়াবা উপহাস কৰিছে। বহুদিন বিচ্ছেদিত জীৱন অতিবাহিত কৰাৰ অন্তত ভাস্কৰৰ সৈতে তেওঁৰ পুনর্মিলন হ'ল যদিও কিছুদিন পিছতে ভাস্কৰ গুৰুতৰভাবে অসুস্থ হৈ মৃত্যুমুখত পৰে। ভাস্কৰৰ আকস্মিক মৃত্যুত মাধৱীৰ কৰুণ বিলাপে পাঠকৰ হৃদয় চুই গৈছে। ভাস্কৰৰ মৃত্যুত মাধৱীৰ শোক-বহ্নি জ্বলি উঠাৰ বিৱৰণ তথা মাধৱীয়ে কৰা আত্মজাহৰ ঘটনাই অধিক বিষাদৰ সৃষ্টি কৰাৰ লগতে কাহিনীৰ কৰুণ সমাপ্তি ঘটাইছে। এই সকলোবোৰ উপাদানে কৰুণ ৰস সৃষ্টিত সহায় কৰিছে।

গ্রন্থখনৰ বিভিন্ন প্রসংগত হাস্যৰসৰ প্রয়োগ লক্ষ্য কৰা যায়। ৰাজপথত বিচৰণ কৰা এহাল দম্পত্তীৰ সম্বন্ধক সংযোগ আৰু সমবায়ৰ লগত তুলনা কৰাত হাস্যৰসৰ সৃষ্টি হৈছে। তাৰোপৰি কেতবোৰ চৰিত্রৰ মুখত অসামঞ্জস্য বচন, বিকৃত বেশভূষাই হাস্যৰসৰ সৃষ্টি কৰিছে।

১২.৪.২ ছন্দ প্রয়োগ

'অবিনাশি' এখন উৎকৃষ্ট কাব্যিক গুণসম্পন্ন কাব্য। বিভিন্ন ছন্দত কাব্যখনৰ পদ্যাংশ ৰচনা কৰি ড° শাস্ত্রীয়ে নিপুণতাৰ পৰিচয় দিছে। সংস্কৃত উপন্যাসখনৰ অধিকাংশ পদ্য অনুষ্টুপ্ ছন্দত ৰচিত। তাৰোপৰি মালিনী, বংশস্থবিল, বসন্ততিলক আদি ছন্দৰ প্রয়োগো গ্রন্থখনত দেখিবলৈ পোৱা যায়।

জানি থোৱা ভাল

ছন্দ ঃ পাণিনিৰ মতে 'ছন্দয়তি হ্লাদয়তী ইতি ছন্দ' অর্থাৎ হৃদয়ৰ নিভৃত কোণত যিয়ে আহ্লাদৰ সৃষ্টি কৰে সেয়ে ছন্দ। সংস্কৃত কাব্য ছন্দৰ ক্ষেত্রত চহকী। বৃত্ত আৰু জাতিভেদে সংস্কৃত ছন্দৰ দুটা ভাগ। অক্ষৰ বা বর্ণৰ সংখ্যাৰ দ্বাৰা নিৰূপিত ছন্দক বৃত্তছন্দ বোলে। ইয়াত বর্ণৰ হ্রস্ব, দীর্ঘ আদি বৈশিষ্ট্য লক্ষ্য কৰা হয়। মাত্রাৰ গণনাৰ দ্বাৰা নিৰূপিত ছন্দক জাতি বোলা হয়। সংস্কৃত ছন্দশাস্ত্রৰ ইতিহাস অতি প্রাচীন। পিঙ্গলৰ দ্বাৰা ৰচিত 'পিঙ্গলছন্দঃসূত্র' নামৰ গ্রন্থখন প্রাচীনতম ছন্দ শাস্ত্র হিচাপে পৰিগণিত হৈছে। গংগাদাসৰ ছন্দোমঞ্জৰী, কালিদাসৰ শ্রুতবোধ, ধীৰেশ্বৰাচার্যৰ বৃত্তমঞ্জৰী আদি উল্লেখযোগ্য ছন্দ বিষয়ক গ্রন্থ। বৈদিক ছন্দ প্রধানকৈ ৭টা— গায়ত্রী, উষ্ণিক্, অনুষ্টুপ্, বৃহতী, পংক্তি, ত্রিষ্টুপ্, জগতী। প্রত্যেক চৰণত আঠোটা বর্ণযুক্ত অনুষ্টুপ্ বা শ্লোকছন্দৰ লক্ষণ 'শ্রুতবোধ' গ্রন্থত এনেদৰে পোৱা যায়—

শ্লোকে ষষ্ঠং গুৰুজ্ঞেয়ং সর্বত্র লঘু পঞ্চমম্।
দ্বিচতুষ্পাদয়োর্হ্রস্বং সপ্তমং দীর্ঘমন্যয়ো।।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৯ ঃ 'অবিনাশি' সংস্কৃত উপন্যাসখনৰ মুখ্য ৰস কি?

.....

প্রশ্ন নং ১০ ঃ শৃংগাৰ ৰসৰ দুটা প্রকাৰ কি কি?

.....

প্রশ্ন নং ১১ ঃ 'অবিনাশি' উপন্যাসখনৰ অধিকাংশ শ্লোক কোনটো ছন্দত ৰচিত হৈছে?

.....

১২.৪.৩ 'অবিনাশী'ত পূর্বৱর্তী গ্রন্থৰ প্রভাৰ

'অবিনাশি'ৰ গদ্য আৰু পদ্য উভয় অংশতে প্রাচীন গ্রন্থসমূহৰ প্রভাৰ পৰিলক্ষিত হয়। তেনে গ্রন্থসমূহৰ ভিতৰত অন্যতম হ'ল অভিজ্ঞান শকুন্তলা, কুমাৰসম্ভৱ, স্বপ্নবাসৱদত্তা, কৌটিলীয় অর্থশাস্ত্র, হর্ষচৰিত, শ্রীমদ্ভগবদ্গীতা, কালিকা পুৰাণ ইত্যাদি। দেৱস্বামীৰ মহাকাল মন্দিৰৰ পৰা প্রস্থান কৰাৰ সময়ত মাধৱীৰ মানসিক অৱস্থা বুজাবলৈ ড° শাস্ত্রীয়ে 'অবিনাশি'ত কালিদাসৰ কুমাৰসম্ভৱ মহাকাব্যৰ 'ন যযৌ ন তস্থৌ' এই পদ্যাংশ প্রয়োগ কৰিছে। 'অবিনাশি'ত উদ্ধৃত 'স্নেহঃ অমঙ্গলাশঙ্কী' উক্তিৰ লগত কালিদাসৰ অভিজ্ঞান শকুন্তলা নাটকৰ 'অতিস্নেহঃ পাপশঙ্কী' অংশটিৰ সামঞ্জস্য আছে। ভাসৰ স্বপ্নবাসবদত্তা নাটকৰ 'চক্রাৰপংক্তিৰিব গচ্ছতি ভাগ্যপংক্তিঃ — এই পদ্যাংশৰ অনুৰূপ প্রতিফলন 'অবিনাশি'ত 'চক্রবৎ পৰিবর্তমানানি' এই অংশত দেখিবলৈ পোৱা যায়। 'কামৰূপ' নামটোৰ তাৎপর্য বর্ণনা কৰোতে ড° শাস্ত্রীয়ে কালিকা পুৰাণোক্ত কামদেৱৰ বৃত্তান্ত অনুসৰণ কৰিছে। আনহাতে স্থানেশ্বৰৰ

ৰজা হর্ষবর্দ্ধনৰ বৃত্তান্ত বর্ণনা কৰোতে গ্রন্থকাৰে বাণভট্টৰ 'হর্ষচৰিত'ক আধাৰ হিচাপে গ্রহণ কৰিছে। গতিকে দেখা যায় যে ড° শাস্ত্রী তেওঁৰ পূর্বসুৰী কবিসকলৰ কৃতিসমূহৰ দ্বাৰা প্রভাৱান্বিত হৈছিল।

জানি থোৱা ভাল

কুমাৰসম্ভৱ ঃ মহাকবি কালিদাস বিৰচিত 'কুমাৰসম্ভৱ' হৈছে সংস্কৃত পঞ্চ মহাকাব্যৰ অন্যতম। তাৰকাসুৰৰ বধৰ কাৰণে কুমাৰৰ (কার্ত্তিকৰ) জন্মই হৈছে গ্রন্থখনৰ প্রধান বিষয়বস্তু। দেৱতাসকলৰ প্রতি তাৰকাসুৰৰ উৎপীড়ন, শিৱৰ তপস্যা ভংগ, মদন দহন, কামদেৱৰ পত্নী ৰতিৰ বিলাপ, শিৱ-পার্বতীৰ বিবাহ, শিৱ-পার্বতীৰ মিলনৰ ফলত কার্ত্তিকৰ জন্ম আদিৰ বিৱৰণ গ্রন্থখনত পোৱা যায়।

১২.৪.৪ 'অবিনাশি'ত প্রতিফলিত সামাজিক-সাংস্কৃতিক দিশ

'অবিনাশি'ত খ্রীষ্টীয় সপ্তম শতিকাৰ প্রাচীন কামৰূপৰ সমাজ-সংস্কৃতিৰ বিভিন্ন তথ্য পোৱা যায়। তদানীন্তন সমাজত চতুর্বর্ণৰ বিভাজন আছিল।ব্রাহ্মণসকলে তাত মান্য স্থান লাভ কৰিছিল। তেওঁলোক অধ্যয়ন আৰু অধ্যাপনাত সততে নিমগ্ন আছিল। বেদৰ বিভিন্ন শাখাৰ ব্রাহ্মণৰ সাহিত্য পয়োভৰ সমাজত আছিল। বৈদিক ৰীতি মতে যাগ-যজ্ঞাদি কৰা হৈছিল। সমাজত ধর্মীয় সহনশীলতা বিৰাজ কৰিছিল। সংস্কৃত উপন্যাসখনৰ নায়ক ভাস্কৰবর্মা আছিল পৰম শিৱ ভক্ত। শৈশৱৰে পৰা তেওঁ শিৱক স্তুতি কৰিছিল। কৰতোয়া তীৰ স্থিত মহাকাল মন্দিৰত পূজা-উপাসনা কৰিবলৈ বিভিন্ন প্রান্তৰ পৰা ভক্তৰ সমাগম হৈছিল। মন্দিৰৰ পুৰোহিত দেৱস্বামীয়ে সপৰিয়ালে মহাকাল মন্দিৰত থাকি নিতৌ মহাদেৱৰ সেৱাত নিজকে আত্মনিয়োগ কৰিছিল। সন্ধিয়া সময়ত মহাদেৱৰ ওচৰত নৃত্য পটীয়সী যুৱতীসকলে আৰতি প্রদান কৰিছিল। প্রাচীন কামৰূপত হিন্দু ধর্মৰ সমান্তৰালভাবে বৌদ্ধধর্মৰ প্রচলন আছিল। গ্রন্থখনত প্রাচীন কামৰূপৰ ৰজাসকলৰ বৌদ্ধধর্মৰ প্রতি অনুৰাগৰ বর্ণনা পোৱা যায়। সাহিত্য-সংস্কৃতিৰ ক্ষেত্রত নাৰীসকলে নিপুণতা প্রদর্শন কৰিছিল। নৃত্য-গীতৰ অনুশীলন দৈনন্দিন অভ্যাসত পৰিণত হৈছিল। উপন্যাসখনৰ নায়িকা মাধৰীয়ে নৃত্য চর্চাত পাৰদর্শিতাৰ পৰিচয় দিছিল। মাধৰীয়ে ভৰতৰ নাট্যশাস্ত্রৰ জ্ঞানো আহৰণ কৰিছিল। মালতী নামৰ নাৰী চৰিত্রটিৰ যোগেদি তদানীন্তন কালৰ কাব্য, ব্যাকৰণাদি নানা শাস্ত্র চর্চাৰ কথা জানিব পাৰি। উপন্যাসখনত মূল কাহিনীক আগবঢ়াই নিবলৈ পুৰূৰবা-উর্বশী, নৰক আখ্যান, মদন দহন আদি বিভিন্ন আখ্যান প্রসংগক্রমে উল্লেখ কৰা হৈছে। ইয়াৰ জৰিয়তে প্রাচীন কামৰূপৰ সর্বসাধাৰণৰ মাজত এই আখ্যানবোৰ প্রচলন থকাৰ ইংগিত পোৱা যায়। ভাস্কৰৰ গুৰুতৰ অসুস্থতাত আয়ুর্বেদ শাস্ত্রত নিপুণ মণিগুপ্ত নামে বৈদ্য এজনৰ দিহা-পৰামর্শ লোৱা হৈছিল। ইয়াৰ দ্বাৰা প্রাচীন কামৰূপত চিকিৎসা সম্পর্কীয় কেতবোৰ তথ্য পোৱা যায়।

জানি থোৱা ভাল

নাট্যশাস্ত্র ঃ ভৰত মুনিৰ দ্বাৰা প্রণীত নাটশাস্ত্র প্রাচীন ভাৰতীয় সভ্যতা-সংস্কৃতিৰ প্রামাণ্য দলিল। ছয়ত্রিশটা অধ্যায়যুক্ত এই গ্রন্থখনৰ আৰম্ভণিতে ভৰতে শিৱ আৰু ব্রহ্মাক প্রণাম জনাইছে। এই গ্রন্থখনত ভৰতে ৰংগমঞ্চ নির্মাণ কৰাৰ প্রণালী, মঞ্চৰ শ্রেণীবিভাজন, মঞ্চ নির্মাণৰ পূর্বৰর্তী আৰু পৰৰর্তী সময়ত কৰণীয় মাংগলিক কার্য, মঞ্চৰ আলোকসজ্জা, নাটকৰ বাবে প্রয়োজনীয় ৰস, অভিনয়ৰ প্রকাৰ, নাটকত ব্যৱহৃত বাদ্যযন্ত্র, ভাষা ইত্যাদি বিভিন্ন বিষয় আলোচনা কৰিছে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১২ ঃ 'কুমাৰসম্ভৱ' মহাকাব্যখনৰ ৰচক কোন?

.....

প্রশ্ন নং ১৩ ঃ 'স্বপ্নবাসবদত্তা' নাটক কোনে ৰচনা কৰিছিল?

.....

প্রশ্ন নং ১৪ ঃ 'কামৰূপ' নামৰ তাৎপর্য বর্ণনা কৰোতে ড° শাস্ত্রীয়ে কোনখন পুৰাণৰ বৃত্তান্ত অনুসৰণ কৰিছে?

.....

প্রশ্ন নং ১৫ ঃ 'অবিনাশি' উপন্যাসখনৰ নায়ক ভাস্কৰে শৈশৱৰে পৰা কাক স্তুতি কৰিছিল?

.....

প্রশ্ন নং ১৬ ঃ 'নাট্যশাস্ত্র' কোনে ৰচনা কৰিছিল?

.....

প্রশ্ন নং ১৭ ঃ 'অবিনাশি' উপন্যাসখনৰ কোনটি নাৰী চৰিত্রৰ যোগেদি তদানীন্তন কালৰ কাব্য ব্যাকৰণাদি নানা শাস্ত্র চর্চাৰ কথা জানিব পাৰি?

.....

১২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলোঁ ঃ

- অসমৰ সংস্কৃত চর্চাৰ পৰম্পৰাৰ বিষয়ে জ্ঞান লাভ কৰিলোঁ।
- 'অবিনাশি'ৰ ৰচকৰ বিষয়ে জানিলোঁ।
- গ্রন্থখনৰ বিষয়বস্তুৰ লগত পৰিচিত হ'ব পাৰিলোঁ।
- 'অবিনাশি'ত প্রয়োগ হোৱা ৰস আৰু ছন্দৰ বিষয়ে জানিলোঁ।
- সপ্তম শতিকাৰ প্রাচীন কামৰূপৰ সমাজ-সংস্কৃতিৰ বিভিন্ন তথ্য লাভ কৰিলোঁ।

১২.৬ অধিক জানিবলৈ

১) গোস্বামী, (ড°) মালিনী (১৯৯৮), অসমত সংস্কৃত চর্চাৰ ইতিহাস, যোৰহাট, অসম সাহিত্য সভা।

২) গোস্বামী (ড°) ভাৰতী, বুজৰবৰুৱা, ড° কল্পিতা, (২০১২); লৌহিত্যতীৰত সংস্কৃত চর্চা, গুৱাহাটী, চন্দ্র প্রকাশ।

৩) দেউৰী, মিহিৰ, জানুৱাৰী (২০১৮); প্রকাশ, গুৱাহাটী, অসম প্রকাশন পৰিষদ।

৪) Shastri, B.N. (1998); Sanskrit in Assam Through the Ages, New Delhi, Rastriya Sanskrit Sansthan.

৫) শাস্ত্রী, (ড°) বিশ্বনাৰায়ণ (১৯৯৪); অবিনাশী, গুৱাহাটী, মঞ্জুশ্রী প্রকাশন।

১২.৭ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ড° বিশ্বনাৰায়ণ শাস্ত্ৰী

২ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯১৮ চনত

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৮৬ চনত

৪ নং প্ৰশ্নৰ উত্তৰ ঃ Sanskrit in Assam Through the Ages

৫ নং প্ৰশ্নৰ উত্তৰ ঃ কৰতোয়া নদী

৬ নং প্ৰশ্নৰ উত্তৰ ঃ দেৱস্বামী

৭ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰমোদ

৮ নং প্ৰশ্নৰ উত্তৰ ঃ মাধৱী

৯ নং প্ৰশ্নৰ উত্তৰ ঃ শৃংগাৰ

১০ নং প্ৰশ্নৰ উত্তৰ ঃ সম্ভোগ আৰু বিপ্ৰলম্ভ

১১ নং প্ৰশ্নৰ উত্তৰ ঃ অনুষ্টুপ্

১২ নং প্ৰশ্নৰ উত্তৰ ঃ কালিদাস

১৩ নং প্ৰশ্নৰ উত্তৰ ঃ ভাসে

১৪ নং প্ৰশ্নৰ উত্তৰ ঃ কালিকা পুৰাণৰ

১৫ নং প্ৰশ্নৰ উত্তৰ ঃ শিৱক

১৬ নং প্ৰশ্নৰ উত্তৰ ঃ ভৰতে

১৭ নং প্ৰশ্নৰ উত্তৰ ঃ মালতী।

১২.৮ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ অসমত সংস্কৃত চৰ্চাৰ পৰম্পৰাৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন ২ ঃ 'অবিনাশি' উপন্যাসত পূৰ্বৱৰ্তী গ্ৰন্থৰ প্ৰভাৱ সম্পৰ্কে চমুকৈ লিখক।

খ) চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ড° বিশ্বনাৰায়ণ শাস্ত্ৰীৰ পৰিচয় দাঙি ধৰক।

প্ৰশ্ন ২ ঃ 'অবিনাশি'ত শৃংগাৰ ৰস প্ৰয়োগ সম্পৰ্কে এটি টোকা লিখক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ 'অবিনাশি' উপন্যাসখনৰ সাৰাংশ লিখক।

প্ৰশ্ন ২ ঃ 'অবিনাশি'ত প্ৰতিফলিত প্ৰাচীন কামৰূপৰ সামাজিক-সাংস্কৃতিক দিশ আলোচনা কৰক।

*** ***** ***

অধ্যায় ১৩ঃ সতী জয়মতী, প্রথম প্রবাহ (১-১৪)

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য

১৩.২ পৰিচয়

১৩.৩ লিখকৰ পৰিচয়

১৩.৪ সতী জয়মতী কাব্যৰ সাৰাংশ

১৩.৫ শ্লোকসমূহৰ সংস্কৃত পাঠ (১-১৪)

১৩.৫.১ শ্লোকসমূহৰ শব্দার্থ

১৩.৫.২ শ্লোকসমূহৰ অসমীয়া অনুবাদ

১৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৩.৭ অধিক জানিবলৈ

১৩.৮ অগ্রগতিৰ খতিয়ান

১৩.৯ আৰ্হি প্রশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সতী জয়মতী কাব্যৰ ৰচকৰ বিষয়ে চমু আভাস পাব
- কাব্যখনৰ বিষয়বস্তুৰ লগত পৰিচিত হ'ব পাৰিব
- কাব্যখনৰ ১-১৪ নং শ্লোকৰ সংস্কৃত পাঠ অধ্যয়ন কৰিব পাৰিব
- শ্লোকসমূহৰ (১-১৪) শব্দার্থ আৰু অসমীয়া অনুবাদ জানিব পাৰিব।

১৩.২ পৰিচয়

ইয়াৰ আগৰ পাঠ্য বিষয়বোৰত আপুনি সংস্কৃত ব্যাকৰণ আৰু সংস্কৃত গদ্য সাহিত্যৰ বিষয়ে অধ্যয়ন কৰিলে। এই অধ্যায়টিত আপুনি ভবদেৱ ভাগৱতী ৰচিত 'সতী জয়মতী' কাব্যৰ বিষয়ে কিছু অধ্যয়ন কৰিব পাৰিব। অধ্যায়টিত সতী জয়মতী কাব্যৰ প্রথম প্রবাহৰ একৰ পৰা চৌধ্যটা (১-১৪) শ্লোকৰ আলোচনা আগবঢ়োৱা হৈছে। এইসমূহ শ্লোকত প্রধানকৈ কামৰূপৰ সুন্দৰ বর্ণনা দাঙি ধৰা হৈছে। 'সতী জয়মতী' কাব্যক গীতি কাব্য বুলিও কোৱা হয়। গীতি কাব্যৰ বিষয়ে আপুনি আগৰ পাঠ্য বিষয়ত অধ্যয়ন কৰিছে। অন্যহাতেদি এই কাব্যখনত এশটা শ্লোক থকা বাবে ইয়াক 'শতক কাব্য' বুলিও কোৱা হয়। আপুনি শতক কাব্যৰ বিষয়ে বিশদভাৱে আগৰ পাঠ্য বিষয়ৰ অধ্যায়বোৰত অধ্যয়ন কৰিব পাৰিছে। এই অধ্যায়ত আপুনি উল্লিখিত শ্লোকসমূহৰ সংস্কৃত পাঠ, কঠিন শব্দবোৰৰ অর্থ আৰু প্রতিটো শ্লোকৰ অসমীয়া অনুবাদো অধ্যয়ন কৰিব পাৰিব।

১৩.৩ লিখকৰ পৰিচয়

এতিয়া আপুনি সতী জয়মতী কাব্যৰ ৰচক পণ্ডিত ভৱদেৱ ভাগৱতীৰ বিষয়ে অবগত হ'ব।

পণ্ডিত ভৱদেৱ ভাগৱতী অসমৰ এজন কৃতী সন্তান। তেখেতৰ জন্ম হয় ১৯০২ চনৰ ২৭ জানুৱাৰীত নলবাৰী জিলাৰ কৈঠালকুছি গাঁৱত। তেখেতৰ মাতৃৰ নাম হ'ল মহেশ্বৰী দেৱী আৰু পিতৃৰ নাম বলভদ্ৰ ভাগৱতী। ভৱদেৱ ভাগৱতীদেৱে তেখেতৰ প্ৰাথমিক শিক্ষা নিজ গাঁৱৰ বিদ্যালয়তে আৰম্ভ কৰি পিছত হাইস্কুল শিক্ষাৰ বাবে নলবাৰী চহৰৰ গৰ্ডন স্কুলত নামভৰ্তি লয়। তেখেতে ১৯২২ চনত প্ৰথম বিভাগত মেট্ৰিক পাছ কৰে। ইয়াৰ পিছত তেখেতে নিজ গাঁও কৈঠালকুছিত সংস্কৃত শিক্ষা ল'লে। ১৯২৫ চনত ভাগৱতীদেৱে বেঙ্গল সংস্কৃত বোৰ্ডৰ অধীনত অনুষ্ঠিত 'ব্যাক�ৰণতীৰ্থ' পৰীক্ষাত চতুৰ্থ স্থান অধিকাৰ কৰে। একেটা বছৰতে তেখেতে অসম সংস্কৃত বোৰ্ডৰ পৰা পু�ৰাণশাস্ত্ৰী ডিগ্ৰী লাভ কৰে। ভাগৱতীদেৱে বাৰানসীত বেদান্ত শিক্ষা গ্ৰহণ কৰে আৰু কলিকতা সংস্কৃত সংস্থাৰ পৰা 'বেদান্ত তীৰ্থ' উপাধি লাভ কৰে। ১৯৩৩ চনত তেখেতে প্ৰথম বিভাগত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ব্যক্তিগত পৰীক্ষাৰ্থী হিচাপে মেট্ৰিক পৰীক্ষা পাছ কৰে। তেখেতে নলবাৰী জিলাৰ চামতা হাইস্কুলত শিক্ষকতাও কৰে। ১৯৮২ চনত ভাগৱতীদেৱে ৰাষ্ট্ৰপতিৰ পৰা সন্মানজনক 'চাৰটিফিকেট অব অনাৰ' লাভ কৰে। অসমৰ গৌৰৱ এইজনা মহান সংস্কৃত পণ্ডিতে ১৯৮৮ চনৰ জুলাই মাহৰ ১৯ তাৰিখে ইহলীলা সম্ৱৰণ কৰে। ভাগৱতীদেৱে তেখেতৰ ৰচনাৱলীৰ জৰিয়তে অসমীয়া আৰু সংস্কৃত সাহিত্য চহকী কৰি গৈছে। তেখেতে ১৯২৪ চনত 'লীলা' নামেৰে এখন অসমীয়া উপন্যাস ৰচনা কৰে। তেখেতৰ আন এখন ব্যঙ্গাত্মক ৰচনা হ'ল 'ভেকোভাওনা'। এইখনো অসমীয়া ভাষাতে ৰচিত। অন্য এখন ব্যঙ্গাত্মক ৰচনা হ'ল 'সুখৰ সপোন।' 'কথাকুসুমম্' নামেৰে সংস্কৃত পাঠ্যপুথি এখনো সপ্তম আৰু অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে ভাগৱতীদেৱে লিখি উলিয়ায়। তেখেতে আনকি মহাভাৰতৰ ১৩০০ শ্লোকো অসমীয়া গদ্যত অনুবাদ কৰে। 'শ্লোকমালা' নামৰ সংকলন এটা ১৯৫৭ চনত ভাগৱতী দেৱে প্ৰকাশ কৰি উলিয়ায়। এই সংকলনটিত তেখেতে মহাত্মা গান্ধীকে আদি কৰি অসমৰ বিভিন্ন পণ্ডিতৰ বিষয়ে ভক্তিসহকাৰে লিখিছে। ১৯৮২ চনত ভাগৱতীদেৱে 'নূতনং নাটকম্' নামৰ এখন চুটি নাটক ৰচনা কৰি উলিয়ায়।

> ***খণ্ডকাব্য*** ঃমহাকাব্যৰ অন্তৰ্গত।
> ***শতক কাব্য*** ঃ এইবিধ কাব্যত সাধাৰণতে এশটা শ্লোক থাকে।

এই নাটকখন অসমীয়া আৰু সংস্কৃত দুয়োটা ভাষাতে ৰচিত হৈছে। ভাগৱতীদেৱৰ দ্বাৰা ৰচিত গ্ৰন্থসমূহৰ ভিতৰত উল্লেখযোগ্য গ্ৰন্থখন হ'ল 'সতী জয়মতী'। এইখন এখন ***খণ্ডকাব্য*** আৰু ইয়াতে এশটা শ্লোক সন্নিৱিষ্ট আছে।

১৩.৪ জয়মতী কাব্যৰ সাৰাংশ

সতী জয়মতী কাব্যৰ ৰচক পণ্ডিত ভৱদেৱ ভাগৱতীৰ বিষয়ে জনাৰ পিছত এতিয়া কাব্যখনৰ সাৰাংশৰ বিষয়ে জানিব পাৰিব।

ভৱদেৱ ভাগৱতী ৰচিত 'সতী জয়মতী' কাব্যখন ***শতক কাব্যৰ*** নিচিনা। শতক কাব্যৰ আন এটা উদাহৰণ হ'ল 'নীতিশতক'। 'সতী জয়মতী' কাব্যখনৰ মুখ্য নাৰী চৰিত্ৰ হ'ল জয়মতী আৰু প্ৰধান পুৰুষ চৰিত্ৰ হ'ল গদাপানী। কাব্যখনৰ কাহিনীটো মধ্যযুগৰ অসম বুৰঞ্জীৰ এটা ঘটনাৰ আধাৰত ৰচিত হৈছে। আহোম ৰাজকোঁৱৰ গদাপানীৰ পত্নী জয়মতীৰ নিজ স্বামীৰ ৰক্ষণাবেক্ষণৰ বাবে কৰা আত্ম-ত্যাগৰ ঘটনাই এই কাব্যখনৰ বিষয়বস্তু।

সতী জয়মতী কাব্যখন তিনিটা প্ৰবাহত বিভক্ত। প্ৰবাহ মানে অধ্যায়। প্ৰথম প্ৰবাহত সাতাইশটা (২৭) শ্লোক আছে। প্ৰথম প্ৰবাহটোৱে কাহিনীভাগৰ পাতনি দাঙি ধৰিছে আৰু লগতে অসম বুৰঞ্জীৰ বিষয়েও পৰিচয় কৰাই দিছে। কাহিনী অনুসৰি বশিষ্ঠ মুনিয়ে এই অসমতে এটা সময়ত কঠোৰ সাধনাত ব্ৰতী হৈছিল। এইটোও উল্লেখ আছে যে কামাখ্যাৰ অৱস্থান প্ৰাগজ্যোতিষপুৰৰ নীলাচল পাহাৰত আছে। প্ৰাচীন অসমৰ বীৰ পুৰুষ লাচিত

বৰফুকন আৰু চিলাৰায়ৰ প্রতি থকা অসমৰ মানুহৰ প্রেম আৰু ভক্তিৰ কথাও এই প্রৱাহত কোৱা হৈছে। কাব্যখনৰ জৰিয়তে কবিয়ে এইটোও কল্পনা কৰিছে যে দেৱতাসকলৰ ৰজা ইন্দ্রই তেওঁৰ আত্মীয় কুটুম্বক এই অসমলৈ প্রতিনিধি কৰি পঠাইছিল প্রশাসক হিচাপে। এই ৰাজবংশটোৱেই 'আহোম' নামেৰে জনাজাত হৈছে। কাব্যখনৰ দ্বিতীয় প্রৱাহত একত্রিশটা (৩১) শ্লোক আছে। এই প্রবাহত আহোম ৰাজকোঁৱৰ গদাপাণিৰ জয়মতীৰ সৈতে হোৱা বিবাহ, তেওঁলোকৰ সুখী বৈবাহিক জীৱন তথা দুই পুত্রৰ জন্মৰ কথা বর্ণিত হৈছে। তৃতীয় প্রবাহত বিয়াল্লিশটা (৪২) শ্লোক আছে। তিনিওটা প্রবাহৰ ভিতৰত শেষৰ প্রবাহটো ডাঙৰ। ইয়াত গদাপাণিৰ আত্মগোপন, জয়মতীৰ বন্দিত্ব, ডেকাৰজা চুকাফাৰ দ্বাৰা জয়মতীৰ ওপৰত চলোৱা অত্যাচাৰ আৰু শেষত জয়মতীৰ অকাল মৃত্যু বর্ণিত হৈছে। সমগ্র কাব্যখনৰ ভাষা অতি সহজ আৰু সৰল।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ভৱদেৱ ভাগৱতীদেৱৰ জন্ম ক'ত হৈছিল?

.....

প্রশ্ন নং ২ ঃ ভাগৱতীদেৱে ৰাষ্ট্রপতিৰ পৰা কি লাভ কৰিছিল?

.....

প্রশ্ন নং ৩ ঃ 'লীলা' নামৰ উপন্যাসখন কোন চনত ৰচিত হৈছিল?

.....

প্রশ্ন নং ৪ ঃ 'সতী জয়মতী' কাব্যত কিমানটা শ্লোক আছে?

.....

১৩.৫ শ্লোকসমূহৰ সংস্কৃত পাঠ (১-১৪)

এতিয়া আপুনি জয়মতী কাব্যৰ প্রথম প্রবাহৰ (১-১৪) শ্লোকসমূহৰ সংস্কৃত পাঠ পঢ়িবলৈ পাব।

লসতু লসতু বাণী শ্বেতপদ্মে সুৰম্যে
চলতু চলতু হংসী পাদপার্শ্বে জনন্যাঃ
বদতু বদতু বীণা ৰম্যহস্তাচ্ছ তস্যা
দহতু দহতু বিঘ্নং সৈব ভাষা সুহাসা।। ১।।
কৃতমুনিজনবাসো ব্রহ্মনঃ সৃষ্টিবর্য্যঃ
সুজলসুফলপূর্ণঃ পূতৰত্নপ্রকৃষ্টঃ।
বিবিধবিভৱধন্যঃ পর্বতৈৰীক্ষ্যমাণঃ
স্মৰতি পৰমভাগ্যং কামৰূপপ্রদেশঃ।। ২।।
শ্রবণসুভগশব্দৈঃ সান্ধ্যলালিত্যকান্ত্যৈ
গিৰিবৰতনুৰুদ্ধৈর্ব্যাপ্তমঞ্জুনিকুঞ্জৈঃ।
ঋষিবৰ ইহহৃষ্ট পুণ্যবান্ সত্যৰূপো
বিমলতপসিযুক্তো ভূতবান্ বৈ বশিষ্ঠঃ।। ৩।।
চলতু নিখিলপাপং সেবকানামুমায়া

ভবতু চ ভবভীতঃ শোকহীনঃ সুৰূপঃ।
অসুৰমথন ইত্থং দিব্যভাবাৎ পৰেশো
ভগমিহ ভগবত্যা নীলশীর্ষে মুমোচ।। ৪।।
চিলৰয় হৰিলাচিৎ শংকৰাদিপ্রমুখ্যাঃ
শুভতনয়সমূহা আবিৰাসন্ জনন্যাঃ।
বিমলসলিলধন্যো ব্রহ্মপুত্রঃ সুপুত্রঃ
মুনিতনয়প্রদত্তঃ শোভতেহদ্যাপি ভূমৌ।। ৫।।
মধুৰিপুৰপি কৃষ্ণো ৰুক্মিণীশুভ্রহস্তম্
জনপদমিমমেত্য প্রেমভাবাদ্দধাৰ।
ললিতবচনজালে বিশ্চকেতুৰ্ৰূষায়া
শ্চকিতহৰিণনেত্রে কেশবেশে চ মুগ্ধঃ ।। ৬।।
ঘটকনৰকবাণা নাৰকেয়ঃ সুধন্বা
কমতনৃপতিমুখ্যা ৰাজবৃন্দা বৰেণ্যাঃ
ভৰতজনপৰাজ্যে ভাৰতে খ্যাতবীর্য্যা
মণিমৰকতচিত্রাং কামভূমিং শশাসুঃ।। ৭।।
অথ সুৰপতিৰস্যা জ্ঞাতবান্ বৈ সমস্তম্
নিজজননকুলস্য স্বর্গিণঃ সংদিদেশ।
অধিকুৰুত কুলীনা মর্ত্ত্যজন্ম প্রগৃহ্য
নিয়তিনটনমঞ্চং কামৰূপপ্রদেশম্।। ৮।।
ন হি সৰতি ভবেহস্মিন্ স্বেচ্ছয়া কোহপি দেহী
প্রভবতি কিল তস্মিন্ বিশ্চপো বিশ্চমূর্ত্তিঃ।
অথ বিধিনিয়মাত্তা দেৱতা দিব্যৰূপা
নৃপপদমধিচক্রুঃ শ্যানদেশে প্রসিদ্ধে।। ৯।।
ৰিপুকুলদলনে তে শক্রতুল্যপ্রভাবাঃ।
পৰনৃপতিকৃতায়াং সন্ধিনীতৌ সুবিজ্ঞাঃ।
সুগতৰচিতধর্মে বিষ্টচিত্তা বিশুদ্ধাঃ
সুখিজনগণপূর্ণং ভুক্তবন্তঃ স্বৰাজ্যম্।। ১০।।
বহুসুৰভিপ্রয়াণে পুর্বপার্বত্যভাগে
খুনলুং সহজাতঃ খুনলইঃ সভ্যৰাজ
অতুলনগৰবেশং মুংৰিমুং ৰামদেশম্
সসুখমশিষদ্দান্ শাসনে শ্রীনিবাসঃ।। ১১।।
শতশৰদমতীত্য পার্থিবঃ সিংহবীর্যঃ
সুৰসদনময়াসীদ্ভক্তিমান্ শাক্যসিংহে।
শিশিৰকমলতুল্যং সর্বসাৰৈর্বিহীনম্
যৎ ইহ নৰদেহং কালদণ্ডে র্বিদীর্ণম্।। ১২।।

মৃতকবিপুলৰাজ্যং বীক্ষ্য ভূপৈর্বিহীনম্
প্রকৃতিসকলমুখ্যৈর্ভূপতৌ দত্তচিত্তৈঃ।
অধিগত ইহ ৰাজা খুন্‌লঙঃ সন্ততিৰ্বৈ
শুভজনপদচীনাত খ্যাতবীর্য্যো বৰেণ্যঃ।। ১৩।।
নবনৰপতিবংশে বীৰসিংহশ্চুকাফা
অথবদিহ নৃপালঃ কার্যধৈর্যস্য তস্য।
প্রথিতযশস আখ্যা বায়ুবদ্বেগবত্যঃ
শ্রৱণবিবৰমিত্বা মানবান্ মোদয়ন্তি।। ১৪।।

১৩.৫.১ শ্লোকসমূহৰ শব্দার্থ

এতিয়া আপুনি সংস্কৃত শ্লোকসমূহৰ শব্দার্থ পঢ়িবলৈ পাব।

১নং শ্লোকৰ শব্দার্থ ঃ বাণী বাগ্‌দেৱী (সৰস্বতী) সুৱম্যে দর্শনীয়ে (সুন্দৰ) শ্বেতপদ্মে শুক্লপংকজে (বগা পদুমত) লসতু লসতু পুনঃ পুনঃ বিৰাজতাম্ (বাৰে বাৰে বা পুনঃ পুনঃ বিৰাজ কৰক) হংসী দেব্যাঃ বাহনভূতা (দেৱীৰ বাহনস্বৰূপ হংসীয়ে) জনন্যাঃ মাতৃস্বৰূপিন্যাঃ সৰস্বত্যাঃ (মাতৃস্বৰূপা সৰস্বতীৰ) পাদপার্শ্বে চৰণসন্নিহিতে (চৰণৰ ওচৰত) চলতু চলতু বাৰম্বাৰং বিচৰতু (বাৰে বাৰে বিচৰণ কৰক)। চ তস্যাঃ বাগ্‌দেব্যাঃ (আৰু সেই দেৱীৰ) ৰম্যহস্তাৎ ৰমণীয়পাণিতঃ (সুন্দৰ হাতৰ পৰা) বীণা তন্ত্রীযুক্তবাদ্যবিশেষঃ (তাৰযুক্ত বাদ্যবিশেষ, বীণাই) বদতু বদতু নিৰন্তৰং মূর্চ্ছনাং কৰোতু (বাৰে বাৰে মূর্চ্ছনা কৰক অর্থাৎ বাজি উঠক)। সা এব সুহাসা স্মিতহাসিনী (সেই হাঁহিমুখীয়া) ভাষা সৰস্বতী (দেৱীয়ে) বিঘ্নং কাব্যৰচনায়াং প্রতিবন্ধকৰূপং (কাব্য ৰচনাত হ'ব পৰা বিঘিনি) দহতু দহতু সম্পূর্ণতয়া ভস্মসাৎ কৰোতু (নাশ কৰক)।

২নং শ্লোকৰ শব্দার্থ ঃ কৃতমুনিজনবাসো ঋষীণাং নিবাসভূতঃ (মুনিসকলে বাস কৰা) ব্রহ্মণ বিধেঃ (বিধাতাৰ) সৃষ্টিবর্য্যঃ শ্রেষ্ঠা নির্মিতিঃ (শ্রেষ্ঠ সৃষ্টি) সুজল সুফলপূর্ণঃ সলিলৰাশি পৰিপূর্ণঃ শ্রেষ্ঠফলাদিভিঃ পৰিপূর্ণঃ (সুজল আৰু সুফলেৰে পৰিপূর্ণ) পূতৰত্নপ্রকৃষ্টঃ বিশুদ্ধৰত্নাদিভিঃ উৎকর্ষং লভ্যমানঃ (পবিত্র ৰত্নসমূহেৰে উৎকৃষ্ট) বিবিধবিভবধন্যঃ নানাঐশ্বর্যমণ্ডিতঃ (বিভিন্ন বিভৱেৰে ধন্য) পর্বতৈৰীক্ষ্যমাণঃ সর্বতঃ বহুভিঃ অদ্রিভিঃ পৰিবৃতঃ (পর্বতবোৰে দৃষ্টি কৰি থকা) কামৰূপপ্রদেশঃ পূর্বোত্তৰ-ভাৰতবর্ষীয়- দেশবিভাগঃ প্রাগ্‌জ্যোতিষপুৰঃ ইতি অপৰনামকঃ (কামৰূপপ্রদেশে) পৰমভাগ্যং প্রকৃষ্টং গৌৰৱং (পৰম সৌভাগ্য) স্মৰতি মনসা পুনঃ চিন্তয়তি (স্মৰণ কৰে) অর্থাৎ অতীতগৌৰবস্মৃতিৰূপং সৌভাগ্যং কামৰূপপ্রদেশঃ নিতৰাং ধাৰয়তি।

৩নং শ্লোকৰ শব্দার্থ ঃ সান্ধ্যলালিত্যকান্ত্যৈঃ সন্ধা-ললিতা-কান্তা ইতি তৎ তৎ নামকনির্ঝৰিণীনিঃসৃতৈঃ (সন্ধ্যা, ললিতা আৰু কান্তা শব্দৰদ্বাৰা), গিৰিবৰতনুৰুদ্ধৈঃ আদিশ্রেষ্টস্য সন্ধ্যাচলস্য শৰীৰে প্রাপ্তবাধৈঃ, (পর্বতশ্রেষ্ঠ সন্ধ্যাচলৰ শৰীৰত ঠেকা খাই) ব্যাপ্তমঞ্জুনিকুঞ্জৈঃ বিস্তৃতৰম্যোপবনৈঃ (মনোহৰ নিকুঞ্জবোৰত বিয়পি পৰা) শ্রবণসুভগশব্দৈঃ শ্রুতিসুখকৰকুলুধ্বনিভিঃ (শুনি ভাল লগা কুলু ধ্বনিৰদ্বাৰা) হৃষ্টঃ আহ্লাদিতঃ সন্ (আহ্লাদিত হৈ) ইহ অস্মিন্ কামৰূপপ্রদেশে (এই কামৰূপতেই অর্থাৎ বশিষ্ঠাশ্রমত) পুণ্যবান্ সুকৃতময়ঃ (পূণ্যাত্মা), সত্যৰূপো কৃতকেতৰপৰায়ণঃ (সত্যপৰায়ণ) ঋষিবৰঃ মুনিশ্রেষ্ঠঃ (ঋষিশ্রেষ্ঠ) বশি ষ্ঠঃ (বশিষ্ঠ মুনিয়ে) বিমলতপসি নির্মলতপঃ সাধনে (পবিত্র তপস্যাত) যুক্তঃ আত্মনিযুক্তঃ (আত্মনিয়োগ) ভূতবান্ অভবৎ (কৰিছিল)।

৪নং শ্লোকৰ শব্দার্থ ঃ উমায়াঃ পার্বত্যাঃ (পার্বতীৰ) সেবকানাং ভক্তানাং (ভক্তসকলৰ) নিখিলপাপং সমগ্রং কুকৃত্যজাতমালিন্যং (সকলো পাপকর্ম) চলতু দূৰীভবতু (দূৰহওঁক) চ ভবভীতঃ সংসাৰক্লেশাদ্ সন্ত্রস্তঃ

জনঃ (আকৌ সংসাৰভীত লোক) শোকহীনঃ সংসাৰতাপশূন্যঃ (সংসাৰৰ সকলো দুখৰ পৰা মুক্ত) সুৰূপঃ শোভনকান্তিযুক্তঃ (আৰু সুন্দৰ ৰূপৰ অধিকাৰী) ভবতু অস্তু (হওঁক)। ইত্থম্ এবং প্রকাৰেণ (এনেদৰে) দিব্যভাবাৎ সদুদ্দেশ্যেন (সৎ ভাৰেৰে) অসুৰমথনঃ দৈত্যঘ্নঃ (দৈত্যশত্রু) পৰেশঃ মহাদেৱঃ (পৰমেশ্বৰে) ভগবত্যাঃ দেব্যাঃ উমায়াঃ (দেৱীৰ) ভগং যোনিদেশম্ (যোনিপীঠক) ইহ অত্র (এই) নীলশীর্ষে নীলাচলশিখৰে (নীলাচলৰ শিখৰত) মুমোচ তত্যাজ (এৰিছিল অর্থাৎ দক্ষ ৰজাৰ যজ্ঞত দেহ ত্যাগ কৰা সতীৰ যোনিভাগ ত্যাগ কৰিছিল)।

৫নং শ্লোকৰ শব্দার্থ ঃ চিলৰয় চিলাৰায়ঃ ইতি অসমপ্রদেশীয়কোচনৃপতেঃ নৰনাৰায়ণস্য মল্লদেবস্য অনুজঃ সেনানী চ, হৰিঃ হৰিদেৱঃ ইতি বৈষ্ণবাচার্যঃ লাচিৎ লাচিতবৰফুকন ইতি নামধেয়ঃ আহোমনৃপতেঃ সেনাধ্যক্ষঃ, শংকৰঃ শংকৰদেৱঃ ইতি মহান্ বৈষ্ণবাচার্যঃ অসমে নববৈষ্ণৱধর্মস্য প্রচাৰকঃ, আদি প্রমুখ্যঃ ইতি এতে প্রসিদ্ধাঃ (চিলাৰায় হৰিদেৱ লাচিতবৰফুকুন শংকৰদেৱ আদি প্রমুখ) জনন্যাঃ দেশমাতৃকায়াঃ (জন্মভূমিৰ) শুভ তনয়সমূহাঃ সুপুত্রগণাঃ (শুভপুত্রসকল) আবিৰাসন্ আবির্ভূতাঃ অভবন্ (আৱির্ভাৱ হৈছিল) মুনিতনয়প্রদত্তঃ ঋষিপুংগবেন পৰশুৰামেন দত্তমার্গঃ (মুনিপুত্র পৰশুৰামে দান কৰা) বিমলসলিলধন্যো স্বচ্ছতলপুষ্টঃ (পবিত্র পানীৰে ধন্য) সুপুত্রঃ ব্রহ্মপুত্রঃ শান্তনুকুলনন্দনঃ লৌহিত্য ইতি অপৰনামকঃ (সুপুত্র ব্রহ্মপুত্র) অদ্যাপি ইদানীমপি (আজিও) ভূমৌ অসমক্ষেত্রে (এই অসমভূমিত) শোভতে বিৰাজতে (শোভা পায়)।

৬নং শ্লোকৰ শব্দার্থ ঃ মধুৰিপুঃ মধুনামকস্য দৈত্যস্য বিনাশকঃ (মধু নামৰ অসুৰৰ বিনাশক) কৃষ্ণঃ অপি (ভগৱান শ্রীকৃষ্ণইও) ইমং জনপদং প্রদেশম্ (এই দেশলৈ) এত্য আগত্য (আহি) প্রেমভাবাদ্ অনুৰাগবশাৎ (অনুৰাগবশতঃ) ৰুক্মিণীশুভ্রহস্তম্ ৰুক্মিণ্যাঃ ভীষ্মকাত্মজায়াঃ চাৰুং কৰং (ৰুক্মিণীৰ সুন্দৰ হাতত) দধাৰ ধৃতবান্ (ধৰিছিল)। বিশ্বকেতুঃ অনিৰুদ্ধঃ কৃষ্ণনপ্তা (শ্রীকৃষ্ণৰ নাতি অনিৰুদ্ধই) ঊষায়াঃ বানতনয়ায়াঃ (বানৰজাৰ কন্যা ঊষাৰ) ললিত-বচনজালে মনোহৰবাক্প্রাগ্লেভ্য (লাৱণ্যময় বাক্যবোৰত) চকিতহৰিণনেত্রে চঞ্চলমৃগনয়নে (চঞ্চল হৰিণৰ নিচিনা চকুজুৰিত)কেলবেশে চ (শিৰোৰুহবিন্যাসে আৰু মূৰৰ ওপৰৰ খোপাটিত) মুগ্ধঃ আকৃষ্টঃ অভৱৎ (মুগ্ধ হৈছিল)।

৭নং শ্লোকৰ শব্দার্থ ঃ ঘটকনৰকবাণাঃ ঘটকঃ নৰকঃ বাণঃ ইতি অভিধেয়াঃ ৰাজানঃ (ঘটক, নৰক, বাণ) নাৰকেয়ঃ নৰকাত্মজঃ ভগদত্তঃ (নৰকৰ পুত্র ভগদত্ত) সুধন্বা তন্নামকঃ নৃপঃ (সুধন্বা নামৰ ৰজা) কমত নৃপতিমুখ্যাকমতেশ্বৰঃ প্রভৃতয়ঃ (কমতেশ্বৰ প্রভৃতি প্রধান প্রধান) বৰেণ্যাঃ মহনীয়াঃ (বৰণীয়ঃ) খ্যাতবীর্য্যা বিদিতবিক্রমাঃ (শক্তিৰ পৰিচয় দিয়া) ৰাজবৃন্দাঃ নৃপতয়ঃ (ৰজাসকলে) ভৰতজনপৰাজ্যে ভাৰতে, ভৰতবংশীয় নৃপাণাং ৰাষ্ট্রে ভাৰতবর্ষে (ভৰতবংশীয় ৰজাসকলৰ ৰাজ্য ভাৰতবর্ষত) মণিমৰকতচিত্রাং ৰত্নাদিভিঃ আঢ্যাং (মণিমৰকতেৰে বিচিত্র) কামভূমিং কামদায়িনীং কামৰূপাং কামৰূপপ্রদেশং (কামৰূপৰাজ্যক) শশাসুঃ বুভুজিৰে (শাসন কৰিছিল)।

৮নং শ্লোকৰ শব্দার্থ ঃ অথ সুৰপতিঃ দেবৰাজঃ ইন্দ্রঃ (দেৱতাসকলৰ ৰজা ইন্দ্রই) অস্যাঃ কামৰূপভূমেঃ (এই কামৰূপ ভূমিৰ) সমস্তং সমগ্রং বিবৰণজাতং (সকলো কথা) জ্ঞাতবান্ বিদিতবান্ বৈ (বিদিত হৈ) নিজজননকুলস্য স্ববংশজাতস্য (নিজ বংশৰ) স্বর্গিণঃ দেৱান্ (দেৱতাসকলক) সংদিদেশ সমাদিষ্টবান্ (আদেশ কৰিলে) হে কুলীনাঃ সদ্বংশজাঃ দেৱাঃ (হে জ্ঞাতিসকল অর্থাৎ আত্মীয়সকল) মর্ত্ত্যজন্ম মনুষ্যৰূপং (মনুষ্যজন্ম) প্রগৃহ্য ধাৰয়িত্বা (গ্রহণ কৰি) নিয়তিনটনমঞ্চং দৈবস্য ৰংগভূমিং (নিয়তিৰ নাট্যমঞ্চ স্বৰূপ) কামৰূপপ্রদেশং প্রাগজ্যোতিষপুৰং (কামৰূপ প্রদেশক) অধিকুৰুত গৃহ্ণন্তু (অধিকাৰ কৰাগৈ)।

৯নং শ্লোকৰ শব্দার্থ ঃ অস্মিন্ ভবে অস্মিন্ সংসাৰে (এই সংসাৰত) কোহপি দেহী প্রাণী (কোনো প্রাণীয়ে) স্বেচ্ছয়া আত্মৰুচ্যনুসাৰং (নিজৰ ইচ্ছা অনুসৰি) ন হি সৰতি চলতি (চলিব নোৱাৰে) তস্মিন্ বিষয়ে কেবলং (সেই বিষয়ত) বিশ্বপো জগৎপালকঃ (জগৎ পালক) বিশ্বমূর্ত্তিঃ বিশ্বৰূপঃ ভগবান্ (বিশ্বমূর্ত্তি পৰমেশ্বৰৰ)

প্রভৱতি কিল সমর্থো ভবতি ইতি (প্রভাৱহে বর্তমান) অথ ততঃ (গতিকে) বিধিনিয়মাৎ ঈশ্বৱেচ্ছানুসাৱং (বিধাতাৰ নিয়ম অনুসাৱে) দিব্যৱ্দপাঃ স্বর্গীয়ৱ্দপধাৱিনঃ (দিব্যৱ্দপী) তা দেবতা সুৱগণাঃ (দেৱতাসকলে) প্রসিদ্ধে বিখ্যাতে (প্রসিদ্ধ) শ্যানদেশে তৎ নামকে ভূমিভাগে (শ্যামদেশ নামৰ ঠাইত, এতিয়াৰ ম্যানমাৰ নামৰ ঠাইত) নৃপপদম্ ৱাজপদবীং (ৱাজপদ) অধিচক্রুঃ গৃহীতবন্তঃ (গ্রহণ কৱিলে)।

১০নং শ্লোকৰ শব্দার্থ ঃ তে মর্ত্যৱ্দপধাৱিণঃ দেবাঃ শ্যানদেশে কৃতনিবাসাঃ (তেওঁলোক অর্থাৎ শ্যানদেশত বাসকৰা দেৱতাসকল) ৱিপুকুলদলনে অৱিবর্গদমনে শক্রতুল্যপ্রভাবাঃ ইন্দ্র সমপৰাক্রমাঃ (শত্রুসকলক দমন কৰাত ইন্দ্রৰ সমান প্রভাৱশালী) পৱনৃপতিকৃতায়াং সন্ধিনীতৌ অৱিভিঃ নৃপতিভিঃ সন্ধিনামকে নয়মার্গ পৱিৱক্ষণে (শত্রুপক্ষৰ ৱজাই স্থাপন কৰা সন্ধিনীতিত) সুবিজ্ঞাঃ সম্যক্ নিপুণাঃ (সুবিজ্ঞ অর্থাৎ নিপুণ) বিশুদ্ধাঃ পূতহৃদয়াঃ (শুদ্ধ হৃদয়ৰ তেওঁলোকে) সুগতৰচিতধর্মে বৌদ্ধধর্মে (বুদ্ধদেৱে প্রচাৰ কৰা বৌদ্ধধর্মত) বিষ্টচিত্তা নিবিষ্টহৃদয়া (চিত্র ৰাখি) সুখিজনগণপূর্ণং সন্তুষ্টপ্রজাভিঃ পৱিপূর্ণং (সুখী প্রজাসমূহেৰে পৱিপূর্ণ) স্ৱৰাজ্যং স্বকীয়ং সাম্রাজ্যং শ্যানদেশম্ ইতি (স্ৱৰাজ্য অর্থাৎ শ্যানদেশ) ভুক্তবন্তঃ শাসিতবন্তঃ (ভোগ কৱিছিল)।

১১নং শ্লোকৰ শব্দার্থ ঃ বহুসুৱভিপ্রয়াণে, অনেকবসন্তগতে এবং ক্রমেন বহুবর্ষয়াতে (বহুত বসন্তকাল অতীত হোৱাত) পূর্বপার্বত্যভাগে, ভাৱতবর্ষস্য পূর্বস্মিন্ পার্বত্যে জনপদে (পূর্বদিশৰ পর্বতীয় অঞ্চলত) খুনলুং সহজাতঃ খুন্লুঙ্ ইতি নামধেয়স্য ৱাজ্ঞঃ কনিষ্ঠঃ ভ্রাতা (খুন্লুঙৰ সৰু ভায়েক) খুনলইঃ ইতি আখ্য (খুন্লই নামৰ) সভ্যৱাজঃ সংস্কৃতঃ নৃপতিঃ (সভ্য ৱজা এজনে) অতুলনগৱৱেশং অনুপমেয়নগৱসমাকীর্ণং (অতুল নগৱেৰে পৱিশোভিত) মুংৱিমুংৱামদেশম্ মুংৱিমুংৱাম্ ইতি আখ্যম্ (মুংৱিমুংৱাম নামেৰে এখন দেশত) সসুখং সানন্দং (সুখেৰে) অব্দান্ বহুবর্ষাণি (বহু বছৰ) অশিষৎ অপালয়ৎ (ৱাজত্ব কৱিছিল) অসৌ খুন্লাই ইতি ৱাজা শাসনে দেশপৱিৱক্ষণে (সেই খুনলাই ৱজা দেশ শাসনত) শ্রীনিবাসঃ শ্রীবিষ্ণু ইব (বিষ্ণুৰ নিচিনা) আসীৎ (আছিল)।

১২নং শ্লোকৰ শব্দার্থ ঃ শতশৱদম্ শতসংখ্যকসংৱৎসৱান্ (এশটা শৱৎ কাল কটাই অর্থাৎ এশবছৰ জীয়াই থাকি) শাক্যসিংহে বুদ্ধদেৱে (বুদ্ধদেৱত) ভক্তিমান্ শ্রদ্ধাশীলঃ (ভক্তি ৱখা) সিংহবীর্য্যঃ সিংহবিক্রমঃ স খুন্লাই ইতি নামধেয় (সিংহৰ সমান পৰাক্রমী খুন্লাই নামৰ) পার্থিবঃ ৱাজা (ৱজা) সুৱসদনম্ দেবভূমিং (স্বর্গধামলৈ) অয়াসীৎ গতবান্ (গমন কৱিলে) যতঃ ইহ অস্মিন্ সংসাৱে (কাৱণ এই সংসাৱত) শিশিৱকমলতুল্যং শীতকালিকং পদ্মম্ ইব (শীতকালৰ পদুমৰ দৰে) কালদণ্ডৈঃ মৃত্যু দেৱস্য যষ্ট্যা (যমদণ্ডেৰে) বিদীর্ণম্ বিশীর্ণং (বিদীর্ণ) নৱদেহং মনুষ্যশৰীৱং (মানৱদেহ) সর্বসাৱৈঃ বিহীনং সমস্তৱসশূন্যং শুষ্কম্ ভবতি (সর্বসাৱশূন্য হয়)।

১৩নং শ্লোকৰ শব্দার্থ ঃ মৃতকবিপুলৱাজ্যং মৃতকস্য দিবংগতস্য ৱাজ্ঞঃ খুন্লাই ইতি অভিধেয়স্য ৱাজ্যং শাসনভূমিং (মৃত খুন্লাই ৱজাৰ বিশাল ৱাজ্য) ভূপৈঃবিহীনং নৃপৈঃ শূন্যং (ৱজাহীন) বীক্ষ্য অভিলক্ষ্য (দেখি) ভূপতৌ নৃপৌ ভূপতিলাভায় (ৱজা লাভ কৱিবলৈ) দত্তচিত্তৈঃ কৃতসংকল্পৈঃ (দৃঢ় সংকল্প কৱি) প্রকৃতিসকলমুখ্যৈঃ প্রজাসমূহপ্রধানৈঃ (মুখীয়াল প্রজাসকলে) শুভজনপদচীনাতঃ চীননামকাৎ শোভনাদ দেশাৎ আগতঃ (সুন্দৰ চীনদেশৰ পৰা আহি) খুন্লুঙঃ তন্নামকস্য ৱাজ্ঞঃ (খুন্লুঙৰ) খ্যাতবীর্য্যো প্রসিদ্ধপৰাক্রমঃ (পৰাক্রমী) ৱৱেণ্যঃ শ্রেষ্ঠঃ (শ্রেষ্ঠ) সন্ততিঃ সন্তানঃ (সন্তান) ৱাজা ইহ অধিগত অস্মিন্ পূর্বদেশে প্রাপ্তঃ (ইয়ালৈ অসম ভূমিলৈ আনি ৱজাস্ৱৱূপে লাভ কৱিলে)।

১৪নং শ্লোকৰ শব্দার্থ ঃ নবনৱপতিবংশে অস্য নূতনস্য ৱাজ্ঞঃ বংশে (এই নতুন নৱপতি বংশত) চুকাফা ইতি নামকঃ (চুকাফা) বীৱসিংহঃ শূৱশ্রেষ্ঠঃ (বীৰ শ্রেষ্ঠ) নৃপালঃ ৱাজা অভৱৎ (ৱজা হ'ল) তস্য কার্যধৈর্যস্য চুকাফা ইতি অবিধেয়স্য ৱাজ্ঞঃ (তেওঁৰ অর্থাৎ ৱাজকার্যত ধৈর্যশীল চুকাফাৰ) বায়ুবদ্বেগবত্যঃ পবনতুল্যগতিশীলস্য (বায়ুৰ দৰে বেগবাতী) প্রথিতযশসঃ বিদিতগৌৱবস্য (যশস্যাৰ) আখ্যা কথা বর্ণনা বা (কথাবোৰ) শ্রবণবিবৱং শ্রুতিমার্গম্ (কাণলৈ) ইত্বা গত্বা (গৈ) মানবান্ জনান্ (মানুহক) মোদয়ন্তি আহ্লাদয়ন্তি (আনন্দ দিয়ে)।

১৩.৫.২ শ্লোকসমূহৰ অসমীয়া অনুবাদ

এতিয়া আপুনি এই শ্লোকসমূহৰ অসমীয়া অনুবাদ পঢ়িবলৈ পাব।

১নং শ্লোক ঃ বাগ্‌দেৱী সৰস্বতীয়ে সুন্দৰ বগা পদুমত বাৰে বাৰে বিৰাজ কৰক। (বাহনস্বৰূপ) হংসী মাতৃ (আই) সৰস্বতীৰ চৰণৰ ওচৰত পুনঃ পুনঃ বিচৰণ কৰক আৰু সেই দেৱীৰ সুন্দৰ হাতত থকা বীণাই বাৰে বাৰে মূৰ্চ্ছণা কৰক, মিচিকিয়াই হাঁহি থকা সৰস্বতীয়ে কাব্য ৰচনাৰ সময়ত হ'ব পৰা বাধা-বিঘিনিবোৰ নাশ কৰক।

২নং শ্লোক ঃ মুনিসকলে বাস কৰা, বিধাতাৰ শ্ৰেষ্ঠ সৃষ্টি, সুজল আৰু সুফলেৰে পৰিপূৰ্ণ, পবিত্ৰ ৰত্নসমূহেৰে উৎকৃষ্ট বিভিন্ন বিভৱেৰে ধন্য আৰু পৰ্বতবোৰে দৃষ্টি কৰি থকা কামৰূপপ্ৰদেশে পৰম সৌভাগ্য স্মৰণ কৰে অৰ্থাৎ কামৰূপপ্ৰদেশলৈ অতীত সৌভাগ্যৰ স্মৃতি মনত ধাৰণ কৰে।

৩নং শ্লোক ঃ পৰ্বতশ্ৰেষ্ঠ (সন্ধ্যাচল)ৰ গাত খুন্দা খাই সুন্দৰ নিকুঞ্জবোৰত বিয়পি পৰা তথা কাণেৰে শুনি ভাল লগা, সন্ধ্যা, ললিতা আৰু কান্তাৰ কুলু ধ্বনিৰদ্বাৰা আহ্লাদিত হৈ এই কামৰূপপ্ৰদেশতেই সত্যপৰায়ণ পুণ্যাত্মা, ঋষিশ্ৰেষ্ঠ বশিষ্ঠই নিজ আশ্ৰমত বিমল তপস্যাত আত্মনিয়োগ কৰিছিল।

৪নং শ্লোক ঃ ভগৱতীৰ (দেৱীৰ) ভক্তসকলৰ সকলো পাপ নাশ হওঁক, আকৌ সংসাৰভীত লোক সংসাৰৰ সকলো শোকৰ পৰা মুক্ত আৰু সুন্দৰ হওঁক— এনে দিব্যভাৱ মনলৈ আনি দৈত্যশত্ৰু পৰমেশ্বৰে নীলাচলৰ শিখৰত ভগৱতীৰ 'যোনিপীঠ' ত্যাগ কৰিছিল।

৫নং শ্লোক ঃ শংকৰদেৱ, হৰিদেৱ, চিলাৰায় আৰু লাচিত বৰফুকন প্ৰভৃতি জন্মভূমিৰ শুভ পুত্ৰসকলৰ আৱিৰ্ভাৱ হৈছিল। মুনিপুত্ৰ পৰশুৰামে দান কৰা স্বচ্ছ জলেৰে ধন্য সুপুত্ৰ ব্ৰহ্মপুত্ৰ এতিয়াও এই অসমভূমিত শোভা পায়।

৬নং শ্লোক ঃ অসুৰৰ বিনাশ কৰ্তা শ্ৰীকৃষ্ণই এই দেশলৈ আহি প্ৰেমবশতঃ ৰুক্মিনীৰ শুভ্ৰ হাতত ধৰিছিল। অনিৰুদ্ধও ঊষাৰ চঞ্চল হৰিণৰ নিচিনা চকুজুৰি, চুলিৰ খোপাটি আৰু লাৱণ্যময় বাক্যবোৰত মুগ্ধ হৈছিল।

৭নং শ্লোক ঃ ভৰত ৰজাৰ ৰাজ্য ভাৰতবৰ্ষত শক্তিৰ পৰিচয় দিয়া ঘটক, নৰক, বাণ, ভগদত্ত, সুধন্বা আৰু কমতেশ্বৰ আদি প্ৰধান প্ৰধান ৰজাসকলে মণিমৰকতেৰে বিচিত্ৰ এই কামভূমি কামৰূপ ৰাজ্য শাসন কৰিছিল।

৮নং শ্লোক ঃ দেৱৰাজ ইন্দ্ৰই এই কামৰূপৰ বিষয়ে সকলো কথা জ্ঞাত হৈ নিজ বংশৰ দেৱতাসকলক আদেশ দিলে, 'হে জ্ঞাতি কুটুম্বসকলহু তোমালোকে মনুষ্য জন্ম গ্ৰহণ কৰি নিয়তিৰ নাট্যমঞ্চৰূপ কামৰূপ প্ৰদেশক অধিকাৰ কৰাগৈ।

৯নং শ্লোক ঃ এই সংসাৰত কোনো প্ৰাণীয়ে নিজৰ ইচ্চামতে চলিব নোৱাৰে, সেই বিষয়ত বিশ্বপালক বিশ্বমূৰ্ত্তি পৰমেশ্বৰৰ হে প্ৰভাৱ বৰ্তমান। গতিকে বিধাতাৰ নিয়ম অনুসৰি দিব্যৰূপী দেৱতাসকলে প্ৰসিদ্ধ শ্যানদেশতহে ৰাজপদ গ্ৰহণ কৰিলে।

১০নং শ্লোক ঃ শত্ৰুসকলক দমন কৰাত তেওঁলোক ইন্দ্ৰৰ সমান প্ৰভাৱশালী আৰু শত্ৰুপক্ষৰ ৰজাই স্থাপন কৰা সন্ধিনীতিত সুনিপুণ। শুদ্ধমনৰ তেওঁলোকে বুদ্ধদেৱে প্ৰচাৰ কৰা বৌদ্ধধৰ্মত চিত্ত ৰাখি সুখী প্ৰজাসমূহেৰে পৰিপূৰ্ণ স্বৰাজ্য ভোগ কৰিছিল।

১১নং শ্লোক ঃ বহুত বসন্তকাল অৰ্থাৎ বহুবছৰ অতীত হলত খুন্‌লুঙৰ সৰু ভায়েক খুন্‌লাই নামেৰে সভ্য ৰজা এজনে পূবফালৰ পৰ্বতীয়া অঞ্চলত অতুল নগৰেৰে পৰিশোভিত মুংৰিমুংৰাম নামেৰে এখন দেশত বহুবছৰ ৰাজত্ব কৰিছিল, তেওঁ শাসনত শ্ৰীকৃষ্ণৰ দৰে আছিল।

১২নং শ্লোক ঃ এশটা শৰৎকাল কটাই অৰ্থাৎ এশবছৰ কাল জীৱিত থাকি বুদ্ধদেৱত ভক্তি থকা সিংহৰ সমান পৰাক্ৰমী খুন্‌লাই নামৰ ৰজা স্বৰ্গধামলৈ গ'ল অৰ্থাৎ ইহলীলা সম্ভৰণ কৰিলে। কাৰণ যমদণ্ডেৰে দণ্ডিত

মনুষ্যদেহ শীতকালৰ পদুমফুলৰ নিচিনা সাৰহীন হৈ যায়।

১৩নং শ্লোক ঃ মৃত ৰজাৰ অর্থাৎ খুন্‌লুঙ ৰজাৰ মৃত্যুৰ পিছত বিশাল ৰাজ্য ৰজাহীন হোৱা দেখি, অন্য কোনো ৰজা লাভ কৰিবলৈ দৃঢ় সংকল্প কৰি, মুখীয়াল প্রজাসকলে সুন্দৰ চীনদেশৰ পৰা খুন্‌লুঙৰ শক্তিশালী শ্রেষ্ঠ সন্তান এজনক অসমভূমিলৈ আনি ৰজা হিচাপে লাভ কৰিলে।

১৪নং শ্লোক ঃ এই নতুন নৰপতি বংশত বীৰশ্রেষ্ঠ চুকাফা ৰজা হ'ল। ৰাজকার্য চলোৱাত ধৈর্যশীল সেই চুকাফাৰ বায়ুৰ দৰে বেগৱতী যশস্যাৰ কাহিনীবোৰ কাণত পৰি মানুহবোৰৰ পৰম আনন্দ লাভ হয়।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ কামৰূপ প্রদেশত কোন ঋষিয়ে আশ্রম পাতিছিল?

.....

প্রশ্ন নং ৬ ঃ খুন্‌লুঙৰ সৰু ভায়েকৰ নাম কি?

.....

প্রশ্ন নং ৭ ঃ খুন্‌লুঙৰ সৰু ভায়েকে ৰাজত্ব কৰা দেশখনৰ নাম কি?

.....

প্রশ্ন নং ৮ ঃ খুন্‌লুঙৰ কোনজন শ্রেষ্ঠ বংশধৰে অসম ৰাজ্যৰ ৰজা হিচাপে নিযুক্তহৈছিল?

.....

জানি থোৱা ভাল

- বশিষ্ঠ মুনি ইক্ষ্বাকুবংশীয় পুৰোহিত আছিল।
- শ্রীমন্ত শংকৰদেৱে বৰগীত আৰু অংকীয়া নাট ৰচনা কৰিছিল।
- কীর্ত্তন, ভাগৱত আৰু ভক্তিৰত্নাকৰ আদি গ্রন্থও শংকৰদেৱে ৰচনা কৰিছিল।
- শোণিতপুৰনগৰীক ঊষা অনিৰুদ্ধৰ মিলনভূমি বুলি জনা যায়।

১৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সতী জয়মতী কাব্যৰ ৰচকৰ বিষয়ে জানিলে।
- কাব্যখনৰ বিষয়বস্তুৰ লগত পৰিচিত হ'ব পাৰিলে।
- কাব্যখনৰ (১-১৪) শ্লোকৰ সংস্কৃত পাঠ পঢ়িলে।
- শ্লোকসমূহৰ (১-১৪) শব্দার্থ আৰু অসমীয়া অনুবাদ জানিলে।

১৩.৭ অধিক জানিবলৈ

১) শর্মা, ড° দীপক কুমাৰ, *ভৱদেৱ ভাগৱতী ৰচিত সতী জয়মতী,* নলবাৰী ঃ কিতাপ ঘৰ।

১৩.৮ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ নলবাৰী জিলাৰ কৈঠালকুছি গাঁৱত।

২নং প্রশ্নৰ উত্তৰ ঃ চাৰটিফিকেট অব অনাৰ।

৩নং প্রশ্নৰ উত্তৰ ঃ ১৯৪২ চনত।

৪নং প্রশ্নৰ উত্তৰ ঃ এশটা (১০০)।

৫নং প্রশ্নৰ উত্তৰ ঃ বশিষ্ঠ মুনিয়ে।

৬নং প্রশ্নৰ উত্তৰ ঃ খুন্‌লাই।

৭নং প্রশ্নৰ উত্তৰ ঃ মুংৰিমুংৰাম।

৮নং প্রশ্নৰ উত্তৰ ঃ চুকাফা।

১৩.৯ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন ঃ

প্রশ্ন ১ ঃ জয়মতী কাব্যৰ প্রথম প্রবাহৰ প্রথম শ্লোকটো সংস্কৃতত মুখস্থ লিখক।

খ) চুটি প্রশ্ন ঃ (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ ভৰদেৱ ভাগতীদেৱৰ জীৱনৰ চমু পৰিচয় দাঙি ধৰক।

গ) ৰচনাধর্মী প্রশ্ন ঃ (৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ জয়মতী কাব্যৰ সাৰাংশ লিখক।

*** ***** ***

অধ্যায় ১৪ঃ বৃত্তমঞ্জৰী — এটি অৱলোকন

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য
১৪.২ পৰিচয়
১৪.৩ বৃত্তমঞ্জৰীৰ চমু পৰিচয়
১৪.৪ বৃত্তমঞ্জৰী ঃ শিৰোনামৰ তাৎপর্য্য
১৪.৫ বৃত্তমঞ্জৰীৰ অধ্যায়সমূহৰ আভাস
১৪.৬ বৃত্তমঞ্জৰীৰ বৈশিষ্ট্য
১৪.৭ বৃত্তমঞ্জৰীকাৰ ধীৰেশ্বৰাচার্য্যৰ জীৱন আৰু কৃতি
১৪.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৪.৯ অধিক জানিবলৈ
১৪.১০ অগ্রগতিৰ খতিয়ান
১৪.১১ আর্হি প্রশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- বৃত্তমঞ্জৰী গ্রন্থৰ পৰিচয় লাভ কৰিব পাৰিব
- বৃত্তমঞ্জৰীৰ ৰচয়িতা মহামহোপাধ্যায় ধীৰেশ্বৰাচার্য্যৰ জীৱন আৰু কৃতি জানিব পাৰিব
- বৃত্তমঞ্জৰী নামকৰণৰ তাৎপর্য্য বিষয়ে অবগত হ'ব পাৰিব
- গ্রন্থখনৰ অধ্যায়সমূহৰ বিষয়বস্তুৰ লগত চিনাকি হ'ব পাৰিব।

১৪.২ পৰিচয়

আপুনি ইতিমধ্যে সংস্কৃত ছন্দোশাস্ত্রৰ ইতিহাস আৰু ক্রমবিকাশৰ বিষয়ে অবগত হ'ল। ছন্দক বেদাংগ বুলি স্বীকাৰ কৰাৰ উপৰিও কবিতাৰ উপাদান হিচাপে এই বিষয়টো অলংকাৰশাস্ত্রৰ অন্তর্ভুক্ত কৰা দেখা যায়। শব্দার্থেৰে কবিতাৰ শৰীৰ গঠিত। সেই কাব্যশৰীৰৰ এবিধ উপাদান হৈছে ছন্দ। এই ছন্দ অলংকাৰশাস্ত্রৰ আলোচ্য বিষয় হ'লেও সংস্কৃত সাহিত্যৰ বিশাল ভাণ্ডাৰৰ অলেখ ছন্দোগ্রন্থ পৃথকে পৃথকে প্রণয়ন কৰা হৈছে। সেইবোৰৰ ভিতৰত অন্যতম হ'ল মহামহোপাধ্যায় ধীৰেশ্বৰাচার্য্য কবিৰত্নদেৱে ৰচনা কৰা বৃত্তমঞ্জৰী। এই গ্রন্থখনেই অসমত ৰচিত একমাত্র ছন্দঃশাস্ত্র।

১৪.৩ বৃত্তমঞ্জৰীৰ চমু পৰিচয়

এতিয়া আপুনি বৃত্তমঞ্জৰী গ্রন্থখনৰ বিষয়ে জানিব পাৰিব।

মহামহোপাধ্যায় ধীৰেশ্বৰাচার্য্যদেৱে বৃত্তমঞ্জৰী গ্রন্থখন ৰচনা কৰে। এই গ্রন্থপ্রণয়নৰ অন্তৰালত এটি মনোৰম

কাহিনী পোৱা যায়। তদানীন্তন যোৱহাট জিলাৰ আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ দত্তদেৱ গোস্বামীয়ে আচার্য্য ধীৰেশ্বৰক অনুৰোধ জনাইছিল যে মহাকবি কালিদাসৰ "শ্রুতবোধ' নামৰ ছন্দোশাস্ত্রখনৰ আৰ্হিত এখন নতুন সংস্কৃত ছন্দোশাস্ত্র ৰচনা কৰিব লাগে। কবিৰত্ন ধীৰেশ্বৰে তেতিয়া মহাকবি কালিদাসৰ শ্রুতবোধ নামৰ ছন্দোগ্রন্থত থকা ছন্দৰ লক্ষণবোৰৰ লগত কিছু লক্ষণ নিজাকৈ সংযোজন কৰি এখন গ্রন্থ লিখি উলিয়াই নাম দিলে— "বৃহচ্ছ্রুতবোধ"। সেই গ্রন্থখনৰ লেখক হিচাপে কালিদাসৰে নাম উল্লেখ কৰিলে। এই কার্য্যত দত্তদেৱ গোস্বামী অসন্তুষ্ট হ'ল। তেতিয়া ধীৰেশ্বৰাচার্য্যই সম্পূর্ণ নতুনকৈ এখন ছন্দঃশাস্ত্র প্রণয়ন কৰিলে। গ্রন্থখনৰ নাম থলে — 'বৃত্তমঞ্জৰী'। ১৮৮২ খ্রীষ্টাব্দত কলিকতাৰপৰা এই গ্রন্থখন প্রথমবাৰৰ বাবে প্রকাশিত হৈছিল। তেতিয়া কিন্তু সেই গ্রন্থখনত কোনো বৃত্তি বা ভাষ্য নাছিল। গতিকে ধীৰেশ্বৰাচার্য্যদেৱে এই গ্রন্থখনৰ এটি বৃত্তি (বা ভাষ্য বুলিব পাৰি) ৰচনা কৰে। ১৯৬১ চনত অসম চৰকাৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগে সম্পূর্ণ বৃত্তমঞ্জৰী গ্রন্থখন প্রকাশ কৰি উলিয়ায়।

১৪.৪ বৃত্তমঞ্জৰী ঃ শিৰোনামৰ তাৎপর্য্য

এতিয়া আপুনি 'বৃত্তমঞ্জৰী'— এই নামকৰণৰ উপযুক্ততা সম্পর্কে অবগত হ'ব।

'বৃত্ত' আৰু 'মঞ্জৰী'— এই দুটা শব্দেৰে 'বৃত্তমঞ্জৰী' পদটি গঠিত হৈছে। 'বৃত্ত' শব্দটি 'বৃৎ' ধাতুৰপৰা সৃষ্টি হোৱা। 'বৃত্ত' আৰু 'জাতি' নামেৰে লৌকিক ছন্দ দুভাগত বিভক্ত। অন্যহাতে 'বৃত্ত' শব্দটোৱে সংস্কৃত সাহিত্যৰ সকলোবোৰ ছন্দকেই সামগ্রকিভাৱে বুজায়। ইফালে উদ্ভিদবিজ্ঞান (Botany) ভাষাত 'মঞ্জৰী' শব্দটোৱে পুষ্পবিন্যাস (Spike) ক বুজায়। যেনে— ৰজনীগন্ধা ফুলৰ মঞ্জৰী। ৰজনীগন্ধা ফুলৰ এডাল ঠাৰিত ডাঙৰ সৰু বহু পুষ্প সজ্জিত হৈ থাকে। গতিকে বৃত্তমঞ্জৰী শব্দটোৱে ফুলৰ মঞ্জৰীৰ লেখীয়াকৈ বৃত্তৰ মঞ্জৰী অর্থাৎ ছন্দৰ সমষ্টিক বুজাইছে। ইয়াৰ উপৰিও সাহিত্যৰ দৃষ্টিত এই 'মঞ্জৰী' শব্দটোৰ ভিন্ন ভিন্ন প্রয়োগ দেখা যায়। এই শব্দটোৰ অইন এক আভিধানিক অর্থ হৈছে— গজালি, নৰাঙ্কুৰ (Shoot, Sprout)। প্রস্ফুটিত অংকুৰে যিদৰে নতুন সৃষ্টিৰ প্রতিশ্রুতি বহন কৰি পৃথিৰীৰ বুকুলৈ ওলাই আহে ঠিক সেইদৰে 'বৃত্তমঞ্জৰী' গ্রন্থখনো ছন্দঃশাস্ত্রৰ ক্ষেত্রখনত নতুন গজালি হিচাপে প্রকাশিত হৈছে। বৃত্তমঞ্জৰী যেন ছন্দৰ অভিনৱ সৃষ্টি। 'বৃত্তানি মঞ্জর্য্য ইৱ উপমানোত্তৰ পদকর্মধাৰয়।'

গ্রন্থখনৰ অধ্যায় বা উপ-অধ্যায়সমূহৰ নামকৰণো মন কৰিবলগীয়া। ৰচয়িতা ধীৰেশ্বৰাচার্য্যদেৱে ফুলৰ আকৃতিক হৃদয়ত আঁকি লৈহে যেন গ্রন্থখনৰ উপ-অধ্যায় (Sub-Chapter) বোৰৰ নাম ৰাখিছিল— 'কুসুম' অর্থাৎ ফুল (Flower)। তেনেদৰে অধ্যায় (Chapter) বোৰৰ নাম থৈছিল— 'স্তৱক' অর্থাৎ পুঞ্জ, কোছা, গুচ্ছ (bunch)। কেইবাটাও কুসুম লগ হৈহে এটি স্তৱক হৈছে; অর্থাৎ কেইবাটাও উপ-অধ্যায় লগ হৈ একো একোটা অধ্যায় হৈছে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ধীৰেশ্বৰাচার্য্যদেৱক ছন্দঃশাস্ত্র প্রণয়ন কৰিবলৈ কোনে অনুৰোধ কৰিছিল?

.....

.....

প্রশ্ন নং ২ ঃ 'বৃত্ত' শব্দটো কি ধাতুৰপৰা সৃষ্টি হৈছে?

.....

.....

প্ৰশ্ন নং ৩ ঃ বৃত্তমঞ্জৰী গ্ৰন্থৰ অধ্যায়বোৰৰ নাম কি?

.....

.....

জানি থোৱা ভাল

বৃত্তি = 'পৰাৰ্থাভিধানং বৃত্তিঃ'। পৰৰ অর্থ অভিধান কৰাই হ'ল বৃত্তি। অর্থাৎ সূত্ৰ বা কাৰিকাৰ শব্দবোৰৰ অর্থ বৃত্তিত ফঁহিয়াই দিয়া হয়। বৃত্তি গ্ৰন্থৰ উদাহৰণ— কাশিকাবৃত্তি।

ভাষ্য = ভাষ্যৰ লক্ষণ এনেদৰে দিছে—

সূত্ৰার্থো বর্ণ্যতে যত্ৰ বৰ্ণৈঃ সূত্ৰানুসাৰিভিঃ।

স্বপদানি চ বর্ণ্যন্তে ভাষ্যং ভাষ্যবিদো বিদুঃ।।

অর্থাৎ সূত্ৰক অনুসৰণ কৰি সূত্ৰৰ অর্থবোৰ বর্ণনা কৰা আৰু নিজৰ পদাৱলী বর্ণনা কৰা গ্ৰন্থকে ভাষ্য বোলা হয়। ভাষ্য গ্ৰন্থৰ উদাহৰণ — মহাভাষ্য।

১৪.৫ বৃত্তমঞ্জৰীৰ অধ্যায়সমূহৰ আভাস

আপুনি ইতিমধ্যে গম পালে যে বৃত্তমঞ্জৰী গ্ৰন্থখনৰ অধ্যায়বোৰৰ নাম হৈছে— স্তৱক। এই গ্ৰন্থখনত সর্বমুঠ ৭টা স্তৱক আছে। গ্ৰন্থখনৰ উপ-অধ্যায়বোৰৰ নাম হৈছে— কুসুম। অৱশ্যে প্ৰথম অধ্যায়ত থকা উপ-অধ্যায়বোৰক কুসুম বুলি অভিহিত কৰা নাই। এই প্ৰথম অধ্যায়ত ৩৩টা শ্লোকেৰে ধীৰেশ্বৰাচার্য্যদেৱে মংগলাচৰণ, নিজৰ বংশাৱলীৰ বর্ণনা, গ্ৰন্থখন ৰচনা কৰাৰ উদ্দেশ্য আদি দাঙি ধৰিছে। দ্বিতীয় অধ্যায়ত ৪টা কুসুম আছে— য'ত গ্ৰন্থকাৰে ছন্দৰ গুৰু আৰু লঘুবর্ণ চিনাক্ত কৰা নিয়ম, ছন্দোবিষয়ক পৰিভাষা, যতি তথা অন্যান্য সাধাৰণ বিষয়সমূহ আলোচনা কৰিছে। শ্ৰুতবোধ গ্ৰন্থৰ ৰচয়িতা কালিদাসৰ প্ৰতি এনেদৰে অভিবাদন জনাইছে—

যস্য নাম ৰসনাং কলাৱতী সাভিলাষমধিৰুহ্য ভাৰতী।

নৃত্যতি স্ম তমহং মহাকবি কালিদাসমভিবাদয়ে মুদা।।

তৃতীয় স্তৱকত ২৭ টা কুসুম আছে। এইবোৰৰ ২৬ নং কুসুমলৈ সমবৃত্তৰ কথা আলোচনা কৰা হৈছে। ২৭ নং কুসুমত দণ্ডক নামৰ ছন্দৰ বিষয়ে চর্চা হৈছে। চতুর্থ স্তৱকত আলোচ্য বিষয় অর্ধসমবৃত্ত। পঞ্চম স্তৱকত বিষমবৃত্তৰ আলোচনা আছে। ষষ্ঠ স্তৱকত জাতি শ্ৰেণীৰ ছন্দোবিৱৰণ বিৰাজমান। সপ্তম স্তৱকত প্ৰস্তাৰ ছন্দৰ সুদীর্ঘ আলোচনা আছে।

১৪.৬ বৃত্তমঞ্জৰীৰ বৈশিষ্ট্য

ধীৰেশ্বৰাচার্য্যদেৱে প্ৰণয়ন কৰা 'বৃত্তমঞ্জৰী' গ্ৰন্থখন বৈশিষ্ট্যপূর্ণ। প্ৰথম কথা এইখন হ'ল অসমত ৰচিত হোৱা একমাত্ৰ ছন্দোগ্ৰন্থ। যদিও পিংগলাচার্য্যক ছন্দঃশাস্ত্ৰৰ বাটকটীয়া হিচাপে মানি অহা হৈছে তথাপি বৃত্তমঞ্জৰীকাৰে মহাকবি কালিদাসৰ শ্ৰুতবোধ গ্ৰন্থক অনুসৰণ কৰিহে নিজৰ বৃত্তমঞ্জৰী ৰচনা কৰিছিল। 'শ্ৰুতবোধ' গ্ৰন্থৰ আর্হিত ৰচনা কৰা বাবে বৃত্তমঞ্জৰীৰ ছন্দৰ সংজ্ঞাবোৰ সূত্ৰৰীতিত নহৈ পদ্যৰীতিতহে হৈছে। অর্থাৎ পিঙ্গলাচার্য্যৰ ছন্দঃসূত্ৰ, গংগাদাসৰ ছন্দোমঞ্জৰী আদি গ্ৰন্থত থকা ছন্দৰ লক্ষণবোৰ গণৰ সহায়েৰে সূত্ৰ বা কাৰিকা আকৃতিত ৰচিত হৈছে। বৃত্তমঞ্জৰীত কিন্তু লঘুবর্ণ আৰু গুৰুবর্ণ স্থান উল্লেখ কৰি গণৰ সহায় নোলোৱাকৈ ছন্দৰ লক্ষণ নিৰূপণ কৰা হৈছে। এয়া বৃত্তমঞ্জৰী অন্যতম বৈশিষ্ট্য।

১৪.৭ বৃত্তমঞ্জৰীকাৰ ধীৰেশ্বৰাচার্য্যৰ জীৱন আৰু কৃতি

ধীৰেশ্বৰাচার্য্যৰ সম্পূর্ণ নাম আছিল— ধীৰেশ্বৰ ভট্টাচার্য্য। তদানীন্তন চৰকাৰে ১৯১০খ্ৰীষ্টাব্দৰ ১জুলাই তাৰিখে তেওঁক 'মহামহোপাধ্যায়' উপাধি প্রদান কৰিছিল। ১৯৬১ খ্ৰীষ্টাব্দত অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগে প্রকাশ কৰি উলিওৱা বৃত্তমঞ্জৰী গ্রন্থখনত লেখক হিচাপে 'মহামহোপাধ্যায় ধীৰেশ্বৰাচার্য্য কবিৰত্ন' বুলি নামটো উপাধিৰে সৈতে সন্নিৰিষ্ট কৰিছিল। ধীৰেশ্বৰাচার্যৰৰ জন্ম হৈছিল ১৮৫১ খ্ৰীষ্টাব্দত বর্তমান অসমৰ নলবাৰী জিলাৰ অন্তর্গত আঠঘৰীয়া গাঁৱত। তেওঁৰ দেউতাকৰ নাম আছিল— কেশৱাচার্য্য আৰু মাকৰ নাম আছিল— চন্দ্রপ্রভা দেৱী। ধীৰেশ্বৰাচার্য্যই তেওঁৰ গোত্রপ্রৱর্ত্তক পূর্বপুৰুষ হিচাপে নৈষধচৰিত মহাকাব্যৰ ৰচয়িতা শ্রীহর্ষৰ নামোল্লেখ কৰিছে। এই কথা তেওঁ ৰচনা কৰা "আচার্যগীতি প্রৱন্ধ"ত উল্লেখ আছে।

নলবাৰী জিলাৰ নাগাৰকুছি নামেৰে গাঁৱত মোমায়েক ৰমাকান্ত উপাধ্যায়ৰ সংস্কৃত টোলত ধীৰেশ্বৰাচার্যই বিদ্যাশিক্ষা আৰম্ভ কৰে। তাৰপিছত ক্রমে শুৱালকুচি টোলত বাসুদেৱ উপাধ্যায়ৰ তত্ত্বাৱধানত পঢ়াশুনা কৰি শেষত কোচবিহাৰৰ মহামহোপাধ্যায় সিদ্ধান্ত বিদ্যাবাগীশৰ ওচৰত উচ্চ শিক্ষা গ্রহণ কৰে।

ধীৰেশ্বৰাচার্য্যদেৱে বিভিন্ন সংস্কৃত টোলত অধ্যাপক হিচাপে নিযুক্ত হৈছিল। তেওঁ পাণিনীয় ব্যাকৰণৰ চর্চাত বিশেষভাবে আত্মনিয়োগ কৰিছিল। ধীৰেশ্বৰাচার্য্যদেৱে সুললিত সংস্কৃতত কথা ক'ব পাৰিছিল। কথিত আছে যে কলিকতাৰ সংস্কৃত পৰিষদত এবাৰ তেওঁ ভূজঙ্গপ্রয়াত ছন্দত ভাষণ প্রদান কৰি সকলোকে মুগ্ধ কৰিছিল—

অমুস্যাং সভায়াং মমৈষা প্রতিজ্ঞা।
ভূজঙ্গপ্রয়াতং ৱিনা ৱাগ্‌ন ৱাচ্যা।।

ধীৰেশ্বৰাচার্য্যদেৱে কামৰূপ সংস্কৃত সঞ্জীৱনী সভাৰ সভাপতিৰ পদ অলংকৃত কৰিছিল। ১৯১৯ খ্ৰীষ্টাব্দত তেওঁ স্বগৃহত ইহলীলা সম্বৰণ কৰিছিল। 'বৃত্তমঞ্জৰী' গ্রন্থৰ উপৰিও তেওঁ ভালেমান প্রশস্তি, স্তৱ, গীতিকবিতা ৰচনা কৰিছিল। সেইবোৰৰ ভিতৰত — 'আচার্য্যগীতিপ্রৱন্ধ', 'গোপাললাস্যস্তোত্র', 'ৱামাষ্টক', 'পৰমেশ্বৰাষ্টক', 'কামাখ্যাষ্টক' ইত্যাদি।

১৪.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- বৃত্তমঞ্জৰী গ্রন্থখন কালিদাসৰ শ্রুতবোধৰ আর্হিত ৰচনা কৰা এখন ছন্দঃশাস্ত্র হিচাপে জানিলে।
- বৃত্তমঞ্জৰী গ্রন্থখনৰ বিষয়বস্তু সম্পর্কে জ্ঞান লাভ কৰিলে।
- বৃত্তমঞ্জৰী গ্রন্থৰ ৰচয়িতা মহামহোপাধ্যায় ধীৰেশ্বৰাচার্য্যৰ জীৱন আৰু কৃতিৰ বিষয়ে অবগত হ'ল।

১৪.৯ অধিক জানিবলৈ

১) ভট্টাচার্য্য, কামাখ্যাচৰণ ঃ *মহামহোপধ্যায় ধীৰেশ্বৰাচার্য* কামৰূপ অনুসন্ধান সমিতি, গুৱাহাটী-১৯৯৬।

২) Bhattacharyya, S : *Jottings on Sanskrit Metris,* Sanskrit College, Kolkata, 1963.

১৪.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ আউনীআটী সত্রৰ সত্রাধিকাৰ দত্তদেৱ গোস্বামীয়ে

২ নং প্রশ্নৰ উত্তৰ ঃ 'বৃৎ' ধাতুৰপৰা সৃষ্টি হৈছে।

৩ নং প্রশ্নৰ উত্তৰ ঃ স্তৱক।

১৪.১১ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন (৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ বৃত্তমঞ্জৰীত মুঠতে কিমানটা অধ্যায় আছে?

প্রশ্ন ২ ঃ ধীৱেশ্বৰাচার্য্যৰ জন্ম ক'ত হৈছিল?

খ) চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ ধীৱেশ্বৰাচার্য্যৰ বৃত্তমঞ্জৰীৰ বৈশিষ্ট্য কি?

প্রশ্ন ২ ঃ 'বৃত্তমঞ্জৰী'— এই শিৰোনামৰ তাৎপর্য্য কি?

গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ মহামহোপাধ্যায় ধীৱেশ্বৰাচার্য্যৰ জীৱন আৰু কৃতি সম্পর্কে আলোচনা কৰক।

*** ***** ***

প্ৰসংগ পুথি

- বসু, যোগীৰাজ, (১৯৭২), *বেদৰ পৰিচয়*, গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ।
- Thite, Ganesh Umakant, (1975). *Sacrifice in the Brahmana Texts*, Poona : University.
- Winternitz, M. (1962). *History of Indian Literature*, Vol. I, Calcutta.
- শৰ্মা, থানেশ্বৰ, (১৯৯৭), *বৈদিক সাহিত্যৰ ৰূপৰেখা*, গুৱাহাটী ঃ অসম বেদ বিদ্যালয়।
- শৰ্মা, থানেশ্বৰ, (২০০৭), *বেদৰ সৌৰভ*, পুৰণিগুদাম ঃ বৈদিক বচাৰ্চ এণ্ড গ্লবেল ষ্টাডি চেণ্টাৰ।
- সম্পাদক পণ্ডিত দুৰ্গাচৰণ সাংখ্য, *ঈশ, কেন, কঠ, উপনিষদ্* (১৩৭৪ বাংলা), বেদান্ত-কলিকতা ঃ তীৰ্থ দেব সাহিত্য কুটীৰ।
- *উপনিষদ—অখণ্ড সংস্কৰণ* (১৯৮৭ খৃষ্টাব্দ), কলিকতা ঃ হৰফ প্ৰকাশনী।
- ভদ্ৰ, শ্ৰীসুধেন্দু মোহন, *ঈশোপনিষদ্* গুৱাহাটী ঃ ছিটি প্ৰিণ্টাৰ্ছ এণ্ড পাব্লিছাৰ্ছ।
- শৰ্মা, থানেশ্বৰ, সংস্কৃত সাহিত্যৰ ইতিবৃত্ত, গুৱাহাটী চন্দ্ৰ প্ৰকাশ
- Chaubey, B. B., Vedanga Literature, Hoshiarpur: Katyayan Vaidik Sahitya Prakashan
- Niruktam, Srimadyaskamunipranitam [Kasyapaprajapatik[tanighantubhasyarkupam], ed. by M. M. Pandit, Mukunda Jha Sarma, Chowkhamba Sanskrit Pratisthan, Delhi, 1989.
- Josi, K. L. (Edt.) (2011); *The Visnu Puranam*; Parimal Publications, Delhi.
- ভাগৱতী, সুৰেণ (সম্পাদিত); (২০০৩), *বিষ্ণুপুৰাণ;* দত্তবৰুৱা পাবলিচিং কোঃ প্ৰাঃ লিঃ।
- শৰ্মা, ডঃ থানেশ্বৰ; *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত*; (২০১৫) চন্দ্ৰ প্ৰকাশ, গুৱাহাটী।
- শৰ্মাদলৈ, ডঃ হৰিনাথ; *ভাৰতকোষ* (২০০৮); সৰস্বতী কম্পিউটাৰ প্ৰেছ, নলবাৰী।
- Joshi, K. L; (edt.) 2011 *Vishnupurana*; Parimal Publications, Delhi.
- ভাগৱতী, সুৰেন (edt.) 2003, *শ্ৰীশ্ৰী বিষ্ণুপুৰাণ;* দত্তবৰুৱা পাব্লিচিং কোঃ প্ৰাঃ লিঃ, পানবজাৰ, গুৱাহাটী-১।
- Kumar, Dr, Pushpendra (Ed) (2009) *The Srimadbhavata Mahapuranam*, Eastern Book Linkers, Delhi, 110007.
- পোদ্দাৰ হনুমানপ্ৰসাদ (সম্পাদক) (২০১৫) *শ্ৰীশ্ৰী মদ্ভাগৱতমহাপুৰাণ, গীতাপ্ৰেম*, গোৰক্ষপুৰ।
- মহন্ত প্ৰেমকান্ত (১৯৯৩), *শ্ৰীমদ্ভাগৱত কথামৃত*, লয়ার্ছ বুক ষ্টল, গুৱাহাটী।
- কালিকাপুৰাণ, অনুবাদ দেবেন্দ্ৰ নাথ ভট্টাচার্য, বাণী মন্দিৰ, ২০০৮।
- শৰ্মা, ডঃ ৰামানন্দ (সম্পা) ঃ 'গীতগোৱিন্দম্' চৌখম্বা কৃষ্ণদাস অ'কাদমী, ৱাৰাণসী, ২০১৬
- কীথ, এ. বি ঃ A History of Sanskrit Literature; মতিলাল বানাৰসীদাস পাব্লিছাৰ্চ প্ৰাইভেট লিমিটেড, দিল্লী, ১৯৯৭।
- শৰ্মা, ডঃ থানেশ্বৰ ঃ সংস্কৃত সাহিত্যৰ ইতিবৃত্ত; চন্দ্ৰ প্ৰকাশ, গুৱাহাটী, ১৯৯৫
- উইনটাৰনিটছ্, এম্ ঃ A History of Indian Literature, Vol. III; মতিলাল বানাৰসীদাস পাব্লিছাৰ্চ প্ৰাইভেট লিমিটেড্, দিল্লী, ২০১৮।
- গোস্বামী, মালিনী (১৯৯৮); *অসমত সংস্কৃত চৰ্চাৰ ইতিহাস*, যোৰহাট, অসম সাহিত্য সভা।
- শৰ্মা, দীপক কুমাৰ (২০০৩); *অপাৰে কাব্যসংসাৰে*, নলবাৰী, কিতাপ ঘৰ।

- শর্মা, সত্যেন্দ্রনাথ (১৯৬২); *ৰূপকত্রয়ম্*, যোৰহাট, অসম সাহিত্য স ভা।
- গোস্বামী (ড°) ভাৰতী, বুজৰবৰুৱা, (ড°) কল্পিতা, (২০১২), *লৌহিত্য তীৰত সংস্কৃত চর্চা*, গুৱাহাটী ঃ চন্দ্র প্রকাশ।
- Barpujari, H. K. (1990); *The Comprehensive History of Assam*, Guwahati, Publication Board of Assam.
- Barua, B. K. (1969); *A Cultural History of Assam*, Vol. I, Guwahati, Bina Library.
- Barua, K. L. (1988); *Early History of Kamrupa*, Guwahati, Lawyers Book Stall.
- Shastri, B. N. (1998); *Sanskrit in Assam Through the Ages*, New Delhi, Rastriya Sanskrit Sansthan.
- গোস্বামী, মালিনী (১৯৯৮), অসমত সংস্কৃত চর্চাৰ ইতিহাস, যোৰহাট, অসম সাহিত্য সভা।
- গোস্বামী (ড°) ভাৰতী, বুজৰবৰুৱা (ড°) কল্পিতা, (২০১২), লৌহিত্য তীৰত সংস্কৃত চর্চা, গুৱাহাটী ঃ চন্দ্রপ্রকাশ।
- শর্মা (ড°) ৰাজেন্দ্র নাথ, অসম ৰাজ্যে সংস্কৃত চর্চা।
- Dutta, Dr. B B, and Singh, Dr. A N; *History of Hindu Mathematics Parts I and II* (Asia Publishing House, 1962).
- Dutta, Dr. B B : T*he Science of the Sulba* (University of Calcutta, 1932).
- Banerji, Haren Chandra, M. A., B. L.,*Colebrook'sTranslation of the Lilavati with notes*, (Thacker, Spink an Co. Calcutta, 1893).
- শর্মা, ডঃ দিলীপ, *অনূদিত ঃ লীলাৱতী* (অসম প্রকাশন পৰিষদ, ২০০৫)
- গোস্বামী, (ড°) মালিনী (১৯৯৮), অসমত সংস্কৃত চর্চাৰ ইতিহাস, যোৰহাট, অসম সাহিত্য সভা।
- গোস্বামী (ড°) ভাৰতী, বুজৰবৰুৱা, ড° কল্পিতা, (২০১২); লৌহিত্যতীৰত সংস্কৃত চর্চা, গুৱাহাটী, চন্দ্র প্রকাশ।
- দেউৰী, মিহিৰ, জানুৱাৰী (২০১৮); প্রকাশ, গুৱাহাটী, অসম প্রকাশন পৰিষদ।
- Shastri, B.N. (1998); Sanskrit in Assam Through the Ages, New Delhi, Rastriya Sanskrit Sansthan.
- শাস্ত্রী, (ড°) বিশ্বনাৰায়ণ (১৯৯৪); অবিনাশী, গুৱাহাটী, মঞ্জুশ্রী প্রকাশন।
- শর্মা, ড° দীপক কুমাৰ, *ভৱদেৱ ভাগৱতী ৰচিত সতী জয়মতী,* নলবাৰী ঃ কিতাপ ঘৰ।
- ভট্টাচার্য্য, কামাখ্যাচৰণ ঃ *মহামহোপধ্যায় ধীৰেশ্বৰাচার্য* কামৰূপ অনুসন্ধান সমিতি, গুৱাহাটী-১৯৯৬।
- Bhattacharyya, S : *Jottings on Sanskrit Metris,* Sanskrit College, Kolkata, 1963.

*** ***** ***